জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

'দৈনিক অসম' সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সন্মুখীন হোৱা যিকোনো সমস্যাৰ বাবে অনুগ্ৰহ কৰি এই ফোন নম্বৰত যোগাযোগ কৰক— ৭০০২৩ ১৭০৪০

RN-11989/65 । ৬১ বছৰ । ১৯৩ সংখ্যা, ৬ ফাগুন, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 193। GUWAHATI, THURSDAY, FEBRUARY 19, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)



সত্যমেৱ জয়তে
অসম চৰকাৰ
উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ

জনতাৰ চৰকাৰ | my GOV मेरी सरकार



যুৱ সবলীকৰণেৰে
আত্মনিৰ্ভৰ অসম নিৰ্মাণ

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ
প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ অনুষ্ঠান

কাছাৰ | শ্ৰীভূমি | হাইলাকান্দি

মুখ্য অতিথি
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

গৌৰৱময় উপস্থিতি

শ্ৰীবিমল বড়া
মন্ত্ৰী, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান ইত্যাদি বিভাগ, অসম

শ্ৰীজয়ন্ত মল্লবৰুৱা
মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগ, অসম
তথা অভিভাৱক মন্ত্ৰী, কাছাৰ জিলা

শ্ৰীকৌশিক ৰায়
মন্ত্ৰী, বৰাক উপত্যকা উন্নয়ন ইত্যাদি বিভাগ, অসম
তথা অভিভাৱক মন্ত্ৰী, শ্ৰীভূমি জিলা

শ্ৰীকৃষ্ণেন্দু পাল
মন্ত্ৰী, পশুপালন আৰু পশু চিকিৎসা ইত্যাদি বিভাগ, অসম
তথা অভিভাৱক মন্ত্ৰী, হাইলাকান্দি জিলা

২০ ফেব্ৰুৱাৰী ২০২৬ | দিনৰ ২:০০ বজা | আই এছ বি টি, ৰামনগৰ, শিলচৰ

আৰ্থিক সাহায্য

সাধাৰণ শাখা
প্ৰতিগৰাকী ব্যক্তিলৈ
২ লাখ টকা
(৫০% অনুদান + ৫০% সুতবিহীন ঋণ)

বৃত্তিগত শাখা
(অভিযন্তা, এম বি বি এছ, বি ডি এছ আৰু অন্যান্য বৃত্তিগত পাঠ্যক্ৰম)
প্ৰতিগৰাকী ব্যক্তিলৈ
৫ লাখ টকা
(৫০% অনুদান + ৫০% সুতবিহীন ঋণ)

অতিৰিক্ত সহায়
দক্ষতা বিকাশ কাৰ্যসূচী
বিপণনৰ সুবিধা

উপকৃত ব্যক্তি

| জিলা | সম্ভাব্য উদ্যোগীৰ সংখ্যা (গৰাকী) |
|---|---|
| কাছাৰ | ৩,৭০২ |
| শ্ৰীভূমি | ২,৩৯২ |
| হাইলাকান্দি | ১,১৭৯ |
| মুঠ | ৭,২৭৩ |

বৃত্তিগত শাখা: ১২
সাধাৰণ শাখা: ৭,২৬১

মুকলি কৰিবলগীয়া মুঠ ধনৰাশি
৭২ কোটি টকা+

ৰাজ্যজুৰি সম্ভাব্য উদ্যোগী
সাধাৰণ শাখা: ৭৪,২৩৮
বৃত্তিগত শাখা: ২০৬
মুঠ সম্ভাব্য উদ্যোগীৰ সংখ্যা (গৰাকী)
৭৪,৪৪৪

মুকলি কৰিবলগীয়া মুঠ পুঁজি
১,৪৯৫ কোটি টকা+

প্ৰয়োজনীয় নথি-পত্ৰ

নিম্নোল্লিখিত যিকোনো এখন মূল ফটো পৰিচয়-পত্ৰ

- পান কাৰ্ড / আধাৰ কাৰ্ড / ভোটাৰ আই ডি / পাছপোৰ্ট / ড্ৰাইভিং লাইচেঞ্চ / ফটোৰ সৈতে ৰেচন কাৰ্ড
- চৰকাৰী স্বীকৃতিপ্ৰাপ্ত শিক্ষানুষ্ঠানৰ পৰা লাভ কৰা ঠিকনাৰ প্ৰমাণ-পত্ৰ (ফটোসহ)
- গাঁও পঞ্চায়তৰ প্ৰধান বা সমপৰ্যায়ৰ কৰ্তৃপক্ষই প্ৰদান কৰা পৰিচয় প্ৰমাণ-পত্ৰ (ফটোসহ)
- ফটোসহ ডাকঘৰ বা আন কোনো তালিকাভুক্ত বেংকৰ বৰ্তমানৰ পাছবুক

চি এম এ এ এ প'ৰ্টেলৰ পৰা সংগ্ৰহ কৰা আবেদন-পত্ৰৰ প্ৰতিলিপি

DIPR/D/DA/748/19-Feb-26

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

# ২০ ফেব্ৰুৱাৰীত কাছাৰৰ কাটিগড়ালৈ আহিব অমিত শ্বাহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিলচৰ, ১৮ ফেব্ৰুৱাৰী ঃ** কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ প্ৰথমবাৰৰ বাবে কাছাৰ জিলাৰ কাটিগড়া সমষ্টিৰ ভাৰত-বাংলাদেশ সীমাৰৱৰ্তী নাতানপুৰ ভ্ৰমণলৈ আহিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা তেওঁৰ ভ্ৰমণসংগী হ'ব। গৃহমন্ত্ৰী অমিত শ্বাহে ভাইব্ৰেণ্ট ভিলেজ প্ৰগ্ৰেমৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাছাৰ জিলাৰ কাটিগড়াৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাতানপুৰ গাঁও ভ্ৰমণ কৰিব। স্বাধীনতাৰ পাছত এই অঞ্চললৈ কোনো শীৰ্ষনেতাৰ এয়াই প্ৰথম ভ্ৰমণ। উক্ত ভ্ৰমণৰ বাবে নাতানপুৰ গাঁওখন সজাই তোলা হৈছে আৰু নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ 'ভাইব্ৰেন্ট ভিলেজ প্ৰগ্ৰেম' মূলতঃ সীমান্তৱৰ্তী অঞ্চলৰ উন্নয়নৰ বাবে অতি গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ইতিমধ্যে বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰয়, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অনুষ্ঠানথলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লৈছে। গৃহমন্ত্ৰীগৰাকীয়ে নাতানপুৰত এক বিশাল জনসভাক সম্বোধন কৰাৰ কথা আছে। ইয়াত প্ৰায় ৫০,০০০ লোকৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। তেওঁ বি এছ এফৰ দ্বাৰা আয়োজিত এক কাৰ্যসূচীতো অংশ ল'ব।

# এ পি এছ চিৰ ফলাফলত অসন্তুষ্ট কাকপথাৰৰ অৰিন্দম

## ■ সহকাৰী হিচাপ পৰীক্ষক পদত প্ৰথম ফলাফলত উত্তীৰ্ণ হৈছিল মেধাৱী ছাত্ৰজন ■

**দৈনিক অসমৰ প্ৰতিনিধি**

**কাকপথাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলৰ বিসংগতিক কেন্দ্ৰ কৰি কাকপথাৰত ব্যাপক ক্ষোভ আৰু অসন্তুষ্টিৰ সৃষ্টি হৈছে। ফলাফলৰ বিসংগতিৰ বলি হ'ব লগা হ'ল কাকপথাৰৰ অৰিন্দম ফুকন নামৰ এগৰাকী মেধাৱী ছাত্ৰ। সোমবাৰে প্ৰকাশ কৰা অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ ফলাফলৰ তালিকাত সহকাৰী হিচাপ পৰীক্ষক বিষয়া পদৰ পৰীক্ষাৰ্থী অৰিন্দম ফুকন উত্তীৰ্ণ হোৱা বুলি প্ৰকাশ পাইছিল। কিন্তু মটক আৰু মৰাণ জনগোষ্ঠীৰ সংৰক্ষিত আসন সন্দৰ্ভত উদ্ভৱ হোৱা বিতৰ্কৰ বাবে ফলাফল বাতিল কৰি পুনৰ শুধৰণি কৰি মঙলবাৰে প্ৰকাশ কৰা হয় ফলাফল। পাছৰখন তালিকাত অৰিন্দম ফুকনৰ নাম নেদেখি পৰীক্ষাৰ্থীগৰাকীৰ লগতে পৰিয়াল হতচকিত হৈ পৰে। সোমবাৰে উত্তীৰ্ণ হোৱা ছাত্ৰজনৰ বাসগৃহত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছিল, চুবুৰীয়াৰ সৈতে লগে-ভাগে এসাঁজ খাই আনন্দ উদ্‌যাপন কৰা হয় । কিন্তু পৰৱৰ্তী দিনা নিৰাশাজনক ফলাফল লাভ কৰাৰ পাছতে অৰিন্দমৰ ঘৰখনত মৌনতা বিৰাজ কৰে। এনে অদ্ভুত কাণ্ডত আশ্চৰ্য প্ৰকাশ কৰি অৰিন্দম ফুকনে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু লোকসেৱা আয়োগলৈ পুনৰীক্ষণ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। সমান্তৰালকৈ অহোম উন্নয়ন পৰিষদৰ জলপানি লাভ কৰি লোকসেৱা আয়োগৰ বাছনি পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা অৰিন্দমে আহোম জনগোষ্ঠীয় সংগঠনসমূহক এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে কাকপথাৰ মাইথং গাঁৱৰ বাসিন্দা তথা শদিয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰতিষ্ঠাপক অধ্যক্ষ কীৰ্তি ফুকনৰ পুত্ৰ অৰিন্দম ফুকন গুৱাহাটী কমাৰ্চ কলেজ ছাত্ৰ একতা সভাৰ ২০১৯-২০ বৰ্ষৰ সাধাৰণ সম্পাদক ৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। অৰিন্দম ফুকনে আয়োগৰ এনে কাণ্ডই পৰীক্ষাৰ্থীসকলক স্বাভাৱিকতে আশাহত কৰে বুলি খেদ প্ৰকাশ কৰিছে।

**সংশোধিত ফলাফলৰ তালিকাত নাম নোলোৱাত ক্ষুব্ধ পৰীক্ষাৰ্থী**



# চামগুৰিত পথ দুৰ্ঘটনাত নিহত এজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**পুৰণিগুদাম, ১৮ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া অঞ্চলত আজি পুৱা সংঘটিত পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। জানিব পৰা মতে শিৰস্থান পাঘালি অঞ্চলৰ কাচেম আলী নামৰ লোকজনে আজি পুৱাৰ ভাগত বাইকেৰে নিজৰ ঘৰৰ পৰা কামলৈ গৈ থকা পথত চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ৰঙাগড়া চিমেণ্ট ফেক্টৰীৰ সমীপৰ পথত এ এছ-১২এএফ-৮৫৫০ নম্বৰৰ ক্ৰেটা বাহনখনে পিছফালৰ পৰা খুন্দা মাৰে। ফলত বাইক আৰোহীজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত আৰক্ষীৰ লগতে স্থানীয় লোকে সংকটজনক অৱস্থাত লোকজনক চিকিৎসালয়লৈ নিয়ে যদিও লোকজনৰ মৃত্যু হয়। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত চামগুৰি থানাৰ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাত নিহত লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে।

# প্ৰাক্তন অগপ নেতা পূৰ্ণকান্ত নাথৰ মৃত্যু

### ৰহাত শোকৰ ছাঁ



**দৈনিক অসমৰ প্ৰতিনিধি**

**নগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ বৰ্তমানৰ ৰহা সমষ্টিৰ অন্তৰ্গত ভালুকমাৰী নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক, অসম আন্দোলনৰ এগৰাকী সক্ৰিয় নেতা, প্ৰাক্তন অগপ নেতা পূৰ্ণকান্ত নাথৰ কালি সন্ধিয়া নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৯৬ বছৰ। অসম গণ পৰিষদ দলৰ কাকমাৰী আঞ্চলিকৰ প্ৰতিষ্ঠাপক সভাপতি তথা একেৰাহে ২৫ বছৰ সভাপতিৰ দায়িত্ব বহন কৰিছিল পূৰ্ণকান্ত নাথে। প্ৰয়াত পূৰ্ণকান্ত নাথে মৃত্যুৰ সময়ত দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, তিনিগৰাকী জীয়াৰী, কেইবাগৰাকীও নাতি-নাতিনীসহ অনেক গুণমুগ্ধ, শুভাকাংক্ষীক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত সমগ্ৰ কাকমাৰী-ভালুকমাৰী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে।

# শিক্ষানুষ্ঠান প্ৰাদেশিকীকৰণৰ প'ৰ্টেল মুকলি মুখ্যমন্ত্ৰীৰ



## ২০০০ চনৰ পূৰ্বে স্থাপিত স্কুলে কৰিব পাৰিব আবেদন

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠান আৰু কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ সেৱা প্ৰদেশিকীকৰণ প্ৰক্ৰিয়াটো অধিক মসৃণ কৰাৰ লক্ষ্যৰে আজি লোকসেৱা ভৱনত অনুষ্ঠিত এক কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই 'প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী' নামৰ এটা প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প'ৰ্টেলটো অসমৰ অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠান আৰু ইয়াত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰীসকলৰ সেৱা প্ৰাদেশিকীকৰণৰ আবেদনসমূহ দাখিল, পৰীক্ষণ আৰু প্ৰক্ৰিয়াকৰণ কৰিবলৈ তৈয়াৰ কৰা এটা কেন্দ্ৰীয় ডিজিটেল প্লেটফৰ্ম। 'অসম শিক্ষা (শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠানৰ পুনৰ সংগঠন) আইন, ২০১৭'ৰ শেহতীয়া সংশোধন অনুসৰি যোগ্য অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহে প্ৰাদেশিকীকৰণৰ বাবে এই প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। এই প'ৰ্টেলৰ জৰিয়তে অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠান আৰু ইয়াত কৰ্মৰত শিক্ষক আৰু আন কৰ্মচাৰীসকলৰ সেৱাৰ তথ্য সংগ্ৰহ কৰা হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়— প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী নামৰ প'ৰ্টেলটো অসমৰ প্ৰাদেশিকীকৰণ নোহোৱা শিক্ষানুষ্ঠান আৰু ইয়াত কৰ্মৰত শিক্ষক আৰু কৰ্মচাৰীসকলৰ পদ প্ৰাদেশিকীকৰণৰ বাবে আবেদন জনোৱাত সুবিধা প্ৰদান কৰিবলৈ প্ৰস্তুত কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয়— মই ৰাজ্যৰ শিক্ষামন্ত্ৰী হৈ থাকোঁতে প্ৰাদেশিকীকৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰি ২০১১ চনত ২১,৯৫৭গৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, ১৪,০৩৪গৰাকী মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আৰু ৩,১৮০গৰাকী মহাবিদ্যালয়ৰ শিক্ষকৰ সেৱা প্ৰদেশিকীকৰণ কৰিছিল। পৰৱৰ্তী সময়ত ২০১৭ চনত ৯,৮৯৭গৰাকী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, ৫,৩৪৫গৰাকী মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আৰু ১,৭৪৬গৰাকী মহাবিদ্যালয়ৰ শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ হৈছিল। তেওঁ কয়— তৃতীয় পৰ্যায়ত আজি প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী নামৰ প'ৰ্টেলটো আনুষ্ঠানিকভাৱে মুকলি কৰি প্ৰাদেশিকীকৰণৰ উদ্যোগ লোৱা হৈছে। এই প'ৰ্টেলত ২০০৬ চনৰ ১ জানুৱাৰীৰ আগতে স্থাপন হোৱা ৰাজ্যৰ অপ্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয়, উচ্চপ্ৰাথমিক বা মধ্য ইংৰাজী বিদ্যালয়, হাইস্কুল, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ডিগ্ৰী কলেজসমূহে ইয়াত কৰ্মৰত শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ পদ প্ৰদেশিকীকৰণৰ বাবে আবেদন কৰিব পাৰিব। আবেদনকাৰী শিক্ষানুষ্ঠানে শিক্ষানুষ্ঠানখনৰ স্বীকৃতি বা অনুমোদন পত্ৰ, ভূমি সংক্ৰান্তীয় নথি, শিক্ষক-কৰ্মচাৰীৰ নিযুক্তিপত্ৰ, যোগদানৰ ৰিপ'ৰ্ট আৰু শৈক্ষিক প্ৰমাণপত্ৰ, বিগত চাৰি বছৰৰ শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য আদি জমা দিব লাগিব। যোৱা ১৭ ফেব্ৰুৱাৰীত অসম বিধানসভাত বিত্তমন্ত্ৰীয়ে দাখিল কৰা লেখানুদানত 'গুৰুদক্ষিণা' নামৰ এখন আঁচনিৰ বাবে ধন ধাৰ্য কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত যিসকল শিক্ষক আৰু কৰ্মচাৰীৰ সেৱা কোনোপ্ৰকাৰে প্ৰাদেশিকীকৰণ কৰিব পৰা নাযাব, তেওঁলোকক বিত্তীয় সাহায্য দিয়া হ'ব। এই শিক্ষক-কৰ্মচাৰীসকলে আন চৰকাৰী চাকৰিৰ বাবে আবেদন কৰিলে তেওঁলোকক অতিৰিক্ত নম্বৰ দিয়াৰ ব্যৱস্থা কৰা হ'ব। অপ্ৰাদেশীকৃত বিদ্যালয়ৰ সমস্যাটো স্থায়ীভাৱে সমাধান কৰাত সকলোকে সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনায়। শিক্ষা আদি বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আদৰণী ভাষণ প্ৰদান কৰে। কাৰ্যসূচীত অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈন, বিদ্যালয় শিক্ষা বিভাগৰ সচিব এছ এন চৌধুৰী, মাধ্যমিক শিক্ষা, অসমৰ সঞ্চালক মমতা হোজাই প্ৰমুখ্যে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### অসম হাইস্কুল শিক্ষক সংস্থাৰ আদৰণি

অসম হাইস্কুল শিক্ষক সংস্থাৰ প্ৰতিষ্ঠাকালৰ পৰা অপ্ৰাদেশীকৃত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণ কৰিবলৈ কৰি অহা দাবীৰ প্ৰতি সঁহাৰি জনাই আজি প্ৰাদেশিকীকৰণৰ শেষ পৰ্যায়ত উপনীত হোৱাৰ লক্ষ্য ৰাখি প্ৰভিন্সিয়েলাইজেনচন মেনেজমেণ্ট ছিষ্টেম-১.০ নামৰ প'ৰ্টেল মুকলি কৰাত অসম হাইস্কুল শিক্ষক সংস্থাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক ধন্যবাদ জনাইছে। সংস্থাৰ ৰাজ্যিক সভাপতি সুনন্দ কলিতা, সম্পাদক ৰমেন দুৱৰা আৰু প্ৰচাৰ সম্পাদক ৰণজিৎ শইকীয়াই এক বিবৃতিত কয়— অসম হাইস্কুল শিক্ষক সংস্থাৰ ১৯৬৯ চনৰ প্ৰতিষ্ঠা কালৰে পৰা কৰি অহা দাবীৰ প্ৰতিপেক্ষিতত ১৯৯১, ১৯৯৫, ২০১৩, ২০১৭ আৰু ২০২১ জ্যেষ্ঠতা, প্ৰয়োজনীয়তা আৰু দক্ষতাৰ ভিত্তিত ২০০৩ বৰ্ষলৈকে দশম স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰে। যদিও অসম চৰকাৰে প্ৰাদেশিকীকৰণৰ বাবে প্ৰাদেশিকীকৰণ সংশোধনী আইন ২০১১, ২০১৭ আৰু ২০২১ প্ৰণয়ন কৰাত একাংশ বিদ্যালয় আৰু শিক্ষক-কৰ্মচাৰীৰ পদ বৰ্তমানেও প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰি যায়। উক্ত শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণ কৰাৰ বাবে অসম হাইস্কুল শিক্ষক সংস্থাৰ ৰাজ্যিক নেতৃত্বই কেইবাবাৰো মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, অসম চৰকাৰৰ শিক্ষা বিভাগৰ আয়ুক্ত সচিব, সঞ্চালিকাসকলৰ লগত কৰা আলোচনামৰ্মে অসম চৰকাৰে আজি গুৱাহাটী জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত সদৌ অসম কৰ্মচাৰী পৰিষদৰ ৰাজ্যিক নেতৃত্ব, অসমৰ শিক্ষক সংগঠনসমূহৰ প্ৰতিনিধিসকল আৰু শিক্ষা বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত 'প্ৰাদেশিকীকৰণ পৰিচালনা পদ্ধতি-১.০' নামৰ প'ৰ্টেল মুকলি কৰি প্ৰাদেশিকীকৰণৰ পথ প্ৰশস্ত কৰে। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰি ৰোৱা শিক্ষাগুৰুসকলক 'গুৰুদক্ষিণা' আঁচনিত সামৰি লোৱা হ'ব বুলি সদৰী কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বিশিষ্ট অতিথিৰূপে উপস্থিত থকা সভাখনত অসম হাইস্কুল শিক্ষক সংস্থাৰ হৈ ৰাজ্যিক সভাপতি সুনন্দ কলিতা, সম্পাদক ৰমেন দুৱৰা, উপ-সভাপতি নন্দেশ্বৰ বৰুৱা, পত্ৰিকা তথা প্ৰচাৰ সম্পাদক ৰণজিৎ শইকীয়া, সহকাৰী সম্পাদকত্ৰয় প্ৰসন্ন বৰুৱা, সত্য তালুকদাৰ, চাণক্য দাস, কাৰ্যালয় সম্পাদক মন্টু তালুকদাৰে অংশগ্ৰহণ কৰাৰ লগতে সংস্থাৰ সঁজাতী দলটোৱে অসমৰ শিক্ষা বিভাগৰ আয়ুক্ত সচিব এছ এন চৌধুৰী, মাধ্যমিক শিক্ষা সঞ্চালিকা মমতা হোজাইক সাক্ষাৎ কৰি সংস্থাৰ দাবী চনদৰ বিষয়ে আলোচনা কৰে।

**CORRIGENDUM**

With reference to the advertisement published in *Dainik Assam* dated 10-02-2026 for filling up of the post of Principal at D.K. College, Mirza at Point No.8 the **upper age limit of 55 years will be as on 01-01-2026 instead of 01-01-2025.**

President
Governing Body
D.K. College, Mirza

**PUBLIC NOTICE**

That my own land Patta No-142 Dag No-19 & Patta No-104 Dag No- 2, 3, 15, 18, 20 vill-Madhapur, Circle- Bajali, Dist-Bajali, where my name has been wrongly recorded as Indra Krishna Modak instead of Indra Modak S/o Debendra Modak.
DA/PN/564/1

That my own land Patta No-142 Dag No-19 & Patta No-104 Dag No- 2, 3, 15, 18, 20 vill-Madhapur, Circle- Bajali, Dist-Bajali, where my name has been wrongly recorded as Chandra Krishna Modak instead of Chandicharan Modak S/o Debendra Modak.
DA/PN/565/1

That my own land Patta No-142 Dag No-19 & Patta No-104 Dag No- 2, 3, 15, 18, 20 vill-Madhapur, Circle- Bajali, Dist-Bajali, where my name has been wrongly recorded as Swapan Krishna Modak instead of Swapan Modak S/o Debendra Modak.
DA/PN/566/1

That my own land Patta No-142 Dag No-19 & Patta No-104 Dag No- 2, 3, 15, 18, 20 vill-Madhapur, Circle- Bajali, Dist-Bajali, where my name has been wrongly recorded as Biplab Krishna Modak instead of Biplab Modak S/o Debendra (Mohan) Modak.
DA/PN/567/1

That my own land Patta No-142 Dag No-19 & Patta No-104 Dag No- 2, 3, 15, 18, 20 vill-Madhapur, Circle- Bajali, Dist-Bajali, where my name has been wrongly recorded as Madan Krishna Modak instead of Madan Mohan Modak S/O Debendra (Mohan) Modak.
DA/PN/568/1

I, Kalpana Boro age 33 yrs, Daughter of Lt. Kameswar Basumatary wife of Sumindra Boro, Resident of Bapuji Nagar, P.O.+P.S.-Noonmati, Ghy-20. The originally date of birth by school leaving certificate actual 01-02-1993. By mistake recorded in Aadhaar Card DOB is printed 11-10-1966 and Pan Card recorded 12-09-1986 instead of 01-02-1993. In Judicial Magistrate 1st Class SDJM(S)-ii, Kamrup (M) Guwahati Dt. on 17-02-2026.
DA/PN/561/1

I have changed my name from Md. Hafijur Rahman to Hafijur Rahman by an affidavit executed before the Judicial Magistrate First Class Kamrup(M) Guwahati. Date 18/02/26.
DA/PN/562/1

I, Upasana Hazarika w/o Jiten Hazarika Residing at Vill-Mudaigaon, P.O.-Bongaon, Dist-Majuli shall henceforth be known as Upasana Saikia as declared before the Notary Public Majuli Court Assam vide affidavit no 01/25 dtd 21/11/25. Upasana Hazarika and Upasana Saikia both are same and identical person.
DA/PN/563/1

## আজিৰ ৰাশিফল

**৬ ফাগুন, বৃহস্পতিবাৰ, ১৯ ফেব্ৰুৱাৰী**

**মেষ ঃ** সম্পত্তি লাভ। ভোগ বিলাস। আধ্যাত্মিক উন্নতি। বিষ-বেদনা, হঠাৎ নিম্নাংশত দৈহিক আঘাত গোপন শত্ৰুতাৰ কাৰক। স্বাস্থ্যৰ ক্ষেত্ৰত বিশেষভাৱে সচেতন হোৱাটো দৰকাৰ। আৰ্থিক সমস্যা দূৰ। নিবনুৱাসকলে কৰ্মপ্ৰাপ্তিত সফলতা লাভ কৰিব পাৰিব।

**বৃষ ঃ** শাৰীৰিক ক্লেশ। ব্যৱসায়, বিবাহ আদি শুভকৰ্ম পৰিচালনা কৰা ব্যৱসায়ীসকলে আৰ্থিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হ'ব। শত্ৰুৰ ভয়। স্বাস্থ্যৰ প্ৰতি আৰু ভাবধাৰাৰ প্ৰতি সচেতন হোৱাটো অতি আৱশ্যক। বিবাহ সম্বন্ধৰ ক্ষেত্ৰত শুভ আৰু বৈবাহিক জীৱনৰ ক্ষেত্ৰত শুভাশুভ মধ্যম।

**মিথুন ঃ** গীত-বাদ্যানুৰাগী আকস্মিক হানি হোৱাৰ সম্ভাৱনা আছে। স্বাস্থ্যজনিত সমস্যাৰ কাৰণে অশান্তি হ'ব। হানিকাৰক কৰ্মৰ লগত জড়িত হৈ থাকিব পাৰে। পাৰিবাৰিক পৰিস্থিতি বিশেষ ঠিক নহ'ব। আধ্যাত্মিকতাৰ ফালতো আপোনাৰ মন যাব। সংযম নহ'লে মামলা-মোকৰ্দমাৰ পৰা ভয় হ'ব।

**কৰ্কট ঃ** আশা পূৰ্ণ। আলহীৰ আগমন। আত্মীয়-স্বজনৰ ভয়। উদৰ যকৃৎ, অমাশয় ৰোগৰ কাৰক। মন উদ্বিগ্ন হৈ থাকিব। মন শান্ত ৰাখি অধ্যয়নৰ ক্ষেত্ৰত জোৰ দিলে শিক্ষাৰ ক্ষেত্ৰত শুভফল লাভ হ'ব। ধন-সম্পত্তি লাভ, শত্ৰুজয়ৰ কাৰক। অধিক পৰিশ্ৰম আৰু ব্যৱসায় বৃদ্ধি কৰিব। সকাৰাত্মক পৰিৱৰ্তন আহিব।

**সিংহ ঃ** ঋণ আদায়। শাৰীৰিক কষ্ট। শাৰীৰিক দিশত বহু অপায়-অমঙ্গলে আপোনাক ব্যতিব্যস্ত কৰিব। উদ্বিগ্নতা আৰু সামাজিক অস্থিৰতাই শিক্ষাৰ্থীৰ ক্ষেত্ৰত অথন্তৰে বিচলিত কৰিব। শুভ কাৰ্যত বিশেষ সফলতাৰ যোগ। বিভিন্ন পাৰিবাৰিক আৰু সামাজিক সমস্যাত ভাৰাক্ৰান্ত হোৱাৰ যোগ।

**কন্যা ঃ** আৰ্থিক ক্ষতি। হঠাৎ দুৰ্ঘটনাৰ ভয়। পদোন্নতি আদিৰ ক্ষেত্ৰত বাধাৰ কাৰক। অসৎ বন্ধুৰ প্ৰৰোচনাত ছাত্ৰ-ছাত্ৰীসকল বিপথগামী হোৱাৰ আশংকা। উচ্চ শিক্ষাৰ্থী, প্ৰতিযোগিতামূলক পৰীক্ষাৰ্থীৰ ক্ষেত্ৰত অনুকূল পৰিৱেশ লাভ কৰিব। কৰ্ম প্ৰতিষ্ঠানত অশুভ প্ৰভাৱ পৰিব পাৰে।

**তুলা ঃ** কণ্ঠতালুৰ ৰোগ। মোকৰ্দমাত জয়। আয়-উপাৰ্জন বৃদ্ধি আৰু ঐশ্বৰ্য-সম্পদ লাভ। শাৰীৰিক-মানসিক দিশত বহু সমস্যাৰ সন্মুখীন হ'ব পাৰে। মান-সন্মান বৃদ্ধি, সৌভাগ্য উদয়, গৃহোন্নতি, স্বাস্থ্যোন্নতি, ৰোগাৰোগ্যৰ যোগ। কাৰ্যত সুফল লাভ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে অশুভকাৰকতা ভোগ কৰিব।

**বৃশ্চিক ঃ** মানসিক অশান্তি। হঠাৎ শ্ৰীবৃদ্ধি। কৰ্মত অগ্ৰসৰ। স্বাস্থ্যৰ ক্ষেত্ৰত ভুল চিকিৎসাৰ বাবে সাৱধান থকা দৰকাৰ হ'ব। শিক্ষাৰ ক্ষেত্ৰত পৰিশ্ৰম অধিক হ'ব, কিন্তু শেষত সফলতা লাভ হ'ব। সতৰ্কতা অৱলম্বন নকৰিলে ব্যৱসায়ত লোকচান দেখা যাব। অগ্নি, অস্ত্ৰ, দুৰ্ঘটনাদিৰ ভয়। স্থান পৰিৱৰ্তন।

**ধনু ঃ** সাহায্য লাভ। ধন লাভ। বয়সস্থ জাতক-জাতিকাই বিবাহত মন মেলিব পাৰে। ধন প্ৰাপ্তি। আৰ্থিকভাৱে জৰ্জৰিত কৰিব পাৰে। কৰ্মত লাভ। বেহা-বেপাৰ আদিত লোকচানৰ সন্মুখীন হোৱাৰ আশংকা। অপবাদ-গ্লানি। ব্যৱসায়-বাণিজ্যৰ মাধ্যমত প্ৰতিষ্ঠা লাভৰ যোগ দেখা যায়।

**মকৰ ঃ** সম্পদ লাভ। শত্ৰুহানি। অপমানৰ ভয়। স্বাস্থ্যজনিত কাৰণত বিদ্যাহানি, বিদ্যাৰ প্ৰতি অমনোযোগিতা। সৰু-সুৰা বেমাৰ হ'ব পাৰে। প্ৰেম-প্ৰণয় সম্বন্ধ নিয়ন্ত্ৰণ ৰাখক। বিৰোধী আৰু প্ৰতিদ্বন্দ্বীয়ে ক্ষতি কৰাৰ চেষ্টা কৰিব। শত্ৰুক ভয় নকৰিলেও সাৱধান হৈ থকাটো ভাল।

**কুম্ভ ঃ** সমস্যা সমাধান। আয়-উপাৰ্জন বৃদ্ধি আৰু ঐশ্বৰ্য-সম্পদ লাভ ঘটাব। শাৰীৰিক-মানসিক দিশত বহু সমস্যাৰ সন্মুখীন হ'ব পাৰে। মান-সন্মান বৃদ্ধি, সৌভাগ্য উদয়, গৃহোন্নতি, স্বাস্থ্যোন্নতি, ৰোগাৰোগ্যৰ যোগ। কাৰ্যত সুফল লাভ কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলে অশুভ কাৰকতা ভোগ কৰিব।

**মীন ঃ** বিবাহৰ শুভ সময়। অৰ্থপ্ৰাপ্তি। উচ্চ শিক্ষাৰ্থীৰ মানসিক অশান্তি, শাৰীৰিক অসুস্থতা আৰু প্ৰতিকূল পৰিৱেশৰ ফলত সুফল লাভত বিঘ্নিত হ'ব। বিবাহপ্ৰাৰ্থীৰ বিবাহৰ নতুন যোগাযোগ বাঢ়িব। অৰ্থ ব্যয়, ঠগ-প্ৰৱঞ্চনাৰ বলি হ'ব পাৰে। কাৰ্য সিদ্ধি।

**বিজ্ঞাপন সেৱা**

'দৈনিক অসম'ত শ্ৰেণীবদ্ধ বিজ্ঞাপন

(**Classified Advertisement**)

প্ৰকাশৰ বাবে নিম্নোক্ত অনুমোদিত সংস্থাৰ ফোন নম্বৰত যোগাযোগ কৰিব পাৰে—

**97060 21101**

**98642 63627**

**0361-3244633** (কাৰ্যালয়)

# মুখ্যমন্ত্ৰীৰ অনুদানৰপৰা বঞ্চিত হাউলী ৰঙালী বিহু সন্মিলন

**দৈনিক অসমৰ প্ৰতিনিধি**

**হাউলী, ১৮ ফেব্ৰুৱাৰী ঃ** ১৯৭৮ চনৰ পৰা হাউলীত ৰঙালী বিহু উদ্‌যাপনৰ জৰিয়তে হাউলীৰ সাংস্কৃতিক আৰু সামগ্ৰিকভাৱে অসমৰ জাতীয় জীৱন সমৃদ্ধ কৰা সদৌ হাউলী ৰঙালী বিহু সন্মিলন সমিতিয়ে বৰপেটা জিলা প্ৰশাসনৰ একাংশ বিষয়া-কৰ্মচাৰীৰ চৰম অৱহেলা আৰু অনীহাৰ বাবে মুখ্যমন্ত্ৰীৰ আৰ্থিক অনুদানৰ পৰা বঞ্চিত হৈ থকা কাৰ্যই সমগ্ৰ হাউলী অঞ্চলৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া আৰু অসন্তুষ্টিৰ সৃষ্টি কৰিছে। সদৌ হাউলী ৰঙালী বিহু সন্মিলনৰ উপদেষ্টা যুগান্ত বায়নে জনোৱা মতে ১৯ জানুৱাৰীত হাউলী ৰঙালী বিহু সন্মিলনে বৰপেটা জিলা আয়ুক্তৰ হাতত দাখিল কৰা এখন স্মাৰক-পত্ৰযোগে উল্লেখ কৰা মতে ২০২২ চনত সন্মিলনে মুখ্যমন্ত্ৰীৰ এই অনুদান লাভ কৰিছিল, কিন্তু ২০২৩, '২৪ আৰু '২৫ বৰ্ষত একমাত্ৰ জিলা প্ৰশাসনৰ এচাম বিষয়া আৰু কৰ্মচাৰীৰ কুটিল ষড়যন্ত্ৰৰ বাবে সন্মিলন এনে অনুদানৰ পৰা বঞ্চিত হ'ব লগা হৈছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সদৌ হাউলী ৰঙালী বিহু সন্মিলনৰ সভাপতি ধৰণীধৰ দাস আৰু কাৰ্যকৰী সভাপতি অভয় বোথ্ৰা আৰু সম্পাদক ধনঞ্জয় দাস আৰু উৎপল ৰায়ে মুখ্যমন্ত্ৰীক বন্ধ হৈ থকা অনুদান মুকলি কৰি দিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে যোৱা ২০২৫ চনৰ ২৮ জানুৱাৰীত মুখ্যমন্ত্ৰীৰ হাউলী ভ্ৰমণৰ সময়ত বিহু সন্মিলনৰ পৰা বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ খোজোঁতে, সেই সময়ত উপস্থিত থকা এগৰাকী অতিৰিক্ত আয়ুক্তই বন্ধ হৈ থকা অনুদান মুকলি কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও পৰৱৰ্তী সময়ত সেই বিষয়াগৰাকীয়ে বিষয়টো এৰাই চলা কাৰ্যই ৰাইজক মনোকষ্ট দিছে।

## ■ কালিকান্ত নিউজ এজেন্সীৰ উদ্যোগ ■

# শিল্পী মামণি কলিতাক সম্বৰ্দ্ধনা



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰামপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটাৰে সন্মানিত শ্ৰেষ্ঠ নেপথ্য কণ্ঠশিল্পী মামণি কলিতাক আজি তেওঁৰ নহিৰাস্থিত বাসগৃহত দক্ষিণ কামৰূপৰ আগশাৰীৰ বাতৰিকাকত পৰিৱেশক ৰামপুৰ কালিকান্ত নিউজ এজেন্সীয়ে উষ্ম সম্বৰ্দ্ধনা জনায়। কণ্ঠশিল্পী মামণি কলিতাৰ নিজ গৃহত থকা ষ্টুডিঅ' প্লে-হাবত এজেন্সীৰ ফালৰ পৰা ফুলাম গামোচা, গ্ৰন্থৰ টোপোলা আৰু কলমেৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্দ্ধনা পৰ্বত কালিকান্ত নিউজ এজেন্সীৰ স্বত্বাধিকাৰী বিমল শৰ্মাৰ লগতে শুভাকাংক্ষী তথা অসম চৰকাৰৰ বিত্ত বিভাগৰ অৱসৰী উপ-গাণনিক বিষয়া মহেশ চন্দ্ৰ দাস, গীতিকাৰ তথা কবি মিলন মজুমদাৰ আৰু সচেতন লেখক তথা শিক্ষক প্ৰসেনজিৎ কলিতা উপস্থিত থাকে। উল্লেখযোগ্য যে কণ্ঠশিল্পী মামণি কলিতাক 'বুলু ফিল্ম' শীৰ্ষক চলচ্চিত্ৰত কণ্ঠদান কৰা গীতৰ বাবে ২০২১ বৰ্ষত প্ৰতিমা বৰুৱা পাণ্ডে বঁটাৰে সন্মানিত কৰা হৈছিল। অসম ৰাজ্যিক চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত অসমৰ মহামহিম ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ কেবিনেট মন্ত্ৰী বিমল বড়াকে ধৰি বহুসংখ্যক নেতৃস্থানীয় লোকে বঁটাসমূহ প্ৰদান কৰে।

## গুমৰাগ চঃমান, ঐনিতমৰ সুৰত মুখৰ মিচিং গাঁও

# জোনাইত উলহ-মালহেৰে আলি-আয়ে-লৃগাং উদ্‌যাপন



**দৈনিক অসমৰ প্ৰতিনিধি**

**জোনাই, ১৮ ফেব্ৰুৱাৰী ঃ** জোনাইৰ বিভিন্ন প্ৰান্তত আজি উলহ-মালহেৰে উদ্‌যাপন কৰিছে মিচিংসকলৰ হেঁপাহৰ কৃষিভিত্তিক জাতীয় উৎসৱ আলি-আয়ে-লৃগাং। গুমৰাগ, চঃমান নৃত্য আৰু ঐনিতমৰ সুৰত মুখৰ হৈ পৰে জোনাইৰ বিভিন্ন মিচিং বসতিপ্ৰধান গাঁওসমূহ। আজি পুৱাৰে পৰা মিচিং ডেকা-গাভৰু, আবাল-বৃদ্ধ-বনিতাই একেলগে উদ্‌যাপন কৰিছে অতিকৈ আপোন তথা মিচিংসকলৰ জাতীয় উৎসৱ আলি-আয়ে-লৃগাং। ফাগুনৰ প্ৰথম বুধবাৰ মিচিংসকলে শুভদিন বুলি বিশ্বাস কৰি আলি-আয়ে-লৃগাং উৎসৱ পালন কৰি আহিছে। মিচিং লোকসকলে আজিৰে পৰা পথাৰত সিঁচা শস্যক পোক-পৰুৱাই যাতে নষ্ট নকৰে তাৰ বাবে দঃঞিঃ পঃল (সূৰ্য-চন্দ্ৰ) কাৰ্চিং কাৰ্তাকক পৰম্পৰা ৰীতি-নীতিৰে প্ৰাৰ্থনা জনাই পথাৰত বীজ ৰোপণৰ কাৰ্য আৰম্ভ কৰে। মাঙ্গলিক কাৰ্যৰ (লৃঃদ) পাছতে মুৰংঘৰত একেলগে বহি পুৰাং আপিন, পুৰা গাহৰি মাংস, আদা, নহৰু, শুকান মাছৰ চাটনিৰ লগত পঃৰ আপঙৰ জুতি লয় বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, বোৱাৰী সকলোৱে। জোনাইৰ বিভিন্ন প্ৰান্তৰ লগতে ৰাংকপ দলুং, ৰুৱাদ দলুং, মিগৰ দলুং আদি গাঁৱতো আলি-আয়ে-লৃগাং অতি উলহ-মালহেৰে উদ্‌যাপন কৰিছে। পুৱাৰে পৰা গাঁৱৰ ডেকা-গাভৰু, বোৱাৰীৰ লগতে শিশুৰ পৰা বয়োজ্যেষ্ঠলৈ একেলগে উলহ-মালহেৰে উদ্‌যাপন কৰিছে আলি-আয়ে-লৃগাং। আজিৰে পৰা গুমৰাগ, চঃমান, ঐনিতম, কাবানেৰে মুখৰ হৈ পৰিছে মিচিং গাঁওসমূহ। তদুপৰি গালী মেচাকি, চিকাৰী, ৰোৱাদ দলং, আপ্লুন দলং, আগাম দলং, চমকং, লামনজান, অন্নপুৰ, ৰাউণ্ড, মিছামৰা, কাড়চুক, নামকিৰ, ডেকাপাম, লাইমেকুৰী, আমলক্ষী পাইত, তেলাম, ৰামধন, বৈকুণ্ঠপুৰ, মিলনপুৰ, বৰবালি, কেমি, মুৰ্কংচেলেক, আগাম দলুং, টাকিৰ দলুং, লেকু জেলম, বাহিৰ জোনাই, বিজয়পুৰ, মহমৰা, ছাংগা দলুং, শান্তিপুৰ আদি মিচিং বসতিপ্ৰধান গাঁওসমূহত অতি উলহ-মালহেৰে আলি-আয়ে-লৃগাং উৎসৱ পালন কৰা দেখা যায়।

ND24
newsdaily24.in
সৰ্বশ্ৰেষ্ঠ নহয়, সৰ্বোত্তমৰ দৌৰত

জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত
https://dainikasam.in

SPM IAS ACADEMY
SHAPING BRILLIANCE
194 SELECTIONS OUT OF
235 TOTAL SEATS IN APSC 2022
HIGHEST SELECTION BY ANY COACHING INSTITUTE
(Result Declared in January 2024)
Call: 70990 73112

RN-11989/65 । ৬১ বছৰ । ১৯৩ সংখ্যা, ৬ ফাগুন, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 193। GUWAHATI, THURSDAY, FEBRUARY 19, 2026 । পৃষ্ঠা ১৬ (Pages 16) ৯.০০ টকা (Rs. 9.00)

অসম চৰকাৰ
পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
Saras AAJEEVIKA
ভাৰতৰ বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোটৰ
সৃজন, সংস্কৃতি আৰু হস্তশিল্পৰ
সমাহাৰ উপভোগ কৰোঁ আহক
২৫০+ বিপণি
বিভিন্ন ৰাজ্যৰ ১০০+ বিপণি
ASOMI
চৰচ মেলা ২০২৫-২৬
২২ ফেব্ৰুৱাৰী - ৮ মাৰ্চ ২০২৬
গুৱাহাটী
মাজত মাত্ৰ ৩ দিন
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ
হস্তনিৰ্মিত সামগ্ৰীৰ বিশেষ বিপণি
অসম
মুগা আৰু এৰী হস্ততাঁত সামগ্ৰী
বাঁহ-বেত আৰু পানী মেটেকা সামগ্ৰী
টেৰাকোটা আৰু কাঠনিৰ্মিত সামগ্ৰী
হস্তনিৰ্মিত গহনা
পৰম্পৰাগত আৰু থলুৱা খাদ্য-সম্ভাৰ
অন্যান্য ৰাজ্য
কাঠনিৰ্মিত সামগ্ৰী আৰু কাৰ্পেট | মৃৎশিল্প আৰু টেৰাকোটা
খাদী আৰু কাশ্মীৰী হস্ততাঁত সামগ্ৰী | পৰম্পৰাগত গহনা
পৰম্পৰাগত আৰু থলুৱা খাদ্য সম্ভাৰ
DIPR/DF/DA/2020/19-Feb-26

**প্ৰথমবাৰৰ বাবে প্ৰতিটো ভোটকেন্দ্ৰৰপৰা ৱেবকাষ্ট কৰাৰ কথা ঘোষণা নিৰ্বাচন আয়োগৰ**

# বিহুক লক্ষ্য কৰিয়েই ৰাজ্যত হ'ব নিৰ্বাচন

**সকলো বিষয়াক কঠোৰভাৱে নিৰ্বাচনী নীতি-নিয়ম বলৱৎ কৰিবলৈ নিৰ্দেশ দিলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে**

**৩,৭১৬ ভোটকেন্দ্ৰ পৰিচালনা কৰিব কেৱল মহিলাই ■ ভুৱা বাতৰি, এ আইৰ প্ৰচাৰ নিৰীক্ষণৰ বাবে থাকিব বিশেষ গোট**


দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসম বিধানসভাৰ সমাগত নিৰ্বাচন ব'হাগ বিহুৰ আগত নে পাছত অনুষ্ঠিত কৰা হ'ব সেই বিষয় স্পষ্ট কৰা নাই যদিও অসমৰ সৰ্ববৃহৎ উৎসৱ ৰঙালী বিহুৰ তাৰিখৰ ওপৰতে নিৰ্বাচনৰ দিন নিৰ্ভৰ কৰিব বুলি নিৰ্বাচন ৬ পৃষ্ঠাত চাওক




## ৰাজ্যসভাৰ অসমৰ তিনিখন আসনৰ বাবে ১৬ মাৰ্চত ভোট গ্ৰহণ

**৯ এপ্ৰিলত কাৰ্যকাল অন্ত পৰিব ভুৱনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী, অজিত কুমাৰ ভূঞাৰ ■ ৯০ৰো অধিক বিধায়কৰ সমৰ্থনেৰে বিজেপি মিত্ৰজোঁটৰে সম্ভাৱনা বেছি**





দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অহা ১৬ মাৰ্চত দেশজুৰি অনুষ্ঠিত হ'ব ৰাজ্যসভাৰ নিৰ্বাচন। একেদিনাই অসমতো খালী হোৱা তিনিখন আসনৰ বাবে হ'ব প্ৰতিদ্বন্দ্বিতা। আজি নিৰ্বাচন আয়োগে এক বিবৃতিযোগে এই কথা সদৰি কৰে। বিবৃতিটোত আয়োগে ২ পৃষ্ঠাত চাওক

## কংগ্ৰেছ উদ্ধাৰৰ মন্ত্ৰণা লৈ আজি অসমলৈ আহিব প্ৰিয়ংকা গান্ধী

**৬ মাৰ্চৰ ভিতৰত ঘোষণা হ'ব ৮৬ সমষ্টিৰ প্ৰাৰ্থী তালিকা**



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** আভ্যন্তৰীণ কন্দলত জৰ্জৰিত কংগ্ৰেছক উদ্ধাৰৰ মন্ত্ৰণা লৈ কাইলৈ অসমলৈ আহিব প্ৰিয়ংকা গান্ধী। দুদিনীয়া ভ্ৰমণসূচীৰে ২ পৃষ্ঠাত চাওক

**২৭ বছৰত ২৯,৬৬৩জনক 'পুশ্বেক' পদ্ধতিৰে বিতাড়ন**

## ৰাজ্যত ১.৭০ লাখ অবৈধ বিদেশী চিনাক্ত ঃ ৩১,৫৯৩জনকহে বহিষ্কাৰ

**সদনত মন্ত্ৰী অতুল বৰাৰ তথ্য ঃ বাংলাদেশৰ আপত্তিৰ বাবে ৪.৩৫ কিলোমিটাৰ অংশ এতিয়াও উন্মুক্ত**



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** বিগত ৪০ বছৰত ৰাজ্যত ১ লাখ ৭০ হাজাৰ ৬৩৭জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে যদিও তাৰ ভিতৰত মাত্ৰ ৩১,৫৯৩জন লোককহে বহিষ্কাৰ কৰা হৈছে। ইয়াৰ ভিতৰত সৰ্বাধিক ৬ পৃষ্ঠাত চাওক

## কাইলৈ পুনৰ অসমলৈ অমিত শ্বাহ

**সোণাপুৰৰ কচুতলীত শিলান্যাস কৰিব দশম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ**



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ফেব্ৰুৱাৰীত অসমলৈ আহিব কেন্দ্ৰীয় ৬ পৃষ্ঠাত চাওক

**দলেই যদি চূড়ান্ত ব্যৱস্থা নলয়, মই কি কৰিব পাৰোঁ ঃ অধ্যক্ষ**

## দল ত্যাগ কৰা বিধায়কক বহিষ্কাৰৰ দাবীত উত্তাল সদন

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** সংবিধানৰ দশম অনুসূচী উলংঘা কৰি দলবিৰোধী কাৰ্যকলাপত লিপ্ত কংগ্ৰেছ বিধায়কসকলৰ বিৰুদ্ধে অধ্যক্ষই কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ প্ৰতিবাদত আজি কংগ্ৰেছ দলৰ সদস্যসকলে সদন ত্যাগ কৰে। আজি পুৱা সদন আৰম্ভ হোৱাৰ সময়ত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক ৬ পৃষ্ঠাত চাওক

**প্ৰতিবাদত সদন ত্যাগ কংগ্ৰেছৰ, সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ মতে হুইপ অমান্য কৰিলেহে পদ খাৰিজৰ কথা আহে**

**ডিব্ৰুগড়ত পৃষ্ঠাপ্ৰমুখ সন্মিলন ঃ প্ৰতিটো বুথৰপৰা ৫০ শতাংশ ভোট অনাৰ নিৰ্দেশ**

## অসমত ভোটবেংকৰ ৰাজনীতি কৰি আহিছে কংগ্ৰেছে ঃ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৮ ফেব্ৰুৱাৰী ঃ** '২৬ৰ বিধানসভা নিৰ্বাচনত ঐতিহাসিক বিজয়ৰ সূচনা হ'ব বিজেপি নেতৃত্বাধীন এনডিএৰ। বিজয়ৰ হেটট্ৰিক অৰ্জন কৰি অসমত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিব বিজেপিয়ে। উজনি অসমৰ অধিকাংশ আসনেই বিজেপিৰ দখলত থাকিব।— আজি ডিব্ৰুগড় মানকটা খেলপথাৰত অনুষ্ঠিত বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি এই মন্তব্য কৰিছে বিজেপিৰ ৬ পৃষ্ঠাত চাওক



## উপস্থিত থাকিব আছু-নেছ'ৰ নেতৃবৃন্দ আজি উচ্চতম ন্যায়ালয়ত 'কা'ৰ শুনানি

দৈনিক অসমৰ বাতৰি/প্ৰতিনিধি

**গুৱাহাটী/শিমলুগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** অসম তথা ভাৰতৰ ৬ পৃষ্ঠাত চাওক

## সদনত 'চুমা বাবা'ৰ প্ৰসংগ, দুই বিধায়কৰ তুমুল বাক-বিতণ্ডা




**অখিল গগৈৰ প্ৰশ্নত উত্তেজিত ৰূপজ্যোতি কুৰ্মী, অধ্যক্ষৰ হস্তক্ষেপ ■ বন বিভাগৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা বিজেপি বিধায়কৰ**

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** বিধানসভাৰ মজিয়াত আজি 'চুমা বাবা'ৰ প্ৰসংগক লৈ উত্তপ্ত হৈ পৰে পৰিস্থিতি। বিশেষকৈ শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ মন্তব্যত উত্তেজিত হৈ পৰা মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে উত্থাপন কৰে 'চুমা বাবা'ৰ প্ৰসংগ। উল্লেখ্য যে বাজেট অধিৱেশনৰ দ্বিতীয় দিনা বন বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সন্দৰ্ভত আলোচনা চলি থকাৰ মাজতে ৬ পৃষ্ঠাত চাওক

## বিধানসভাত মন্ত্ৰী চন্দ্ৰমোহনৰ ঘোষণা ৰাজ্যৰ বনাঞ্চলত ভৱিষ্যতে নচলে উচ্ছেদ অভিযান

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** ভৱিষ্যতে আৰু ৰাজ্যৰ বনাঞ্চলসমূহত নচলে উচ্ছেদ অভিযান। দেশৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ ভিত্তিত ৰাজ্যৰ জিলাই জিলাই জিলা আয়ুক্তৰ অধ্যক্ষতাত গঠন কৰা উচ্চ ক্ষমতাসম্পন্ন সমিতিৰ অনুমোদনৰ ভিত্তিতহে ৬ পৃষ্ঠাত চাওক

**'ধন পালে দেউতাৰ নামত ষ্টেডিয়াম নিৰ্মাণ কৰিম'**

## বিজেপিয়ে ৫০ কোটি টকা দিলে মই ৰাজহুৱাকৈ ল'বলৈ সাজু ঃ ভূপেন বৰা



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** 'বিজেপিয়ে যদি ৫০ কোটি টকা দিয়ে মই ল'ম। ৰাজহুৱাকৈ ল'বলৈও মই সাজু আছোঁ।'— এই মন্তব্য সদ্য কংগ্ৰেছত্যাগী নেতা ভূপেন বৰাৰ। কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰাৰ বাবে ৫০ কোটি টকা দিয়া ৬ পৃষ্ঠাত চাওক

**বিধায়ক মানৱ ডেকাক লগত লৈ বৰাৰ ঘৰত মন্ত্ৰী পীযূষ হাজৰিকা**

## শিৱসাগৰত জয়ী হোৱাটো বিজেপিৰ বাবে সহজ নহ'ব



**ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ ঘোষণা— তৃতীয়বাৰ বিজেপিৰ চৰকাৰ হ'লে ৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰা হ'ব**

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৮ ফেব্ৰুৱাৰী ঃ** বিজেপিৰ বাবে সহজ নহ'ব শিৱসাগৰ বিধানসভা সমষ্টি। ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অকপট স্বীকাৰোক্তি। উজনি অসমত বিজেপিৰ বাবে থকা দুৰ্বল সমষ্টিসমূহৰ ভিতৰত অন্যতম হিচাপে বিজেপিয়ে চিহ্নিত কৰিছে ২ পৃষ্ঠাত চাওক

### কাঁহুদী



— কেইটামান কংগ্ৰেছী নেতাৰ দৰে। কমলাৰ লগত নগেনৰ বহুদিনীয়া গোপন প্ৰেম। আজি তাই নগেনলৈ পলাই গ'ল!


## বিধায়ক ৰমাকান্তৰ দহ বছৰীয়া কাৰ্যকালত ভয়ংকৰ অনিয়ম-দুৰ্নীতিৰ তথ্য

**উন্নয়ন আঁচনি ৰূপায়ণৰ বিধায়কৰ খতিয়ান-আৰ টি আইৰ তথ্যৰ ব্যাপক অমিল ■ পথৰ কাষৰ গছত সেউজীয়া ৰং দিয়া, ৰাস্তাত পানী দিয়াৰ নামতো সৰকালে ২০ লাখ টকা**

**চৰকাৰ-প্ৰশাসনৰ নীৰৱতাত অসন্তুষ্ট মৰিগাঁৱৰ ৰাইজ**

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসমৰ পৰা দুৰ্নীতি-দুষ্কৃতি দূৰ কৰাৰ পণ লোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বিজেপি নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী-বিধায়কসকলে দুৰ্নীতি আৰু অনিয়মৰ ক্ষেত্ৰত গ্ৰহণ কৰা আপোচহীন স্থিতিৰ সময়তে শাসকীয় দলৰ দখলত থকা মৰিগাঁও বিধানসভা সমষ্টিৰ এক বিপৰীত ছবি পোহৰলৈ আহিছে। দুৰ্নীতিৰ বিৰুদ্ধে বিজেপি ২ পৃষ্ঠাত চাওক



**বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল**

## ৫৫ বছৰে অসমীয়া মানুহক অত্যাচাৰ কৰিলে কংগ্ৰেছে



**অবৈধ বাংলাদেশীক ৰক্ষণাবেক্ষণৰ বাবে আনিছিল আই এম ডি টি**

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড়, ১৮ ফেব্ৰুৱাৰী ঃ** ৫৫ বছৰে অসমীয়া মানুহক অত্যাচাৰ কৰিলে কংগ্ৰেছে। সেই কংগ্ৰেছে অসমীয়া মানুহৰ ওচৰত ভোট খোজাৰ নৈতিক অধিকাৰ নাই।— আজি ডিব্ৰুগড় মানকটা খেলপথাৰত অনুষ্ঠিত বিজেপিৰ পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি ৬ পৃষ্ঠাত চাওক

## আজিৰেপৰা ৰমজানৰ ৰোজা

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** কাইলৈৰ পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত আৰম্ভ হ'ব ৰমজানৰ ৰোজা। ভাৰতৰ বিভিন্ন প্ৰান্তৰ লগতে আজি উত্তৰ-পূৰ্ব আকাশত জোন দেখা পোৱাৰ লগে লগে এই কথা নিশ্চিত কৰে কেন্দ্ৰীয় হিলাল কমিটীয়ে। উল্লেখ্য যে কালিৰে পৰা ছৌদি আৰবত আৰম্ভ হৈছে ৰমজানৰ ৰোজা। কমিটীয়ে জানিবলৈ দিয়া মতে কাইলৈৰ পৰা ইছলাম ধৰ্মাৱলম্বী লোকসকলে এমাহ ধৰি উপবাসে থাকি পৰম করুণাময় আল্লাহৰ ওচৰত সেৱা প্ৰাৰ্থনা কৰিব। এই পবিত্ৰ ৰমজান মাহৰ অৰ্থ হৈছে আত্মসংযম আৰু আধ্যাত্মিকতা। ৰমজানৰ শেষত ঈদ-উল-ফিতৰ পালন কৰা হয়। কেন্দ্ৰীয় হিলাল কমিটী, অসমৰ সভাপতি মৌলানা শেখ ফখৰুদ্দিন আহমেদ কাছিমী আৰু সম্পাদকপ্ৰধান আলহাজ ইমদাদ হুছেইনে অসমবাসী ৰাইজলৈ ৰমজানৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে।



## বীণাপাণি ভট্টাচাৰ্যৰ মৃত্যু

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চেপ্তী গাঁও নিবাসী বীণাপাণি ভট্টাচাৰ্যৰ কালি নিশা ৯৩ বছৰ বয়সত মৃত্যু হয়। তেওঁ আছিল প্ৰখ্যাত স্বাধীনতা সংগ্ৰামী প্ৰয়াত যোগেন্দ্ৰ নাথ ভট্টাচাৰ্যৰ সহধৰ্মিণী। এগৰাকী স্বাধীনতা সেনানীৰ পত্নী হিচাপে বীণাপাণি ভট্টাচাৰ্যই স্বাধীনোত্তৰ ভাৰত তথা অসম চৰকাৰৰ ভালেসংখ্যক নেতাৰ সান্নিধ্য পাইছিল। বিমলা প্ৰসাদ চলিহা, লক্ষ্যধৰ চৌধুৰী আদি নেতাৰ সান্নিধ্যত তেওঁ খাদীৰ প্ৰসাৰ আৰু প্ৰচাৰৰ বাবে তৎপৰতা প্ৰদৰ্শন কৰিছিল। প্ৰণিধানযোগ্য যে তেওঁ কেন্দ্ৰীয় চৰকাৰৰ মুক্তিযুঁজাৰু পেন্সনৰ হিতাধিকাৰী হিচাপে বিবেচিত হৈ মৃত্যুৰ সময়লৈকে এই পেন্সন গ্ৰহণ কৰি আহিছিল। মৃত্যুৰ সময়ত তেওঁ একমাত্ৰ পুত্ৰ অনিল ভট্টাচাৰ্য আৰু চাৰিগৰাকী জীয়ৰীসহ ভালেকেইজন নাতি-নাতিনীক এৰি থৈ যায়। বীণাপাণি ভট্টাচাৰ্যৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# এপিএছচিত উজলিল কোকৰাঝাৰৰ পাঁচ প্ৰাৰ্থী

**বড়োভূমিত আনন্দৰ বন্যা**

**দৈনিক অসমৰ প্ৰতিনিধি**
**কোকৰাঝাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ সদ্য ঘোষিত পৰীক্ষাৰ ফলাফলত বিটিচিৰ কোকৰাঝাৰ জিলাৰ পৰা সফলতাৰে উজলিল পাঁচগৰাকীকৈ প্ৰাৰ্থী। ইয়াৰে সফলতা লাভ কৰা এগৰাকী প্ৰাৰ্থী হ'ল ক্ৰমে কোকৰাঝাৰ চহৰৰ সুভাষপল্লীৰ সৃষ্টি কাশ্যপ (এচিএছ), ধানাপাৰা নিবাসী ভিক্টৰ তালুকদাৰ (কৰ পৰিদৰ্শক), দোতমা বংশীগাঁৱৰ মুযুখা ব্ৰহ্ম (বিডিঅ') আৰু ফকিৰাগ্ৰাম শিঙিমাৰী ৰোজনিনা পাৰবিন (বিডিঅ') আৰু পৰ্বতঝোৰা মহকুমাৰ আলুপাৰাৰ হৰজিৎ বসুমতাৰী (বিডিঅ')। উল্লেখ্য যে কোকৰাঝাৰ চহৰৰ সুভাষপল্লীৰ সৃষ্টি কাশ্যপে অসম অসামৰিক সেৱাত (এচিএছ) ৩০ সংখ্যক স্থান লাভ কৰি কোকৰাঝাৰলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁ অধিবক্তা পিতৃ লক্ষণ বৰ্মন আৰু দুলুমণি বৰ্মনৰ একমাত্ৰ কন্যা। সৃষ্টি কাশ্যপে প্ৰথম প্ৰচেষ্টাতে সফলতা লাভ কৰিবলৈ সক্ষম হয়। সৃষ্টি কাশ্যপে কোকৰাঝাৰৰ ডনবস্ক' বিদ্যালয়ৰ পৰা উচ্চ আৰু উচ্চতৰ মাধ্যমিক সম্পূৰ্ণ কৰি পৰৱৰ্তী কোকৰাঝাৰ বিজ্ঞান মহাবিদ্যালয়ৰ পৰা ২০২২ চনত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে আৰু পাছত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পৰা প্ৰাণীবিজ্ঞান বিষয়ত ২০২৪ চনত স্নাতকোত্তৰ ডিগ্ৰী অৰ্জন কৰে। ইফালে কোকৰাঝাৰ চহৰৰ ধানাপাৰা নিবাসী ভিক্টৰ তালুকদাৰেও সদ্য ঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ কৰ পৰিদৰ্শক পৰীক্ষাত ২৪ সংখ্যক স্থানপ্ৰাপ্তিৰে জিলাখনলৈ সুনাম কঢ়িয়াই আনিছে। ভিক্টৰ তালুকদাৰ চহৰখনৰ ধানাপাৰা নিবাসী অমল তালুকদাৰৰ জ্যেষ্ঠ পুত্ৰ। উল্লেখ্য যে ভিক্টৰ তালুকদাৰে বিটিচি পৰিষদীয় চৰকাৰৰ দ্বাৰা আয়োজিত বড়োফা ছুপাৰ ফিফটি মিছনৰ অধীনত কোচিং কৰি সফলতা লাভ কৰিবলৈ সক্ষম হয়। উচ্চ মেধাসম্পন্ন ভিক্টৰ তালুকদাৰে জালুকবাৰীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ পৰা মেকানিকেল বিভাগত স্নাতক ডিগ্ৰী লাভ কৰি এপিএছচিৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাইছিল। আনপিনে জিলাখনৰ ফকিৰাগ্ৰামৰ শিঙিমাৰী নিবাসী আজিবৰ ৰহমান আৰু আছলিমা খাতুনৰ কন্যা ৰোজনিনা পাৰবিনে বিডিঅ'ত প্ৰথম স্থান লাভ কৰি ফকিৰাগ্ৰাম অঞ্চলৰ বাবে এক গৌৰৱ বুটলিবলৈ সক্ষম হৈছে। একেদৰে জিলাখনৰ দোতমাৰ বংশীগাঁৱৰ পৰা এপিএছচিত সুখ্যাতি কঢ়িয়াবলৈ সক্ষম হয় মুযুখা ব্ৰহ্মই। তেওঁ মানকেশ্বৰ ব্ৰহ্ম আৰু বেইমতি ব্ৰহ্মৰ সন্তান। আনপিনে জিলাখনৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত আলুপাৰা অঞ্চলৰ গৌৰৱ বুলি এপিএছচিৰ ঘোষিত পৰীক্ষাত উজলি সুনাম আনিবলৈ সক্ষম হৈছে হৰজিৎ বসুমতাৰীয়ে। তেওঁ এগৰাকী বিডিঅ' হিচাপে প্ৰতিষ্ঠা হোৱাত পিতৃ-মাতৃ অনন্ত বসুমতাৰী আৰু অঞ্জনা বসুমতাৰীৰ লগতে সমগ্ৰ গাঁওখন উৎফুল্লিত হৈছে।

## চানডুবিত জাতীয় অভিবৰ্তনৰ প্ৰস্তুতি

**দৈনিক অসমৰ প্ৰতিনিধি**
**পলাশবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** নিখিল ৰাভা জাতীয় পৰিষদৰ সভাপতি বাবুল চন্দ্ৰ ৰাভা আৰু মুখ্য সম্পাদক গোবিন্দ ৰাভাই বিজ্ঞপ্তিযোগে জনায় যে ১৯ৰ পৰা ২৩ জানুৱাৰীত ওদালগুৰি জিলাৰ পুৰণি টংলাত অনুষ্ঠিত শতবৰ্ষ অনুষ্ঠানৰ প্ৰতিনিধি সভাই গ্ৰহণ কৰা প্ৰস্তাৱসমূহ কাৰ্যকৰী কৰাৰ অৰ্থে ১৭ ফেব্ৰুৱাৰীত নিখিল ৰাভা জাতীয় পৰিষদৰ গুৱাহাটীৰ মুখ্য কাৰ্যালয়ত কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাৰ প্ৰস্তাৱমৰ্মে ২৮ ফেব্ৰুৱাৰী আৰু ১ মাৰ্চত নিখিল ৰাভা জাতীয় পৰিষদৰ কামৰূপ জিলা সমিতিৰ সহযোগত আৰু বৰদুৱাৰ ভোলাগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ উদ্যোগত অসমৰ ঐতিহাসিক পৰ্যটনস্থলী চানডুবিত দুদিনীয়া কাৰ্যসূচীৰে শতবৰ্ষ পালন কৰা হ'ব। সভাত গৃহীত প্ৰস্তাৱ প্ৰদান, সকলো শ্ৰেণীৰ ৰাইজৰ বাবে কিছু ধাৰা সংশোধন, অনাগত সময়ত ৰাভাসকলৰ ৰাজনৈতিক অধিকাৰৰ সিদ্ধান্ত, বন অধিকাৰ আইন ২০০৬ৰ আধাৰত সকলো শ্ৰেণীৰ ৰাইজৰ বাবে ভূমি পট্টা প্ৰদান, বিশেষভাৱে ৰাভা জাতিৰ স্ব-নিয়ন্ত্ৰণৰ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰি উক্ত প্ৰস্তাৱ তথা দাবীসমূহ চৰকাৰ তথা সংশ্লিষ্ট বিভাগৰ আগত বলিষ্ঠভাৱে উপস্থাপন কৰাৰ অৰ্থে এই জাতীয় অভিবৰ্তনখন অনুষ্ঠিত হ'ব।

### ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ প্ৰতি চৰকাৰৰ অৱহেলা

# দুবছৰতো প্ৰস্তুত হৈ নুঠিল প্ৰস্তাৱিত নতুন ভৱনৰ প্ৰাক্‌কলন

**দৈনিক অসমৰ প্ৰতিনিধি**
**ৰঙিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** প্ৰায় আঢ়ৈ দশক পূৰ্বে স্থাপন হোৱা ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ প্ৰতি চৰকাৰৰ সংশ্লিষ্ট বিভাগে অৱজ্ঞাৰ মনোভাব পোষণ কৰা বুলি অভিযোগ উত্থাপন কৰিছে ৰঙিয়া নাগৰিক মঞ্চই। উপযুক্ত আন্তঃগাঁথনি আৰু চিকিৎসকৰ অভাৱত নিতৌ চিকিৎসা গ্ৰহণৰ বাবে অহা ৰোগীয়ে জীয়াতু ভুগিবলগীয়া হৈছে চিকিৎসালয়খনত। এটা বিবৃতিত ৰঙিয়া নাগৰিক মঞ্চৰ সভাপতি তথা প্ৰাক্তন বিধায়ক অনন্ত ডেকা আৰু সাধাৰণ সম্পাদকদ্বয় মুকুট চৌধুৰী আৰু দীপেন চক্ৰৱৰ্তীয়ে ক্ষোভেৰে কয় যে অসম চৰকাৰে দুবছৰ পূৰ্বেই ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ তিনিমহলীয়া নতুন ভৱন নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগ (গৃহ)ক দায়িত্ব অৰ্পণ কৰিছিল যদিও আজিকোপতি এই দিশত বিভাগটোৱে কোনো পদক্ষেপেই গ্ৰহণ কৰা নাই। বিবৃতিত উল্লেখ কৰা অনুসৰি বিগত ২০২৪ চনৰ ১৭ জুলাইত লোকনিৰ্মাণ বিভাগ (গৃহ)ক ৭০ লাখ টকা ব্যয় সাপেক্ষ নতুন ভৱনটোৰ প্ৰাক্‌কলন প্ৰস্তুত কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছিল যদিও অতি ৰহস্যজনকভাৱে আজিপৰ্যন্ত বিভাগটো নীৰৱ হৈ থাকিল। তিনি মহলীয়া নতুন ভৱনটো নিৰ্মাণ হৈ নুঠাৰ ফলত চিকিৎসালয়খনৰ জৰাজীৰ্ণ ভৱনতে কোনোমতে জোৰা-টাপলি মাৰি চিকিৎসা সেৱা চলাই থাকিবলগীয়া হৈছে। যাৰফলত আনকি ৰঙিয়াৰ লগতে পাৰ্শ্বৱৰ্তী বৃহত্তৰ অঞ্চলৰ হাজাৰ হাজাৰ ৰোগীয়ে পৰ্যাপ্ত আৰু জৰুৰী চিকিৎসা সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। ৰঙিয়া নাগৰিক মঞ্চই বিবৃতিটোত কয় যে ২০০৭ চনত ৰঙিয়া সামূহিক স্বাস্থ্যকেন্দ্ৰক ৫০খন বিছনাযুক্ত ৰঙিয়া মহকুমা অসামৰিক চিকিৎসালয়লৈ উন্নীত কৰা হ'ল যদিও আজিৰ তাৰিখতো চিকিৎসালয়খনত ৫০খন বিছনা নাই। পুৰণি অসম আৰ্হিৰ গৃহ সম্বলিত চিকিৎসালয়খনত উপযুক্ত সা-সুবিধাযুক্ত কোঠা নথকা বাবেই চকুৰ অস্ত্ৰোপচাৰ কৰিব পৰা নাই। উপযুক্ত কোঠাৰ অভাৱত শিশুৰ ৰোগ নিৰাময়ৰ সৈতে জড়িত বিভিন্ন সা-সামগ্ৰীও আনকি চিকিৎসালয়খনত এনেয়ে পেলাই থ'বলগীয়া হৈছে। সেইদৰে চিকিৎসালয়খনত উপযুক্ত আন্তঃগাঁথনিৰ অভাৱৰ বাবেই আজিলৈকে আই চি ইউ কক্ষ স্থাপন কৰিব পৰা নাই। ৰঙিয়াবাসীয়ে এটা যুগ ধৰি চিকিৎসালয়খনত এটা ব্লাড বেংক স্থাপনৰ বাবে দাবী জনাই অহাৰ পাছতো আজিপৰ্যন্ত ব্লাড বেংক হৈ উঠা নাই। চিকিৎসালয়খনত আন্তঃগাঁথনিৰ অভাৱৰ সমান্তৰালভাৱে বিভিন্ন বিভাগৰ বিশেষজ্ঞ চিকিৎসকৰো অভাৱ। ৰঙিয়া নাগৰিক মঞ্চই এইক্ষেত্ৰত স্থানীয় বিধায়ক ভৱেশ কলিতা আৰু সাংসদ দিলীপ শইকীয়াক শীঘ্ৰে পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইফালে, ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ প্ৰস্তাৱিত তিনিমহলীয়া নতুন ভৱনৰ নিৰ্মাণ সংক্ৰান্তত শীঘ্ৰে কাৰ্যকৰী পদক্ষেপ গ্ৰহণৰ দাবী জনাই ৰঙিয়া নাগৰিক মঞ্চৰ সভাপতি অনন্ত ডেকা, সাধাৰণ সম্পাদকদ্বয় মুকুট চৌধুৰী আৰু দীপেন চক্ৰৱৰ্তী, সদস্য দ্বিজেন শৰ্মা আৰু নৱ কলিতাৰ নেতৃত্বত এটা সঁজাতী দলে আজি লোকনিৰ্মাণ বিভাগ (গৃহ)ৰ কাৰ্যবাহী অভিযন্তাৰ হাতত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

## শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ শপত গ্ৰহণ

**দৈনিক অসমৰ প্ৰতিনিধি**
**শিমলুগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ নৱনিৰ্বাচিত শিৱসাগৰ জিলা সমিতিৰ কাৰ্যভাৰ গ্ৰহণ আৰু শপত গ্ৰহণ অনুষ্ঠান আজি ডিমৌ শুকানপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত সম্পন্ন হয়। সংস্থাৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি কেশৱ চন্দ্ৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত জিলা সমিতিৰ প্ৰাক্তন সম্পাদক তোলন বেজবৰুৱা আৰু সদ্য প্ৰাক্তন জিলা সম্পাদক ৰূপজ্যোতি চেতিয়া, প্ৰাক্তন জিলা কাৰ্যনিৰ্বাহক সদস্য কৰুণা কোঁৱৰ আদিকে ধৰি সংস্থাৰ বহুকেইজন প্ৰাক্তন বিষয়ববীয়া উপস্থিত থাকে। উল্লেখ্য যে ২০২৫-২০২৭, ২০২৭-২০২৮ বৰ্ষৰ বাবে শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি হিচাপে কেশৱ চন্দ্ৰ দেউৰী, উপ-সভাপতি হিচাপে ক্ৰমে হীৰেন নেওগ, হৰেন লাহন, প্ৰসেনজিৎ বৰঠাকুৰ আৰু প্ৰজ্ঞান ফুকন, জিলা সম্পাদক হিচাপে দিপু পুৰী, সহঃ সম্পাদক হিচাপে প্ৰসেনজিৎ বৰগোহাঁই, শশাংক নাথ, মণিমালা চেতিয়া, ৰাজ্যিক সদস্য তৰুণ চেতিয়া, পৰীক্ষা বিভাগৰ সহঃ সম্পাদক হিচাপে পল্কু চেতিয়া পাতৰ, পত্ৰিকা সম্পাদক হিচাপে দেৱজিত শৰ্মা, শৈক্ষিক সম্পাদক হিচাপে ৰমেন বৰুৱা, সাংগঠনিক সম্পাদক হিচাপে প্ৰাঞ্জল বড়া, অচিন্ত মহন্ত, অৰুণ ৰাইডঙীয়া, কাৰ্যালয় সম্পাদক হিচাপে মঃ ইফতাকুৰ ৰহমান আৰু চাৰিজন সদস্যই কাৰ্যনিৰ্বাহ কৰিব। পূৰ্বৰ সমিতিয়ে নৱনিৰ্বাচিত সমিতিক কাৰ্যভাৰ হস্তান্তৰ কৰে।

## কৃষ্টিগুৰু প্ৰসন্ন পাম স্মৃতি দিৱস

**দৈনিক অসমৰ বাতৰি**
**দুধনৈ, ১৮ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইৰ অসম-মেঘালয় সীমান্তৰ মেন্দিপথাৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অহা ২০ ফেব্ৰুৱাৰীত দিনজোৰা বৰ্ণিল কাৰ্যসূচীৰে খাচ ৰাভা জামাতৰ কৃষ্টিগুৰু প্ৰসন্ন পাম স্মৃতি ৰক্ষা সমিতিৰ উদ্যোগত আৰু ৰংদান শাখাৰ সৌজন্যত 'কৃষ্টি গুৰু প্ৰসন্ন পামৰ স্মৃতি দিৱস' উদ্‌যাপন কৰা হ'ব। ৰাভা কৃষ্টি-সংস্কৃতিৰ ধ্বজাবাহক, ৰাভা জাতিৰ পথ প্ৰদৰ্শক, ৰাভা কৃষ্টিৰ একনিষ্ঠ সাধক, বহু চিৰ যুগমীয়া ৰাভা গীতৰ গীতিকাৰ, সুৰকাৰ, গায়ক, অভিনেতা, নাট্যকাৰ, ৰাভা জাতিৰ জাতীয় নায়ক প্ৰসন্ন পামৰ স্মৃতি দিৱস সুচাৰুৰূপে উদ্‌যাপন কৰিবলৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলাইছে আয়োজকসকলে। কাৰ্যসূচী অনুসৰি ২০ ফেব্ৰুৱাৰীৰ পুৱা ১০ বজাত প্ৰসন্ন পামৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব খাচ ৰাভা জামাতৰ সভাপতি অমৰেন্দ্ৰ পামে। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰিব সদৌ ৰাভা কৃষ্টি সন্মিলনৰ সভাপতি দীপক পামে। স্মৃতি দিৱসৰ লগত সংগতি ৰাখি স্মৃতিচাৰণ সভা অনুষ্ঠিত হ'ব। কৃষ্টিগুৰু প্ৰসন্ন পাম স্মৃতি ৰক্ষা সমিতিৰ সভাপতি মুকুল ৰাভাৰ সভাপতিত্বত অনুষ্ঠিতব্য স্মৃতিচাৰণ সভাত মুখ্য অতিথি হিচাপে ৰাভা হাছং পৰিষদৰ সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ কাৰ্যবাহী সদস্যা জোনালী ৰাভা, নিৰ্দিষ্ট বক্তা হিচাপে দ'দান গাঁও পঞ্চায়ত সমবায় সমিতিৰ সভাপতি নিষ্টো মোহন ৰাভাৰ লগতে বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। স্মৃতিচাৰণ সভাৰ পাছতে মানছালেংকা (তামঝাংকা) সজ্জা প্ৰতিযোগিতা আৰু প্ৰসন্ন পামৰ গীত পৰিৱেশন আৰু কৃষ্টি প্ৰদৰ্শন।

১ পৃষ্ঠাৰ পৰা

# শিৱসাগৰত জয়ী হোৱাটো বিজেপিৰ

শিৱসাগৰ সমষ্টিক। গতিকে শিৱসাগৰ সমষ্টিত বিজেপিয়ে সহজে জিকাটো প্ৰত্যাহ্বান হ'ব। ডিব্ৰুগড়ত এক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছতে সংবাদ মাধ্যমৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীয়ে লগতে কয়, বিজেপিৰ কাৰণে শিৱসাগৰ সমষ্টি সহজ নহয়। শিৱসাগৰত আমাৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী যথেষ্ট আছে। এজনে টিকট পালে বাকীসকলে কি কৰিব জনা টান। উজনি অসমত থকা আমাৰ দুৰ্বল সমষ্টিসমূহৰ ভিতৰত শিৱসাগৰো অন্যতম। গতিকে মই জিকিবই বুলি আজিয়েই দাবী কৰিব নোৱাৰোঁ। কিন্তু '২৬ৰ নিৰ্বাচনত চৰকাৰ আমাৰেই হ'ব। কোনোবা সমষ্টিত হৰা-জিকাটো থাকিবই। আনহাতে বিধায়ক অখিল গগৈক কটাক্ষ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, অখিল গগৈক শিৱসাগৰত গোটেই মহিলাসকলে 'চুমা বাবা' বুলি মাতে। সেইদিনা মোৰ লগতেই অখিল গগৈ আছিল। তেওঁ জিকে-নিজিকে মই ক'ব নোৱাৰোঁ। মহিলা আইসকলৰ পুঁজি বিতৰণত শিৱসাগৰলৈ গৈছিলোঁ। অখিল গগৈ মোৰ লগতে আছিল। আমি একেলগে মহিলাসকলক নমস্কাৰ দিছিলোঁ। সকলো মহিলাই তেওঁক পিছফালৰ পৰা 'চুমা বাবা' বুলি চিঞৰি আছিল। গতিকে এতিয়া কি হয় আৰু নাজানো।

**ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ ঘোষণা— তৃতীয়বাৰ বিজেপিৰ চৰকাৰ হ'লে ৫ লাখ বিঘা ভূমি বেদখলমুক্ত কৰা হ'ব**

অসমত তৃতীয়বাৰলৈ বিজেপি চৰকাৰ গঠন হ'লে অবৈধ বিদেশী নাগৰিকে দখল কৰি থকা ৫ লাখ বিঘা মাটি বেদখলমুক্ত কৰাৰ ঘোষণা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ। ডিব্ৰুগড় খনিকৰ খেলপথাৰত বিজেপিয়ে অনুষ্ঠিত কৰা পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়— অসমত ২০ লাখ বিঘা মাটি অবৈধ বিদেশীয়ে দখল কৰি ৰাখিছে। যোৱা পাঁচ বছৰত আমি ডেৰ লাখ বিঘা মাটি বেদখলমুক্ত কৰিছোঁ। অহা পাঁচ বছৰত বিজেপি চৰকাৰ আহিলে ১ লাখৰ পৰা ২ লাখলৈ যুৱক-যুৱতীক নিযুক্তি প্ৰদান, ১ লাখৰ পৰা ১০ লাখলৈ মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনি, ১০০ টকাত পোৱা চেনি, দাইল, নিমখ বিনামূলীয়াকৈ দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। একেটা ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়— '২৬ৰ বিধানসভা নিৰ্বাচনত আমি গৌৰৱেৰে ৰাইজৰ মাজলৈ যাম। অসমৰ মানুহৰ ওচৰত গুৱাহাটীৰ পাছত ডিব্ৰুগড়ক ৰাজধানীৰ মৰ্যাদা দিয়াৰ কথা কৈ কাষ চাপিম। কংগ্ৰেছে ধ্বংস কৰা নামৰূপত ১২ লাখ মেট্ৰিকটন ইউৰিয়া-ইথানল প্ৰকল্প নৰেন্দ্ৰ মোডীয়ে দিয়াৰ কথা ক'ম। মুখ্যমন্ত্ৰীয়ে লগতে কয়— আমি কথা ক'লে বিশ্বাস নকৰে। কাম কৰিলে বিশ্বাস কৰে। যোৰহাটৰ পৰা ডিব্ৰুগড়লৈ ৰাষ্ট্ৰীয় ঘাইপথ হ'ল। কিন্তু গাড়ী যাব পৰা নাছিল। এতিয়া সেই ৰাজপথত বিমান উৰিল। ১ লাখ যুৱক-যুৱতীক চাকৰি দিয়াৰ কথা কৈছিলোঁ। কিন্তু ১.৬০ লাখ যুৱক-যুৱতীয়ে চাকৰি পালে। চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যৰ স্বীকৃতি পালে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পালে। লাচিত বৰফুকনৰ শৌৰ্য-বীৰ্যৰ কথা সমগ্ৰ বিশ্বৰ পৰিচিত হ'ল। আমি অবৈধ বাংলাদেশী হাতৰ পৰা ডেৰ লাখ বিঘা ভূমি কাঢ়ি নিছোঁ। এতিয়াও যুঁজ অব্যাহত ৰাখিছোঁ। এতিয়া অসমৰ টেলিভিছনত গঁড় হত্যাৰ খবৰ নাপায়। পাঁচ বছৰলৈকে অসমত কোনো গঁড় হত্যা হোৱা নাই। শান্তিৰে আছে কাজিৰঙাৰ গঁড়কেইটা। মুখ্যমন্ত্ৰীয়ে ভাষণত কয়— আজি অসমীয়া যুৱক-যুৱতীয়ে সপোন ৰচিব পাৰে। বাস্তৱত ৰূপায়ণ কৰিবলৈ যুৱক-যুৱতীৰ সন্মুখত থিয় দিম। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত অসম জিলিকি উঠিল। নতুন অসম নিৰ্মাণৰ পথত আগুৱাই গৈছোঁ আমি। কোনো অসমীয়াই কল্পনা কৰিব নোৱাৰা কাম বিজেপি চৰকাৰৰ দিনত সম্ভৱ হৈছে। আমি ইংৰাজৰ পৰা ভিছা নলওঁ। ইংৰাজে আমাৰ ভাৰতৰ ভিছা ল'বলৈ বাধ্য হ'ব লাগিব। অহা দহ বছৰত ইংৰাজে ভাৰতৰ পাছপোৰ্ট বিচাৰিব লাগিব। আমি বৃটেইনত থাকিব নোখোজোঁ; আমি ডিব্ৰুগড়, গুৱাহাটী, যোৰহাটত থাকিব খোজোঁ। এনেকৈ থাকিলে কোনো বাংলাদেশী অসমত সোমাব নোৱাৰিব। আমি বিদেশী ৰাষ্ট্ৰক উন্নয়নেৰে পৰাজিত কৰিম। আনহাতে, '২৬ৰ নিৰ্বাচনত পাঁচখন ৰাজ্যৰ ভিতৰত অসমে সৰ্বাধিক আসন লৈ চৰকাৰ গঠন কৰিব বুলি দাবী কৰি মুখ্যমন্ত্ৰীয়ে কয়— অসমৰ লগতে পশ্চিমবংগতো আমি বিজেপিৰ চৰকাৰ আনিব লাগিব। কাৰণ পশ্চিমবংগত বিজেপি চৰকাৰ আহিলেহে অসমত প্ৰৱেশ কৰিব নোৱাৰিব অবৈধ বাংলাদেশী।

**২০৩১ত বিৰোধীৰ ভূমিকা ল'ব অখিল গগৈৰ ৰাইজৰ দলে ঃ মুখ্যমন্ত্ৰী**

'২৬ত নহয়, '৩১ত বিৰোধীৰ ভূমিকা ল'ব বিধায়ক অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলে। আজি ডিব্ৰুগড়ত সংবাদ মাধ্যমৰ আগত এইদৰে ভৱিষ্যদ্বাণী কৰিলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। শেহতীয়াকৈ কংগ্ৰেছৰ আন দুজন বিধায়কে ৰাইজৰ দলত যোগদান সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়— '২৬ত বিৰোধী দল হিচাপে কংগ্ৰেছে থাকিব। মোৰ ৰাজনৈতিক বিশ্লেষণ অনুসৰি ২০৩১ চনত বিৰোধীৰ ভূমিকা ল'ব অখিল গগৈয়ে। যদিহে অখিল গগৈয়ে গুৰুত্বসহকাৰে ৰাজনৈতিক ক্ষেত্ৰত আগবাঢ়িব পাৰে। মিঞা মুছলমান এলেকাত চলোৱা বেদখলৰ সময়ত কংগ্ৰেছে থিয় নিদিয়াক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শৰ্মাই আৰু কয়— মিঞা মুছলমান এলেকাত বেদখল উচ্ছেদ চলোৱাৰ সময়ত কংগ্ৰেছ তেওঁলোকৰ লগত থিয় নহ'ল। কিন্তু অখিল গগৈয়ে ৰিস্ক লৈ তেওঁলোকৰ লগত থিয় দিলে। মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ কংগ্ৰেছতকৈ অখিলৰ প্ৰতি বিশ্বাস বেছি আছে। কিন্তু '২৬ত নহ'ব। অৱশ্যে '২৬ত মিঞা মুছলমানৰ ভোট কংগ্ৰেছে বেছি পাব। কিন্তু অসমীয়া মুছলমানৰ ভোট আমি বেছি পাম। অখিল গগৈয়ে মিঞা মুছলমানৰ ভোট এটা শ্বেয়াৰ পাব। কিন্তু ২০৩১ চনলৈকে এইটো স্থানান্তৰ হ'ব।

## ৰাজ্যসভাৰ অসমৰ তিনিখন আসনৰ বাবে ১৬ মাৰ্চত

সদৰি কৰা মতে ১৬ মাৰ্চত দেশৰ ১০খন ৰাজ্যত খালী হোৱা ৩৭খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত অসমৰ তিনিখন আসনৰ লগতে মহাৰাষ্ট্ৰৰ সাতখন, ওড়িশাৰ চাৰিখন, তামিলনাডুৰ ছখন, পশ্চিমবংগৰ পাঁচখন, বিহাৰৰ পাঁচখন, চত্তিছগড়ৰ দুখন, হাৰিয়ানাৰ দুখন, হিমাচল প্ৰদেশৰ এখন আৰু তেলেংগানাৰ দুখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত নিৰ্বাচন আয়োগে ২৬ ফেব্ৰুৱাৰীত জাননী জাৰি কৰিব। ৫ মাৰ্চ মনোনয়নপত্ৰ দাখিলৰ অন্তিম দিন আৰু ৯ মাৰ্চ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰাৰ অন্তিম দিন নিৰ্দ্ধাৰণ কৰা হৈছে। বিধায়কসকলে ৰাজ্যসভাৰ প্ৰাৰ্থীক ১৬ মাৰ্চত ভোটদান কৰিব পাৰিব। অহা ২০ মাৰ্চত ৰাজ্যসভাৰ নিৰ্বাচনৰ সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উল্লেখ্য যে অহা ৯ এপ্ৰিলত অসমৰ ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, ভুৱনেশ্বৰ কলিতা আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকালৰ সামৰণি পৰিব। ইয়াৰ ভিতৰত অজিত কুমাৰ ভূঞা পুনৰ বিৰোধীৰ প্ৰাৰ্থী হিচাপে ৰাজ্যসভাৰ সাংসদ হোৱাৰ সম্ভাৱনা নাই। কাৰণ বিধানসভা নিৰ্বাচনৰ পূৰ্বে এ আই ইউ ডি এফকে ধৰি পুনৰ বিৰোধী ঐক্যবদ্ধ হোৱাৰ আশা ক্ষীণ। কাৰণ কংগ্ৰেছে এ আই ইউ ডি এফৰ সমৰ্থন লৈ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিক সুযোগ দিব বিচৰা নাই। লক্ষণীয় যে বিজেপিয়ে পুনৰ ৰামেশ্বৰ তেলী আৰু ভুৱনেশ্বৰ কলিতাক ৰাজ্যসভালৈ পঠিয়াবনে নাই নিশ্চিত হোৱা নাই। ইতিমধ্যেই বিজেপিৰ কেইবাজনো নেতাই কেন্দ্ৰীয় নেতৃত্বৰ সৈতে ৰাজ্যসভাৰ পদৰ বাবে সম্পৰ্ক স্থাপন কৰা বুলি জানিব পৰা গৈছে। আনহাতে, অসমৰ ১২৬জন বিধায়কে ৰাজ্যসভাৰ নিৰ্বাচনত ভোট দিব পাৰিব। এই মুহূৰ্তত ১২৬জন বিধায়কৰ ভিতৰত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ শক্তি বেছি। বিধানসভাত বিজেপিৰ ৬২জন, অগপৰ ৯জন, বি পি এফৰ তিনিজন, ইউ পি পি এলৰ সাতজন বিধায়ক আছে। কংগ্ৰেছৰ ২৬জন বিধায়ক নিৰ্বাচিত হৈছিল যদিও দলটোৰ বসন্ত দাস, শশীকান্ত দাস, ছিদ্দিক আহমেদ, কমলাক্ষ দে' পুৰকায়স্থ নিলম্বিত হৈ আছে। এইকেইজন বিধায়কে মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিলে মিত্ৰজোঁটৰ শক্তি ৮৭লৈ বৃদ্ধি হ'ব। তদুপৰি এ আই ইউ ডি এফৰ তিনিজন বিধায়কে অগপত যোগদানৰ কুচকাৱাজ চলাইছে। তেনেস্থলত তিনিওজন বিধায়কৰ সমৰ্থন মিত্ৰজোঁটে পালে মিত্ৰজোঁটৰ শক্তি ৯০লৈ বৃদ্ধি হ'ব। ৰাইজৰ দলত যোগদান কৰা দুজন কংগ্ৰেছৰ বিধায়কে যে বিৰোধী প্ৰাৰ্থীক ভোট দিব খাটাংকৈ ক'ব নোৱাৰি। দুয়োজনে গোপনে বিজেপি প্ৰাৰ্থীক ভোট দিলেও আচৰিত কথা হ'ব। এইবাৰ এজন প্ৰাৰ্থীক কমেও ৩৩জন বিধায়কৰ সমৰ্থন লাগিব। এই মুহূৰ্তত কংগ্ৰেছ আৰু এ আই ইউ ডি এফ ঐক্যবদ্ধ হোৱাৰ কোনো সম্ভাৱনা নাই। তেনেস্থলত ৰাজ্যসভাৰ তিনিওখন আসনত মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ী হোৱাৰ সম্ভাৱনা প্ৰকট হৈ আছে।

## বিধায়ক ৰমাকান্তৰ দহ বছৰীয়া কাৰ্যকালত ভয়ংকৰ

দল আৰু চৰকাৰৰ শূন্য সহনশীল স্থিতিৰ বিপৰীতে মৰিগাঁৱৰ বিধায়ক ৰমাকান্ত দেউৰীৰ বিৰুদ্ধে দুৰ্নীতি আৰু অনিয়মৰ কেতবোৰ ভয়ংকৰ তথ্য ৰাজহুৱা হৈছে। ১০ বছৰীয়া কাৰ্যকালত মৰিগাঁও বিধানসভা সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ নামত সংঘটিত কৰা দুৰ্নীতি তথা বিধায়কৰ উন্নয়ন পুঁজি, অসম দৰ্শন আঁচনি, ২৫ লাখ টকীয়া আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ আদিত দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগৰ পাছত এইবাৰ পথৰ উন্নয়ন আৰু মেৰামতিৰ নামতো ভয়ংকৰ অনিয়ম হোৱাৰ তথ্য ফাদিল হৈছে। মৰিগাঁৱৰ এজন ব্যক্তিয়ে তথ্য জনাৰ অধিকাৰ আইনৰ আধাৰত সংগ্ৰহ কৰা তথ্য আৰু বিধায়ক দেউৰীয়ে ১০ বছৰীয়া কাৰ্যকালৰ সফলতা জাহিৰৰ বাবে প্ৰকাশ কৰা ৫৪ পৃষ্ঠাজোৰা প্ৰতিবেদনৰ তথ্যৰ তুলনা কৰি বিধায়ক দেউৰীৰ অনিয়ম আৰু দুৰ্নীতিৰ তথ্য ফাদিল কৰিছে। তথ্য অনুসৰি বিধায়ক দেউৰীয়ে ২০১৭-১৮ বৰ্ষৰ পৰা ২০১৯-২০ বৰ্ষলৈ মৰিগাঁও বিধানসভা সমষ্টিত পথৰ উন্নয়ন আৰু মেৰামতিৰ নামত ৪৫খন আঁচনি ৰূপায়ণ কৰা দেখুৱাইছে যদিও বিধায়কজনে প্ৰকাশ কৰা তালিকাত কেৱল বৰ্ষ আৰু আবণ্টিত পুঁজিৰ পৰিমাণহে উল্লেখ কৰা হৈছে। পথ অনুযায়ী আবণ্টিত পুঁজি, তাৰ বিপৰীতে নিৰ্মাণ অথবা মেৰামতি কৰা পথৰ দৈৰ্ঘ্য আদিৰ কোনো তথ্য নাই। একেদৰে বিধায়ক দেউৰীয়ে স্থানীয় এলেকা উন্নয়ন পুঁজিৰে ৰূপায়ণ কৰা বুলি দেখুওৱা ২৩৬টা পথৰ উন্নয়ন আৰু মেৰামতি আঁচনিৰ তালিকাতো কেৱল দৈৰ্ঘ্য আৰু আবণ্টিত পুঁজিৰ পৰিমাণহে উল্লেখ কৰা হৈছে। কিন্তু কোন বৰ্ষত কোনখন আঁচনি ৰূপায়ণ কৰা হৈছিল তাৰ কোনো তথ্য প্ৰকাশ কৰা হোৱা নাই। বিধায়কজনৰ খতিয়ানৰ তালিকাত প্ৰকাশ কৰা 'ৰেলকাম গেট' নিৰ্মাণ, ৰাস্তাৰ কাষৰ গছত সেউজীয়া ৰং দিয়া, ৰাস্তাৰ পাৰৰ জংঘল পৰিষ্কাৰ আৰু ৰাস্তাত পানী দিয়াৰ নামত ১৯ লাখ ৮৬ হাজাৰ টকা খৰচ কৰা বুলি উল্লেখ কৰা হৈছে। এই তথ্যই স্থানীয় লোকক হতবাক কৰি তুলিছে। বিধায়কজনে মৰিগাঁও বিধানসভা সমষ্টিত ক'ত আৰু কেতিয়া এই 'অদৃশ্য' আঁচনিখন ৰূপায়ণ কৰিলে তাক কেন্দ্ৰ কৰি খোদ শাসকীয় বিজেপি দলৰ একাংশ নেতা-কৰ্মীৰ মাজতে সৰৱ চৰ্চা চলিছে। প্ৰকাশিত তথ্য অনুসৰি ২০১৭-১৮ বৰ্ষত ১৫৫.৩৯ লাখ টকা ব্যয় কৰি নিৰ্মাণ কৰা কোমোৱাগুৰি-ছাটনগুৰি একেটা পথৰে ০.৯৩ কিলোমিটাৰ পথত পুনৰ ৬৯.৮৫ লাখ টকা ব্যয় কৰা দেখুওৱা হৈছে। একেদৰে ছাটনগুৰি চাৰিআলিৰ পৰা পুলি আঁহত তললৈ ১.২০০ কিলোমিটাৰ দৈৰ্ঘ্যত ৯০ লাখ টকা আৰু একেটা পথৰে ছাটনগুৰিৰ পৰা কোঁৱৰগাঁৱলৈ ০.৫০০ কিলোমিটাৰ পথত ৩৪.৩২৫ লাখ টকা ব্যয় হোৱা বুলি দেখুওৱা হৈছে। ৰাইজৰ অভিযোগ অনুসৰি বিধায়কৰ উন্নয়নৰ খতিয়ানত প্ৰকাশিত ছাটনগুৰি-কোঁৱৰগাঁও পথটোৰ নিৰ্মাণ কাগজ-কলমতে আবদ্ধ হৈ আছে; পথটোত শিল এটাও পৰা নাই। বিধায়ক দেউৰীয়ে সমষ্টি উন্নয়ন পুঁজিৰে কৰা বুলি দেখুওৱা পথ উন্নয়ন আৰু মেৰামতিৰ নামত অবাধ লুণ্ঠনৰাজ আৰু চৰকাৰী ধনৰ অপব্যৱহাৰ হোৱা বুলি স্থানীয় লোকে অভিযোগ কৰিছে। বিধায়ক দেউৰীৰ বিৰুদ্ধে উত্থাপিত অনিয়ম তথা চৰকাৰী ধনৰ হৰলুকীৰ অভিযোগ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মৰিগাঁও জিলা প্ৰশাসন আৰু বিজেপি চৰকাৰক আহ্বান জনোৱাৰ পাছতো প্ৰশাসন তথা চৰকাৰৰ গা নলৰা ঘটনাই স্থানীয় লোক আৰু খোদ বিজেপি কৰ্মীসকলৰ মাজত তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি কৰিছে। জনপ্ৰতিনিধি বা ক্ষমতাশালী ব্যক্তি হ'লেই সকলো অনিয়ম বা দুৰ্নীতিও নিয়মত পৰিণত হয় নেকি বুলিও সৰ্বসাধাৰণ লোকে এতিয়া প্ৰশ্ন কৰিছে।

# ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকিল কাহিলিপাৰাৰ নৰ্থ-ইষ্ট পাব্লিক স্কুল

**দৈনিক অসমৰ বাতৰি**
**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসমৰ শিক্ষা জগতৰ বাবে এটা অতি আনন্দৰ খবৰ। গুৱাহাটীৰ কাহিলিপাৰাস্থিত নৰ্থ-ইষ্ট পাব্লিক স্কুলে কেপজেমিনিৰ (Capgemini) সহযোগত ডব্লিউ ডব্লিউ এফ-ইণ্ডিয়াৰ দ্বাৰা আয়োজিত সন্মানীয় ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী MCOP6 (Model Conference of Parties)ত অন্যতম বিজয়ী হিচাপে গৌৰৱ অৰ্জন কৰিছে। এই বছৰৰ সন্মিলনৰ মূল বিষয়বস্তু আছিল 'জেনেৰেচন ৩০' (Generation 30)। কুনমিং-মন্ট্ৰিয়েল গ্ল'বেল বায়'ডাইভাৰছিটী ফ্ৰেমৱৰ্কৰ ওপৰত ভিত্তি কৰি লোৱা এই পদক্ষেপৰ লক্ষ্য হৈছে ২০৩০ চনৰ ভিতৰত পৃথিৱীৰ ৩০ শতাংশ ভূমি, মিঠা পানী আৰু মহাসাগৰ সুৰক্ষিত কৰা। সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰায় ৩০০খন বিদ্যালয়ে এই বৰ্ষজোৰা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ইয়াৰে মাত্ৰ ১৩খন বিদ্যালয়ক বিজয়ী ঘোষণা কৰা হয়। উল্লেখযোগ্য যে সমগ্ৰ পূব ভাৰত (East Zone)ৰ পৰা নিৰ্বাচিত মাত্ৰ দুখন বিদ্যালয়ৰ ভিতৰত নৰ্থ-ইষ্ট পাব্লিক স্কুলে স্থান দখল কৰি ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ বিদ্যালয় আৰু স্থানীয় পৌৰসভা এলেকাৰ বাবে এক বিস্তৃত জৈৱ-বৈচিত্ৰ্য সংৰক্ষণৰ পৰিকল্পনা প্ৰস্তুত কৰিছিল। তেওঁলোকে এই প্ৰকল্পত শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় কৰ্তৃপক্ষ আৰু সম্প্ৰদায়ৰ সদস্যসকলকো সক্ৰিয়ভাৱে জড়িত কৰিছিল। প্ৰকল্প দলৰ সদস্যসকল হ'ল— কৃষ্ণিকা নাগ, তন্ময় দে, বিজেজ সিন্‌হা, ধৃতিমা ডেকা, নিশান্ত শৰ্মা, কৌশিকী দেওৰী, ঋশান্ত শৰ্মা, অনৰিতা বসু, ৰাজবীৰ সিন্‌হা আৰু নিশান্ত কাশ্যপ। এই সফলতাৰ ধাৰাবাহিকতা ৰক্ষা কৰি দলৰ দুই সদস্য ৰাজবীৰ সিন্‌হা আৰু নিশান্ত কাশ্যপক দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় সন্মিলনলৈ আমন্ত্ৰণ জনোৱা হয়। তাত তেওঁলোকে নিজৰ প্ৰকল্প উপস্থাপন কৰে আৰু বিশিষ্ট ব্যক্তি তথা দৰ্শকৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰে। বিদ্যালয়খনৰ এই বৃহৎ সাফল্যৰ আঁৰত অধ্যক্ষ লক্ষ্মীকান্ত দাসৰ প্ৰেৰণাদায়ক নেতৃত্ব আৰু ভাৰপ্ৰাপ্ত শিক্ষয়িত্ৰী মঞ্জিতা মহন্তৰ নিষ্ঠাৱান দিক-দৰ্শন জড়িত হৈ আছে। এই কৃতিত্বৰ বাবে বিদ্যালয় কৰ্তৃপক্ষই যুৱ পৰিৱেশ নেতা তথা বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে।

# নলবাৰীত সুলভ মূল্যৰ দোকানীৰপৰা চান কাঢ়িছে বহুমুখী সমবায় সমিতিয়ে

**দৈনিক অসমৰ প্ৰতিনিধি**
**পশ্চিম নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰীৰ একাংশ সমবায় সমিতিয়ে খাদ্য যোগানৰ নামত চান কাঢ়িছে সুলভ মূল্যৰ এজেণ্টৰ পৰা। ইয়াক লৈ বহু এজেণ্টৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য, ৰাজ্যৰ খাদ্য আৰু অসামৰিক যোগান-গ্ৰাহক পৰিক্ৰমা বিভাগে জাৰি কৰা চৰকাৰী নিৰ্দেশনা বহু সময়ত নলবাৰীত এলাগী হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিভাগটোৰ নলবাৰী উপ-সঞ্চালক কাৰ্যালয়ৰ সোপাচিলা নীতিৰ বাবে জিলাখনৰ একাংশ বহুমুখী সমবায় সমিতি এতিয়া উঠিৰজা-বহিৰজা হৈ পৰে। প্ৰাপ্ত অভিযোগ অনুসৰি একাংশ সমবায় সমিতিয়ে সুলভ মূল্যৰ এজেণ্টক মাহৰ পাছত মাহ ধৰি মাধমাৰ শোধাই আহিছে। ফলত এজেণ্টে হাতৰ ধন খৰচ কৰি হিতাধিকাৰীক সন্তুষ্ট কৰিবলৈ বাধ্য হৈছে। জিলাখনৰ কেইবাগৰাকী সুলভ মূল্যৰ এজেণ্টে অভিযোগ কৰা মতে তেওঁলোকে বহুমুখী সমবায় সমিতিৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত লাভ কৰা চাউল বিতৰণ কৰি লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে। প্ৰতিমাহে যোগান ধৰা এনে চাউলৰ লগত 'বস্তাৰ ওজন' সুকীয়াকৈ নিদিয়াৰ ফলত হাতৰ ধন খৰচ কৰি অন্য চাউল কিনি হিতাধিকাৰীক যোগান ধৰিবলগীয়া হৈছে। কিয়নো, বস্তাৰ ওজন পৃথকে নিদিলে হিচাপত চাউল বিতৰণত অসুবিধা হয়। ৫০ কেজি চাউল কঢ়িওৱা একোটা খালী বস্তাৰ ওজন ৫০০-৬০০ গ্ৰাম। উল্লেখ্য, ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে নিৰ্দেশনা দি থৈছে যে চৰকাৰে বিনামূলীয়াকৈ হিতাধিকাৰীক দিয়া খাদ্য সুৰক্ষাৰ চাউল হিচাপত একশ গ্ৰামকৈও কম দিব নোৱাৰিব। কম দিয়াৰ অভিযোগ পালেই জে'ললৈ যাব লাগিব সুলভ মূল্যৰ দোকানী। মুখ্যমন্ত্ৰীগৰাকীৰ এনে কঠোৰ নিৰ্দেশনাই ৰাজ্যৰ হেজাৰ হেজাৰ সুলভ মূল্যৰ দোকানীৰ মাজত হাহাকাৰ লগায় যদিও প্ৰায় সকলো সুলভ মূল্যৰ দোকানীয়ে মুখ্যমন্ত্ৰীৰ নিৰ্দেশনা মানি চলিবলৈ বাধ্য হয়। জানিব পৰা মতে মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশনাৰ পাছতে খাদ্য-অসামৰিক যোগান-গ্ৰাহক পৰিক্ৰমা বিভাগে খাদ্য সুৰক্ষাৰ চাউলৰ প্ৰতিটো 'বস্তা'ৰ ওজনৰ বিপৰীতে চাউল সুলভ মূল্যৰ দোকানীক দিবলৈ নিৰ্দেশনা জাৰি কৰে। সেই মতে 'এফ চি আই'য়ে বহুমুখী সমবায় সমিতিক প্ৰতিটো ৰছীৰ বস্তাৰ ওজনৰ বিপৰীতে অতিৰিক্ত চাউল যোগান ধৰি আহিছে। লক্ষণীয়ভাৱে নলবাৰী জিলাৰ সৰহসংখ্যক বহুমুখী সমবায় সমিতিয়ে বিভাগীয় সেই নিৰ্দেশনা মানি সুলভ মূল্যৰ এজেণ্টক প্ৰতিমাহে খাদ্য সুৰক্ষাৰ চাউলৰ লগত বস্তাৰ ওজন হিচাপত চাউল যোগান ধৰি আহিছে যদিও আন একাংশ বহুমুখী সমবায় সমিতিয়ে বিভাগীয় নিয়ম মানি চলা নাই। অভিযোগ মতে প্ৰতিটো বস্তাৰ ওজনৰ বিপৰীতে চাউল নিদিয়াত হিতাধিকাৰীক চাউল বিতৰণৰ সময়ত বহু এজেণ্টৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। কিয়নো, হিতাধিকাৰীক প্ৰাপ্য ওজনৰ এশ গ্ৰাম চাউলো কমকৈ দিব নোৱাৰে। তেনেস্থলত সুলভ মূল্যৰ এজেণ্টৰ বস্তাৰ ওজন ক'ৰ পৰা মিলাব? জানিব পৰা মতে নলবাৰীৰ বহু সুলভ মূল্যৰ দোকানীয়ে উপায়হীন হৈ হাতৰ ধনেৰে অইন চাউল কিনি ঘাটি ওজন পূৰাব লগা হৈছে। ফলত লোকচানৰ সন্মুখীন হ'বলগীয়া হৈছে সুলভ মূল্যৰ বহু এজেণ্ট। প্ৰশ্ন হয়— সংশ্লিষ্ট 'এফ চি আই'ৰ পৰা যোগান ধৰা বস্তাৰ হিচাপৰ শ শ কুইণ্টল চাউল বহুমুখী সমবায়ৰ ভঁৰালৰ পৰা ক'লৈ যায়? যিহেতু এজেণ্টক বস্তাৰ ওজনৰ বিপৰীতে চাউল দিয়া নহয়।

## কংগ্ৰেছ উদ্ধাৰৰ মন্ত্ৰণা লৈ আজি অসমলৈ আহিব

আহিবলগীয়া গান্ধীয়ে গুৱাহাটীত দলৰ তৃণমূল পৰ্যায়ৰপৰা ৰাজ্যিক নেতালৈ সকলোৰে সৈতে বৈঠকত অংশগ্ৰহণ কৰিব। লগতে সম্ভাব্য প্ৰাৰ্থী সন্দৰ্ভত তেওঁ সকলোৰে সৈতে কথা পাতিব। প্ৰিয়ংকাৰ দুদিনীয়া অসম ভ্ৰমণ সম্পৰ্কে ব্যক্ত কৰি আজি এখন সংবাদ মেলত কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙে কয় যে ফেব্ৰুৱাৰীৰ শেষত কংগ্ৰেছৰ প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ হ'ব। আৰু ৬ মাৰ্চৰ ভিতৰত ৮৬টা বিধানসভা সমষ্টিৰ প্ৰাৰ্থী তালিকা ঘোষণা কৰা হ'ব। ইফালে, সংবাদমেলখনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে কয়— 'আগন্তুক বিধানসভা নিৰ্বাচন অসম গণ পৰিষদৰ শেষ নিৰ্বাচন হ'ব। নিৰ্বাচনৰ পাছত অগপক আৰু ৰাইজে দেখা নাপাব।' সংবাদ মেলত কংগ্ৰেছৰ তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিং, সাংসদ ৰকিবুল হুছেইন আৰু ৰিপুণ বৰাও উপস্থিত আছিল। সংবাদ মেলত গগৈয়ে কয় যে এইবাৰৰ বিধানসভা নিৰ্বাচন নতুন কংগ্ৰেছী আৰু পুৰণি কংগ্ৰেছীৰ মাজত হ'ব। পুৰণি কংগ্ৰেছীৰ অধিকাংশই বিজেপিত যোগদান কৰিছে। বিজেপিত যোগদান কৰা পুৰণি কংগ্ৰেছী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। কিয়নো দলটোত প্ৰকৃত বিজেপিৰ গুৰুত্ব নাই। দুখৰ কথা দুগৰাকী পুৰণি নেতা সুমন হৰিপ্ৰিয়া, সিদ্ধাৰ্থ ভট্টাচাৰ্য আদি গুৰুত্বহীন হৈ পৰিছে। সেয়ে নিৰ্বাচনী যুঁজ নতুন কংগ্ৰেছী আৰু পুৰণি কংগ্ৰেছীৰ মাজততহে হ'ব। আনহাতে, আজিৰ সংবাদ মেলত গৌৰৱ গগৈয়ে প্ৰাক্তন কংগ্ৰেছী ভূপেন বৰাকো সমালোচনা কৰে। ভূপেন বৰাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীক 'আৰ' বুলি কাৰোবাৰ শ্ৰুতলিপি মতেহে কৈছে। অহা এসপ্তাহলৈ ভূপেন বৰাই এনেদৰে অভিনয় কৰি থাকিব। তেওঁৰ কথাৰ মূল্য নাই। কিছুদিন পূৰ্বে ভূপেন বৰাই বিজেপিত যোগদান নকৰোঁ বুলি মা কামাখ্যা আৰু বটদ্ৰৱা থানৰ শপত খাব বুলি কৈছিল। মন্দিৰ আৰু থানলৈ গৈ শপত খাব বুলি কোৱা বৰাই পাভলুটি মাৰিছে। গগৈয়ে কয়— 'বিজেপি নেতাই ভূপেন বৰাক এজন হিন্দু নেতা আৰু স্বাভিমানী অসমীয়া বুলি পৰিচয় কৰাই দিছে। এজন হিন্দু নেতাই কামাখ্যাৰ নামত ভুৱা শপত খায় নেকি? গগৈয়ে কয় যে ভূপেন বৰাই পূৰ্বতে কি কি কথা কৈছিল পাহৰি এতিয়া শ্ৰুতলিপি মতে অভিনয়হে কৰি আছে। সেয়ে আমি কৈছোঁ এইবাৰ নিৰ্বাচনত ভুৱা কংগ্ৰেছী আৰু আচল কংগ্ৰেছীৰ মাজত যুঁজ হ'ব।

অসম কোষ

কমনৱেলথ গেমছত পদক লাভ কৰা প্ৰথমগৰাকী অসমীয়া মহিলা হৈছে নয়নমণি শইকীয়া। ২০২২ চনত বাৰ্মিংহাম কমনৱেলথ গেমছত ল'নবলৰ দলীয় শাখাত তেওঁ স্বৰ্ণ পদক জয় কৰে।

# দৈনিক অসম

| | সৰ্বাধিক | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১.৯ | ১৪.৭ |
| ডিব্ৰুগড় | ৩১.৮ | ১১.৯ |
| যোৰহাট | ৩১.২ | ১০.৫ |
| শ্বিলং | ২৪.১ | ১০.১ |

দিনটোৰ তাপমান ডিগ্ৰী চেলছিয়াছ

৬১ বছৰ । ১৯৩ সংখ্যা, গুৱাহাটী, ৬ ফাগুন, বৃহস্পতিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 193। GUWAHATI, THURSDAY, FEBRUARY 19, 2026



## ২০ ফেব্ৰুৱাৰীত স্থানান্তৰিত হ'ব নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়

দৈনিক অসমৰ প্ৰতিনিধি

**নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই যোৱা ১১ ফেব্ৰুৱাৰীত নলবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ *১১ পৃষ্ঠাত চাওক*

## পুনৰ মেৰামতিৰ সময়তে অঘটন ■ ঠিকাদাৰ, বিষয়া-অভিযন্তাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী স্থানীয় ৰাইজৰ

# লাহৰীঘাটত ভাগি পৰিল পকী দলং



### পাঁচজনকৈ শ্ৰমিক আহত

দৈনিক অসমৰ প্ৰতিনিধি

**লাহৰীঘাট, ১৮ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটত এখন পকী দলং পুনৰ মেৰামতিৰ কাম চলি থকাৰ অৱস্থাতে উক্ত দলংখন ভাগি ৫ জনকৈ শ্ৰমিক গুৰুতৰভাৱে আহত হ'বলগীয়া হোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ্য যে মৰিগাঁও-লাহৰীঘাটৰ বৰবড়ি সংযোগী লোকনিৰ্মাণ বিভাগৰ পথটোৰ অমৰাগুৰিৰ লালি *১১ পৃষ্ঠাত চাওক*

## 'মোলাই কাঠনি'ত পুনৰ অগ্নিসংযোগ দুষ্কৃতিকাৰীৰ

দৈনিক অসমৰ প্ৰতিনিধি

**পুলিবৰ (যোৰহাট), ১৮ ফেব্ৰুৱাৰী ঃ** অৰণ্য মানৱ, যাদৱ পায়েঙৰ জীৱনজোৰা পৰিশ্ৰমৰ ফলত সৃষ্টি হোৱা চিৰ সেউজ অৰণ্য 'মোলাই কাঠনি'ৰ সমীপতে তেওঁৰ জীয়ৰীয়ে ১৩ হেজাৰ *১১ পৃষ্ঠাত চাওক*


বেদান্ত লিমিটেড (বিভাগঃ কেইৰ্ণ অইল এণ্ড গেছ)

30 YEARS OF ENERGISING INDIA

vedanta transforming for good

CAIRN

এএছএফ চেণ্টাৰ, টাৱাৰ- এ, প্লট নং ৩৬২-৩৬৩, জৱালা মিল ৰোড, চতুৰ্থ খণ্ড, উদ্যোগ বিহাৰ, ছেক্টৰ- ১৮, গুৰুগ্ৰাম- ১২২ ০১৬, হাৰিয়ানা

ৰাজহুৱা জাননী

ইয়াৰ দ্বাৰা জনোৱা হৈছে যেঃ

ৰাজ্যিক পৰ্যায়ৰ পৰিৱেশ প্ৰভাৱ মূল্যায়ন কৰ্তৃপক্ষ (SEIAA), অসম চৰকাৰে তলত উল্লেখ কৰা হাইড্ৰ'কাৰ্বন ব্লক/প্ৰকল্পৰ বাবে বেদান্ত লিমিটেড (খণ্ডঃ কেইৰ্ণ অইল এণ্ড গেছ)ক পৰিৱেশীয় অনুমোদন (EC) প্ৰদান কৰিছে

| পৰিৱেশীয় অনুমোদন প্ৰসংগ নং | প্ৰজেক্ট আৰু ব্লক নং |
|---|---|
| ইচি চিনাক্তকৰণ নং. ইচি২৩চি০৩০২এএছ৫৭৭৩৬২৩এন তাৰিখ ০১.০৬.২০২৪ এছইআইএএ ফাইল নং: এছইআইএএ.৩৭১২/২০২৪ | সম্প্ৰসাৰণ (অতিৰিক্ত ৱেল আৰু ৪ নং ইপিইড/কিউপিইড) এএঅ'এনএইচপি-২০১৭/৩ হাইড্ৰ'কাৰ্বন ব্লকৰ স্থলভাগত তেল আৰু গেছ অন্বেষণ, মূল্যায়ন আৰু আগতীয়া উৎপাদন", তিনিচুকীয়া জিলা, অসম (কূপৰ অৱস্থিতি স্থান জাগুন উত্তৰ-১) |
| ইচি চিনাক্তকৰণ নং. টিঅ ২৪চি০৩০২এএছ৫৭৬৩১৫৮এ তাৰিখ ০২.১১.২০২৪ এছইআইএএ ফাইল নং: এছইআইএএ.৩৭১২/২০২৪ | সম্প্ৰসাৰণ (অতিৰিক্ত ৪ নং ই এণ্ড এ ৱেল আৰু ৪ নং ইপিইড/কিউপিইড) "এএঅ'এনএইচপি-২০১৭/৩ হাইড্ৰ'কাৰ্বন ব্লকৰ স্থলভাগত তেল আৰু গেছ অন্বেষণ, মূল্যায়ন আৰু আগতীয়া উৎপাদন", তিনিচুকীয়া জিলা, অসম (কূপৰ অৱস্থিতি স্থান জাগুন উপদ্বীপৰ বাবে) পৰিৱেশীয় অনুমোদন সংশোধনী |
| ইচি চিনাক্তকৰণ নং. ইচি২৩চি০৩০২এএছ৫৭৫৮১৯৮এন তাৰিখ ০১.০৬.২০২৪ এছইআইএএ ফাইল নং: এছইআইএএ.৩৭১১/২০২৪ | সম্প্ৰসাৰণ (অতিৰিক্ত ৭ নং অন্বেষণ আৰু মূল্যায়ন ৱেল আৰু ৫ নং ইপিইড/কিউপিইড)। অসমৰ বাবে পূৰ্বে প্ৰদান কৰা পৰিৱেশ নিষ্কাশন (EC) প্ৰস্তাৱিত "এএ-অএনএইচপি-২০১৭/৪ হাইড্ৰ'কাৰ্বন ব্লকৰ স্থলভাগত তেল আৰু গেছ অন্বেষণ, মূল্যায়ন আৰু আগতীয়া উৎপাদন", যোৰহাট জিলা, অসম (কূপৰ অৱস্থিতি এনজিজেএন - ডব্লিউ ১) |
| ইচি চিনাক্তকৰণ নং. টিঅ২৪চি০৩০২এএছ৫৪৭৩৮৪১এ তাৰিখ ০১.০৪.২০২৫ এছইআইএএ ফাইল নং: এছইআইএএ.৩৭১১/২০২৪ | সম্প্ৰসাৰণ (অতিৰিক্ত ৭ নং অন্বেষণ আৰু মূল্যায়ন ৱেল আৰু ৫ নং ই পি ইউ/কিউ পি ইউ)। পূৰ্বে প্ৰদান কৰা পৰিৱেশ সংশোধনত (EC)ত হাইড্ৰ'কাৰ্বন ব্লকত স্থলভাগত তেল আৰু গেছ অন্বেষণ, মূল্যায়ন আৰু আগতীয়া উৎপাদনত এ এ অ' এন এইচ পি-২০১৭/৪, যোৰহাট জিলা, অসম (কূপৰ অৱস্থিতি এছপি ১. ইষ্ট ২) পৰিৱেশ নিষ্কাষণত সংশোধন |

ওপৰত উল্লেখ কৰা পৰিৱেশ নিষ্কাশন (EC) পত্ৰসমূহৰ প্ৰতিলিপি ৰাজ্যিক পৰিৱেশ প্ৰভাৱ মূল্যায়ন কৰ্তৃপক্ষ (SEIAA), অসম, প্ৰদূষণ নিয়ন্ত্ৰণ ব'ৰ্ড অসম (PCBA)ৰ ওচৰত উপলব্ধ আৰু পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় (MoEF&CC) ৱেবছাইট https://parivesh.nic.in আৰু বেদান্ত লিমিটেড (Div.: Cairn Oil & Gas) ৱেবছাইট- https://cairnindia.com ত চাব পাৰিব। এই জাননী অংশীদাৰৰ স্বাৰ্থত জাৰি কৰা হৈছে।


## বিহালীত বাল্যবিবাহ

### এজনক গ্ৰেপ্তাৰ

দৈনিক অসমৰ প্ৰতিনিধি

**বৰগাং, ১৮ ফেব্ৰুৱাৰী ঃ** বাল্যবিবাহ সমাজৰপৰা নিৰ্মূল কৰাৰ অৰ্থে অসম চৰকাৰে আইন প্ৰণয়ন কৰাৰ উপৰি স্থানীয় আৰক্ষী প্ৰশাসন, গাঁওৰক্ষী বাহিনীৰ *১১ পৃষ্ঠাত চাওক*

## বঙাইগাঁৱত বাঢ়িল ৪০০ৰপৰা ১০০০ শতাংশ পৰ্যন্ত

# অভাৱনীয় হাৰত মাটিৰ খাজনা বৃদ্ধি

দৈনিক অসমৰ প্ৰতিনিধি

**বঙাইগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও জিলাৰ চহৰ আৰু গ্ৰামাঞ্চলৰ মাটিৰ খাজনা অভাৱনীয় হাৰত বৃদ্ধি পোৱাৰ ফলত সাধাৰণ ৰাইজৰ জীৱন দুৰ্বিষহ হৈ পৰিছে। অভিযোগ মতে, ৰাজহ বিভাগে নতুনকৈ মাটিৰ বৰ্গীকৰণ কৰি সেইমতে খাজনাৰ হাৰ বৃদ্ধি কৰাৰ পাছত এই বিষয়ে ৰাইজক কোনো স্পষ্ট জাননী দিয়া নাছিল। স্থানীয় ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, জিলা আয়ুক্তৰ কাৰ্যালয় আৰু সহজ সেৱা কেন্দ্ৰবোৰতো বৰ্দ্ধিত খাজনাৰ বিষয়ে কোনো জাননী ৰাজহুৱা কৰা হোৱা নাই। ফলত সাধাৰণ ৰাইজে নিজৰ ভূমিৰ বৰ্গ নজনাকৈ অনলাইনত দেখুৱা ধৰণে উচ্চ হাৰত খাজনা আদায় দিব লগাত পৰিছে। চৰকাৰ আৰু ৰাজহ বিভাগৰ এনে কাৰ্যই সাধাৰণ নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব কৰা বুলি স্থানীয় এচাম অধিবক্তাই অভিযোগ *১১ পৃষ্ঠাত চাওক*

### গ্ৰামাঞ্চলৰ মাটি পুঁজিপতিক গতোৱাৰ ষড়যন্ত্ৰৰ অভিযোগ

## নতুন বদলাত ভয়ংকৰ পথ দুৰ্ঘটনা

### কথমপি ৰক্ষা পৰিল এটি পৰিয়ালৰ চাৰিজনকৈ লোক

দৈনিক অসমৰ প্ৰতিনিধি

**নগৰবেৰা, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়া সমষ্টিৰ অন্তৰ্গত *১১ পৃষ্ঠাত চাওক*

# গোলাঘাটত নৱম শ্ৰেণীৰ ছাত্ৰক নৃশংস হত্যা

## তিনি হেজাৰ টকাৰ বাবেই ভয়ংকৰ ঘটনা !

দৈনিক অসমৰ প্ৰতিনিধি

**গোলাঘাট, ১৮ ফেব্ৰুৱাৰী ঃ** গোলাঘাটৰ বেঙেনাখোৱা গাঁৱৰ এখন বাঁহনিত কালি উদ্ধাৰ হৈছিল গোলাঘাট ৰে'ল ষ্টেচনৰ সমীপৰ নৱম শ্ৰেণীত অধ্যয়নত শ্লোক মল্লিক নামৰ এটি কিশোৰৰ মৃতদেহ। ঘটনা সন্দৰ্ভত স্থানীয় লোকে উল্লেখ কৰা অনুসৰি বাঁহনিখনৰপৰা *১১ পৃষ্ঠাত চাওক*


*No.BTDB/15th FC(Tender)/2025-26/1* *Dated Borobazar,the 16th Feb.,2026*

**NOTICE INVITING TENDER (NIT)**

**Tender No. 1 of 2025-26**

Sealed tender affixing a non refundable court fee stamp of Rs. 8.25 (Rupees eight & paise twenty-five) only with a validity period 180 days which will be subsequently to be covered and drawn up in the printed of F-2 Form are invited from the registered contractor Class-I (A, B, C) & Class-II categories, Assam PWD (Road & Bridge/ Building) of following Works /Schemes under 15th FC (Untied Grant) for the year 2024-25 during 2025-26 as stated below.

| Package No. | Name of the work | Bid Value (in Rs.) | Earnest Money/ Bid Security (in Rs.) | | Cost. of Bid |
|---|---|---|---|---|---|
| | | | General category | Reserved category | |
| 1/3 | Const. of boundary wall of Deol Mandir at Dakhin Barmanpara village | 1500000.00 | 30000.00 | 15000.00 | 500.00 |
| 2/3 | Const. of Milon bazar market shade (ID-1093) | 1700000.00 | 34000.00 | 17000.00 | 600.00 |
| 3/3 | Const. of Ulubari bazaar market shade | 1700000.00 | 34000.00 | 17000.00 | 600.00 |

1. **Date of issue of Bid Document : 17/02/2026**
2. **Last date of issue and submission of Bid Document : 10/03/2026 up to 2.00 PM**
3. **Date of opening of Bid : 10/03/2026 at 2.30 PM**

Detail NIT may be seen in all working days during office hours in the office of the undersigned. In case the office remain close on tender issuing/ receiving/opening date the same will be issued/received/opened on the next working day.

Sd/- Block Development Officer,
Borobazar T.D. Block

IPR(BTC)/C/2025-26/4082


## ছাতৰপৰা পৰি মৃত্যু পুতুল কুমাৰ শইকীয়াৰ



দৈনিক অসমৰ প্ৰতিনিধি

**ছিপাঝাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** দৰং জিলা যোগী সন্মিলনীৰ সভাপতি, ছিপাঝাৰৰ দক্ষিণ চুবুৰি (মল্লপাৰা) নিবাসী আগশাৰীৰ সমাজকৰ্মী, সৰ্বৱহী ব্যক্তি পুতুল কুমাৰ *১১ পৃষ্ঠাত চাওক*


প্ৰপত্ৰ নং ৩

[বিধি - ১৩ (১) (ক) চাওঁক]

**ঋণ আদায়কাৰী ন্যায়াধিকৰণ, গুৱাহাটী**

সুৱৰ্ণ ভৱন, গৃহ নং ১২, নিউ টাউন পথ, হনুমান মন্দিৰৰ সমীপত, জি. এছ. ৰোড, উলুবাৰী, গুৱাহাটী-৭৮১০০৭ (অসম)

**গোচৰ নং অ'এ/৪৮১/২০২৫**

ঋণ আদায়কাৰী ন্যায়াধিকৰণ (প্ৰক্ৰিয়া) বিধি, ১৯৯৩ৰ বিধি ৫ৰ উপ-বিধি (২ক)ৰ সৈতে, আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪)ৰ অধীনত চমন।

ইএক্সএইচ. নং ৫৬৭১

**কানাড়া বেংক**

- বনাম -

**মেচাৰ্ছ নিকিতা এণ্টাৰপ্ৰাইজ আৰু অন্যান্য**

প্ৰতি,

(১) মেচাৰ্ছ নিকিতা এণ্টাৰপ্ৰাইজ
জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম -৭৮৪১১৫

(২) শ্ৰীমতী লক্ষ্মী ৰয়
প্ৰয়াত বাবলু ৰয়ৰ পত্নী, জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম- ৭৮৪১১৫

(৩) শ্ৰীমতী সুবৰ্ণ ৰয়
পিতা - প্ৰয়াত বাবলু ৰয়, জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম -৭৮৪১১৫

(৪) শ্ৰীমতী প্ৰিয়ংকা ৰয়
পিতা - প্ৰয়াত বাবলু ৰয়, জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম -৭৮৪১১৫

(৫) শ্ৰীমতী বিপাশা ৰয়
পিতা - প্ৰয়াত বাবলু ৰয়, জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম -৭৮৪১১৫

(৬) শ্ৰীমতী নিকিতা ৰয়
পিতা - প্ৰয়াত বাবলু ৰয়, জয়ন্তী নগৰ, ৱাৰ্ড নং ১, খাৰুপেটীয়া, জিলা দৰং, অসম -৭৮৪১১৫

**চমন**

যিহেতু, অ'এ/৪৮১/২০২৫ মাননীয় প্ৰিজাইডিং বিষয়া / পঞ্জীয়কৰ ওচৰত ২৭/০১/২০২৬ তাৰিখে তালিকাভুক্ত কৰা হৈছিল।

যিহেতু, আইনৰ ধাৰা ১৯(৪)ৰ অধীনত দাখিল কৰা উক্ত আবেদন (অ'এ)ৰ জৰিয়তে আপোনাৰ বিৰুদ্ধে ঋণ হিচাপে থকা ৫৯,৬১,১৭৭.৩৪/- টকা আদায়ৰ বাবে দাখিল কৰা আবেদনৰ ভিত্তিত এই মহামান্য ন্যায়াধিকৰণে চমন/জাননী জাৰি কৰিছে (নথিৰ প্ৰতিলিপিৰ সৈতে আবেদন সংলগ্নিত)।

আইনৰ ধাৰা ১৯ৰ উপ-ধাৰা (৪) অনুসৰণ কৰি আপোনালোকক বিবাদী হিচাপে তলত দিয়া ধৰণে নিৰ্দেশ দিয়া হ'ল :-

(১) কিয় প্ৰাৰ্থনা কৰা সকাহ গ্ৰাহ্য কৰা নহ'ব সেই বিষয়ে চমন সেৱা / প্ৰকাশৰ ত্ৰিশ দিনৰ ভিতৰত কাৰণ দৰ্শাব লাগিব;

(২) মূল আবেদনৰ ক্ৰমিক নম্বৰ ৩ক-ৰ অধীনত আবেদনত নিৰ্দিষ্ট কৰা সম্পত্তিবোৰ বা সম্পদবোৰৰ বাহিৰে আন সম্পত্তিবোৰ আৰু সম্পদবোৰৰ বিষয়ে প্ৰকাশ;

(৩) মূল আবেদনৰ ক্ৰমিক নম্বৰ ৩ক-ৰ অধীনত প্ৰকাশ কৰা সুৰক্ষিত সম্পদবোৰ অথবা আন তেনে সম্পদবোৰ আৰু সম্পত্তিবোৰ লেনদেন বা মীমাংসা কৰাৰ ক্ষেত্ৰত সম্পত্তিবোৰৰ সংযোগীকৰণৰ আবেদনৰ শুনানি আৰু মীমাংসা হোৱালৈ, আপোনাক বাৰণ কৰা হ'ল;

(৪) মূল আবেদনৰ ক্ৰমিক নম্বৰ ৩ক-ৰ অধীনত নিৰ্দিষ্ট কৰা বা প্ৰকাশ কৰা সম্পদবোৰ আৰু সম্পত্তিবোৰৰ ক্ষেত্ৰত এই সাধাৰণ ব্যৱসায়িক কাৰ্যকলাপৰ বাহিৰে ন্যায়াধিকৰণৰ পূৰ্বৰ অনুমোদনৰ অবিহনে আপুনি বিক্ৰী, লীজ বা আন ধৰণে হস্তান্তৰ নকৰিব;

(৫) সুৰক্ষিত সম্পদবোৰ বা আন সম্পদবোৰ আৰু সম্পত্তিবোৰৰ ক্ষেত্ৰত সাধাৰণ ব্যৱসায়িক কাৰ্যকলাপৰ বিক্ৰী প্ৰক্ৰিয়াৰ জৰিয়তে প্ৰাপ্ত ধনৰ বাবে আপুনি দায়বদ্ধ হ'ব আৰু তেনে বিক্ৰী প্ৰক্ৰিয়াৰৰ জৰিয়তে প্ৰাপ্ত ধন সেই সম্পদবোৰৰ ওপৰত প্ৰতিভূতি স্বাৰ্থধাৰী বেংক বা বিত্তীয় প্ৰতিষ্ঠানৰ দ্বাৰা চোৱাচিতা কৰা একাউণ্টত জমা কৰিব লাগিব।

ইয়াৰ উপৰিও আপুনি লিখিত বিবৃতি দাখিল কৰিব লাগিব আৰু তাৰ এখন প্ৰতিলিপি আবেদনকাৰীৰ ওচৰত পেচ কৰিব লাগিব আৰু পঞ্জীয়কৰ ওচৰত ০২/০৩/২০২৬ তাৰিখে পুৱা ১০.৩০ বজাত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হ'ল, অন্যথা আপোনাৰ অনুপস্থিতিত আবেদনৰ শুনানি লোৱা হ'ব আৰু সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

মোৰ স্বাক্ষৰ আৰু এই ন্যায়াধীকৰণৰ মোহৰ এই তাৰিখে দিয়া হ'ল : ২৮/০১/২০২৬

**পঞ্জীয়ক,**
**ঋণ আদায়কাৰী ন্যায়াধিকৰণ, গুৱাহাটী**


## ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া জীপ ছাফাৰিৰে প্ৰকৃতিৰ পাঠ

### মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ ব্যতিক্ৰমী পদক্ষেপ



দৈনিক অসমৰ প্ৰতিনিধি

**শালবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰকৃতি আৰু জীৱ-জন্তুৰ প্ৰতি সজাগতা *১১ পৃষ্ঠাত চাওক*

## বি টি চিৰ সকলো লোকে মাটিৰ পট্টা পাব ঃ হাগ্ৰামা

### ১৫টা সমষ্টিতে বি পি এফে প্ৰাৰ্থিত্ব আগবঢ়াব ঃ দুৰ্গাদাস বড়ো



দৈনিক অসমৰ প্ৰতিনিধি

**হাউলী, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ বিষয়ে আলোচনা কৰিবলৈ বি পি এফৰ নীতি নিৰ্দ্ধাৰক কমিটীৰ এখন গুৰুত্বপূৰ্ণ *১১ পৃষ্ঠাত চাওক*

## অংশ ল'লে দেৱাল অংকন কাৰ্যসূচীত



### কমলপুৰত বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ সম্বিৎ পাত্ৰ

দৈনিক অসমৰ প্ৰতিনিধি

**কমলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ কমলপুৰ বিধানসভা সমষ্টিৰ বাইহাটাত আজি এক দেৱাল অংকন কাৰ্যসূচী *১১ পৃষ্ঠাত চাওক*

## দৰঙত আকৌ একেনিশাই দুটাকৈ মন্দিৰত চুৰি

দৈনিক অসমৰ প্ৰতিনিধি

**দৰং, ১৮ ফেব্ৰুৱাৰী ঃ** কিছুদিনৰ বিৰতিত আকৌ দৰঙত আৰম্ভ হৈছে মন্দিৰ চুৰি। চোৰে দৰঙৰ ঐতিহ্যমণ্ডিত *১১ পৃষ্ঠাত চাওক*


পঞ্জাব নেশ্যনেল বেংক ...भरोसे का प्रतीक ! punjab national bank ...the name you can BANK upon !

**ই-নিলাম বিক্ৰী জাননী**
**স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে**

এআৰবিএম, হেম বৰুৱা ৰোড, পাণবজাৰ, গুৱাহাটী ৭৮১০০১ — e-mail : cs8231@pnb.bank.in

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী। ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/ চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

**সুৰক্ষিত সম্পদসমূহৰ সূচী**

| ক্ৰ নং | শাখাৰ নাম / একাউন্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২) ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) চাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪) ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ)দখলীকৰণৰ ধৰণ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | এআৰএমবি গুৱাহাটী শাখা<br>**মেছাৰ্ছ টিনা ড্ৰাগছ** শ্ৰীসন্ময় ডেকা (স্বত্বাধিকাৰী)<br>**১. মেছাৰ্ছ টিনা ড্ৰাগছ** ঠিকনাঃ ঘৰ নং-০১, শ্ৰীনগৰ পথ, খ্ৰীষ্টিয়ান বস্তি, ৱাৰ্ড নং-১৯, জি এছ ৰোড, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম- ৭৮১০০৫<br>**২. শ্ৰীসন্ময় ডেকা (স্বত্বাধিকাৰী)** ঠিকনাঃ পিতা- অক্ষেন্দ্ৰ কুমাৰ ডেকা, ঠিকনাঃ ঘৰ নং-০১, শ্ৰীনগৰ পথ, খ্ৰীষ্টিয়ান বস্তি, ৱাৰ্ড নং-১৯, জি এছ ৰোড, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম- ৭৮১০০৫<br>**৩. শ্ৰীমতী মামণি দেৱী** (বন্ধকদাতা আৰু জামিনদাৰ) স্বামী- প্ৰয়াত কনক চন্দ্ৰ শৰ্মা **ঠিকনা ১ঃ** মাৰফৎ- মৃণাল জ্যোতি শৰ্মা, ঘৰ নং-৫১, ৯ নং উপ-পথ, ৰাজগড় ৰোড, পূব শৰণীয়া, শিলপুখুৰী, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম- ৭৮১০০৩ **ঠিকনা ২ঃ** ঘৰ নং-৫১, পথ নং-৩, শিৱনাথ গগৈ পথ, নৱজ্যোতি নগৰ, পাঞ্জাবাৰী, বাঘৰবাৰী, এছবিআই কাৰ্যালয়ৰ অতিথিশালাৰ ওচৰত, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম-৭৮১০৩৭<br>**৪. শ্ৰী মনোজ কুমাৰ শৰ্মা বৰুৱা** (বন্ধকদাতা আৰু জামিনদাৰ) (প্ৰয়াত আইনী উত্তৰাধিকাৰীসকলৰ জৰিয়তে, অৰ্থাৎ ১) শ্ৰীমতী মামণি দেৱী ২) অজ্ঞাত আইনী উত্তৰাধিকাৰী, যদি থাকে) পিতা- প্ৰয়াত কনক চন্দ্ৰ শৰ্মা **ঠিকনা ১ঃ** মাৰফৎ- মৃণাল জ্যোতি শৰ্মা, ঘৰ নং-৫১, ৯ নং বাই লেন, ৰাজগড় ৰোড, পূব শৰণীয়া, শিলপুখুৰী, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম- ৭৮১০০৩ **ঠিকনা ২ঃ** ঘৰ নং-৫১, পথ নং-৩, শিৱনাথ গগৈ পথ, নৱজ্যোতি নগৰ, পাঞ্জাবাৰী, বাঘৰবাৰী, এছবিআই কাৰ্যালয়ৰ অতিথিশালাৰ ওচৰত, গুৱাহাটী, জিলা- কামৰূপ (ম), অসম- ৭৮১০৩৭ | ৰাজহ গাঁও- বাঘৰবাৰী, মৌজা- বেলতলা, জিলা- কামৰূপ (ম), অসমৰ অন্তৰ্গত দাগ নং- ১১৩ (পুৰণি)/ ৯৩১ (নতুন), কেপি পট্টা নং- ৫৪ (পুৰণি)/১১৭(নতুন), ৰে আগুৱা মুঠ ০১ (এক) কঠা ১০ (দহ) লেচা পৰিমাণৰ মাটি-সম্পত্তি সৈতে তাত থকা ঘৰ-বাৰী, অন্যান্য গঠন, নিৰ্মাণকাৰ্য আৰু অন্যান্য নিৰ্মাণসমূহ অন্তৰ্ভুক্ত। উক্ত সম্পত্তি যৌথভাৱে স্বত্বাধিকাৰী শ্ৰীমতী মামনি দেৱী অৰ্থাৎ মামনি দেৱী, স্বামী- প্ৰয়াত কনক চন্দ্ৰ শৰ্মা আৰু প্ৰয়াত কনক চন্দ্ৰ শৰ্মাৰ বৈধ উত্তৰাধিকাৰী শ্ৰীমনোজ শৰ্মা অৰ্থাৎ শ্ৰীমনোজ কুমাৰ শৰ্মা বৰুৱাৰ দ্বাৰা প্ৰতিনিধিত্ব কৰা হৈছে। চাৰিসীমা এনেধৰণৰঃ উত্তৰে - পথ (১৮ ফুট বহল) দক্ষিণে - দাগ নং ১১৩ৰ মাটি পূবে - দাগ নং ১১৩ৰ মাটি পশ্চিমে - আন দাগৰ মাটি (বিৱৰণী পঞ্জীয়নকৃত বিক্ৰী দলিল নং ৮৩০১/১৯৯, তাৰিখ ২৯-১০-১৯৯৯) | (ক) ২৮-০৪-২০২৫ (খ) ৩৫,৭০,৭১১.১৪ টকা লগতে ৩১.০৩.২০২৫ লৈ সুদ আৰু অন্যান্য খৰচ অন্তৰ্ভুক্ত (গ) ৩০.০৬.২০২৫ (ঘ) প্ৰতীকী দখল | (ক) ২,৩৪,১২,০০০/- টকা (খ) ২৩,৪১,২০০/- টকা (১৬.০৩.২০২৬ তাৰিখে সন্ধিয়া ৪ বজালৈ) (গ) ০.৫০ লাখ | দিনাংক ঃ ১৭.০৩.২০২৬ সময় ঃ পুৱা ১১:০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | নাই |

**ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী**

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাৱলী, ২০০২ৰ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব -

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়া জনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু কোনো ভুল, ভুল বিৱৰণ বা বাদ পৰাৰ বাবে অনুমোদিত বিষয়া জন দায়ী নহ'ব।

৩. **বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com ৱেবছাইটত ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ১৭.০৩.২০২৬ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।**

৪. **বিক্ৰী সংক্ৰান্তীয় সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীসমূহ, জানিবলৈ অনুগ্ৰহ কৰি https://baanknet.com ৱেবছাইটটো চাওক।**

৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহৰ ওপৰত থকা যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, বা আন কোনো অজ্ঞাত দাবীৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰে সম্পত্তিৰ ওপৰত থকা সকলো সম্ভাব্য দায়বদ্ধতা, কৰ, বিদ্যুৎ বিল আদি বিষয়ে নিজে অনুসন্ধান কৰিব লাগিব।

৬. অনুমোদিত বিষয়া জনে যিকোনো বিড গ্ৰহণ বা প্ৰত্যাখ্যান কৰিবলৈ, নিলাম স্থগিত, বাতিল, পুনঃনিৰ্ধাৰণ বা চৰ্তাৱলী পৰিৱৰ্তন কৰিবলৈ সম্পূৰ্ণ অধিকাৰ ৰাখে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৭. নিলামত অংশগ্ৰহণকাৰী বিডাৰে বিড জমা কৰাৰ আগতে সম্পত্তিখিনি নিজে পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। সম্পত্তি পৰিদৰ্শনৰ বাবে বিডাৰে দায়িত্বপ্ৰাপ্ত বেংক কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিব লাগিব।

**তাৰিখ ঃ ১৬.০২.২০২৬**
**স্থান ঃ গুৱাহাটী**

**স্বা/- অনুমোদিত বিষয়া**
**পাঞ্জাব নেচনেল বেংক**

# সম্পাদকীয়


৬ ফাগুন, বৃহস্পতিবাৰ, ১৯৪৭ শক

## নতুন সমীকৰণৰ সম্ভাৱনা

'আমাৰ মুক্ত সমুদ্ৰ কেৱল ভৌগোলিক সীমা নহয়, বৰং বাংলাদেশৰ বাবে গোলকীয় অৰ্থনীতিক স্পৰ্শ কৰাৰ এখন দুৱাৰ। নেপাল, ভূটান আৰু সাতভনীক সামৰি এই অঞ্চলটোৰ আছে ব্যাপক অৰ্থনৈতিক সম্ভাৱনীয়তা।'— বাংলাদেশৰ অন্তৰ্ৱৰ্তী চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছে তেওঁৰ বিদায়ী ভাষণত উল্লিখিত মন্তব্য কৰিছিল। তেওঁ বাংলাদেশৰ অৰ্থনৈতিক সম্ভাৱনীয়তাৰ কথা ক'বলৈ গৈ ভাৰতৰ উত্তৰ-পূবৰ উল্লেখ কৰিছিল অতি কৌশলীভাৱে। মন কৰিবলগীয়া যে তেওঁ ভাৰত বা নতুন দিল্লীৰ নাম অৰ্থনৈতিক বিকাশৰ যাত্ৰাৰ সহযোগী হিচাপে নল'লে। তাৰ সলনি সাতভনী বুলি ভাৰতৰ উত্তৰ-পূবৰ প্ৰসংগহে উল্লেখ কৰিলে। ভাৰতৰ চুবুৰীয়া দেশসমূহৰ ভূ-ৰাজনৈতিক পৰিস্থিতিলৈ মন কৰিলে ইউনুছৰ এই মন্তব্যৰ বিশেষ তাৎপৰ্য আছে। কিয়নো মঙলবাৰৰ দিনটোত ১৮ মাহ বাংলাদেশৰ অন্তৰ্ৱৰ্তী চৰকাৰক নেতৃত্ব দিয়াৰ পাছত ন'বেলজয়ী মহম্মদ ইউনুছৰ হাতৰপৰা গণতান্ত্ৰিভাৱে নিৰ্বাচিত চৰকাৰলৈ বাংলাদেশৰ ক্ষমতা হস্তান্তৰিত হ'ল। বাংলাদেশ নেচনেলিষ্ট পাৰ্টীৰ মুৰব্বী তাৰিক ৰহমানৰ নেতৃত্বত দেশখনৰ নতুন চৰকাৰ গঠনৰ পাছতে এতিয়া বাংলাদেশৰ ৰাজনীতিৰ ভৱিষ্যতৰ গতিপথ কেনেধৰণৰ হ'ব, তাক লৈ চৰ্চা চলিছে। মন কৰিবলগীয়া যে বাংলাদেশৰ শ্বেখ হাছিনা চৰকাৰৰ পতন আৰু তেওঁৰ ভাৰতত আশ্ৰয় গ্ৰহণৰ পাছতে ভাৰতৰ সৈতে বাংলাদেশৰ সম্পৰ্ক তিক্ত হ'বলৈ আৰম্ভ কৰিছিল। দেশখনত গা কৰি উঠা মৌলবাদী কাৰ্যকলাপ, জল বিবাদ, ভাৰতবিৰোধী বিদ্বেষ, সংখ্যালঘু, বিশেষকৈ হিন্দুসকলৰ ওপৰত আক্ৰমণ আদিৰ দৰে ঘটনাই বাংলাদেশক দ্বিতীয়খন পাকিস্তানত পৰিণত কৰাৰ আশংকা গাঢ় কৰি তুলিছিল। বাংলাদেশৰ হাছিনা চৰকাৰ পতনৰ আঁৰত পাকিস্তান আৰু আই এছ আইৰ ভূমিকা থকা দেশখনৰ সৈতে পাকিস্তানৰ বাণিজ্যিক আৰু সামৰিক সম্পৰ্ক বৃদ্ধি আদিৰ দৰে কাৰ্যকলাপে স্পষ্ট কৰি তুলিছিল যে বাংলাদেশ সলনি হ'বলৈ ধৰিছে আৰু ই ভাৰতৰ হিতৰ কাৰণে হোৱা নাই। চীনৰ বৰ্দ্ধিত প্ৰভাৱ আৰু পাকিস্তানৰ সক্ৰিয়তাই দেশখনক ভাৰতবিৰোধী কাৰ্য-কলাপ আৰু ষড়যন্ত্ৰৰ দ্বিতীয় কেন্দ্ৰ কৰি তোলাৰ আশংকা গাঢ় কৰি তুলিছিল। এনে পৰিস্থিতিৰ মাজতে স্বাভাৱিকতে দেশখনৰ সাধাৰণ নিৰ্বাচন দক্ষিণ-পূব এছিয়াৰ ৰাজনীতিৰ বাবে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল। নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছত মঙলবাৰৰ দিনটোত দেশখনৰ নৱনিৰ্বাচিত বি এন পি চৰকাৰে দেশৰ শাসনভাৰ গ্ৰহণ কৰিলে আৰু তাৰ পাছতে ভাৰতৰ সৈতে বাংলাদেশৰ পূৰ্বৰ সু-সম্পৰ্ক ঘূৰি আহিব নে নাই, তাক লৈ চৰ্চা চলিছে। মহম্মদ ইউনুছে তেওঁৰ বিদায়ী ভাষণত কোৱা কথাকেইষাৰো এই প্ৰসংগতে গুৰুত্বপূৰ্ণ হৈ পৰিছে।

ইউনুছৰ আমোলতে যোৱা ডিচেম্বৰ মাহত বাংলাদেশৰ এন চি পি নামৰ দলটোৰ এজন নেতা হাছনাট আব্দুল্লাই চৰম উচটনিমূলক মন্তব্যৰে ভাৰতৰ ভূখণ্ডৰপৰা উত্তৰ-পূবক বিচ্ছিন্ন কৰি তোলাৰ হুংকাৰ দিছিল। ভাৰতৰ আন ভূখণ্ডৰ সৈতে উত্তৰ-পূবৰ যোগসূত্ৰৰ স্থলী 'চিকেন নেক'ক বিচ্ছিন্ন কৰাৰ হুংকাৰেৰে তেওঁ কৰা মন্তব্যৰ পাছতে ভাৰত চৰকাৰো তৎপৰ হ'বলৈ বাধ্য হৈছিল। ইউনুছৰ শাসনকালত ভাৰতবিৰোধী চিন্তা-চৰ্চাৰ উদ্‌গীৰণৰ এয়া এটা সাধাৰণ উদাহৰণহে আছিল। মন কৰিবলগীয়া কথাটো হৈছে যে নিজৰ বিদায়ী ভাষণত ইউনুছেও অন্য এটা সুৰেৰে হাছনাটৰ কথাখিনিৰে প্ৰতিধ্বনি কৰা বুলি চৰ্চা হৈছে। ইফালে, নতুন চৰকাৰত ইউনুছৰ প্ৰভাৱ কিমান হ'ব বা তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি হ'বগৈ নেকি বুলিও চৰ্চা আৰম্ভ হৈছে। আনহাতে, বাংলাদেশৰ জামাত-ই-ইছলামীৰ দৰে হিন্দু তথা ভাৰতবিৰোধী দলে শক্তিশালী স্থিতি লাভ কৰাটোও এটা প্ৰত্যাহ্বানৰ বিষয় হৈ পৰিব পাৰে। নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছতে বিভিন্ন ৰাজনৈতিক বিশ্লেষকে এটা গুৰুত্বপূৰ্ণ পৰিসংখ্যা পোহৰলৈ আনিছে। সেয়া হৈছে জামাতে ভাৰতৰ সীমান্তৱৰ্তী ৮০ শতাংশ আসনত বিজয়ী হৈছে। সংখ্যাৰ হিচাপত এয়া ৪০ৰো অধিক। বাংলাদেশ সাতখিৰা, লালমোনিৰহাট, পঞ্চগড়, ৰংপুৰ, দিনজানপুৰ আৰু চপাই নবাবগঞ্জ আদি ভাৰতৰ সীমাৰ সৈতে সংলগ্ন জিলাত খোপনি পুতিছে দলটোৱে। ভাৰতবিৰোধী তথা হিন্দুবিদ্বেষী এই ৰাজনৈতিক শক্তিয়ে সীমান্তৱৰ্তী অঞ্চলবোৰত শক্তিশালী ভেটি স্থাপন কৰাটো ভাৰতৰ বাবে নতুন প্ৰত্যাহ্বান হিচাপে বিবেচিত হৈছে। এনে পৰিপ্ৰেক্ষিতত তাৰিক ৰহমানৰ চৰকাৰে ভাৰতৰ সৈতে সম্পৰ্ক উন্নীত কৰাৰ কিমান ফলপ্ৰসূ প্ৰচেষ্টা চলাব পাৰিব, সেয়া এতিয়াও অস্পষ্ট হৈ ৰৈছে। প্ৰধানমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণৰ পাছত তাৰিক ৰহমানে সংবাদ মাধ্যমৰ আগত কৰা ভাষ্যত ভাৰতৰ সৈতে সম্পৰ্ক উন্নীত কৰাৰ ক্ষেত্ৰত তেওঁৰ আন্তৰিকতা প্ৰকাশ পোৱা নাই। তেওঁ এই প্ৰসংগত মন্তব্য কৰিছে যে তেওঁৰ দেশৰ জনগণৰ হিতৰ অনুকূলেহে বিদেশ নীতি নিয়ন্ত্ৰিত হ'ব। তাৰ বিপৰীতে চীনৰ সৈতে অৰ্থনৈতিক সহযোগিতাৰ কথা তেওঁ স্পষ্টভাৱে প্ৰকাশ কৰিছে। চীনক বিকাশৰ সহযোগী বুলি অভিহিত কৰা তাৰিক ৰহমানে শ্বেখ হাছিনাৰ প্ৰত্যৰ্পণৰ বিষয়টোতো যে ভাৰতৰ ওপৰত হেঁচা প্ৰয়োগৰ চেষ্টা কৰিব সেয়া স্পষ্ট হৈ পৰিছে। কিয়নো নিৰ্বাচনী ফলাফল ঘোষণাৰ পাছতে তেওঁৰ দলৰ এগৰাকী জ্যেষ্ঠ নেতাই শ্বেখ হাছিনাৰ প্ৰত্যৰ্পণৰ দাবী তুলিছিল। প্ৰধানমন্ত্ৰী ৰহমানে কৌশলেৰে বিষয়টোক আইনী প্ৰক্ৰিয়া বুলি অভিহিত কৰি এৰাই চলাৰ চেষ্টা কৰিলেও এই বিষয়টো লৈ যে দুয়ো দেশৰ মাজত হাৱা গৰম হ'ব, সেয়া নিশ্চিত বুলিব পাৰি। উল্লেখ্য যে শ্বেখ হাছিনাৰ শাসনকালত, বিশেষকৈ ২০০৯ চনৰপৰা ২০২৪ৰ ভিতৰত দুয়োখন দেশৰ মাজত সম্পৰ্ক অতি ঘনিষ্ঠ আৰু সহযোগিতামূলক আছিল। সেই সময়ছোৱাক ভাৰত-বাংলাদেশৰ মাজত বাণিজ্য, যোগাযোগ, সীমান্ত নিৰাপত্তা আৰু জলসম্পদৰ ক্ষেত্ৰত 'সোণালী অধ্যায়' বুলি কোৱা হৈছিল। কিন্তু ২০২৪ চনৰ ছাত্ৰ বিপ্লৱৰ পাছত শ্বেখ হাছিনাই বাংলাদেশৰপৰা পলায়ন কৰি ভাৰতত আশ্ৰয় লোৱাৰ পাছৰেপৰাই দুয়োখন দেশৰ সম্পৰ্কৰ অৱনতি ঘটাৰ লগে লগে বাংলাদেশক কেন্দ্ৰ কৰি ভাৰতৰ বৈৰী দেশসমূহে নতুন সমীকৰণ ৰচনা কৰাটো স্পষ্ট হৈ পৰিছে। চীন আৰু পাকিস্তানৰ ভূমিকা এই ক্ষেত্ৰত বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বিবেচিত হ'ব পাৰে। উল্লেখ্য যে তাৰিক আহমেদৰ নেতৃত্বত ভাৰত-বাংলাদেশ সম্পৰ্কৰ ক্ষেত্ৰত কিছু নতুন সমীকৰণ দেখাৰ সম্ভাৱনা আছে। কিন্তু ভূ-ৰাজনৈতিক বাস্তৱতা আৰু পাৰস্পৰিক নিৰ্ভৰশীলতাৰ বাবে দুয়োখন দেশেই সহযোগিতাৰ পথেৰে আগবাঢ়িব লাগিব। দক্ষিণ এছিয়াত শান্তি আৰু উন্নয়নৰ বাবে এই সম্পৰ্ক সুস্থ আৰু স্থিতিশীল হোৱা অতি প্ৰয়োজনীয়।

## সময়ৰ শৰ



অংক মিলা নাই কংগ্ৰেছ বিধায়ক বসন্ত, ভাস্কৰজ্যোতি, কমলাক্ষ, শশীকান্তৰ।

**আচল মাষ্টৰৰ ওচৰ চাপিলেই হ'ল— নিমিলা অংক নিশ্চয় মিলিব!**

ৰাজ্যৰ ৭৮ সমজিলাৰ ২৯খনেই কাৰ্যক্ষম নহয়।

**মানে আগফালে দুৱাৰ ডাং পিছফালে ধোবাংবাং!**

জলজীৱন মিছনৰ ৪,১০২ ঠিকাদাৰে পোৱা নাই বিলৰ ধন।

**ঠিকাদাৰৰে এই অৱস্থা, গ্ৰাহকে ক'ৰপৰা খোৱাপানী পাব!**

বালাজানত সাংবাদিক নিগ্ৰহ, এনকাউণ্টাৰৰ ভাবুকি ঃ আৰক্ষী বিষয়াক নিলম্বনৰ দাবী।

**নিৰীহ বুলিলেই আৰক্ষীৰ বল-বিক্ৰম জাগ্ৰত হোৱা পুৰণিকলীয়া অভ্যাসটো বাৰু কেনেকৈ বাদ দিয়ে!**

ইৰানক সহায়ৰ নিশ্চয়তা তালিবানৰ।

**এইবাৰ আৰু ভয় নাই, তালিবানক দেখি দূৰতে বিদূৰ হ'ব ইজৰাইল-আমেৰিকা!**

মেটাফ'ৰিকেল অৰ্থত দেখা 'সপোন'বোৰ আমাৰ সুপ্ত অৱস্থাত, অৱচেতন আৰু অচেতন মনৰ ক্ৰিয়াকলাপ হিচাপে বা ফ্ৰয়ডে কোৱা অৱদমিত আকাংক্ষাৰ প্ৰতিফলনৰ পৰা নাহে; ই বৰং আমাৰ জাগ্ৰত অৱস্থাৰ আৰু সচেতন মনৰহে সৃষ্টি, যাৰ সৈতে জীৱন সম্পৰ্কীয় আমাৰ নিজস্ব দৃষ্টিভংগীৰ সম্পৰ্ক আছে।



# বিলম্বিত সপোন

## মনসৰা



ডঃ বিৰিঞ্চি কুমাৰ দাস

সাহিত্যতেই হওক বা ব্যৱহাৰিক জীৱনতে, সপোন শব্দটোৱে দুই ধৰণৰ অৰ্থ লৈ আমাৰ সন্মুখলৈ আহে— তাৰে এটা আক্ষৰিক, আনটো মেটাফ'ৰিকেল। আক্ষৰিক অৰ্থত 'সপোন' হৈছে সেইবোৰ, যাক আমি শুই থকা অৱস্থাত দেখোঁ, আৰু যাৰ লগত আমাৰ অৱচেতন আৰু অচেতন মনৰ সম্পৰ্ক আছে বুলি মনস্তত্ত্ববিদসকলে কয়। এইবিধ সপোন সম্পৰ্কে অধ্যয়ন কৰি আমাৰ সন্মুখত 'সপোন'ৰ জটিল ৰহস্য উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰা মনস্তত্ত্ববিদসকলৰ মাজত উল্লেখনীয় কেইগৰাকীমান হৈছে— ছিগমণ্ড ফ্ৰয়ড, কাৰ্ল গুস্তাভ যুং, কেলভিন হল, মেৰী কেলকিন্‌ছ আদি। 'সপোন' দেখাৰ কাৰণ আৰু ইয়াৰ প্ৰকৃতি সম্পৰ্কে ব্যাখ্যা কৰিবলৈ গৈ ছিগমণ্ড ফ্ৰয়ডে তেওঁৰ 'ড্ৰীম চাইক'লজী ঃ চাইকোএনালাইছিছ ফৰ বিগিনাৰ্ছ' গ্ৰন্থত কৈছিল— 'সপোন হ'ল (অৱদমিত) আকাংক্ষাৰ (ছদ্মবেশী) পূৰণ।' অৱশ্যে যুঙকে ধৰি কেইবাগৰাকীও মনস্তত্ত্ববিদে ফ্ৰয়ডৰ 'সপোন' সম্পৰ্কীয় ব্যাখ্যা সম্পূৰ্ণৰূপে গ্ৰহণ কৰা নাই; তাৰ পৰিৱৰ্তে তেওঁলোকে এই সম্পৰ্কত নিজস্ব ধৰণেৰে ব্যাখ্যা আগবঢ়াইছে। এইসকল আৰু আন মনস্তত্ত্ববিদে 'সপোন' বিষয়ত কৰা বহল বিজ্ঞানভিত্তিক আলোচনাৰ বিপৰীতে 'সপোন' সম্পৰ্কত আমাৰ মনত যুগ যুগ ধৰি জমা হৈ থকা পৰম্পৰাগত বিশ্বাসসমূহো সক্ৰিয় হৈ আছে, যাৰ ফলত 'সপোন' একোটাই দেখোঁতাৰ মনত সৃষ্টি কৰা প্ৰতিক্ৰিয়া, যেনে— আনন্দ, ভয় অথবা শোকৰ ওপৰত ভিত্তি কৰি আমি সপোনক 'ভাল সপোন' আৰু 'বেয়া সপোন' বা দুঃস্বপ্ন হিচাপে শ্ৰেণীবদ্ধ কৰি লৈছোঁ; আনকি 'স্বপ্নফল' নামৰ আচহুৱা বস্তু এটাত বিশ্বাস কৰিবলৈ লৈ সপোনত 'অমুক' দেখিলে আমাৰ জীৱনত 'তমুক' ঘটে বুলি অপ্ৰয়োজনীয় বদ্ধমূল ধাৰণা কেতবোৰ আমি আমাৰ মনত প্ৰোথিত কৰি লৈছোঁ।

আনহাতে দ্বিতীয়টো, অৰ্থাৎ মেটাফ'ৰিকেল অৰ্থত দেখা 'সপোন'বোৰ আমাৰ সুপ্ত অৱস্থাত, অৱচেতন আৰু অচেতন মনৰ ক্ৰিয়াকলাপ হিচাপে বা ফ্ৰয়ডে কোৱা অৱদমিত আকাংক্ষাৰ প্ৰতিফলনৰ পৰা নাহে; ই বৰং আমাৰ জাগ্ৰত অৱস্থাৰ আৰু সচেতন মনৰহে সৃষ্টি, যাৰ সৈতে জীৱন সম্পৰ্কীয় আমাৰ নিজস্ব দৃষ্টিভংগীৰ সম্পৰ্ক আছে। এই আলংকাৰিক অৰ্থত 'সপোন' শব্দটোৱে আমাক লৈ যায় আমাৰ সচেতন চিন্তাৰ প্ৰতিফলন হিচাপে আমাৰ মনত গজালি মেলা আৰু লালিত হৈ থকা 'গভীৰ আকাংক্ষা' অথবা 'উচ্চ আশা'লৈ, আৰু এইধৰণৰ সপোন দেখাৰ সৈতে সপোন পূৰণ হোৱা-নোহোৱাৰ কথাটোও অৱধাৰিতভাৱেই আহি পৰে। (পুৰণি অসমীয়া গীত এটিত শুনিবলৈ পোৱা 'কোনে জানে তোমাৰ সপোন হ'বনে পূৰণ' কথাষাৰলৈ এই প্ৰসংগতে মনত পৰে। গীতটি আছিল হিন্দী ছবি 'তকদীৰ'ৰ পৰা অসমীয়ালৈ 'ডাব' কৰি উলিওৱা 'ভাগ্য' ছবিৰ। অসমীয়া গীতটি লিখিছিল ডঃ ভূপেন হাজৰিকাই আৰু কণ্ঠদান কৰিছিল শ্যামল মিত্ৰই। আকৌ, বিজ্ঞানী ডঃ ৰুবুল মাউতৰ জনপ্ৰিয় আত্মজৈৱনিক গ্ৰন্থ এখনৰ নাম হৈছে 'মোৰো এটা সপোন আছে'।)

সাহিত্যত 'সপোন' বোলা কথাটো আহিছে আক্ষৰিক আৰু মেটাফ'ৰিকেল এই দুই অৰ্থতেই। ইংৰাজী সাহিত্যত আক্ষৰিক অৰ্থৰ সপোনৰ উপস্থিতি সম্পৰ্কে ক'বলৈ গ'লে আমি মনত পেলাব পাৰোঁ মধ্যযুগৰ সাহিত্যত পোৱা 'ড্ৰীম এলিগ'ৰী' বুলি অভিহিত একধৰণৰ বৰ্ণনামূলক কবিতাৰ কথা, য'ত কাহিনী বিৱৰকে টোপনি আহি থকা অৱস্থাত সপোন দেখে আৰু পাছত সেই সপোনৰ বিৱৰণ কবিতাৰ মাজেৰে দাঙি ধৰে, যি বিৱৰণে এক প্ৰতীকী বা ৰূপকধৰ্মী অৰ্থ বহন কৰে। এইধৰণৰ সাহিত্যৰ এটা উদাহৰণ হৈছে চতুৰ্দশ শতিকাত উইলিয়াম লেংলেণ্ড নামৰ এগৰাকী কবিয়ে লিখা বুলি ধাৰণা কৰা 'পীয়েৰ্ছ প্লাউমেন' নামৰ ইংৰাজী কবিতাটি। 'সপোন'ৰ প্ৰসংগত আধুনিক যুগৰ সাহিত্যৰ কথা ক'বলৈ হ'লে আমি উল্লেখ কৰিব পাৰোঁ জৰ্জ অৰৱেলৰ ডিষ্ট'পিয়ান উপন্যাস '১৯৮৪'ৰ কথা, য'ত উইনষ্টন স্মিথ নামৰ চৰিত্ৰটোৱে কেইবাটাও সপোন দেখে, যিবোৰ সপোন আছিল পাৰ্টীৰ উৎপীড়ক ৰূপৰ পটভূমিত নিষিদ্ধ আৱেগ আৰু স্মৃতিৰ উপৰি ব্যক্তিসত্তাৰ একমাত্ৰ আশ্ৰয়স্থল; তদুপৰি এইবোৰ আছিল ব্যক্তিৰ জীৱনৰ সকলো দিশৰেই নিয়ন্ত্ৰকৰ ভূমিকা লোৱা পাৰ্টীৰ প্ৰতি এক প্ৰতীকী প্ৰত্যাহ্বানো, কাৰণ সচেতনভাৱে কৰা সকলো কাৰ্য নিয়ন্ত্ৰণ কৰিব পাৰিলেও পাৰ্টীয়ে অৱচেতন মনত গঢ়ি উঠা 'সপোন'ক নিয়ন্ত্ৰণ কৰিব নোৱাৰে, আৰু সেয়ে সপোনেই হৈ পৰে ব্যক্তিগত অধিকাৰৰ ভিতৰুৱা একমাত্ৰ বস্তু।

মানুহৰ সচেতন আশা-আকাংক্ষাৰ সৈতে জড়িত আলংকাৰিক অৰ্থৰ সপোনকো বিভিন্ন ভাষাৰ সাহিত্যত বিভিন্ন সাহিত্যিকে উপস্থাপন কৰিছে। এইক্ষেত্ৰত উদাহৰণ হিচাপে নাম ল'বলৈ গ'লে সীমাহীন নাম আহি পৰে যদিও এই অজস্ৰ নামৰ মাজত সততে মনলৈ অহা এটা নাম হৈছে আমেৰিকাৰ কবি লেংষ্টন হিউজ, যিয়ে 'সপোন' বিষয়ক বহুতো কবিতা ৰচনা কৰিছে আৰু ব্যক্তিগত আশা-আকাংক্ষাৰ ঊৰ্দ্ধলৈ গৈ সামূহিক আশা-আকাংক্ষাৰ অৰ্থত সপোনক উপস্থাপন কৰিছে। তেওঁ ৰচনা কৰা কবিতাবোৰৰ মাজত এটা বিখ্যাত কবিতা হৈছে 'সপোনবোৰ'। 'সপোন' শব্দটোৱে কৃষ্ণাংগসকলৰ মুক্তিৰ আকাংক্ষাক সবলভাৱে দাঙি ধৰা হিউজে এই চুটি কবিতাটিত লিখিছে— 'সপোনবোৰ জোৰেৰে ধৰি ৰাখা/কাৰণ, যদি সপোনবোৰৰ মৃত্যু হয়/জীৱন হৈ পৰে এটা ডেউকা ভগা চৰাই/যি উৰিব নোৱাৰে। সপোনবোৰ জোৰকৈ ধৰি ৰাখা/কাৰণ, সপোনবোৰ যদি আঁতৰি যায়/জীৱন হৈ পৰে এখন বন্ধ্যা পথাৰ/তুষাৰ আবৃত।'

ওপৰত উল্লেখ কৰিছোঁ যে 'সপোন'ৰ কথা লেংষ্টন হিউজে আন বহুকেইটা কবিতাত আনিছে। তেওঁ ৰচনা কৰা এখন কবিতা পুথি হৈছে 'মণ্টাজ অব এ ড্ৰীম ডিফাৰ্ড'। এই পুথিখনত সন্নিবিষ্ট চুটি কবিতাবোৰৰ আটাইকেইটাতে 'সপোন'ৰ কথা উল্লেখ কৰা আছে। উদাহৰণস্বৰূপে, 'ফ্লেটেড ফিল্‌থছ', 'পাছিং', 'নাইটমেয়াৰ বুগী', 'হোপ', 'কমেণ্ট অন কাৰ্ব' ইত্যাদি। 'হোপ' শীৰ্ষক চাৰিশাৰীৰ কবিতাটিত এক আইৰনিৰ সৃষ্টি কৰি তেওঁ লিখিছিল— 'মানুহজনে মৃত্যুশয্যাত উঠি বহিছিল/আৰু মাছ বিচাৰিছিল/ তেওঁৰ পত্নীয়ে তেওঁৰ স্বপ্নগ্ৰন্থত ইয়াৰ অৰ্থ চাইছিল/আৰু জুৱাত বাজি ধৰিছিল।'

কিন্তু এই পুথিখনত থকা কবিতাবোৰত হিউজে কেৱল 'সপোন'ৰ কথাকে কোৱা নাছিল, 'বিলম্বিত সপোন'ৰ কথাও কৈছিল। 'হাৰ্লেম নৱজাগৰণ'ৰ এগৰাকী নেতা হিউজে লিখা 'হাৰ্লেম' শীৰ্ষক কবিতাটি 'বিলম্বিত সপোন'ৰ বিষয়ে লিখা এটা বহুচৰ্চিত কবিতা। কবিতাটিত তেওঁ লিখিছে— 'এটা বিলম্বিত সপোনৰ কি হয়?/ই শুকাই যায়/ৰ'দত শুকোৱা কিছমিছৰ দৰে?/নাইবা এডোখৰ ঘাৰ দৰে পকি যায়?/আৰু তাৰ পাছত পূঁজ ওলায়?/ই পচা মাংসৰ দৰে গোন্ধায় নেকি?/বা কোনো অকটা মিঠা বস্তুৰ দৰে/ইয়াত খহটা আৰু চেনিমিশ্ৰিত আৱৰণৰ সৃষ্টি হয় নেকি?/হয়তো ই মাথোন হালি পৰে/গধুৰ বোজাৰ দৰে/অথবা ই বিস্ফোৰিত হয়?'

এই কবিতাটি সন্নিবিষ্ট থকা পুথিখনৰ নামটোতেই 'বিলম্বিত সপোন'ৰ কথা আছে ('মণ্টাজ অব এ ড্ৰীম ডিফাৰ্ড' বা 'এটা বিলম্বিত সপোনৰ মণ্টাজ'।) আচলতে এই পুথিখনত কেইবাটাও পৃথক শিৰোনামবিশিষ্ট চুটি কবিতা আছে যদিও এই কবিতাবোৰ এটা কবিতাৰ নিচিনা পঢ়িব পৰাকৈ এই পুথিখন ৰচনা কৰা হৈছিল, আৰু প্ৰতিটো পৃথক কবিতাৰ এটাৰ সৈতে আনটোক বান্ধি ৰাখিছিল 'সপোন'ৰ উপস্থাপনে। আটাইকেইটা কবিতা হিউজে পৃষ্ঠপোষকতা কৰা 'জাজ কবিতা'ৰ শৈলীত ৰচনা কৰা হৈছে আৰু আটাইকেইটা কবিতাৰ মূল বিষয়বস্তু সাঙোৰ খাই আছে আমেৰিকাৰ হাৰ্লেম অঞ্চলৰ আফ্ৰিকান-আমেৰিকান লোকসকলৰ জীৱনৰ সৈতে। প্ৰতিটো কবিতা এটা দিনৰ ২৪টা ঘণ্টাৰ ভিতৰৰ নিৰ্দিষ্ট একোটা সময়ৰ একোখন চিত্ৰ আৰু পুথিখনত কবিতাবোৰ সজোৱা হৈছে চলচ্চিত্ৰৰ 'মণ্টাজ'ৰ আৰ্হিত।

'হাৰ্লেম'ৰ বাহিৰেও পুথিখনৰ আৰু কেইবাটাও কবিতাত 'ড্ৰীম ডিফাৰ্ড' বা বিলম্বিত সপোনৰ কথা আছে। সেই কবিতাকেইটা হ'ল— 'ড্ৰীম বুগী', 'টেল মী', 'লাইকওৱাইজ', 'গুড মৰ্নিং', 'চেইম ইন ব্লুজ' আৰু 'আইলেণ্ড'। 'টেল মী' শীৰ্ষক পাঁচটা শাৰীৰ কবিতাটিত হিউজে লিখিছে— 'ই কিয় মোৰ নিঃসংগতা হ'ব লাগে,/ই কিয় মোৰ গীত হ'ব লাগে,/ই কিয় মোৰ সপোন হ'ব লাগে/বিলম্বিত/সুদীৰ্ঘকাল?'

হিউজে যাক লৈ এই কবিতাবোৰ লিখিছে, কেৱল তেওঁলোকৰেই নহয়, আমাৰ সকলোৰে 'সপোন' আছে, মেটাফ'ৰিকেল অৰ্থৰ সপোন আৰু এই সপোনবোৰৰ সকলো কেৱল ব্যক্তিগত নহয়, হিউজৰ ক্ষেত্ৰত হোৱাৰ দৰে বহু সপোন সামূহিকো। কেৱল নিতান্তই স্বাৰ্থপৰ মানুহৰ বাহিৰে আন সকলোৱে ব্যক্তিগত সপোনৰ আৱেষ্টনীৰ মাজত নিজকে আবদ্ধ নাৰাখি সামূহিক সপোনকো নিজৰ চিন্তনৰ ভিতৰুৱা কৰি লয়— জাতিৰ বাবে, দেশৰ বাবে দেখা সপোন। কিন্তু প্ৰতিকূল বাস্তৱতাই যদি এইবোৰ সপোন বিলম্বিত কৰি পেলায়?

ফোন ঃ ৭০০২১৪৩৩২৫

# চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম আৰু শ'লঠেকত ছাত্ৰ-ছাত্ৰী

**জনমত**

নতুন শিক্ষানীতি ২০২০ অনুসৰি মহাবিদ্যালয়ৰ তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰমসমূহ চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অন্তঃৰ্ভুক্ত কৰা হ'ল। অৰ্থাৎ আগৰ তিনিবছৰীয়া স্নাতক পৰ্যায়সমূহত কিছু সাল-সলনি কৰি চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম কৰা হ'ল। ২০২৩ বৰ্ষৰপৰা অসম তথা ভাৰতবৰ্ষৰ প্ৰায়সংখ্যক বিশ্ববিদ্যালয়ৰ অধীনত থকা মহাবিদ্যালয়সমূহত তিনিবছৰীয়া স্নাতক পাঠ্যক্ৰম সমাপ্তি ঘটোৱা হ'ল, কিন্তু এতিয়াও এই চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমক লৈ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভ্ৰান্তিকৰ পৰিৱেশ সৃষ্টি হৈছে। অসমৰ বাহিৰৰ বিশ্ববিদ্যালয়সমূহৰ কথা বাদেই দিলোঁ; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দৰে আগশাৰীৰ অসমৰ বিশ্ববিদ্যালয়সমূহৰ কৰ্তৃপক্ষই জনোৱা অনুসৰি ২০২০ বৰ্ষৰ নতুন শিক্ষানীতিৰ পৰ্যালোচনা মতে যদি এগৰাকী ছাত্ৰই মহাবিদ্যালয়ত তিনি বছৰৰ স্নাতক অধ্যয়ন কৰে, তেন্তে ছাত্ৰগৰাকীয়ে মেজৰসহ ডিগ্ৰী লাভ কৰিব আৰু বিশ্ববিদ্যালয়ত দুবছৰ স্নাতকোত্তৰ পঢ়িব লাগিব। আনহাতে, যদি ছাত্ৰগৰাকী চাৰি বছৰ স্নাতক অধ্যয়ন কৰে, তেন্তে ছাত্ৰগৰাকীয়ে অনাৰ্চৰ লগত গৱেষণাধৰ্মী ডিগ্ৰী লাভ কৰিব অৰ্থাৎ ছাত্ৰগৰাকীয়ে Honours with Research Degree লাভ কৰিব। এগৰাকী ছাত্ৰ হিচাপে বৰ্তমানলৈকে পোৱা তথ্যসমূহৰ ভিতৰত ই এক মূল তথ্য হিচাপে বিবেচিত হৈছে, কিন্তু আমাৰ দৰে ছাত্ৰ-ছাত্ৰীৰ মাজত এই বিষয়ক লৈ এতিয়াও বিভ্ৰান্তি আছে। এতিয়ালৈকে খবৰ পোৱা অনুসৰি কিছুসংখ্যক মহাবিদ্যালয়ত চাৰি বছৰীয়া স্নাতক ডিগ্ৰীৰ বাবে পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধাৰ অভাৱৰ বাবে চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম কাৰ্যকৰী নহ'ব বুলি বহুতে জাননী জাৰি কৰিছে। আকৌ কিছুসংখ্যক কলেজৰ কৰ্তৃপক্ষই জনোৱা অনুসৰি তিনি বছৰত স্নাতক সম্পূৰ্ণ কৰিলে তেন্তে কেৱল মাইনৰ বিষয়সমূহৰ ওপৰত ভিত্তি কৰিহে স্নাতক গ্ৰহণ কৰিব পাৰিব, তাত কোনোধৰণৰ মেজৰ বিষয় উল্লেখ নাথাকিব; অৰ্থাৎ ছাত্ৰগৰাকীয়ে বিশ্ববিদ্যালয়ত দুবছৰ স্নাতকোত্তৰ পঢ়িব নোৱাৰিব; তেন্তে মূল প্ৰশ্নটো হ'ল ছাত্ৰগৰাকীয়ে যে চতুৰ্থ যাণ্মাসিকত লাভ কৰা মেজৰ বিষয়ৰ চাৰিখন কাকত পঢ়াৰ গুৰুত্বটো ক'ত থাকিল? তাৰ পাছত ক্ৰমে পঞ্চম যাণ্মাসিকত মেজৰ বিষয়ৰ চাৰিখন কাকত আৰু ষষ্ঠ যাণ্মাসিকৰ মেজৰ বিষয়ৰ চাৰিখন কাকত পঢ়াৰ গুৰুত্বটো ক'ত থাকিল, যদি ছাত্ৰগৰাকীয়ে তিনি বছৰ পঢ়ি কেৱল মাইনৰ বিষয়ৰ ওপৰতহে ভিত্তি কৰি ডিগ্ৰী লাভ কৰে, তেন্তে তিনিটা যাণ্মাসিকৰ মেজৰ বিষয়ৰ চাৰিখনকৈ কাকত পঢ়াৰ গুৰুত্ব ক'ত থাকিল? তদুপৰি বহুজনৰ কথোপকথন অনুসৰি 7.5 CGPA থাকিলেহে ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰিব পাৰিব। কিন্তু এই বিষয়ত মহাবিদ্যালয়সমূহৰ অধ্যাপক-অধ্যাপিকাই ছাত্ৰ সমাজক দিয়া ভাষ্য অনুসৰি যদি মহাবিদ্যালয়খনত আন্তঃগাঁথনিৰ অভাৱ, গৱেষণাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ সা-সুবিধাৰ অভাৱে চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ হোৱাত বাধাৰ সৃষ্টি কৰিব। আজিলৈকে অসমৰ কোনো এখন বিশ্ববিদ্যালয় কৰ্তৃপক্ষই এই বিষয়ে কোনোধৰণৰ মন্তব্য দিয়া নেদেখিলোঁ, ই আটাইতকৈ দুৰ্ভাগ্যজনক আৰু দুখলগা বিষয়। কেইদিনমানৰ আগেয়ে গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষামন্ত্ৰীৰ উপস্থিতিত চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ ওপৰত বিশদভাৱে আলোচনা অনুষ্ঠিত হৈছিল যদিও আজিলৈকে এই বিষয়ত কোনোধৰণৰ জাননী পৰিষ্কাৰভাৱে জাৰি নহ'ল, ই এক দুৰ্ভাগ্যজনক বিষয়। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীৰপৰা মহাবিদ্যালয়সমূহত ষষ্ঠ যাণ্মাসিকৰ পাঠদান আৰম্ভ হৈছে, জুনৰ প্ৰথম সপ্তাহত সম্ভৱতঃ ষষ্ঠ যাণ্মাসিকৰ চূড়ান্ত বৰ্ষৰ পৰীক্ষা অনুষ্ঠিত হ'ব, কিন্তু আজিলৈকে চাৰিবছৰীয়া স্নাতক পাঠ্যক্ৰমৰ বিষয়ে শিক্ষা বিভাগৰ তৰফৰপৰা কোনোধৰণৰ এখন জাননীও প্ৰকাশ নহ'ল। বিষয়টিৰ সন্দৰ্ভত বহুতে বহুত মন্তব্য দি আছে, কিন্তু সঠিক মন্তব্য কোনেও দিব পৰা নাই। আনকি বিশ্ববিদ্যালয় কৰ্তৃপক্ষও এই ক্ষেত্ৰত নিষ্ক্ৰিয় ভূমিকা গ্ৰহণ কৰি আছে।

■ হিমাংশু শৰ্মা
ছাত্ৰ, দৰং মহাবিদ্যালয়, তেজপুৰ

# দল বাগৰা ৰাজনীতি

বিজয়লক্ষ্মী বৰুৱা

গণতান্ত্ৰিক দেশত নিৰ্বাচন প্ৰক্ৰিয়া গণতান্ত্ৰিক হ'লেই নহ'ব, নিৰ্বাচনত ভাগ লোৱা ৰাজনৈতিক দলবোৰৰ ভিতৰতো গণতান্ত্ৰিক প্ৰক্ৰিয়া থকা উচিত। কোনোবাই দশক দশক জুৰি নিজৰ মতাদৰ্শত অটল হৈ কোনো এটা দলত থাকি যদি এটা টিকট নাপায়, অথচ কোনোবা এজন বাহিৰৰ পৰা আহি হঠাৎ টিকট পায়, নিৰ্বাচন খেলি মন্ত্ৰীসভাত স্থান পায়, সেইটো দলটোৰ বাবে যিদৰে শুভ নহয়, ঠিক তেনেদৰে ৰাইজৰ বাবেও ভাল নহয়। দ্বিতীয়তে, ৰাজনৈতিক কথা-বতৰাবোৰ ইমান নিম্ন খাপৰ হৈ পৰে, সেই কথাবোৰ ৰাজনৈতিক দলবোৰতকৈও, বিশেষকৈ ভোটাৰসকলক তুচ্ছ কৰাৰ লেখীয়াহে, কাৰণ আজিৰ কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত কোনো ইমান পিছপৰি থকা নাই যে কেৱল ছলাহী বা মিছা কথাৰে ৰাইজক আভুৱা-ভাঁৰিব পাৰি। অলপতে দেশৰ মুখ্য ন্যায়াধীশগৰাকীয়ে সকলো ৰাজনৈতিক দলক অসাংবিধানিক কথা-বতৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

> **ৰাইজৰ আস্থা পাবলৈ দলবোৰে নিজৰ নিজৰ দলীয় মতাদৰ্শৰ ওপৰত বিশ্বাসী হোৱা দৰকাৰ। অনুশাসন ভংগ কৰা সদস্যসকলৰ প্ৰতিও ব্যৱস্থা লোৱা উচিত। আনহাতে, কেৱল ক্ষমতাৰ লোভতেই একেবাৰে মিল নথকা বা আন সময়ত সমালোচনাৰে থকা-সৰকা কৰা নেতাক আকৌ বেলেগ এটা দলে বৰপীৰা পাৰি দিয়া কাৰ্যও আদৰণীয় নহয়।**

নিৰ্বাচনৰ দিন চমু চাপি আহিলেই ৰাজনৈতিক পথাৰত এনে কিছুমান ঘটনা ঘটিবলৈ ধৰে, ৰাইজ হতবাক হৈ পৰে। টিকট পোৱা-নোপোৱাক লৈ দলবোৰৰ ভিতৰচ'ৰাত এনে দল বদল হয়, যাৰ ফলত মানুহৰ মাজত প্ৰশ্ন উঠে যে ৰাজনীতিত কোনো নীতি নাই নেকি?

এটা সময় আছিল, সকলোৱে ৰাজনীতি মানে ৰাইজৰ সেৱা বুলিয়েই ভাবিছিল। নিঃস্বাৰ্থভাৱে বহু নেতাই নিজ মতাদৰ্শত অটল হৈ দেশ সেৱা কৰি গৈছিল। উদাহৰণ লাল বাহাদুৰ শাস্ত্ৰী, শৰৎ সিংহৰ দৰে নেতা। কিন্তু এতিয়া ৰাজনীতিৰ সংজ্ঞা বদলি হ'ল। এতিয়া ৰাজনীতি মানে এক সেৱাভিত্তিক কেৰিয়াৰ। এটা সময়ত দলবোৰৰ নিজা নিজা মতাদৰ্শ আছিল আৰু দলৰ সদস্যসকলে যিকোনো পৰিস্থিতিতে সেই মতাদৰ্শৰ লগত আপোচ নকৰিছিল।

আজি মতাদৰ্শ লৈ কোনোবাই ৰাজনীতি কৰে বুলি মনে নধৰে। আজিৰ ৰাজনীতি বহুজাতিক কোম্পানীৰ নিচিনা টাৰ্গেট থকা ৰাজনীতি। কোনে কিমান ভোট আনিব পাৰিব। ইয়াত এতিয়া কোনো নীতি নচলে, কূটনীতিৰ বাহিৰে। এতিয়া ভাৰতৰ দলবোৰৰ সকলোৰে নিজা কিছুমান নীতি আছে। কিন্তু আচৰিত কথা এইটোৱেই যে নিৰ্বাচনৰ সময়ত এই নীতিবোৰ একাষৰীয়া হৈ পৰে। কেৱল ক্ষমতা আহৰণৰ লক্ষ্য সন্মুখত থৈ, একেবাৰে মতাদৰ্শ নিমিলা এটা দলৰ নেতা, পালি-নেতাই আন এটা দলত সদলবলে যোগদান কৰে। এনে মতাদৰ্শ নিমিলা দলবোৰৰ মাজৰ আদান-প্ৰদান দেখিলে এইবোৰ ৰাজনৈতিক দল নহৈ কিবা বহুজাতিক কোম্পানী যেন অনুভৱ হয়।

এজন এজন ৰাজনৈতিক নেতা এখন দেশ বা ৰাজ্যৰ বাবে এগৰাকী আদৰ্শ পুৰুষ বা মহিলা হ'ব পাৰে। তেনে লোক ৰাজনৈতিক পথাৰৰ পৰা অৱসৰ লোৱাৰ বহু পাছতো সেই ব্যক্তিজনৰ আদৰ্শ বা কৰ্মপটুতাৰ কথা ৰাইজে গৌৰৱেৰে স্মৰণ কৰে।

কিন্তু আজি দল বাগৰা ৰাজনীতিত বিশ্বাসী ৰাজনৈতিক নেতাসকলক ভৱিষ্যৎ প্ৰজন্মই যে খুব শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব সেই কথাত সন্দেহ আছে। কাৰণ আজিৰ নেতাৰ কাম আৰু কথাৰ মাজত কোনো মিল নাই। যোৱা বছৰ যদি এজন নেতাই কাউৰীটো ক'লা বুলি কৈছিল, সেই একেজন নেতাই এইবাৰ হয়তো কাউৰী বগা বুলি ক'ব। গতিকে কোনো আদৰ্শ এই নেতাসকলে উঠি অহা প্ৰজন্মৰ আগত দাঙি ধৰিব নোৱাৰে। যদিও আজিৰ নেতাই আত্মসন্মান বা স্বাভিমানৰ কথা কয়, তেওঁলোকৰ কামবোৰ কিন্তু বিপৰীত।

আজি ভাৰতৰ নতুন প্ৰজন্মই যদি ৰাজনৈতিক নেতাৰ সফলতাৰ জখলাডাল বিশ্লেষণ কৰে, তেন্তে দেখা পাব লেং মৰা আৰু কূটনীতিৰ খেলা খেলিব পৰাজনেই আজি সফল। অৰ্থাৎ এই নেতাসকলে প্ৰমাণ কৰি দেখুৱাইছে যে জীৱনত সফলতা পাবলৈ এনেবোৰ নীতিৰ প্ৰয়োজন। বহু নেতা এতিয়া বহুজাতিক কোম্পানীৰ কৰ্মচাৰীৰ লেখীয়া। ওপৰৱালাৰ নিৰ্দেশ মানি টাৰ্গেট পূৰণ কৰিব লাগে।

এনেদৰেই যদি ৰং সলোৱাৰ ৰাজনীতি অব্যাহত থাকে, ইয়াৰ প্ৰভাৱ সমাজতো পৰিব। সাপৰ দৰে মোট সলোৱা কৌশল কৰ্মক্ষেত্ৰ, সমাজ বা শেষত ঘৰৰ সদস্যসকলৰ ব্যৱহাৰত দেখা দিলে ডাঙৰ কথা হ'ব। এনে ধৰণৰ মতাদৰ্শবিহীন ৰাজনীতিত গণতন্ত্ৰ সোলোক-ঢোলোক হৈ পৰে। গতিকে দল বাগৰা ৰাজনীতি সমাজ আৰু আমাৰ গণতন্ত্ৰৰ পৰিপন্থী।

ৰাজনৈতিক দলবোৰৰ ভিতৰচ'ৰাত এনেবোৰ সমস্যা সমাধান কৰা উচিত। ৰাইজৰ আস্থা পাবলৈ দলবোৰে নিজৰ নিজৰ দলীয় মতাদৰ্শৰ ওপৰত বিশ্বাসী হোৱা দৰকাৰ। অনুশাসন ভংগ কৰা সদস্যসকলৰ প্ৰতিও ব্যৱস্থা লোৱা উচিত। আনহাতে, কেৱল ক্ষমতাৰ লোভতেই একেবাৰে মিল নথকা বা আন সময়ত সমালোচনাৰে থকা-সৰকা কৰা নেতাক আকৌ বেলেগ এটা দলে বৰপীৰা পাৰি দিয়া কাৰ্যও আদৰণীয় নহয়।

কাৰণ বিশ্বাসঘাতকতাই যদি ৰাজনীতিৰ অন্যতম কৌশল হয়, সেই কৌশলেৰে সঁচা অৰ্থত ৰাইজৰ উপকাৰ সাধিবনে? কাৰণ নিৰ্বাচনৰ প্ৰতিশ্ৰুতিবোৰৰ সৰহখিনিয়েই পূৰণ নহয়গৈ। ভোট ভিক্ষা কৰিবলৈ নেতাই বোকা গচকি, দুখীয়াৰ পঁজাত থিয় হয়গৈ, কিন্তু নিৰ্বাচিত হোৱাৰ পাছত সেই নেতাক ৰাইজে মাথোঁ টেলিভিছনতহে দেখিবলৈ সক্ষম হয়।

ফোন ঃ ৯৮৬৪০ ৭৪১৫১

## আজিৰপৰা চাৰিদিনীয়াকৈ খাৰজাৰা আশ্ৰমত মহাবিষ্ণু যজ্ঞ

**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰীৰ প্ৰাচীনতম ধৰ্মানুষ্ঠান শ্ৰীশ্ৰীদুধনাথ বিগ্ৰহ, খাৰজাৰা আশ্ৰমত কাইলৈৰপৰা চাৰিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন হ'ব ৩৮ সংখ্যক শ্ৰীশ্ৰীমহাবিষ্ণু যজ্ঞ। এই যজ্ঞ পৰিচালনাৰ বাবে ইতিমধ্যে নাৰায়ণ চন্দ্ৰ কলিতাক সভাপতি, প্ৰমোদ বৰ্মনক কাৰ্যকৰী সভাপতি আৰু প্ৰাণজিৎ তালুকদাৰক সাধাৰণ সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, কাইলৈ পুৱা মহাবিষ্ণু যজ্ঞৰ অধিবাস আৰু বন্তি প্ৰজ্বলন। ৬ বজাত স্মৃতি তৰ্পণ কৰিব আশ্ৰমৰ অধ্যক্ষ জ্ঞানানন্দ ব্ৰহ্মচাৰীয়ে। সন্ধিয়া ৬ বজাত আতছবাজী প্ৰজ্বলন কৰিব আশ্ৰম পৰিচালনা সমিতিৰ সম্পাদক ৰঞ্জিৎ তালুকদাৰে। সন্ধিয়া সংকীৰ্তন পৰিৱেশন। মহাবিষ্ণু যজ্ঞৰ আটাইকেইদিনৰ কাৰ্যসূচীতে ভক্তিপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে প্ৰচাৰ বিভাগৰ তত্বাৱধায়ক বসন্ত দাস আৰু টিংকুমণি বৰ্মনে।

# ২৫ বছৰে শিক্ষকতা, ৫৮ কনিষ্ঠ মহাবিদ্যালয় শিক্ষকৰ নিয়মীয়া নহ'ল চাকৰি

## কেবিনেট সিদ্ধান্ত, চৰকাৰী অধিসূচনা, ন্যায়ালয়ৰ নিৰ্দেশো নহ'ল কাৰ্যকৰী

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কনিষ্ঠ মহাবিদ্যালয়সমূহত (বৰ্তমান ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল) বছৰ বছৰ ধৰি নিষ্ঠাৰে পাঠদান কৰি অহা ৫৮জন শিক্ষক আজিও নিজৰ চাকৰি আৰু অৱসৰকালীন সুৰক্ষাৰ বাবে সংগ্ৰাম কৰি থাকিবলগীয়া হৈছে। শিক্ষকসকল দীৰ্ঘদিনৰ পৰা চৰকাৰী স্বীকৃতি, নিয়মীয়া দৰমহা আৰু অৱসৰকালীন সুবিধাৰ পৰা বঞ্চিত হৈ আছে। প্ৰাদেশিকীকৰণৰ প্ৰতিশ্ৰুতি দিয়াৰ বহু বছৰ পাছত ১৯৯৬ চনত ৰাজ্য চৰকাৰে ৪৮খন কনিষ্ঠ মহাবিদ্যালয় প্ৰাদেশিকীকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। এই সিদ্ধান্ত অনুসৰি শিক্ষক আৰু কৰ্মচাৰীসকলক চৰকাৰী স্বীকৃতি আৰু নিয়মীয়া দৰমহা দিয়াৰ কথা ঘোষণা কৰা হৈছিল। কিন্তু কাৰ্যকৰীকৰণৰ সময়ত সকলো পদ অনুমোদিত নহ'ল। ফলত বহু শিক্ষক 'ড্ৰপ কৰা' অৱস্থাত থাকি গ'ল যদিও তেওঁলোকে অবিৰতভাৱে পাঠদান কৰি থাকিল। দীৰ্ঘদিন ধৰি সমস্যা সমাধান নোহোৱাত শিক্ষকসকলে আইনী আশ্ৰয় ল'বলৈ বাধ্য হয়। বিষয়টো গুৱাহাটী উচ্চ ন্যায়ালয়ত উত্থাপন হয়। আদালতে বিভিন্ন সময়ত চৰকাৰক ন্যায়সংগত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে আৰু সম অধিকাৰৰ নীতি মানি চলাৰ গুৰুত্ব উল্লেখ কৰে। ২০১৬ চনৰ ২৬ ফেব্ৰুৱাৰীত কেবিনেটে 'ড্ৰপ কৰা শিক্ষক'সকলক নিয়মীয়াকৰণৰ স্পষ্ট সিদ্ধান্ত গ্ৰহণ কৰিছিল। সংশ্লিষ্ট শিক্ষকসকলৰ বাবে ব্যক্তিগত পদ সৃষ্টি কৰি তেওঁলোকক নিয়মীয়া সেৱাত অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰা হৈছিল। ২০১৬ চনৰ ২ মাৰ্চত স্মাৰকপত্ৰ জাৰি কৰা হয় আৰু ২০১৭ চনৰ মে' আৰু জুলাই মাহত মুঠ ৯৭জন শিক্ষকৰ নিয়মীয়াকৰণো হয়। এই পদক্ষেপে বহু শিক্ষকৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিছিল। কিন্তু ৫৮জন শিক্ষক পুনৰ বাদ পৰে। কাৰণ হিচাপে উল্লেখ কৰা হয় যে U-DISE তথ্যভাণ্ডাৰত তেওঁলোকৰ নাম অন্তৰ্ভুক্ত নাছিল। পাছলৈ পৰিদৰ্শন ব্যৱস্থাই স্বীকাৰ কৰে যে তেওঁলোক নিয়মিতভাৱে পাঠদান কৰি আছিল আৰু তথ্য অন্তৰ্ভুক্ত নোহোৱাৰ কাৰণ আছিল প্ৰশাসনিক ভুল বুজাবুজি। তথাপি সমস্যাটো সমাধানৰ ক্ষেত্ৰত অগ্ৰগতি দেখা নগ'ল। আনহাতে ২০২১ চনৰ ১৭ ফেব্ৰুৱাৰীত গুৱাহাটী উচ্চ ন্যায়ালয়ে পুনৰ উল্লেখ কৰে যে কেবিনেট সিদ্ধান্ত আৰু চৰকাৰী অধিসূচনা মান্য কৰাটো বাধ্যতামূলক। আদালতে স্পষ্টকৈ কয় যে বিভাগীয় টোকা বা কাৰিকৰী অজুহাতেৰে কেবিনেট সিদ্ধান্ত বাতিল কৰিব নোৱাৰি। বিষয়টো নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিষ্পত্তি কৰাৰ নিৰ্দেশো দিয়া হয়। শিক্ষকসকলৰ মতে এতিয়াও গোচৰটো সম্পূৰ্ণভাৱে নিষ্পত্তি হোৱা নাই। আদালতৰ আদেশ অমান্য কৰাৰ অভিযোগত দাখিল কৰা অৱমাননাৰ আবেদনখনো বহুদিন ধৰি শুনানিৰ অপেক্ষাত আছে বুলি তেওঁলোকে উল্লেখ কৰিছে। ন্যায় বিলম্বিত হ'লে সেয়া ন্যায় নোপোৱাৰ সমান বুলি আইন বিশেষজ্ঞসকলে মত প্ৰকাশ কৰে। এতিয়া গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল ৰাজ্য চৰকাৰৰ কেবিনেট সিদ্ধান্ত সময়মতে পালন নকৰিলে জবাবদিহি কাৰ? সামগ্ৰিকভাৱে ই একক ব্যক্তিৰ বিষয় নহয়; ই প্ৰশাসনিক আৰু ৰাজনৈতিক সমষ্টিগত দায়ৰ বিষয়। এই শিক্ষকসকলৰ অধিকাংশৰে বয়স ৫০ বছৰৰ ওপৰত। বহুজন আন চৰকাৰী চাকৰিৰ সুযোগৰ পৰা বঞ্চিত হৈছে। কিছুমান অৱসৰৰ দুৱাৰত, আন কিছুমানে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে। নিয়মীয়া স্বীকৃতি নথকাৰ ফলত পেন্সন, গ্ৰেচুইটী আৰু অন্যান্য সুবিধা অনিশ্চিত। ই কেৱল এটা নথিপত্ৰৰ সমস্যা নহয়; ই জীৱনৰ সংগ্ৰাম, আত্মমৰ্যাদা আৰু পৰিয়ালৰ সুৰক্ষাৰ সৈতে জড়িত। তেনেস্থলত এনে অন্যায় কিয়?

## কাজিৰঙা বিশ্ববিঃত আন্তঃৰাষ্ট্ৰীয় সন্মিলন

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ কাজিৰঙা বিশ্ববিদ্যালয়ত 'বিজ্ঞান, সমাজ আৰু স্থায়িত্বৰ সংযোগ' শীৰ্ষক দুদিনীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হয়। এই সন্মিলনত বিজ্ঞানত নাৰী আৰু ছাত্ৰীসকলৰ অৱদান সন্দৰ্ভত আলোচনা কৰা হয়। সন্মিলনত সক্ৰিয়ভাৱে সহযোগ কৰে ৩২ গৰাকী মহিলা সংগঠক, সহায়ক সদস্য আৰু ছাত্ৰী স্বেচ্ছাসেৱকসকলে। সন্মিলনত গৃহীত গৱেষণা প্ৰবন্ধসমূহ সংকলিত কৰি আই এছ বি এন নম্বৰসহ এখন এবষ্ট্ৰেক বুক প্ৰকাশ কৰা হয়। উদ্বোধনী অধিৱেশনত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ দিয়ে নৰৱেজিয়ান ইনষ্টিটিউট অব বায়'ইক'নমী ৰিছাৰ্চৰ ডঃ ৰিচিতা শইকীয়া, অসমীয়া ছুপাৰফুডৰ প্ৰতিষ্ঠাপক ডঃ প্ৰিয়দৰ্শিনী ডেকা, নিৰ্মা বিশ্ববিদ্যালয়, আহমেদাবাদৰ অধ্যাপক ঋতু সাহনি, গুগল এক্স আৰ, কেলিফৰ্নিয়া, যুক্তৰাজ্যৰ ডঃ বনশ্ৰী গগৈয়ে। আনহাতে, এই দুদিনীয়া সন্মিলনৰ দ্বিতীয় দিনা মৌখিক প্ৰেজেণ্টেচনৰ পাছত মূল ভাষণ দিয়ে নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ডঃ পল্লৱী শইকীয়া, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ ডঃ লিজা সন্দিকৈ, অসম কৃষি বিশ্ববিদ্যালয়ৰ ডঃ ৰত্না কলিতাই। ইফালে, সামৰণী অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত আছিল উপাচাৰ্য অধ্যাপক মুৰাৰি লাল গৌড়। উক্ত সন্মিলনৰ আহ্বায়ক হিচাপে আছিল ডঃ সুমিতা সৰকাৰ আৰু সমন্বয়ক ডঃ লিপিকা খাটনিয়াৰ, ডঃ গীতাঞ্জলি বৰুৱা, ডঃ মানসী কটকী আৰু বেদাক্ষী বৰুৱা।

## তেজপুৰত বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰী

# গৌৰৱ গগৈৰেই নহয়, কংগ্ৰেছ দলটোৰেো পাকিস্তান প্ৰীতি আছে

**দৈনিক অসমৰ প্ৰতিনিধি**

**তেজপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** কেৱল গৌৰৱ গগৈৰেই নহয়, কংগ্ৰেছ দলটোৰেই পাকিস্তান প্ৰীতি আছে। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে সংসদত দাখিল কৰা কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আজি তেজপুৰত এখন সংবাদ মেল সম্বোধন কৰি ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ প্ৰদীপ ভাণ্ডাৰীয়ে এনেদৰেই গৌৰৱ গগৈ আৰু কংগ্ৰেছ দলক আক্ৰমণৰ লক্ষ্য কৰি লয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ পাকিস্তানৰে সংযোগ থকা বুলি সংবাদ মেলত মন্তব্য কৰি ৰাষ্ট্ৰীয় মুখপাত্ৰগৰাকীয়ে কয়— পাকিস্তানত তেওঁ কি কৰিছিলগৈ। যোৱা ১৩ বছৰে গৌৰৱ গগৈয়ে এই বিষয়ে চালে-বেৰে কোবাই উত্তৰ দি আছে। কেৱল গৌৰৱ গগৈয়েই নহয়, ৰাহুল গান্ধীকে ধৰি কংগ্ৰেছ দলটোৰে পাকিস্তানপ্ৰীতি আছে। এনে কাৰণতে ৰাহুল গান্ধীয়ে ছাৰ্জিকেল ষ্ট্ৰাইকৰ বিষয়ে আৰু দেশৰ যুদ্ধবিমান ৰাফেলক লৈও প্ৰশ্ন কৰে। তেওঁ গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ অনুসন্ধান সন্দৰ্ভতো মন্তব্য কৰি পাকিস্তানী ইণ্টাৰ মিডিয়েট মিনিষ্ট্ৰীৰ লগত গৌৰৱ গগৈৰ পত্নীৰ কি সম্পৰ্ক আছে বুলি প্ৰশ্ন কৰে। যদিহে গৌৰৱ গগৈ পাকিস্তানী এজেণ্ট, তেনেহ'লে তেওঁক কিয় গ্ৰেপ্তাৰ কৰা নাই আৰু এইক্ষেত্ৰত প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে কি কৰি আছে বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখপাত্ৰগৰাকীয়ে কয়— অপেক্ষা কৰক, সংশ্লিষ্ট সংস্থাসমূহে আইনগত ব্যৱস্থা গ্ৰহণ কৰিব। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে দাখিল কৰা কেন্দ্ৰীয় বাজেটে দেশক ২০৪৭ত বিশ্বৰ ভিতৰতে এক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিব বুলি সংবাদ মেলত দাবী কৰে ভাণ্ডাৰীয়ে। আজি বিয়লি আঢ়ৈ বজাত বিজেপিৰ



শোণিতপুৰ জিলাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদ মেলত বিজেপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰগৰাকীয়ে এইবাৰৰ বাজেটত দেশৰ বিকাশৰ বাবে কৃষি খণ্ডকে ধৰি যোগাযোগ ব্যৱস্থাৰ উন্নয়ন, পৰ্যটন খণ্ডৰ বিকাশ, দেশৰ প্ৰতিজন নাগৰিকৰ জনমূৰি আয় বৃদ্ধি, জনসাধাৰণৰ অৰ্থনৈতিক বিকাশ, দৰিদ্ৰতাৰ সংখ্যা ২০১৩-১৪ চনত ৩৭ শতাংশৰ পৰা ২০২২-২৩ত ১৪.০৫ শতাংশলৈ হ্ৰাস, এডভাণ্টেজ অসম-২ত ৫.১৮ লাখ কোটি, ছেমিকণ্ডাক্টৰৰ দৰে বৃহৎ উদ্যোগ স্থাপনত বাজেটত উপলব্ধ ২৭ হাজাৰ কোটি টকাৰ বিষয়ে উল্লেখ কৰে। ৰাষ্ট্ৰীয় প্ৰবক্তাগৰাকীয়ে সংবাদ মেলত দেশৰ কৃষিখণ্ডত বাজেটত ২০১৩ত কংগ্ৰেছ চৰকাৰে ২৭,০৪৯ কোটি নিৰ্দ্ধাৰণ কৰাৰ বিপৰীতে ২০২৬ৰ বাজেটত ১.২৭ লাখ কোটিলৈ বৃদ্ধি কৰা, গ্ৰাম্য উন্নয়নৰ শিতানত ২০১৩ চনত ৮০,১৯৪ কোটিৰ বিপৰীতে ২০২৬ত কৃষি আৰু গ্ৰাম্য অৰ্থনীতিৰ যুটীয়া খণ্ডত ১.৬৩ লাখ কোটি নিৰ্দ্ধাৰণ কৰাৰ কথা সদৰি কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সপোন ২০৪৭ৰ ভিতৰত ভাৰতক বিশ্বৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ তৃতীয় অৰ্থনৈতিক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা। এই লক্ষ্যৰে বাজেট প্ৰস্তুত কৰা হৈছে বুলি সদৰি কৰি আৰু বিশেষভাৱে দেশৰ প্ৰতিৰক্ষা বিভাগত ২০১৩ত দুই লাখ কোটিৰ পৰা ২০২৬ৰ বাজেটত ৭. ৮৫ লাখ কোটিলৈ বৃদ্ধি কৰাৰ ফলত ভাৰতে আজি বিশ্বৰ ৮০খন দেশলৈ প্ৰতিৰক্ষা সামগ্ৰী ৰপ্তানি কৰিবলৈ সক্ষম হৈছে। বিকশিত অসম আৰু বিকশিত ভাৰত গঢ়াৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বিগত সময়ছোৱাত হোৱা অসমৰ বিকাশৰ এক খতিয়ানো দাঙি ধৰে ভাণ্ডাৰীয়ে। ভাণ্ডাৰীয়ে লগতে কয়— বিজেপিৰ কাৰ্যকালত ভূপেন হাজৰিকা সেতু, ধলাৰ পৰা শদিয়া, যি উজনি অসমত যাতায়াতৰ সময় পাঁচ ঘণ্টা হ্ৰাস কৰাৰ লগতে বগীবিল দলঙৰ নিৰ্মাণে ডিব্ৰুগড়ৰ পৰা ধেমাজিলৈ দুই-তিনি ঘণ্টা যাতায়াত সময় হ্ৰাস কৰে। তদুপৰি কুমাৰ ভাস্কৰ বৰ্মা সেতুৱে গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত যাত্ৰাৰ সময় ৫০ মিনিট হ্ৰাস কৰে। আনহাতে, গুৱাহাটীৰ উৰণ সেতুৰ নেটৱৰ্কে যাতায়াত ব্যৱস্থাক ১০-৩০ মিনিট পৰ্যন্ত হ্ৰাস কৰা বুলিও তেওঁ দাবী কৰে। সংবাদ মেলত ভাণ্ডাৰীয়ে কয়— প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ কাৰ্যকালত যোৱা ২৫ বছৰতকৈ বয়বস্তুৰ দাম বৃদ্ধিৰ হাৰ বহু হ্ৰাস পাইছে। টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্পটো সম্পূৰ্ণ হৈ উঠিলে অসমৰ ২০-৩০ হাজাৰ যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব। তেওঁ লগতে কয়— ডঃ হিমন্ত বিশ্ব শৰ্মা শাসনকালত বিগত কংগ্ৰেছ চৰকাৰৰ দিনতকৈ ৮০ লাখ লোকে দাৰিদ্ৰ্য সীমাৰেখাৰ পৰা ওলাই আহিছে। মোডী চৰকাৰে ১২ লাখ টকা পৰ্যন্ত আয়কৰ ৰেহাই দিয়াৰ বিপৰীতে কংগ্ৰেছৰ দিনত দুই লাখৰ অধিক উপাৰ্জন কৰা সকলোৱে আয়কৰ দিবলগীয়া হৈছিল বুলিও মন্তব্য কৰে। সংবাদ মেলত বিজেপিৰ শোণিতপুৰ জিলাৰ সভানেত্ৰী মধুস্মিতা হাজৰিকা ডেকা আৰু বিজেপি নেতা মুন তালুকদাৰেও অংশগ্ৰহণ কৰে।


অসম চৰকাৰ

**উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়**

**অসম, খানাপাৰা, গুৱাহাটী - ২২**

উত্তৰ পূৱ আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত শিক্ষিত নিৱনুৱা যুৱক-যুৱতীসকলৰ বাবে নিম্নোল্লিখিত বিষয়সমূহৰ এলানি প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰা হ'ব।

| বিষয় | স্থান |
|---|---|
| ক্ষুদ্ৰ নাৰ্চাৰী স্থাপন আৰু ব্যৱস্থাপনা Training on Small Nursery Management) | উৎকৰ্ষ সাধন কেন্দ্ৰ, ক্ষেত্ৰী, কামৰূপ (ম) |
| প্ৰাথমিক সংসাধন (জাম, জেলি, আচাৰ, চৰবত আদিৰ প্ৰস্তুতকৰণ Primary Processing (preparation of jam, jelly, pickles, juice etc.) | সমূহীয়া ফলমূল সংৰক্ষণ ও প্ৰশিক্ষণ কেন্দ্ৰ, জুৰিপাৰ, গুৱাহাটী-৩৭ |
| কাঠফুলা উৎপাদন (Mushroom Production) | উদ্যান শস্য বিকাশ কেন্দ্ৰ, উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসম, খানাপাৰা, গুৱাহাটী-২২ |
| বেকাৰী সামগ্ৰী প্ৰস্তুতকৰণ (Bakery & Confectionery) | উদ্যান শস্য বিকাশ কেন্দ্ৰ, উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়, অসম, খানাপাৰা, গুৱাহাটী-২২ |

ইচ্ছুক ব্যক্তিয়ে ব্যক্তিগত পৰিচয় (Bio-data) ৰ লগতে যোগাযোগৰ নম্বৰসহ তলৰ ঠিকনাত প্ৰত্যক্ষভাৱে বা জিলা কৃষি বিষয়াৰ জৰিয়তে ই-মেইলযোগে আৱেদন কৰিব পাৰে। আৱেদনত প্ৰশিক্ষণৰ যিকোনো এটা বিষয় উল্লেখ থকাটো বাঞ্চনীয়। নূন্যতম শিক্ষাগত অৰ্হতা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৰ্ত্তীৰ্ণ হব লাগিব। আবেদন জমা দিয়াৰ অন্তিম তাৰিখ ৩১ মাৰ্চ, ২০২৬ চন। প্ৰশিক্ষণৰ ম্যাদ তিনিদিনীয়া।

প্ৰশিক্ষাৰ্থী সকলে অহা-যোৱা খৰচ নিজে বহন কৰিব লাগিব। প্ৰশিক্ষাৰ্থী সকলৰ খোৱা আৰু থকাৰ ব্যৱস্থা সঞ্চালকালয়ৰ তৰফৰ পৰা বিধিমতে লোৱা হ'ব।

স্বাক্ষৰ -
সঞ্চালক
উদ্যান শস্য আৰু খাদ্য সংসাধন, অসম
খানাপাৰা, গুৱাহাটী - ২২

DIPR/DF/DA/2004/19-Feb-26

ই-মেইল ঃ hortihmnehassam@gmail.com


## শালবাৰীত আমছুৰ 'ক'লা দিৱস'

**দৈনিক অসমৰ প্ৰতিনিধি**

**শালবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীত সংঘটিত নেলীৰ নৃশংস গণহত্যাৰ আজিও উচিত বিচাৰ নহ'ল। সেই ভয়ংকৰ স্মৃতি আৰু বিভীষিকাময় দিনটোক সুঁৱৰি আজি বাক্‌সা জিলাৰ শালবাৰীত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ উদ্যোগত 'ক'লা দিৱস' পালন কৰি ন্যায়ৰ বাবে চৰকাৰক তীব্ৰ সকীয়নি প্ৰদান কৰা হয়। দিনৰ ১১ বজাৰপৰা নৰসিংহবাৰী চ'কত আমছুৰ বাক্‌সা জিলা সমিতিৰ উদ্যোগত আৰু নৰসিংহবাৰী আঞ্চলিক সমিতিৰ সহযোগত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়িত হয়। সংগঠনটোৰ প্ৰতিগৰাকী সদস্যই ক'লা বেজ পৰিধান কৰি চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰে। ৪২ বছৰ অতিক্ৰম কৰাৰ পাছতো ভুক্তভোগী পৰিয়ালে ন্যায় লাভ নকৰা কাৰ্যই আজিও অঞ্চলটোত শোকাকুল পৰিৱেশ সৃষ্টি কৰা দেখা গৈছে। প্ৰতিবাদী সভাৰ জৰিয়তে আমছুৱে চৰকাৰৰ ওচৰত কেইবাটাও গুৰুত্বপূৰ্ণ দাবী উত্থাপন কৰে। বিশেষকৈ নেলী হত্যাকাণ্ডৰ তদন্তৰ বাবে গঠিত 'তিৱাৰী আয়োগ'ৰ প্ৰতিবেদন দীৰ্ঘদিন ধৰি চৰকাৰে গুপুত কৰি ৰখা কাৰ্যক আমছুৱে তীব্ৰ গৰিহণা দিয়ে আৰু ইয়াক শীঘ্ৰে ৰাজহুৱা কৰিবলৈ দাবী জনায়। তদুপৰি প্ৰতিবাদকাৰীসকলে অভিযোগ কৰে যে নেলী হত্যাকাণ্ডৰ গোচৰসমূহ চৰকাৰে একপক্ষীয়ভাৱে নোহোৱা কৰি পেলাইছে। নৰসিংহবাৰীত আয়োজিত এই প্ৰতিবাদী কাৰ্যসূচীত আমছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ছাইফুল ইছলাম খান, বাক্‌সা জিলা সমিতিৰ মুখ্য উপদেষ্টা আব্দুল ৰহিম, কাৰ্যকৰী সভাপতি মঞ্জিৰুল হক, উপ-সভাপতি ছামছুল হক, সাধাৰণ সম্পাদক নুৰনবি, আছুৰ উদ্দিন আৰু প্ৰাক্তন সম্পাদক আকবৰ আলীসহ সংগঠনটোৰ বহুকেইগৰাকী সদস্য আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

**নেলীৰ বিভীষিকাৰ ৪২ বছৰ**


**ASSAM TOURISM DEVELOPMENT CORPORATION LIMITED**
**ASOM PARYATAN BHAWAN (4TH FLOOR)**
**A. K. AZAD ROAD, PALTANBAZAR, GUWAHATI -781008**
**PHONE NO. (0361) 2738620, E-Mail : mdatdc@gmail.com**
**An ISO 9001:2008 Certified Organization (Quality Management System)**
*************

No. ATDC/CS/696/2026/

**PRESS NOTICE (E-PROCUREMENT NOTICE)**

The Managing Director, Assam Tourism Development Corporation Ltd., Paltanbazar, Guwahati-8 invite Bid from eligible reputed firms/contractors registered under ATDC Ltd., APWD (B), CPWD and other State and Central organization, Public sector undertaking in appropriate category having experience in similar nature of works :-

| State/ package | Name of work | Approx. value of work (Rs. In Lakh) | Bid security (Rs. In Lakh) | Bid Processing Fee (In Rs.) | Period of Completion | Class of Bidder |
|---|---|---|---|---|---|---|
| Assam/ ATDC E00 271 | Integrated Development of Borbheti Campus, Jorhat | 1845.00 | 36.90 | 3,000.00 | 18 (eighteen) months | Class-I (A) |

The Bid document and other details can be downloaded from the e-procurement portal of Govt. of Assam www.assamtenders.gov.in from 11.00 A.M. of **23.02.2026** to 2.00 P.M. of **05.03.2026**. Tender related information also available at ATDC portal: www.tourismcorporation.assam.gov.in.

The Bidders must be registered with the E-tendering system of the Govt. of Assam (Website : http://assamtenders.gov.in).

The undersigned reserves the right to accept / reject any or all the offers without assigning any reason thereof.

**Sd/-**
**General Manager,**
**Assam Tourism Dev. Corpn. Ltd.**

**DIPR/CF/DA/4028/19-Feb-26**



পঞ্জাব নেশনল বেংক ...भरोसे का प्रतीक ! punjab national bank ...the name you can BANK upon !

**ই-নিলাম বিক্ৰী জাননী**
**স্থাবৰ সম্পত্তিৰ বিক্ৰীৰ বাবে**

**এআৰবিএম, হেম বৰুৱা ৰোড, পাণবজাৰ, গুৱাহাটী ৭৮১০০১**

**e-mail : cs8231@pnb.bank.in**

বিত্তীয় সম্পদৰ প্ৰতিভূতিকৰণ আৰু পুনৰ্নিৰ্মাণ আৰু প্ৰতিভূতি স্বাৰ্থৰ বলবৎকৰণ আইন, ২০০২ৰ সৈতে আমানত সুদ (বলৱৎকৰণ) নিয়মাবলী ২০০২ৰ নিয়ম ৮(৬)ৰ অধীনত স্থাৱৰ সম্পত্তিৰ বিক্ৰীৰ বাবে ই-নিলাম বিক্ৰী জাননী। ইয়াৰ দ্বাৰা জনসাধাৰণক সাধাৰণভাৱে আৰু বিশেষকৈ ঋণী (সকলক) আৰু জামিনদাৰ (সকলক) জাননী দিয়া হৈছে যে চিকিউৰ্ড ক্ৰেডীটৰ ওচৰত বন্ধকীকৃত/নিৰিখিত নিম্ন উল্লিখিত স্থাৱৰ সম্পত্তিসমূহৰ বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ অনুমোদিত বিষয়াৰ দ্বাৰা নিৰ্মাণমূলক/কায়িক/প্ৰতীকী অধিগ্ৰহণ কৰা হৈছে আৰু সংশ্লিষ্ট ঋণী (সকল) আৰু জামিনদাৰ (সকল)ৰ পৰা বেংক/চিকিউৰ্ড ক্ৰেডীটৰৰ বকেয়া ধন পুনৰ আদায়ৰ বাবে "য'ত আছে তেতে", "যি আছে সেই" আৰু "যেনে আছে তেনে" নিম্ন তালিকাত উল্লিখিত তাৰিখত বিক্ৰী কৰা হ'ব। প্ৰতিটো সম্পত্তিৰ বাবে সংৰক্ষিত মূল্য আৰু আমানত ধন জমাৰ পৰিমাণ তলত উল্লেখ কৰা তালিকা মতে হ'ব।

**সুৰক্ষিত সম্পদসমূহৰ সূচী**

| ক্ৰ নং | শাখাৰ নাম / একাউন্টৰ নাম / ঋণী আৰু জামিনদাৰৰ নাম আৰু ঠিকনা | বন্ধকী থকা স্থাৱৰ সম্পত্তিৰ বিৱৰণ/গৰাকীৰ নাম (সম্পত্তি সমূহৰ বন্ধকদাতা) | ক) ছাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(২)ৰ অধীনত দাবী জাননীৰ তাৰিখ খ) পাবলগীয়া ধন গ) ছাৰফেইচী (SARFAESI) আইন ২০০২ৰ ধাৰা ১৩(৪)ৰ অধীনত দখলীকৰণৰ তাৰিখ ঘ) দখলীকৰণৰ ধৰণ ঃ প্ৰতীকী/কায়িক/নিৰ্মাণমূলক | ক) সংৰক্ষিত মূল্য (টকা লাখত) খ) ই এম ডি (ইএমডি জমা দিয়াৰ শেষ তাৰিখ) গ) ডাক বৃদ্ধিৰ পৰিমাণ | ই-নিলামৰ তাৰিখ/সময় | চিকিউৰ্ড ক্ৰেডিটৰৰ জ্ঞাত দায়বদ্ধতাৰ বিৱৰণ |
|---|---|---|---|---|---|---|
| ১ | এআৰএমবি গুৱাহাটী শাখা<br>শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী<br>**১. শ্ৰীমতী ৰঞ্জিতা বসুমতাৰী (ঋণী)** স্বামী - সৌগ্ৰাকপাম দোলেন্দ্ৰ সিং **ঠিকনা ১ ঃ** ফৰচুন ৰেছিডেন্সি, ছাউথ চিটি এপাৰ্টমেণ্ট, টাৱাৰ-২, ব্লক-এ, ফ্লেট নং-২৮১, ৮ম মহলা, লখৰা ৰোড, গুৱাহাটী, জিলা- কামৰূপ (ম), পিন- ৭৮১০৩৮ **ঠিকনা ২ ঃ** পাৰামাউণ্ট গ্ৰানাডে, ফ্লেট নং ৪-১এ, সৰুসজাই ষ্টেডিয়ামৰ ওচৰত, নালাপাৰা, গুৱাহাটী - ৭৮১০৩৪ **২. দোলেন্দ্ৰ সিং (সহ-ঋণী/জামিনদাৰ)** পিতা - স্বৰ্গীয় সৌগ্ৰাকপাম মধুমংগল সিং **ঠিকনা ১ ঃ** থংজু ভাগ-১১, মাখা লেইকাই থংজু, মণিপুৰ বিশ্ববিদ্যালয়, ডাক- কাঞ্চিপুৰ, থানা- সিংজামেই, জিলা- ইম্ফল পূব, মণিপুৰ- ৭৯৫০০৩ **ঠিকনা ২ ঃ পাৰামাউণ্ট গ্ৰানাডে, ফ্লেট নং ৪-১এ, সৰুসজাই ষ্টেডিয়ামৰ ওচৰত, নালাপাৰা, গুৱাহাটী - ৭৮১০৩৪** | গুৱাহাটীৰ লখৰা ৰোডত অৱস্থিত বহু-মহলীয়া অট্টালিকা "ফৰচ্যুন ৰেছিডেন্সি (ছাউথ চিটি)"-ৰ টাৱাৰ-২, ব্লক-এ-ৰ ৮ম মহলাত অৱস্থিত ৩ বিএইচকে আৱাসিক ফ্লেট নং ২৮১ আৰু এটা ব্যক্তিগত টেৰেচ। ফ্লেটটোৰ মুঠ ছুপাৰ বিল্ট-আপ ক্ষেত্ৰফল ১৬৪৭ বৰ্গফুট। ইয়াৰ সৈতে সৰুসজাই ৰাজহ গাঁও, মৌজা-বেলতলা, জিলা-কামৰূপ (ম), অসমৰ অন্তৰ্গত কেপি পট্টা নং-১৯৬, দাগ নং-৮১৩ৰ অন্তৰ্ভুক্ত ০.৬০ আৰ মাটিৰ অবিভক্ত অনুপাতিক অংশ সংলগ্ন আছে। ইয়াৰ উপৰিও উক্ত অট্টালিকাত থকা ১ (এটা) খোলা গাড়ী পাৰ্কিং স্থান, সাধাৰণ সুবিধাসমূহ আৰু সংশ্লিষ্ট ভূমি অন্তৰ্ভুক্ত। চাৰিসীমাৰ উত্তৰেঃ মঞ্জু ঘোষৰ মাটি, দক্ষিণেঃ জিতু বে'ৰ মাটি, পূবেঃ নগেন কিলিঙৰ মাটি, পশ্চিমেঃ পথ | (ক) ২১-০৮-২০২৪<br>(খ) ৩০.০৭.২০২৪ লৈ ৫৬৩৯১৯১.১৬ টকা লগতে ৩১.০৭.২০২৪ তাৰিখৰ পৰা সুদ আৰু অন্যান্য খৰচ অন্তৰ্ভুক্ত<br>(গ) ০৪.১২.২০২৪<br>(ঘ) প্ৰতীকী দখল | (ক) ৫৭,৬০,০০০/-টকা<br>(খ) ৫৭৬০০০.০০ টকা (০৫.০৩.২০২৬ তাৰিখে সন্ধিয়া ৪ বজালৈ)<br>(গ) ০.৫০ লাখ | দিনাংক ঃ ০৬.০৩.২০২৬<br>সময় ঃ পুৱা ১১:০০ বজাৰ পৰা সন্ধিয়া ০৪.০০ বজালৈ | নাই |

**ই-নিলাম বিক্ৰীৰ নিয়ম আৰু চৰ্তাৱলী**

বিক্ৰী প্ৰতিভূতি স্বাৰ্থ (বলবৎকৰণ) নিয়মাবলী, ২০০২ৰ অধীনত উল্লেখিত নিয়মসমূহ আৰু তলত দিয়া অতিৰিক্ত চৰ্তাৱলীসমূহৰ ওপৰত ভিত্তি কৰি কৰা হ'ব -

১. সম্পত্তিসমূহ "য'ত আছে ততে", "যি আছে সেই" আৰু "যেনে আছে তেনে" এই ভিত্তিত বিক্ৰী কৰা হ'ব।

২. ওপৰত উল্লেখিত অনুসূচীত দিয়া সুৰক্ষিত সম্পত্তিসমূহৰ বিৱৰণ অনুমোদিত বিষয়া জনে তেওঁৰ উপলব্ধ সৰ্বোচ্চ তথ্যৰ আধাৰত উল্লেখ কৰিছে, কিন্তু কোনো ভুল, ভুল বিৱৰণ বা বাদ পৰাৰ বাবে অনুমোদিত বিষয়া জন দায়ী নহ'ব।

৩. **বিক্ৰীটো নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা https://baanknet.com ৱেবছাইটত ই-নিলাম প্লেটফৰ্মৰ মাধ্যমেৰে ০৬.০৩.২০২৬ তাৰিখে পুৱা ১১.০০ বজাৰ পৰা বিয়লি ০৪.০০ বজালৈ সম্পন্ন কৰা হ'ব।**

৪. **বিক্ৰী সংক্ৰান্তীয় সম্পূৰ্ণ নিয়ম আৰু চৰ্তাৱলীসমূহ, জানিবলৈ অনুগ্ৰহ কৰি https://baanknet.com ৱেবছাইটটো চাওক।**

৫. অনুমোদিত বিষয়া বা বেংকে সম্পত্তিসমূহৰ ওপৰত থকা যিকোনো চৰকাৰী দাবী, কৰ, লিয়েন, বন্ধক, বা আন কোনো অজ্ঞাত দাবীৰ বাবে দায়ী নহ'ব। নিলামত অংশগ্ৰহণ কৰিব ইচ্ছুক বিডাৰে সম্পত্তিৰ ওপৰত থকা সকলো সম্ভাব্য দায়বদ্ধতা, কৰ, বিদ্যুৎ বিল আদি বিষয়ে নিজে অনুসন্ধান কৰিব লাগিব।

৬. অনুমোদিত বিষয়া জনে যিকোনো বিড গ্ৰহণ বা প্ৰত্যাখ্যান কৰিবলৈ, নিলাম স্থগিত, বাতিল, পুনঃনিৰ্ধাৰণ বা চৰ্তাৱলী পৰিবৰ্তন কৰিবলৈ সম্পূৰ্ণ অধিকাৰ ৰাখে আৰু এই সম্পৰ্কে তেওঁৰ সিদ্ধান্ত চূড়ান্ত হ'ব।

৭. নিলামত অংশগ্ৰহণকাৰী বিডাৰে বিড জমা কৰাৰ আগতে সম্পত্তিখিনি নিজে পৰিদৰ্শন কৰি সন্তুষ্ট হ'ব লাগিব। সম্পত্তি পৰিদৰ্শনৰ বাবে বিডাৰে দায়িত্বপ্ৰাপ্ত বেংক কৰ্মচাৰীৰ সৈতে যোগাযোগ কৰিব লাগিব।

তাৰিখ ঃ ১৬.০২.২০২৬
স্থান ঃ গুৱাহাটী

স্বা/- অনুমোদিত বিষয়া
পাঞ্জাব নেচনেল বেংক

## ৰাজ্যৰ বনাঞ্চলত ভৱিষ্যতে নচলে

ৰাজ্যৰ বনাঞ্চলসমূহত চলিব উচ্ছেদ অভিযান। পঞ্চদশ অসম বিধানসভাৰ অন্তিমখন বাজেট অধিৱেশনৰ তৃতীয় দিনা বন আৰু পৰিৱেশ বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰিৰ ওপৰত চলা বিতৰ্কৰ উত্তৰ প্ৰদান কৰি সদনত এই কথা সদৰি কৰে বিভাগীয় মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। এই সন্দৰ্ভত তেওঁ আৰু কয়— উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ ভিত্তিতে ৰাজ্যৰ বেদখলকৃত বনাঞ্চলসমূহত অব্যাহত আছে উচ্ছেদ অভিযান। উল্লেখ্য যে বনাঞ্চলসমূহ বেদখলমুক্ত কৰাৰ বাবে শেহতীয়াকৈ এক গোচৰৰ ৰায়দানৰ জৰিয়তে জিলাই জিলাই উচ্চ ক্ষমতাসম্পন্ন সমিতি গঠনৰ বাবে উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিছিল। ইয়াৰ ভিত্তিতে প্ৰতিখন জিলাত জিলা আয়ুক্তৰ অধ্যক্ষতাত গঠন কৰা হৈছে সমিতিসমূহ। এই সমিতসমূহৰ সদস্য সচিবৰ দায়িত্বত থাকিব সংশ্লিষ্ট জিলাৰ জিলা বন বিষয়া (ডি এফ অ')। সদস্য হিচাপে থাকিব সংশ্লিষ্ট জিলাৰ ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত, উচ্ছেদ চলিবলগীয়া ৰেঞ্জৰ ৰেঞ্জাৰ আৰু সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া। এই সমিতিসমূহৰ অনুমোদনৰ ভিত্তিতহে উচ্ছেদ চলিবলগীয়া ৰাজ্যৰ বনাঞ্চলসমূহত চলিব উচ্ছেদ অভিযান। যদি বনাঞ্চল সংৰক্ষিত হৈ নাথাকে তেন্তে আমাৰ জীয়াই থাকিবলৈ অসুবিধা হ'ব। তেওঁ লগতে কয়— আমি অক্সিজেন খাই জীয়াই থাকোঁ, ভাত নোখোৱাকৈ থাকিব পাৰোঁ, কিন্তু অক্সিজেন নোহোৱাকৈ দুই মিনিট জীয়াই থাকিব নোৱাৰোঁ। গোলকীয় উষ্ণতা বৃদ্ধি আৰু জলবায়ু পৰিৱৰ্তনে সমাজত বিৰূপ প্ৰভাৱ পেলায়। সেয়েহে বায়ুমণ্ডল সুৰক্ষিত কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। নিজৰ বক্তব্যত তেওঁ কয়— আমি সকলোতে খৰচ কৰোঁ কিন্তু আজিলৈ ভাবি চোৱা নাই ৬৫ বছৰ জীয়াই থকা এজন মানুহে গছৰ পৰা ৫ কোটি টকাৰ অক্সিজেন খায়। ২০৩০ চনৰ ভিতৰত যাতে গোলকীয় উষ্ণতা ১.৫লৈকে যাব নোৱাৰে তাৰ ওপৰত পৃথিৱীৰ সকলো দেশেই কাম কৰি আছে। গছ-গছনি নোহোৱা হ'লে আমি যে অক্সিজেনৰ অভাৱত ভুগিব লাগিব সেয়া নিশ্চিত। ইমান বছৰে উচ্ছেদৰ ক্ষেত্ৰত কংগ্ৰেছে নোৱাৰা কাম সাহসেৰে ডঃ হিমন্ত বিশ্ব শৰ্মাই কৰা বুলি পাটোৱাৰীয়ে কয়। আনহাতে, লাওখোৱা অভয়াৰণ্য আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানত উচ্ছেদ কৰাৰ পাছত মাটিকালি বৃদ্ধি পাইছে, জীৱকুলে আনন্দ কৰিব পাৰিছে। বন বিভাগটো ভৱিষ্যতে কেনেদৰে সুৰক্ষিত কৰি ৰাখিব পাৰি তাৰ ওপৰত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। উল্লেখ্য যে আজি পুৱাৰ ভাগতে বন আৰু পৰিৱেশ বিভাগৰ পৰিপূৰক দাবী মঞ্জুৰিৰ ওপৰত চলা বিতৰ্কত শাসকীয় বিধায়ক মৃণাল শইকীয়া, ভুবন পেগু, সুশান্ত বৰগোহাঁই, ডঃ অমিয় কুমাৰ ভূঞা, ৰূপজ্যোতি কুৰ্মী, গণেশ কুমাৰ লিম্বু, অগপৰ বিধায়ক প্ৰদীপ হাজৰিকা, পৃথিৰাজ ৰাভা আদিয়ে কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি বনাঞ্চল ৰক্ষাৰ বাবে যুক্তিপূৰ্ণ ভাষণ আগবঢ়ায়। আনহাতে, কেৱল এটা সম্প্ৰদায়ক টাৰ্গেট কৰি উচ্ছেদ চলোৱা, চৰকাৰৰ পৃষ্ঠপোষকতাত বালি মহল চলাই খহনীয়া ৰোধত ব্যৰ্থ হোৱা, বনানীকৰণৰ নামত বিজেপিয়ে ৰাজনীতি কৰা বুলি অভিযোগ তুলি এ আই ইউ ডি এফৰ মানকাচৰৰ বিধায়ক আমিনুল ইছলাম, চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইন, ধিঙৰ বিধায়ক আমিনুল ইছলাম, সুজাম উদ্দিন লস্কৰ, মজিবুৰ ৰহমান, কংগ্ৰেছৰ ভাস্কৰজ্যোতি বৰুৱা, শ্বেৰমান আলী আহমেদ, দেৱব্ৰত শইকীয়া আদিয়ে কৰ্তন প্ৰস্তাৱক সমৰ্থন জনাই বিভাগটোৰ অসুবিধাসমূহৰ কথা উল্লেখ কৰে।

## বিজেপিয়ে ৫০ কোটি টকা দিলে মই

হৈছে বুলি সামাজিক মাধ্যম আৰু ৰাজনৈতিক মহলত চলা চৰ্চা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বৰাই কয়— মোৰ এটা সপোন আছে, মোৰ দেউতাই ১৩ বিঘা মাটি ৰাজহুৱা স্থান কৰি ৰাখিবৰ বাবে হাতত লাঠী ল'বলগীয়া হৈছে। মোৰ দেউতাই তিনি দিন লকআপত আছে। মোৰ এইটো সৰুকালৰ পৰাই সপোন যে তাত দেউতাৰ নামত এখন ষ্টেডিয়াম বনাম। যদি বিজেপিয়ে চৰকাৰীভাৱে হওক, ব্যক্তিগতভাৱে হওক মোক যদি ৫০ কোটি টকা দিয়ে ৰাজহুৱাকৈ ল'বলৈও মই সাজু। এই ধনেৰে দেউতাৰ নামত এখন ষ্টেডিয়াম নিৰ্মাণ কৰিম। ইপিনে, আজি পুনৰ কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰা বৰাই কয় যে ৰকিবুল হুছেইনৰ বিৰুদ্ধে তেওঁৰ ব্যক্তিগত কোনো আক্ষেপ নাই। এই প্ৰসংগত তেওঁ কয়— ২০১৬ চনত কংগ্ৰেছ দল ক্ষমতাৰ পৰা আঁতৰিল। নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে অসমত তিনিখন পোষ্টাৰ লগাইছিল। তাৰে এখন পোষ্টাৰত এটা গঁড়ৰ কটা মূৰটো দুফুট আঁতৰত পৰি আছে আৰু গঁড়ৰ দেহটো এফালে পৰি আছে। তৰুণ গগৈয়ে ৰকিবুলৰ কান্ধত হাত থৈ হাঁহি আছে। সেয়া আছিল ২০১৬ চনৰ ফটো। দল বিধ্বস্ত হ'ল। ২০২১ চনত যেতিয়া এ আই ইউ ডি এফৰ লগত মিত্ৰতা কৰিব বিচাৰিছিল মই প্ৰদ্যুৎ বৰদলৈৰ ঘৰত এখন বৈঠকৰ আহ্বান কৰিছিলোঁ। দেৱব্ৰত শইকীয়া, সেই সময়ৰ এ আই চি চিৰ সম্পাদক ৰাণা গোস্বামী, সেই সময়ৰ সাংসদ ৰাণী নৰহ, আব্দুল খালেকো উপস্থিত আছিল। আমি চিঠি লিখি ক'লোঁ যে এ আই ইউ ডি এফৰ লগত মিত্ৰতা হ'ব নালাগে। যদি প্ৰয়োজন হয় নিৰ্বাচনৰ পাছত মিত্ৰতা হওক। নিৰ্বাচনৰ পূৰ্বে এ আই ইউ ডি এফৰে মিত্ৰতা কৰিলে উজনি অসমত কংগ্ৰেছ বিধ্বস্ত হ'ব। তাৰ পাছত নিৰ্বাচনত উজনিত কংগ্ৰেছ বিধ্বস্ত হ'ল। উজনিত চাৰিখন আসনতহে কংগ্ৰেছে জয়লাভ কৰিলে। তাৰে দুজন বিধায়ক বিজেপিলৈ গুচি গ'ল। ৰূপজ্যোতি কুৰ্মী আৰু সুশান্ত বৰগোহাঁয়ে দল এৰিলে। যিজন মানুহে কংগ্ৰেছৰ সদস্য পদেই লোৱা নাছিল তেওঁক বিহালীত টিকট দিলে। মই মিত্ৰজোঁটৰ দায়িত্বৰ পৰা পদত্যাগ কৰিলোঁ। তৎসত্ত্বেও মোক কোৱা হ'ল যে মিত্ৰতা মই কৰিব লাগে। দলৰ সিদ্ধান্ত মতে মই পুনৰ মিত্ৰতা আগবঢ়াই নিয়াৰ কথা পাতিম বুলি ক'লোঁ। কিন্তু ৪৮ ঘণ্টা পাছত ৰকিবুল হুছেইনৰ নাম মিত্ৰজোঁটৰ দায়িত্বত কিদৰে আহিল। অসমৰ ছজন নেতাই ক'লে এ আই ইউ ডি এফৰ লগত মিত্ৰতা হ'ব নালাগে। তৎসত্ত্বেও এ আই ইউ ডি এফৰ লগত মিত্ৰতা হৈ গ'ল। ইফালে, সেই সময়ত ৰকিবুল হুছেইনৰ টিকট কৰ্তনৰ প্ৰসংগও উত্থাপন হৈছিল বুলি বৰাই সদৰি কৰে। সংবাদ মাধ্যমৰ সন্মুখত তেওঁ কয় যে গঁড় হত্যাকাৰীৰ টিকট কাটিব লাগে বুলি সেই সময়ত এ আই চি চিৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্ত্বাৱধায়ক বীৰাপ্পা মৈলীয়ে ভুৱনেশ্বৰ কলিতাক কৈছিলনে নাই সোধক। ৰকিবুল হুছেইনৰ টিকট কাটি দিলে কংগ্ৰেছৰ চৰকাৰ অহাৰ সম্ভাৱনা থাকিব বুলি বীৰাপ্পা মৈলীয়ে ভুৱনেশ্বৰ কলিতাক কৈছিলনে নাই সুধিবলৈও তেওঁ আহ্বান জনায়। আনহাতে, সদ্য পদত্যাগী নেতাজন প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ বিৰুদ্ধেও আজি পুনৰ আক্ৰমণাত্মক হৈ পৰে। গৌৰৱ গগৈৰ বাবে তেওঁ একো নহয় বুলি উল্লেখ কৰি বৰাই কয়— মই কিবা হ'লে স্তম্ভ বুলি কৈ মাফ খুজিবলগীয়া হয় জানো? মোৰ দেউতা আছিল এম ভি স্কুলৰ শিক্ষক। মই এনেকুৱা এখন বিদ্যালয়ত পঢ়িছিলোঁ যিখন বিদ্যালয় ৰ'দ দিলেও ছুটী হয়, বৰষুণ দিলেও ছুটী হয়। তেওঁ আৰু মোৰ তুলনা কেনেকৈ হ'ব? এতিয়া কংগ্ৰেছত পৱিত্ৰতাৰ পৰীক্ষা আৰম্ভ হৈছে। পৱিত্ৰতাৰ পৰীক্ষা হৈছে ভুপেন বৰাক কিমান বেয়াকৈ ক'ব পাৰি। যদি সকলোতকৈ বেয়াকৈ কয়, তেওঁ গৌৰৱ গগৈৰ খাচ মানুহ।

**বিধায়ক মানৱ ডেকাক লগত লৈ পদত্যাগী বৰাৰ ঘৰত মন্ত্ৰী পীযূষ হাজৰিকা**

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পাছত আজি জনসংযোগ আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি ভূপেন বৰাৰ গুৱাহাটীৰ ঘোঁৰামাৰাৰ বাসগৃহলৈ গৈ সাক্ষাৎ কৰে। বৰাক সাক্ষাৎ কৰাৰ সময়ত বিধায়ক মানৱ ডেকাও উপস্থিত আছিল। লক্ষণীয় যে কংগ্ৰেছ ত্যাগ কৰা বৰাই ২২ ফেব্ৰুৱাৰীত বিজেপিত যোগদান কৰাৰ সম্ভাৱনা আছে। বৰাক সাক্ষাৎ কৰি মন্ত্ৰী হাজৰিকাই কয়— বৰাৰ খা-খবৰ লোৱাৰ লগতে আজি এক অন্তৰংগ আলাপত মিলিত হওঁ।

## অসমত ভোটবেংকৰ ৰাজনীতি কৰি

ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে। দলৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচিত হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে অসম ভ্ৰমণলৈ অহা নীতিন নবীনে আজি পৃষ্ঠাপ্ৰমুখ সন্মিলনত অংশগ্ৰহণ কৰি নিজৰ ভাষণত কয়— আজিৰ অসম অশান্ত অসম হৈ থকা নাই, সমগ্ৰ ভাৰতবৰ্ষত শান্তিৰ ৰাজ্য হিচাপে পৰিচিত। অসমক লৈ কংগ্ৰেছৰ কোনো নীতি আৰু অভিপ্ৰায় নাছিল। যাৰ বাবে অসমখন উপেক্ষিত হৈ থাকিবলগীয়া হৈছিল। ডিব্ৰুগড় জিলাৰ ছটা বিধানসভা সমষ্টিৰ প্ৰায় ২৩ হাজাৰ বিজেপিৰ পৃষ্ঠাপ্ৰমুখক লৈ অনুষ্ঠিত কৰা সন্মিলনত ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আৰু কয়— পৃষ্ঠাপ্ৰমুখসকলে প্ৰতিটো বুথৰ পৰা ৫০ শতাংশ ভোট আনিব লাগিব। এই সংকল্পৰে এতিয়াৰে পৰা প্ৰতিজন পৃষ্ঠাপ্ৰমুখে কাম কৰিব লাগিব। কংগ্ৰেছে আমাক কৰা অন্যায়-অত্যাচাৰৰ বিৰুদ্ধে যোগ্য প্ৰত্যুত্তৰ দিব লাগিব। বিদেশী ৰাষ্ট্ৰৰ সৈতে মিত্ৰতা কৰি দেশৰ বিৰুদ্ধে কাম কৰাসকলক ভোটৰ জৰিয়তে উত্তৰ দিব লাগিব। অসমত দহ বছৰীয়া বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰে অবৈধ বিদেশীৰ বিৰুদ্ধে কাম কৰি থকা বুলি উল্লেখ কৰি অবৈধ বিদেশীৰ দখলত থকা ডেৰ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিবলৈ সক্ষম হোৱা বুলি মন্তব্য কৰিছে নীতিন নবীনে। আনহাতে, নৰেন্দ্ৰ মোডী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে মহিলাক বিনামূলীয়া ৰন্ধন গেছ, বিনামূলীয়া চিকিৎসা সেৱা প্ৰদানকে ধৰি বহুকেইটা উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰে। ভাষণত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আৰু কয়— বহুতেই কয় বিজেপিয়ে কঠোৰ শাসন চলায়। হয় আমি কঠোৰ হয়, ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে আমি কঠোৰ হৈছোঁ। আমি অসমৰ ঐতিহ্য সুৰক্ষাৰ বাবে কঠোৰ হৈছোঁ। দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ বাবে কাম কৰিবলৈ কঠোৰ হৈছোঁ। 'না খাম, না খাবলৈ দিম'— এই পৰম্পৰাক সাৱোগত কৰি আমি কাম কৰিছোঁ। অসমৰ মানুহে শান্তি, সুৰক্ষাৰ বাবে দেখা সপোনক বাস্তৱ ৰূপ দিয়াৰ বিপৰীতে কংগ্ৰেছে ভোটবেংকৰ ৰাজনীতি কৰি থাকিল বুলি কটাক্ষ কৰে নীতিন নবীনে। তেওঁ লগতে কয়— যিখন ৰাজ্যত বিকাশৰ বাবে নীতি থাকিব লাগিছিল, এটা সক্ষম নেতৃত্ব দেখিব লাগিছিল, জনতাৰ প্ৰতি কাম কৰাৰ অভিপ্ৰায় থাকিব লাগিছিল; কিন্তু পূৰ্বৰ কংগ্ৰেছ চৰকাৰে এইখন অসমক ভোটবেংক হিচাপে ব্যৱহাৰ কৰিলে। তেওঁলোকৰ লগত না নীতি আছিল, না অভিপ্ৰায়। আমি গৌৰৱেৰে ক'ব পাৰোঁ আমাৰ হাতত নীতি, অভিপ্ৰায় আৰু সক্ষম নেতৃত্ব আছে। আমাৰ এই কথাৰ প্ৰমাণ আছে যে আমি জনতাৰ সৈতে সম্পৃক্ত হৈ কাম কৰি আছোঁ। একেটা ভাষণ প্ৰসংগত নীতিন নবীনে কয়— এই পৰিৱৰ্তন এনেই অহা নাই। এই পৰিৱৰ্তন আপোনাৰ ভোটৰ জৰিয়তে আহিছে। বহুতেই প্ৰশ্ন কৰিছে কি সলনি হ'ল। সলনি হৈছে, আজি কাশ্মীৰত ৰাষ্ট্ৰীয় পতাকা উৰিছে। যেতিয়া কাশ্মীৰত পাকিস্তানৰ পতাকা উৰিছিল, দিল্লীত বহি থকা চৰকাৰ মৌন হৈ আছিল। মই এইখন অসমলৈ বহুবাৰ আহিছোঁ। এবাৰ এক বিশেষ কাৰ্যসূচীত অসমলৈ আহোঁতে সুধিছিলোঁ ইয়াৰ পথবোৰ কেঁচা কিয়? আমি চীনৰ সীমান্তত গৈ দেখোঁ তেতিয়া তেওঁলোকৰ পথবোৰ পকী আছিল। আমাৰ সীমান্তত কেঁচা পথ দেখিবলৈ পাইছিলোঁ। মানুহে তেতিয়া কৈছিল, চৰকাৰৰ নিৰ্দেশ নাই। চৰকাৰে পথ নিৰ্মাণৰ অনুমতি দিয়া নাছিল। সেই চৰকাৰৰ মানসিকতা তেনেকুৱা আছিল। মই আমাৰ নেতা নৰেন্দ্ৰ মোডীক লৈ গৌৰৱান্বিত। নৰেন্দ্ৰ মোডীয়ে ক'লে আমি সমগ্ৰ ৰাস্তা নিৰ্মাণ কৰিম, কেৱল ৰাস্তা নিৰ্মাণেই নহয়, বিমান অৱতৰণৰ বাবেও পথ নিৰ্মাণ কৰিম। উল্লেখ্য যে মিচিং জনগোষ্ঠীসকলৰ আলি-আয়ে-লৃগাঙৰ শুভেচ্ছা জনাই আৰম্ভ কৰা ভাষণত ব্ৰহ্মপুত্ৰ আৰু মা কামাখ্যা নমনৰ লগতে বীৰ লাচিত বৰফুকন, বীৰ চিলাৰায়, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাক শ্ৰদ্ধাঞ্জলি জনাই নীতিন নবীনে ভাষণ আৰম্ভ কৰে। আজি দিনৰ প্ৰায় ১.৪৫ বজাত ডিব্ৰুগড় বিমানবন্দৰত অৱতৰণ হোৱা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক বিমানবন্দৰতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ লগতে দলৰ নেতা-কৰ্মীসকলে উষ্ম আদৰণি জনায়। ইয়াৰ পাছতে তেওঁক ডিব্ৰুগড় খনিকৰ চাৰিআলিৰ পৰা এখন পুষ্পসজ্জিত বাহনেৰে বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক দলসমূহৰ জৰিয়তে মানকটা খেলপথাৰৰ সভাস্থলীলৈ আদৰণি জনায়। ৰাজ্যিক বিজেপিৰ সাধাৰণ সম্পাদক পুলক গোহাঁয়ে আঁত ধৰা সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, ৰাজ্যিক বিজেপিৰ সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, ৰাজ্যিক বিজেপিৰ প্ৰভাৰী হৰিশ দ্বিবেদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি বৈজয়ন্ত পাণ্ডা, সাংসদ ৰামেশ্বৰ তেলী, কামাখ্যাপ্ৰসাদ তাছা, মন্ত্ৰী প্ৰশান্ত ফুকন, বিমল বড়া, বিধায়ক বিনোদ হাজৰিকা, তেৰছ গোৱালা, তৰংগ গগৈ আদিকে ধৰি দলৰ ভালেসংখ্যক নেতা উপস্থিত থাকে। উল্লেখ্য যে এই কাৰ্যসূচীৰ পাছতে নীতিন নবীনে ডিব্ৰুগড় জিলা পুথিভঁৰালত আয়োজন কৰা প্ৰবুদ্ধ সন্মিলনত অংশগ্ৰহণ কৰে। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপিয়ে প্ৰকাশ কৰিবলগীয়া নিৰ্বাচনী ইস্তাহাৰ সন্দৰ্ভত বিশিষ্ট ব্যক্তিসকলৰ পৰা পৰামৰ্শ গ্ৰহণ কৰাৰ লগতে শেহতীয়া কেন্দ্ৰীয় বাজেট সন্দৰ্ভতো বক্তব্য প্ৰদান কৰে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে।

## সদনত 'চুমা বাবা'ৰ প্ৰসংগ

ৰূপজ্যোতি কুৰ্মীৰ ভাষণৰ মাজতে বিধায়ক অখিল গগৈয়ে প্ৰশ্ন উত্থাপন কৰাত কুৰ্মী উত্তেজিত হৈ পৰে। তেওঁ চিঞৰি কয়— আপুনি কথা নক'ব, মই 'চুমা বাবা'ৰ কথা শুনিবলৈ অহা নাই। বন বিভাগ সম্পৰ্কিত দাবী মঞ্জুৰি প্ৰস্তাৱৰ বিবেচিতা কৰি ভাষণত ৰূপজ্যোতিয়ে কয় যে এটা বিশেষ চক্ৰই বন আৰু পৰিৱেশ ধ্বংস কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। বিশেষ সম্প্ৰদায়ৰ লোকসকলে বন ধ্বংস কৰি জনসংখ্যা বৃদ্ধিৰ পৰিকল্পনা কৰে আৰু দুই-তিনিজনী বিয়া পাতি ইখনৰ পাছত সিখন জংঘলত বেদখল কৰে। ৰূপজ্যোতিয়ে এনেদৰে ভাষণ আৰম্ভ কৰাৰ লগে লগে অখিল গগৈ উঠি কয়— আমিও বন বিভাগৰ কথা কওঁতে যি-টি ক'ব পাৰিমনে বুলি বিধায়ক গগৈয়ে কোৱাৰ পাছতে ৰূপজ্যোতিয়ে কয়— আমি কাকো সাবটি নধৰোঁ। মই ইয়াত 'চুমা বাবা'ৰ কথা শুনিবলৈ অহা নাই। ইয়াকে লৈ খন্তেকৰ বাবে উত্তপ্ত হৈ পৰে সদন। লগে লগে অধ্যক্ষই বিষয়টোত হস্তক্ষেপ কৰাত পৰিস্থিতি শাম কাটে।

## আজি উচ্চতম ন্যায়ালয়ত 'কা'ৰ শুনানি

জনসাধাৰণৰ বহুপ্ৰত্যাশিত নাগৰিকত্ব সংশোধনী আইন (২০১৯)ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত বিনাবিচাৰে পৰি থকা ২৩৭টা গোচৰৰ শুনানি প্ৰায় ২ বছৰ পাছত কাইলৈ মুখ্য ন্যায়াধীশ সূৰ্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচি আৰু ন্যায়াধীশ ভিপুল এম পাঞ্চোলীৰ তিনিজনীয়া বিচাৰপীঠত অনুষ্ঠিত হ'ব। ২০২৪ চনৰ ১৯ মাৰ্চত তদানীন্তন মুখ্য ন্যায়াধীশ ধনঞ্জয় যশৱন্ত চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰদিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰৰ তিনিজনীয়া বিচাৰপীঠত শুনানি অনুষ্ঠিত হৈছিল। তাৰ পাছত আজিলৈকে কোনো শুনানি অনুষ্ঠিত হোৱা নাছিল। নাগৰিকত্ব সংশোধনী আইন (২০১৯)ক প্ৰত্যাহ্বান জনোৱা ২৩৭টা গোচৰ বিচাৰাধীন হৈ থকা অৱস্থাতে ভাৰত চৰকাৰে এই আইন কাৰ্যকৰী কৰিছে। এয়া ভাৰতীয় ন্যায় ব্যৱস্থাৰ এক পয়ালগা দিশ। পৃথিৱীৰ আন দেশত বিচাৰাধীন বিষয়ৰ আইন কাৰ্যকৰী নকৰে। শুনানি অনুষ্ঠিত নকৰি উচ্চতম ন্যায়ালয়ে পৰোক্ষভাৱে চৰকাৰক দিয়া সুযোগ গ্ৰহণ কৰি ভাৰত চৰকাৰৰ গৃহ বিভাগে ২০২৫ চনৰ ১ ছেপ্টেম্বৰত অনুপ্ৰৱেশকাৰী আৰু বিদেশী (বেহাই) নিৰ্দেশনা জাৰি কৰি হিন্দু বিদেশীক নাগৰিকত্ব দিয়াৰ ম্যাদ ২০২৪ চনৰ ৩১ ডিচেম্বৰলৈ বৃদ্ধি কৰিছিল। ইয়াৰ সুযোগতে অসম চৰকাৰে নাগৰিকপঞ্জীৰ পৰা নাম বাদ পৰা ১৯ লাখ অবৈধ বিদেশীৰ আৰু ৯৪,৪৪৭গৰাকী 'ডি' ভোটাৰক অৰ্থাৎ মুঠ ১৯,৯৪,৪৪৭গৰাকী অবৈধ বিদেশীক নাগৰিকত্ব সংশোধনী আইন(২০১৯)ৰ জৰিয়তে নাগৰিকত্ব প্ৰদান কৰিবলৈ ব্যাপক প্ৰস্তুতি চলোৱা বুলি বিশ্বস্ত সূত্ৰে জানিব পৰা গৈছে। বিভিন্ন বাতৰিত মুখ্যমন্ত্ৰীয়েই এই কথা ঘোষণা কৰাৰো তথ্য আছে। ভাৰতৰ আন ৰাজ্যত 'কা'ৰ জৰিয়তে নাগৰিকত্ব লাভ কৰা বিদেশী তেনেই নগণ্য হোৱা বাবেই জোৰদাৰ আন্দোলন হোৱাৰ পাছত এতিয়া সকলো নীৰৱ হৈ পৰিছে। কিন্তু অসমীয়া খিলঞ্জীয়া তথা অসমীয়া জনজীৱন বিপৰ্যয় হৈ পৰিছে। উল্লেখ্য যে অসম সন্মিলিত মহাসংঘই এই নাগৰিকত্ব সংশোধনী আইন আনিবলৈ জাৰি কৰা ২০১৪ চনৰ ৭ ছেপ্টেম্বৰৰ জাননীখনকেই অবৈধ, পক্ষপাতিত্বমূলক, সংবিধানবিৰোধী বুলি প্ৰত্যাহ্বান জনাই ৮গৰাকী বিশিষ্ট ব্যক্তিৰ জৰিয়তে তৰা ৬৮/২০১৬ নং গোচৰটো ৫জনীয়া সাংবিধানিক বিচাৰপীঠত থকাৰ পাছতো আজিলৈকে শুনানি অনুষ্ঠিত নহ'ল। ভাৰতীয় ন্যায় ব্যৱস্থাত চলি থকা এনে অনিয়ম ২০১৪ চনৰ পৰাহে আৰম্ভ হৈছে বুলি গুৱাহাটীত মতিউৰ ৰহমানে গভীৰ ক্ষোভেৰে সংবাদ মাধ্যমক কয়। কাইলৈ মহাসংঘৰ ১৫১৪/২০১৯ নং গোচৰৰ সৈতে আৰু ২৩৬টা গোচৰৰ শুনানিৰ বাবে তালিকাভুক্ত হৈছে যদিও ৩৪ নম্বৰ স্থানতহে আছে। মহাসংঘৰ হৈ ভাৰতৰ প্ৰখ্যাত জ্যেষ্ঠ অধিবক্তা শ্যাম দিৱান, অধিবক্তা সমীৰণ শৰ্মা আৰু অধিবক্তা ধ্ৰুৱজিৎ শইকীয়াই যুক্তি প্ৰদৰ্শন কৰিব। অতিশয় জৰুৰী আৰু গুৰুত্বপূৰ্ণ গোচৰ এনেদৰে তালিকাৰ নিম্ন স্থানত থকা বাবে শুনানি প্ৰতি ছুপ্ৰিম ক'ৰ্টে যথোচিত গুৰুত্ব দিয়া নাই বুলি মতিউৰ ৰহমানে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সংবাদ মাধ্যমৰ আগত। উচ্চতম ন্যায়ালয়ত 'কা' সম্পৰ্কীয় গোচৰৰ শুনানিৰ দিন ধাৰ্য কৰাৰ সৈতে অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আছুৰ সভাপতি শৰ্মাই এই সন্দৰ্ভত কয়— 'কা' আমি নামানো। অসমক 'কা'ৰ আওতাৰ বাহিৰত ৰাখিবই লাগিব। যুঁজ অব্যাহত থাকিব। তেওঁ কয় যে কাইলৈৰ বাবে সাজু হৈছে আছু আৰু নেছ'ৰ অধিবক্তাৰ দল। আছু, নেছ'ৰ নেতৃবৰ্গও উপস্থিত থাকিব শুনানিত।

## বিহুক লক্ষ্য কৰিয়েই ৰাজ্যত হ'ব নিৰ্বাচন

আয়োগে ঘোষণা কৰিছে। বিধানসভাৰ প্ৰস্তুতিৰ দুদিনীয়া পৰ্যালোচনা সামৰি আজি এখন সংবাদ মেলত দেশৰ মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয় যে বিহু অসমৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উৎসৱ। ইয়াৰ তাৰিখৰ প্ৰতি লক্ষ্য ৰাখি আৰু ৰাইজৰ অসুবিধা নোহোৱাকৈ নিৰ্বাচনৰ দিন নিৰ্দিষ্ট কৰা হ'ব। নিৰ্বাচনৰ পৰ্যায় আৰু তাৰিখ আয়োগে দিল্লীলৈ ঘূৰি গৈ আলোচনা কৰি নিৰ্দিষ্ট কৰিব। এইক্ষেত্ৰত উৎসৱ, ৰাইজৰ হিত আৰু ৰাজনৈতিক দলসমূহৰ পৰামৰ্শ সকলো দিশ বিবেচনা কৰা হ'ব। উল্লেখ্য যে ৰাজ্যত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতি পৰ্যালোচনা কৰাৰ বাবে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় ক্ৰমে ডঃ সুখবীৰ সিং সান্ধু আৰু ডঃ বিবেক যোশী আৰু নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ বিষয়াৰ এটা দল দেওবাৰে গুৱাহাটীত উপস্থিত হৈছিল। দলটোৱে ৰাজ্য আৰু আৰক্ষী প্ৰশাসনৰ শীৰ্ষ বিষয়াবৰ্গৰ লগতে নিৰ্বাচনী প্ৰক্ৰিয়াত জড়িত বিষয়া-কৰ্মীসকলৰ সৈতে কেইবালানিও বৈঠকত মিলিত হয়। নিৰ্বাচন আয়োগৰ দলটোৱে ৰাজ্যৰ শাসক-বিৰোধী সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ পৰাও বিভিন্ন দিহা-পৰামৰ্শ গ্ৰহণ কৰে। ৰাজনৈতিক দলসমূহে এটা বা অতি বেছি দুটা পৰ্যায়ত বিহুৰ পূৰ্বে নিৰ্বাচন অনুষ্ঠিত কৰাৰ পোষকতা কৰিছে। আনহাতে, শাসক দল বিজেপিয়ে বিহুৰ পূৰ্বে মাত্ৰ এটা পৰ্যায়তে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে আয়োগক অনুৰোধ জনাইছে। নিৰ্বাচন আয়োগে দিল্লীলৈ ঘূৰি গৈ আলোচনা কৰি নিৰ্বাচনৰ দিন ঠিক কৰিব বুলি ঘোষণা কৰিছে। দুদিনীয়া পৰ্যালোচনাৰ পাছত আজি সংবাদ মেলত মুখ্য নিৰ্বাচন আয়ুক্ত কুমাৰে কয় যে নিৰ্বাচনী প্ৰক্ৰিয়াৰ সৈতে জড়িত সকলো বিষয়া-কৰ্মচাৰীক ভয় আৰু পক্ষপাতিত্ব নোহোৱাকৈ কঠোৰভাৱে আইনৰ শাসন বলবৎ কৰিবলৈ স্পষ্ট নিৰ্দেশ দিয়া হৈছে। প্ৰতিখন জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক, জিলা আয়ুক্ত আৰু ৰিটাৰ্ণিং বিষয়াসকলক সকলো পক্ষকে সমান চকুৰে চাই সম্পূৰ্ণ স্বচ্ছ আৰু নিৰপেক্ষভাৱে কাম কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ভোটদানক এক উৎসৱৰ ৰূপ দিয়া, সকলো শ্ৰেণীৰ ভোটাৰক ভোটদানৰ বাবে আকৰ্ষিত কৰা, ভোটাৰৰ শাৰী সূচাৰুৰূপে নিয়ন্ত্ৰণ কৰা, দিব্যাংগ আৰু বৰিষ্ঠ ভোটাৰসকলৰ বাবে যাতায়াতৰ লগতে অন্যান্য বিশেষ ব্যৱস্থা কৰাৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ সময়ত বিয়পি পৰা ভুৱা বাতৰি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা সামগ্ৰীৰ প্ৰচাৰৰ ওপৰত চোকা নজৰ ৰখাৰ বাবে নিৰীক্ষণ গোট গঠন কৰিবলৈ আৰু এনে গোটসমূহক ভুৱা প্ৰচাৰৰ ক্ষিপ্ৰ প্ৰত্যুত্তৰ দিবলৈ নিৰ্দেশ দিয়া হৈছে। মুখ্য নিৰ্বাচন আয়ুক্তজনে ৰাইজক গণতন্ত্ৰৰ এই মহাপৰ্বক উৎসৱৰ দৰে উদ্যাপন কৰিবলৈ আৰু যুৱ তথা প্ৰথমবাৰৰ বাবে ভোটাৰ হোৱাসকলক বিপুল সংখ্যাত পৰম উৎসাহ আৰু শ্ৰদ্ধাৰে ভোটদানত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

**অসমত প্ৰথমবাৰৰ বাবে সকলো ভোটকেন্দ্ৰৰ পৰা হ'ব ৱেবকাষ্টিং**

দেশৰ গণতন্ত্ৰৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উৎসৱ হিচাপে পৰিগণিত ভোটদান প্ৰক্ৰিয়াক অধিক আকৰ্ষণীয়, আস্থাভাজন আৰু বিশ্বাসভাজন কৰি তোলাৰ অৰ্থে নিৰ্বাচন আয়োগে ৩০ দফীয়া এলানি নতুন পদক্ষেপৰ প্ৰৱৰ্তন কৰিছে। এই বিষয়ে সদৰি কৰি মুখ্য নিৰ্বাচন আয়ুক্ত কুমাৰে কয় যে এই নিৰ্বাচনত অসমত প্ৰথমবাৰৰ বাবে সকলো ভোটকেন্দ্ৰৰ পৰা ভোটদানৰ আৰম্ভণিৰ পৰা শেষলৈকে ৱেবকাষ্টিং কৰা হ'ব। এই ৱেবকাষ্টিং জিলা আয়ুক্ত আৰু ৰিটাৰ্ণিং বিষয়াই সম্পূৰ্ণ নিৰীক্ষণ কৰিব। আনহাতে, এইবাৰ প্ৰথমবাৰৰ বাবে ভোটাৰে ভোটকেন্দ্ৰ পৰ্যন্ত ম'বাইল লৈ যাব পাৰিব আৰু ভোটদান কৰিবলৈ যোৱাৰ পূৰ্বে কেন্দ্ৰৰ বাহিৰত ব্যৱস্থা কৰা স্থানত ম'বাইল জমা দিব পাৰিব। এইবাৰ ই ভি এমত প্ৰাৰ্থীসকলৰ পূৰ্বৰ ক'লা-বগা ফটোৰ পৰিৱৰ্তে শেহতীয়া আৰু ৰঙীন ফটো সন্নিবিষ্ট কৰা হ'ব। প্ৰাৰ্থীৰ নামৰ আখৰ পূৰ্বতকৈ ডাঙৰ কৰা হ'ব। পূৰ্বে ভোটকেন্দ্ৰৰ পৰা দুশ মিটাৰ দূৰত্বতহে ৰাজনৈতিক দলৰ এজেণ্টে মেজ স্থাপন কৰাৰ অনুমতি আছিল যদিও এইবাৰ এশ মিটাৰতে এনে মেজ স্থাপন কৰিব পাৰিব। লগতে এইবাৰ প্ৰতিটো ভোটকেন্দ্ৰত ভোটাৰৰ সংখ্যা ১২শতে সীমিত কৰা হৈছে। লগতে নিৰ্বাচন আয়োগৰ নিৰ্বাচন সম্পৰ্কীয় পূৰ্বৰ সকলো 'এপ' আৰু 'প'ৰ্টেল'ক একত্ৰিত কৰি 'ই চি আই নেট' নামৰ এটা সামগ্ৰিক আৰু অধিক সা-সুবিধাযুক্ত 'এপ' প্ৰস্তুত কৰা হৈছে। এই 'এপ'ৰ জৰিয়তে দুঘণ্টাৰ মূৰে মূৰে ভোটদানৰ প্ৰতিটো সমষ্টিৰ ভোটদানৰ হাৰ, গণনাৰ সময়ত প্ৰতি ৰাউণ্ডৰ অগ্ৰগতি আদি সকলো তথ্য শুদ্ধ ৰূপত প্ৰকাশ কৰা হ'ব। ভোট গণনাৰ ক্ষেত্ৰতো এইবাৰ পোষ্টেল বেলটৰ ক্ষেত্ৰত নিয়মৰ কিছু সলনি কৰা হৈছে। ই ভি এমৰ দ্বিতীয় ৰাউণ্ডৰ গণনা সম্পূৰ্ণ হোৱাৰ পূৰ্বে পোষ্টেল বেলটৰ গণনা সম্পূৰ্ণ কৰিব লাগিব। নিৰ্বাচনৰ ভোটদান আৰু ভোট গণনাৰ সকলো তথ্য ৭২ ঘণ্টাৰ ভিতৰত নিশ্চিতকৈ প্ৰকাশ কৰা হ'ব। ই ভি এমৰ ভোট আৰু প্ৰপত্ৰ-১৭চি ভোটৰ সংখ্যাত তাৰতম্যৰ অভিযোগ উঠিলে ভি ভি পেট শ্লিপৰ গণনা কৰা হ'ব। এই গণনাৰ ফলাফলতো প্ৰাৰ্থী অসন্তুষ্ট হ'লে গণনা সম্পূৰ্ণ হোৱাৰ পাছত সাত দিনৰ ভিতৰত এই তাৰতম্য দূৰ কৰাৰ বাবে আবেদন কৰিব পাৰিব।

**সকলো যোগ্য ভোটাৰক অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে কৰা হৈছিল ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ**

ৰাজ্যৰ এজনো যোগ্য ভোটাৰ যাতে বাদ নপৰে আৰু এজনো অযোগ্য ভোটাৰৰ নাম যাতে ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নহয় তাক নিশ্চিত কৰাৰ উদ্দেশ্যে অসমত ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ কৰা হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয় যে দেশৰ আন ১২খন ৰাজ্যত ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ (এছ আই আৰ) কৰা হৈছিল যদিও অসমত এন আৰ চি চূড়ান্ত পৰ্যায়ত থকা বাবে এছ আৰ কৰা হৈছে। অসমত এছ আৰৰ সময়ত বি এল অ', সহকাৰী ৰিটাৰ্ণিং বিষয়া, সহকাৰী ভোটাৰ পঞ্জীয়ন বিষয়াকে ধৰি এই প্ৰক্ৰিয়াত জড়িত সকলোৱে প্ৰশংসনীয় কাম কৰিছে বুলি মন্তব্য কৰি কুমাৰে কয় যে অসমত মুঠ ভোটাৰ ২.৪৯ কোটি। ইয়াৰে ... ৬৪.৩৯ লাখ ... ৫.৫৭ লাখ। ভোটাৰ তালিকাত প্ৰায় দুই লাখ দিব্যাংগ, আঠ লাখ ৮৫ বছৰৰ ঊৰ্ধ্বৰ আৰু ২,৫৮৬৯ গৰাকী শতবৰ্ষ ভোটাৰ আছে। এইবাৰ অসমত মুঠ ৩১,৪৮৬টা ভোটকেন্দ্ৰ থাকিব। ইয়াৰে ২৭,৭১১টা গ্ৰামাঞ্চল আৰু ৩,৭৭৫টা নগৰ অঞ্চলত থাকিব। ১২৬টা আদৰ্শ ভোটকেন্দ্ৰৰ লগতে ৩,৭১৬টা কেৱল মহিলাৰ দ্বাৰা পৰিচালিত ভোটকেন্দ্ৰ থাকিব। ৰাজ্যৰ প্ৰতিটো ভোটকেন্দ্ৰতে দিব্যাংগ আৰু বৃদ্ধ ভোটাৰৰ প্ৰতি লক্ষ্য ৰাখি হুইল চেয়াৰ, ৰেম্প স্বেচ্ছাসেৱক আদিৰ সম্পূৰ্ণ ব্যৱস্থা থাকিব বুলি কুমাৰে কয়।

**এছ আৰত নাম বাদ পৰা যোগ্য ভোটাৰৰ আবেদনৰ সুবিধা**

এছ আৰৰ জৰিয়তে ৰাজ্যত প্ৰকাশ কৰা চূড়ান্ত ভোটাৰ তালিকাৰ পৰা যদি কোনো যোগ্য ভোটাৰৰ নাম বাদ পৰিছে, তেন্তে ভোটাৰে নামভৰ্তিৰ বাবে পুনৰ আবেদন অথবা জিলা আয়ুক্তৰ আগত আপীল কৰাৰ সুবিধা পাব। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয় যে ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰা যোগ্য ভোটাৰসকলে প্ৰপত্ৰ-৬ৰ জৰিয়তে নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব। এই আবেদন বাতিল হ'লে ইয়াৰ বিৰুদ্ধে তেওঁলোকে জিলা আয়ুক্তৰ ওচৰত আপীল দাখিল কৰিব পাৰিব। কুমাৰে কয় যে অসমৰ প্ৰায় আঢ়ৈ কোটি ভোটাৰৰ নাম সন্নিবিষ্ট তালিকা প্ৰকাশৰ পাছত সকলো জিলা মিলাই এইপৰ্যন্ত কেৱল পাঁচশমান আপত্তিহে আপীল দাখিল হৈছে। এই কাৰ্যই এছ আৰৰ সফলতা বিৰত্তন কৰে। 'ডি' আৰু 'এ আৰ অ'ক' সকলৰ বিষয়ে ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়াৰে জড়িত সকলোৱে অতি ভালদৰে কাম কৰা বুলি প্ৰশংসা কৰে। আনহাতে, এছ আৰৰ সময়ত সন্দেহযুক্ত ভোটাৰৰ নাম কৰ্তন সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে দিয়া মন্তব্যৰ বিৰুদ্ধে বিভিন্ন নেতাই কৰা দাবী সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰত মুখ্য নিৰ্বাচন আয়ুক্তজনে কয় যে ভোটাৰৰ নাম কৰ্তন, অন্তৰ্ভুক্তি আৰু নিৰ্বাচন অনুষ্ঠিত কৰাটো নিৰ্বাচন আয়োগৰ সাংবিধানিক দায়িত্ব আৰু আয়োগে ইয়াক পূৰ্ণ নিষ্ঠাৰে পালন কৰিছে। আজিৰ সংবাদ মেলত মুখ্য নিৰ্বাচন আয়ুক্ত কুমাৰৰ সৈতে দেশৰ দুই নিৰ্বাচন আয়ুক্ত, অসমৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোয়েলো উপস্থিত আছিল।

## কাইলৈ পুনৰ অসমলৈ অমিত শ্বাহ

গৃহমন্ত্ৰী অমিত শ্বাহ। এই ভ্ৰমণসূচীৰে তেওঁ ত্ৰিপুৰাৰ এক কাৰ্যসূচীতো অংশ ল'ব। ২০ ফেব্ৰুৱাৰীত কাছাৰত উপস্থিত হৈ শ্বাহে দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। সেইদিনা পুৱা ১০.৩০ বজাত শ্বাহে নাথানপুৰৰ সীমান্তচকী পৰিদৰ্শন কৰাৰ লগতে সীমামূৰীয়া অঞ্চলটোত গছপুলি ৰোপণৰ বুজ ল'ব। একেদিনাই দিনৰ ১১ বজাত তেওঁ নাথানাপুৰৰে 'ভাইব্ৰেণ্ট ভিলেজ' কাৰ্যসূচীত ভাগ ল'ব। ২০ ফেব্ৰুৱাৰীতে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ত্ৰিপুৰাৰ আগৰতলাত থকা আন্তঃৰাষ্ট্ৰীয় ইনড'ৰ প্ৰদৰ্শনী কেন্দ্ৰত দিনৰ ২ বাজি ১৫ মিনিটত অনুষ্ঠিত হ'বলগীয়া পূব, পূৰ্বোত্তৰ আৰু উত্তৰ ক্ষেত্ৰত সংযুক্ত কেন্দ্ৰীয় চৰকাৰী ভাষা সন্মিলনত উপস্থিত থাকিব। আনহাতে, ২১ ফেব্ৰুৱাৰীত তেওঁ গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'বলগীয়া চি আৰ পি এফৰ ৪৭সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাগ ল'ব।

**সোণাপুৰৰ কচুতলীত শিলান্যাস কৰিব দশম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ**

**সোণাপুৰৰ দৈনিক অসমৰ বিশেষ প্ৰতিনিধি ঃ** সোণাপুৰৰ কচুতলীত প্ৰশাসনৰ উচ্ছেদ অভিযানৰ পাছতে ৰাজ্য চৰকাৰে প্ৰায় এশ বিঘা ভূমিত স্থাপন কৰিব দশম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয়। অহা ২১ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্য কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেই উপলক্ষে সোণাপুৰৰ কচুতলীত অনুষ্ঠিত হ'বলগীয়া বিশাল ৰাজহুৱা সভাত প্ৰায় বিশ হাজাৰ লোকৰ উপস্থিতি আশা কৰা হৈছে। এই উপলক্ষে ইতিমধ্যে ৰাজ্য চৰকাৰ, জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগে পূৰ্ণগতিত প্ৰস্তুতি আৰম্ভ কৰিছে। সভাস্থলীত বৃহৎ মঞ্চ নিৰ্মাণ, ৰাইজৰ বাবে বহাৰ সুব্যৱস্থা, পানী যোগান, চিকিৎসা সহায়ক শিবিৰ, যান-বাহন নিয়ন্ত্ৰণ আদি সকলো দিশতে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আইন-শৃংখলা ৰক্ষা আৰু নিৰাপত্তা ব্যৱস্থাক বিশেষ গুৰুত্ব দি অঞ্চলটোত আৰক্ষী আৰু অৰ্দ্ধসামৰিক বাহিনী মোতায়েনৰ ব্যৱস্থাও কৰা হৈছে। ইপিনে, মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি নিশা প্ৰায় ১১.৪৫ বজাত কচুতলী পৰিদৰ্শন কৰি সভাস্থলীৰ সামগ্ৰিক পৰিৱেশ আৰু প্ৰস্তুতিৰ বুজ লয়। তেওঁৰ সৈতে উপস্থিত আছিল মন্ত্ৰী পীযূষ হাজৰিকা, প্ৰশাসন আৰু আৰক্ষীৰ শীৰ্ষ বিষয়াসকল। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানটো সূচাৰুৰূপে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট সকলো বিভাগক সমন্বয় ৰক্ষা কৰি কাম কৰিবলৈ নিৰ্দেশ দিয়ে। সভাস্থলীৰ সমীপতে দুটাকৈ অস্থায়ী হেলিপেড নিৰ্মাণৰ কামো দ্ৰুতগতিত আগবাঢ়িছে, যাতে গৃহমন্ত্ৰীৰ আগমন আৰু প্ৰস্থানত কোনো অসুবিধা নোহোৱাকৈ সুৰক্ষিত ব্যৱস্থা নিশ্চিত কৰিব পৰা যায়। দশম আৰক্ষী বেটেলিয়নৰ মুখ্য কাৰ্যালয় স্থাপনৰ জৰিয়তে অঞ্চলটোত আৰক্ষী প্ৰশাসন অধিক শক্তিশালী হ'ব বুলি চৰকাৰী মহলৰ পৰা মত প্ৰকাশ কৰা হৈছে। ইয়াৰ ফলত আইন-শৃংখলা ব্যৱস্থা অধিক সুদৃঢ় হোৱাৰ লগতে অঞ্চলটোৰ সামগ্ৰিক উন্নয়নতো ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে। ইপিনে আজি বিয়লিৰ ভাগত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান হৰমিট সিঙেও সোণাপুৰৰ কচুতলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। মন কৰিবলগীয়া যে দেশৰ গৃহমন্ত্ৰীৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্যসূচীক কেন্দ্ৰ কৰি সমগ্ৰ ডিমৰীয়া অঞ্চলতে ইতিমধ্যে উৎসাহ-উদ্দীপনা দেখা গৈছে। বিভিন্ন সংগঠন আৰু স্থানীয় ৰাইজে আদৰণি জনাইছে। ২১ ফেব্ৰুৱাৰীৰ এই অনুষ্ঠানটোৱে ৰাজ্যৰ ৰাজনৈতিক ক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন কৰিব বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে।

## ৰাজ্যত ১.৭০ লাখ অবৈধ বিদেশী

২৯,৬৬৩জন বিদেশীক ১৯৮৬ চনৰ পৰা ২০১৩ চনলৈ পুশ্বেক পদ্ধতিৰে নিজ নিজ দেশলৈ বিতাড়ন কৰা হৈছে। আজি অগপ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সোধা এটা প্ৰশ্নৰ উত্তৰত অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰাই বিধানসভাত এই তথ্য দাঙি ধৰে। ৰাজনৈতিক বিভাগৰ পৰা লাভ কৰা তথ্যৰ ভিত্তিত মন্ত্ৰী বৰাই আজি বিধানসভাত কয়— অসম চুক্তি অনুযায়ী ২০২৫ বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ১,৩৭,১৫২জন লোকক ১৯৭১ চনৰ পাছত অহা আৰু ৩৩,৪৮৫জন লোকক ১৯৬৬-১৯৭১ চনৰ সময়সীমাৰ ভিতৰত অহা বিদেশী বুলি চিনাক্ত কৰি বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী বুলি ঘোষিত হৈছে। মন্ত্ৰী বৰাই লগতে কয় যে ১৯৮৬ চনৰ পৰা ২০১৩ চনৰ ১২ মাৰ্চলৈ ২৯,৬৬৩জন অবৈধ বিদেশীক পুশ্বেক পদ্ধতিৰে নিজ দেশলৈ বিতাড়ন কৰা হৈছে। ইয়াৰে ২৮,৭৬৫জন নতুনকৈ প্ৰৱেশ কৰা অবৈধ বিদেশী আৰু ৮৯৮জন ঘোষিত বিদেশী। ২০১৩ চনৰ ১৩ মাৰ্চৰ পৰা ২০২৬ চনৰ ৩১ জানুৱাৰীলৈ ৪৬৮জন অবৈধ বিদেশীক ডিপুটেচন প্ৰক্ৰিয়াৰে ওভোতাই পঠিওৱা হৈছে। ইয়াৰ ভিতৰত ৪৫৮জন অভিযুক্ত বিদেশী আৰু ১০জন ঘোষিত বিদেশী। ২০২৫ৰ ১ ফেব্ৰুৱাৰীৰ পৰা ২০২৬ৰ ৩১ জানুৱাৰীলৈ ১,৪২১জন অবৈধ বিদেশীক ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ৰ নিৰ্দেশমৰ্মে ছেপ্টবেক পদ্ধতিৰে বিতাড়ন কৰা হয়। ২০২৫ চনৰ ২০ ডিচেম্বৰৰ পৰা ২০২৬ৰ ৩১ জানুৱাৰীলৈ ৫১জন ঘোষিত বিদেশী আৰু এজন নতুন অনুপ্ৰৱেশকাৰীক দেশৰপৰা বহিষ্কাৰ কৰা হৈছে। মন্ত্ৰী বৰাই বিধানসভাত লগতে কয় যে ভাৰত-বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য ২৬৭.৫ কিঃমিঃ। এই সীমাৰ ২২৮.৫৪১ কিঃমিঃ দৈৰ্ঘ্যৰ কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে। বাকী থকা অংশ নদী অঞ্চল হোৱা বাবে বেৰ দিব পৰা হোৱা নাই। বেৰ নিৰ্মাণ কৰিবলৈ বাকী থকা অংশৰ অন্তৰ্গত শ্ৰীভূমি জিলাৰ কুশিয়াৰা নদীৰ পাৰত ভাৰতীয় মানুহৰ বসতি থকা আন্তঃৰাষ্ট্ৰীয় সীমাৰ ৪.৩৫ কিঃমিঃ অংশ ব'ৰ্ডাৰ গাৰ্ড বাংলাদেশৰ আপত্তিৰ বাবে এক শাৰীৰ কাঁইটীয়া তাঁৰৰ বেৰ দিব পৰা নাই। অসম চুক্তিৰ ছয় নম্বৰ দফা ৰূপায়ণৰ উদ্দেশ্যে গঠন কৰা বিপ্লৱ কুমাৰ শৰ্মা সমিতিৰ ৬৭টা পৰামৰ্শৰ ভিতৰত ৰাজ্য চৰকাৰৰ আওতাত পৰা ৫২টা পৰামৰ্শ ৰূপায়ণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে বুলি উল্লেখ কৰি মন্ত্ৰী বৰাই কয়— বাকী থকা পৰামৰ্শ কেন্দ্ৰীয় চৰকাৰৰ আওতাত পৰিছে। বিধায়ক কলিতাই সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰী বৰাই আৰু কয়— বৰাগাঁৱৰ শ্বহীদ উদ্যান ক্ষেত্ৰত প্ৰথম পৰ্যায়ত কাম ১০০% সম্পূৰ্ণ হৈছে আৰু দ্বিতীয় পৰ্যায়ৰ ৮০% সম্পূৰ্ণ হৈছে। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাবে ১০১.৮২ কোটি টকা ব্যয় কৰা হৈছে।

## দল ত্যাগ কৰা বিধায়কক বহিষ্কাৰৰ

উদ্দেশ্যে দলবিৰোধী কাৰ্যকলাপত লিপ্ত কংগ্ৰেছ বিধায়কসকলক সদনৰ পৰা নিলম্বন কৰি সদনৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ দাবী জনায়। এই সম্পৰ্কত কংগ্ৰেছ বিধায়িনী দলে অধ্যক্ষক আজি দুখন আবেদন দিয়া বুলি উল্লেখ কৰি দেৱব্ৰত শইকীয়াসহ অন্য কংগ্ৰেছ বিধায়কসকলে দলবিৰোধী কাৰ্যকলাপত লিপ্ত তথা অন্য দলত যোগ দিয়া কংগ্ৰেছী বিধায়কসকলক সদনৰ পৰা বাহিৰ কৰি দিবলৈ দাবী জনায়। এই প্ৰসংগতে শেহতীয়াভাৱে ৰাইজৰ দলত যোগ দিয়া বিধায়ক আব্দুৰ ৰছিদ মণ্ডল আৰু শ্বেৰমান আলী আহমেদৰ বিৰুদ্ধে তাৎক্ষণিক ব্যৱস্থা ল'বলৈ অধ্যক্ষ দৈমাৰীক দাবী জনায়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অধ্যক্ষ দৈমাৰীক কয়— দলবিৰোধী কাৰ্যকলাপত লিপ্ত কংগ্ৰেছী বিধায়ক বসন্ত দাস, কমলাক্ষ দে' পুৰকায়স্থ, শশীকান্ত দাস, শ্বেৰমান আলী আহমেদ আৰু ছিদ্দিক আহমেদৰ বিৰুদ্ধে অভিযোগ দিয়াৰ ৪ বছৰ পাছতো কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। তেতিয়া অধ্যক্ষ দৈমাৰীয়ে কয়— দলবিৰোধী কাৰ্যকলাপত যদি লিপ্ত তেন্তে দলে নিলম্বন কৰি কিয় থয়, কিয় বহিষ্কাৰ নকৰে? কিয় সেই কাম অধ্যক্ষলৈ এৰে? আপোনালোকে আজি অভিযোগ দিছেহে। মই বিষয়টো পৰীক্ষা কৰিম। আপোনালোকে আগতে দিয়া অভিযোগৰ এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই। কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰে অধ্যক্ষৰ ভূমিকাত আমি সন্তুষ্ট নহয় বুলি উল্লেখ কৰি আমাৰ পূৰ্বৰ অভিযোগ বছৰৰ পাছত বছৰ ধৰি কিয় পেলাই থৈছে বুলি প্ৰশ্ন উত্থাপন কৰে। ইয়াক লৈ সদন উত্তাল হৈ পৰে। অধ্যক্ষৰ পৰা সদুত্তৰ নোপোৱা, অধ্যক্ষই বিহিত ব্যৱস্থা গ্ৰহণ নকৰা আৰু একপক্ষীয় সিদ্ধান্ত লোৱাৰ অভিযোগত কংগ্ৰেছ দলে সদন ত্যাগ কৰে। তেতিয়া অধ্যক্ষ দৈমাৰীয়ে কয়— আপোনালোকে সদন ত্যাগ কৰিব পাৰে। সেয়া আপোনালোকৰ গণতান্ত্ৰিক অধিকাৰ। কিন্তু দলবিৰোধী কাৰ্যকলাপত লিপ্ত বিধায়কৰ বিৰুদ্ধে দলেই যদি চূড়ান্ত ব্যৱস্থা গ্ৰহণ নকৰে অধ্যক্ষই কি কৰিব পাৰে। কোনোবা বিধায়কে যদি নিজৰ দল এৰি অন্য দলত যোগ দিয়ে সেই বিষয়টো পৰীক্ষা কৰিম বুলিও কয় অধ্যক্ষ দৈমাৰীয়ে। কংগ্ৰেছ দলে সদন ত্যাগ কৰাৰ পাছত সদনত উপস্থিত থকা সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অধ্যক্ষই কোনো একপক্ষীয় সিদ্ধান্ত লোৱা নাই, গণতান্ত্ৰিক সিদ্ধান্ত লৈছে বুলি মত পোষণ কৰি কংগ্ৰেছ দলে তোলা অভিযোগত দুখ প্ৰকাশ কৰে। মন্ত্ৰী পাটোৱাৰীক সমৰ্থন দিয়ে বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই। বিধায়ক ভট্টাচাৰ্যই কয় যে যেতিয়া দলে হুইপ জাৰি কৰে আৰু হুইপ অমান্য কৰে, তেতিয়াহে বিধায়ক পদ খাৰিজৰ কথা আহে। অন্যথা নহয়।

## ৫৫ বছৰে অসমীয়া মানুহক অত্যাচাৰ

কংগ্ৰেছৰ বিৰুদ্ধে এনেদৰে আক্ৰমণাত্মক হৈ পৰে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে নিজৰ ভাষণত কয়— নৰেন্দ্ৰ মোদীয়ে ২০১৪ চনত প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত তেওঁ কৈছিল যে মই প্ৰধানমন্ত্ৰী হিচাপে নহয় প্ৰধান সেৱক হিচাপে ভাৰতবৰ্ষৰ জনতাৰ সেৱা কৰিম। তেওঁ যোৱা ১১ বছৰে ভাৰতবৰ্ষৰ জনগণৰ আস্থা আৰু বিশ্বাস লৈ অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি উন্নয়নৰ যাত্ৰা আৰম্ভ কৰিছিল। যাৰ ফলত ভাৰতবৰ্ষৰ অন্যান্য অঞ্চলৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চল বিশেষভাৱে লাভান্বিত হ'বলৈ সক্ষম হৈছে। ২০১৬ চনত প্ৰথমবাৰৰ বাবে অসমত ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা যোৱা ১০ বছৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সহযোগত অসমৰ সকলো ক্ষেত্ৰতে এটা দৃষ্টান্তমূলক পৰিৱৰ্তন আনিবলৈ আমি সক্ষম হৈছোঁ। জাতি-জনগোষ্ঠীৰ জাতি-মাটি-ভেটি, ভাষা-সাহিত্য, কৃষ্টি-সংস্কৃতি, অস্তিত্ব আৰু স্বাভিমান ৰক্ষাৰ বাবে ডাবল ইঞ্জিন চৰকাৰে উন্নয়নমূলক কাম কৰাৰ ফলত আজি অসম উন্নতিৰ শিখৰত উপনীত হ'বলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰীয়ে কোৱা 'এ ফৰ আছাম' এটা মাত্ৰ সাধাৰণ বাক্য নহয়, তেওঁ অসমক গোটেই ভাৰতবৰ্ষৰ ভিতৰতে এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্য হিচাপে প্ৰতিষ্ঠিত হোৱাটো বিচাৰে। তাৰ বাবে তেওঁ আমাক যি সহায় কৰিব লাগে তাকেই কৰিবলৈ আগ্ৰহী। প্ৰধানমন্ত্ৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি, সম্পদ আৰু সম্ভাৱনাৰ বিষয়ে অৱগত আৰু সেয়েহে তেওঁ বিশ্বাস কৰে যে এই অঞ্চলক যদি দৃঢ়তাৰে আগুৱাই নিব পৰা যায় তেনেহ'লে ভাৰতবৰ্ষ শক্তিশালী হ'ব। আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গোটেই বিশ্বতে এক সন্মানজনক স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কংগ্ৰেছ দলক আক্ৰমণৰ লক্ষ্য কৰি পুনৰ কয়— আপোনালোকে যদি লক্ষ্য কৰে দেখা পাব যে কংগ্ৰেছৰ শাসনকালত আমাৰ অঞ্চলসমূহ কেনেকুৱা আছিল আৰু আজি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বত মিত্ৰজোঁটৰ চৰকাৰে আজি গোটেই অসমতে কিমান উন্নয়ন কৰিবলৈ সক্ষম হৈছে। কংগ্ৰেছৰ দিনত অসমৰ গাঁৱে-ভূঞে চহৰে-নগৰে ৱাৰ্ডে ৱাৰ্ডে কি অৱস্থাত আছিল আৰু আজি ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বৰ চৰকাৰ চলি থকাত আজি এই অঞ্চলসমূহৰ কিমান পৰিৱৰ্তন সম্ভৱ হৈছে। আমাৰ প্ৰতিজন কাৰ্যকৰ্তাই এই কথাবিলাক প্ৰতিগৰাকী ভোটাৰক ঘৰে ঘৰে গৈ ক'ব লাগিব আৰু আমাৰ উন্নয়নৰ প্ৰতিচ্ছবিখন দাঙি ধৰিব লাগিব। যিখন অসম বা উত্তৰ-পূৰ্বাঞ্চলক এটা সময়ত অশান্ত অঞ্চল হিচাপে গণ্য কৰা হৈছিল সেই অসম বা উত্তৰ-পূৰ্বাঞ্চলত আজি শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে আৰু ইয়াৰ ফলতে আজি প্ৰগতি সম্ভৱপৰ হৈছে। আমি অসমীয়া জাতিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব লাগিব। কংগ্ৰেছৰ কাৰ্যকালৰ দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিষয়ে আমি বিজেপি কাৰ্যকৰ্তাসকলে মানুহক মনত পেলাই দিব লাগিব। কংগ্ৰেছে অবৈধ বাংলাদেশীক আমাৰ ইয়াত ৰক্ষণাবেক্ষণ দিবৰ বাবে আই এম ডি টি আইন আনিছিল। গতিকে সেই কংগ্ৰেছক কোনোকাৰণতে ক্ষমা কৰা নহ'ব। আপোনালোকে কষ্ট কৰাৰ বাবে মই ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ হিচাপে নিৰ্বাচিত হ'বলৈ সক্ষম হৈছোঁ। ঠিক তেনেদৰে আমাৰ বিধায়কসকল নিৰ্বাচিত হ'বলৈ সক্ষম হৈছে। আজি ভাৰতীয় জনতা পাৰ্টী যদি তৃণমূল পৰ্যায়ৰ পৰা শক্তিশালী হৈছে, সেয়া সম্ভৱ হৈছে বুথ কমিটী আৰু পৃষ্ঠাপ্ৰমুখসকলৰ অশেষ কষ্ট আৰু ত্যাগৰ বাবে। আগন্তুক বিধানসভা নিৰ্বাচনত আমি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত প্ৰতিটো বিধানসভা সমষ্টিতে আগতকৈও অভিলেখসংখ্যক ভোটদান কৰি অসম বিধানসভালৈ নিৰ্বাচিত কৰি পঠিয়াম। ইফালে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই কংগ্ৰেছক সমালোচনা কৰি কয়— কংগ্ৰেছে ৫৫ বছৰে অন্যায় কৰিলে। দুৰ্নীতি-ভ্ৰষ্টাচাৰ অসমে পাহৰি নাযায়। ৮৫৫জন খিলঞ্জীয়াক গুলীয়াই হত্যা কৰিলে। উজনি অসম সম্পদেৰে ভৰপূৰ। সেই সম্পদক লুণ্ঠনৰ হাথিয়াৰ হিচাপে ব্যৱহাৰ কৰিছিল কংগ্ৰেছ চৰকাৰে। ২০১৬ৰ আগৰ অসম আৰু পাছৰ অসমখনৰ কথা তুলনা কৰক। আমাৰ বাবে দেশ প্ৰথম। মাতৃভূমিৰ স্বাৰ্থৰ বিপৰীতে কোনো কাম অতীততো কৰা নাই, ভৱিষ্যততো নকৰোঁ। বিজেপিক আমি নিজৰ তেজেৰে গঢ় দিছোঁ। বিজেপি একমাত্ৰ শাসনৰ মাধ্যম নহয়। জনগণৰ সেৱাৰ মাধ্যম বিজেপি। ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চতুৰ্দিশে আগবাঢ়িছে। উজনিৰ প্ৰতিটো সমষ্টিত এনডিএ প্ৰাৰ্থীক বিজয়ী কৰোৱাৰ সংকল্প ল'ব লাগিব। ইফালে, ৰাজ্যিক বিজেপিৰ প্ৰভাৰী হৰিশ দ্বিবেদীয়ে দেশৰ ভিতৰতে প্ৰথমখন পৃষ্ঠাপ্ৰমুখ সন্মিলন ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা বুলি উল্লেখ কৰি কয়— অসমৰ দহ বছৰীয়া কাৰ্যকালত অসমৰ ৰাইজৰ বাবে যুগুত কৰা আঁচনিয়ে উপকৃত কৰিছে। ২০১৬ৰ আগত কংগ্ৰেছ চৰকাৰে অসমৰ বিকাশৰ বাবে কোনো আঁচনি নল'লে। আগন্তুক দিনত ভাৰতবৰ্ষৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য হ'ব অসম। পুনৰ তৃতীয়বাৰৰ বাবে অসমত বিজেপি চৰকাৰ হ'ব।



**জৰুৰী ফোন নম্বৰ**

| | |
|---|---|
| আৰক্ষী | ঃ ১০০ |
| অগ্নি নিৰ্বাপণ | ঃ ১০১ |
| এম্বুলেন্স | ঃ ১০২ |
| মৃত্যুঞ্জয় | ঃ ১০৮ |
| চাইবাৰ | ঃ ১৯৩০ |

**পদোন্নতি-নিযুক্তি-পেন্সন-বকেয়া ধনকে ধৰি ন্যায্য প্ৰাপ্তিৰপৰা বঞ্চিত হোৱাৰ অভিযোগ**

# নিৰ্বাচনত ২০ হাজাৰ হৰিজনৰ উচিত প্ৰত্যুত্তৰৰ হুংকাৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** গুৱাহাটী পৌৰ নিগমত অনুসূচিত জাতিৰ অন্তৰ্গত হৰিজন সম্প্ৰদায়ৰ লোকসকলক দীৰ্ঘদিন ধৰি বঞ্চিত কৰি অহাৰ বিৰুদ্ধে পুনৰ সৰৱ হৈছে সদৌ অসম হৰিজন মজদুৰ ইউনিয়ন। বিশেষকৈ হৰিজন সম্প্ৰদায়ৰ যুৱক-যুৱতীক নিযুক্তি, পদোন্নতি, পেন্সন, বকেয়া ধন, অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক অন্যান্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে হৰিজন মজদুৰ ইউনিয়নে। এই সন্দৰ্ভত সংগঠনটোৱে বাৰে বাৰে জি এম চিৰ মেয়ৰ, আয়ুক্তৰ লগতে মুখ্যমন্ত্ৰীকো স্মাৰক-পত্ৰযোগে অৱগত কৰাৰ পাছতো কোনোধৰণৰ গুৰুত্ব দিয়া নাই বুলি সংগঠনটোৰ নেতৃবৰ্গই জানিবলৈ দিয়ে। হৰিজন সম্প্ৰদায়ৰ লোকসকলক পৰিকল্পিতভাৱে বঞ্চিত কৰি অহাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ ব্যক্ত কৰি আজি সংবাদ মাধ্যমৰ আগত ইউনিয়নৰ সাধাৰণ সম্পাদক দীননাথ বাচফৰে কয়— 'গুৱাহাটী পৌৰ নিগমত ২০১৪ চনৰ পৰাই ষড়যন্ত্ৰমূলকভাৱে হৰিজন সম্প্ৰদায়ৰ লোকক বঞ্চিত কৰাৰ প্ৰক্ৰিয়া চলি আছে। পৌৰ নিগমত সময়ে সময়ে চাফাই কামত নিযুক্তি দি থকা হৈছে যদিও এই নিযুক্তি প্ৰতিবাৰে হৰিজন যুৱক-যুৱতী বঞ্চিত হ'বলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক। যোৱা প্ৰায় ১৩ বছৰত পৌৰ নিগমত প্ৰায় ১,৫০০ চাফাই কৰ্মীক নিযুক্তি দিয়া হৈছে। কিন্তু মাত্ৰ দুই-চাৰিজনৰ বাহিৰে বাকীবোৰ হৰিজন সম্প্ৰদায়ৰ বাহিৰৰ লোক। ইয়াৰ লগতে পৌৰ নিগমৰ অৱসৰপ্ৰাপ্ত হৰিজন সম্প্ৰদায়ৰ কৰ্মচাৰীৰ সমস্যা সন্দৰ্ভত ইউনিয়নৰ সাধাৰণ সম্পাদকগৰাকীয়ে কয় যে হৰিজন কৰ্মচাৰীৰ বাহিৰে অন্যান্য কৰ্মচাৰীক অৱসৰ পোৱাৰ ছমাহৰ ভিতৰতে সকলো প্ৰাপ্য আদায় দিয়া হয়। কিন্তু হৰিজন সম্প্ৰদায়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ ফাইল বছৰৰ পাছত বছৰ ধৰি টেবুলত পেলাই ৰাখে। ২০০৩ চনতে অৱসৰ পোৱা বহুকেইজন হৰিজন কৰ্মচাৰীয়ে আজি পৰ্যন্ত বকেয়া ধন লাভ কৰা নাই। ইয়াৰ লগতে হৰিজন সম্প্ৰদায়ৰ কেইবাজনো স্থায়ী চাফাই কৰ্মীয়ে জি এম চিত বিগত ১৫-২০ বছৰ ধৰি পৰ্যবেক্ষক হিচাপে কাম কৰি আছে। কিন্তু হৰিজন সম্প্ৰদায়ৰ এই কৰ্মচাৰীকেইজনক পদোন্নতিৰ পৰা সম্পূৰ্ণভাৱে বঞ্চিত কৰি ৰাখিছে। ইয়াৰ পৰিৱৰ্তে জি এম চিত নতুনকৈ ঠিকাভিত্তিক নিযুক্তি লাভ কৰা হৰিজন সম্প্ৰদায়ৰ বাহিৰৰ কৰ্মীক পদোন্নতি দি থকা দেখা গৈছে বুলি বাচফৰে ক্ষোভ ব্যক্ত কৰে। ইফালে গুৱাহাটীত বাস কৰা হৰিজন সম্প্ৰদায়ৰ লোকসকলক উচ্ছেদ চলাবলৈ গভীৰ ষড়যন্ত্ৰ চলাইছে বুলি উল্লেখ কৰি দীননাথ বাচফৰে কয়— 'গুৱাহাটীত মুঠ ২৭টা হৰিজন কলনী আছে। এই কলনীসমূহত ২০ হেজাৰৰো অধিক লোকে বছৰ বছৰ ধৰি বাস কৰি আছে। কিছু তেওঁলোকক কলনীৰ মাটি স্থায়ীভাৱে দিয়াৰ পৰিৱৰ্তে উচ্ছেদ কৰাৰ ব্লুপ্ৰিণ্ট ৰচনা কৰা হৈছে। পল্টন বজাৰ পুলিচ ৰিজাৰ্ভ হৰিজন কলনীত ২০২৪ চনত উচ্ছেদ চলাইছিল। ইফালে বেলতলাত ২০১৭ চনত হৰিজন বাসস্থানৰ বাবে চক্ৰ বিষয়াই তিনি বিঘা মাটি দিয়াৰ প্ৰস্তাৱ দিছিল। কিন্তু আজিলৈকে সেয়া কাৰ্যকৰী নকৰিলে। চলাপাৰ, ভঙাগড়, ফটাশিল, উজান বজাৰ, আমবাৰী আদিত থকা হৰিজন কলনীৰ বাসিন্দাসকল উচ্ছেদ হোৱাৰ আশংকাত আতংকিত হৈ পৰিছে। চৰকাৰক হৰিজনবিদ্বেষী মনোভাব ত্যাগ কৰিবলৈ মজদুৰ ইউনিয়নৰ নেতৃবৰ্গই সকীয়াই দিয়ে। অন্যথা আগন্তুক বিধানসভা নিৰ্বাচনত গুৱাহাটীৰ ২০ হেজাৰ হৰিজন লোকে বিজেপিক উচিত প্ৰত্যুত্তৰ দিবলৈ বাধ্য হ'ব বুলি স্পষ্টভাৱে উল্লেখ কৰে ইউনিয়নৰ সাধাৰণ সম্পাদক দীননাথ বাচফৰে।

## খানাপাৰাত গৰুভৰ্তি বাহন জব্দ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাজেৰে অব্যাহত আছে গৰুৰ চোৰাং বেহা। এনে চোৰাং গৰুভৰ্তি বাহন এখন আজি জব্দ কৰে দিছপুৰ আৰক্ষীয়ে। জানিব পৰা মতে জালুকবাৰীৰ পৰা যোৱাবাট অভিমুখী এ এছ-১৩এচি-৫০৬৬ নম্বৰৰ বাহনখন খানাপাৰা উৰণসেতুৰ সমীপত ৰাখি থোৱা অৱস্থাত ঘটনাস্থলীত দিছপুৰ আৰক্ষী উপস্থিত হৈ ৯টা গৰুসহ বাহনখন জব্দ কৰে। ইতিমধ্যে আৰক্ষী অহাৰ উমান পাই বাহনৰ চালকসহ বাহনখনত থকা গৰু সৰবৰাহকাৰী দলটোৱে পলায়ন কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে বৰ্তমান তদন্ত অব্যাহত ৰাখিছে।

## লাখটকীয়াত জি এছ টিৰ অভিযান

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** কৰ ফাঁকি দিয়াৰ অভিযোগত মহানগৰীৰ লাখটকীয়াৰ জ্যোতি ইলেক্ট্ৰিকেলত আজি জি এছ টি বিভাগে অভিযান চলায়। জানিব পৰা মতে ব্যৱসায়িক প্ৰতিষ্ঠানখনৰ স্বত্বাধিকাৰী সুশীল কুমাৰ শেঠিয়াই দীৰ্ঘদিনৰ পৰা কেইবা কোটি টকাৰ কৰ ফাঁকি দিছিল। ফলত বিভাগীয় দলটোৱে আজি ব্যৱসায় প্ৰতিষ্ঠানটোত অভিযান চলাই বহুতো আপত্তিজনক নথি-পত্ৰ জব্দ কৰে।



## দিব্যাংগ শিশু-ব্যক্তিসকলৰ নৃত্য-গীত-নাট কৰ্মশালা আৰম্ভ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু দিব্যাংগ নাট্য বিদ্যালয়ৰ সহযোগত দিব্যাংগসকলৰ বাবে ২০দিনীয়া কৰ্মশালাৰ আজি নামপাৰাৰ শিশু সত্ৰত আৰম্ভণি কৰা হয়। শিশু সত্ৰত ৭দিনীয়াকৈ হ'বলগীয়া এই কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ কামৰূপ গ্ৰাম্য জিলাৰ বকো সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া অনুজ বৰুৱা, ৰামদিয়া পশ্চিম বংশৰ বিকলাংগ সন্থাৰ সভাপতি বকুল দাস, শিশু সত্ৰৰ সম্পাদক বিষ্ণুপ্ৰসাদ পাঠকৰ লগতে দিব্যাংগ নাট্য বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদকে প্ৰমুখ্য কৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি। উল্লেখযোগ্য যে দিব্যাংগ নাট্য বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ৰাজীৱ কুমাৰ সাউদৰ তত্ত্বাৱধানত অনুষ্ঠিত এই ২০দিনীয়া কৰ্মশালাত নৃত্য, গীত আৰু নাট প্ৰশিক্ষণত নাটকৰ প্ৰশিক্ষণ প্ৰদান কৰিব প্ৰণৱ ৰাজখোৱা, কুলদীপ তালুকদাৰ আৰু ভাস্বতী বৰাই। নৃত্য প্ৰশিক্ষণ প্ৰদান কৰিব মৃদুলা কলিতা আৰু ভাস্বতী বৰাই আৰু সংগীতৰ প্ৰশিক্ষণ প্ৰদান কৰিব পূৰ্বালী শৰ্মাই। শিশু সত্ৰত অনুষ্ঠিত ৭দিনীয়া কৰ্মশালাৰ ব্যৱস্থাপনাৰ দায়িত্বত আছে বকুল দাস আৰু মৃন্ময় ৰাজবংশী। আনহাতে গুৱাহাটৰ দিব্যাংগ নাট্য বিদ্যালয়ত ১৫দিনীয়া কৰ্মশালৰ ব্যৱস্থাপনাৰ দায়িত্বত আছে দিব্যাংগ নাট্য বিদ্যালয়ৰ পৰিচালনা সমিতি। কামৰূপ গ্ৰাম্য জিলাৰ বকো সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া অনুজ বৰুৱাই বস্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত দিব্যাংগ শিশু-ব্যক্তিসকলে গীত-নৃত্য, অভিনয় পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে।



*মহানগৰীৰ সোণাইঘুলিত মিচিং সম্প্ৰদায়ে পালন কৰা আলি-আয়ে-লৃগাংঙৰ এটা দৃশ্য।*

**বিধানসভাৰ নিৰ্বাচন**

## বিধি উলংঘনৰ তথ্য দিবলৈ নম্বৰ মুকলি

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াই নিৰ্বাচনী বিধি উলংঘাকাৰী বা আপত্তিজনক বাৰ্তা/নিৰ্বাচনী আইন উলংঘন সংক্ৰান্তীয় তথ্য প্ৰদান কৰিবলৈ আজি যোগাযোগ নম্বৰ মুকলি কৰে। কোনো ব্যক্তি বা সংগঠনে সামাজিক মাধ্যম এছ এম এছ, ৱাট্‌ছএপ বা অন্য কোনো ডিজিটেল মাধ্যম ব্যৱহাৰ কৰি নিৰ্বাচনী বিধি আপত্তিজনক বাৰ্তা বা নিৰ্বাচনী আইন উলংঘা কৰিলে ৯৭০৬৯-৪৪৪৫১ত অভিযোগ দাখিল কৰিব পাৰিব বুলি কয়। উক্ত নম্বৰত কোনো ব্যক্তি বা সংগঠনে যদি কোনো আপত্তিজনক বাৰ্তা, ভিডিঅ', ছবি বা বাৰ্তা লাভ কৰে, তেন্তে সেয়া উক্ত নম্বৰলৈ আগবঢ়াব পাৰে।

## মহাবিষ্ণু যজ্ঞ উপলক্ষে প্ৰতিযোগিতা

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** পাণবজাৰৰ শুক্ৰেশ্বৰস্থিত শ্ৰীশ্ৰী জনাৰ্দন দেৱালয়ত তিনিদিনীয়া কাৰ্যসূচীৰে ২৮, ২৯ আৰু ৩০ মাৰ্চত শ্ৰীশ্ৰী মহাবিষ্ণু যজ্ঞ অনুষ্ঠিত হ'ব। এই উপলক্ষে এলানি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ২৮ মাৰ্চৰ পুৱা ১০ বজাৰ পৰা বালিচন্দা সংঘৰ কামৰূপী লোকগীত (একক) প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত 'উৰুলি দিয়া' আৰু শংখ বজোৱা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৯ মাৰ্চৰ পুৱা ১০ বজাৰ পৰা মহিলাৰ গোসাঁই নাম প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। উক্ত প্ৰতিযোগিতাত যোগদানৰ শেষ তাৰিখ ২০ মাৰ্চ ধাৰ্য কৰা হৈছে। যোগাযোগৰ ঠিকনা— শ্ৰীকৰুণাধৰ শৰ্মা, শুক্ৰেশ্বৰ, গুৱাহাটী-১, দূৰভাষ ঃ ১৯৫৪০-১০৪৪৫। উল্লেখযোগ্য যে ২৮ মাৰ্চৰ সন্ধিয়া যজ্ঞৰ অধিবাস আৰু বন্তি প্ৰজ্বলন, ২৯ মাৰ্চৰ পুৱা সূৰ্যৰ পৰা অগ্নি আহৰণ, ধ্বজা উত্তোলন, যজ্ঞৰ আহুতি আৰম্ভ হ'ব। আবেলি ৩ বজাত ধৰ্মালোচনা সভা, বঁটা বিতৰণ, সম্বৰ্দ্ধনা অনুষ্ঠান আৰু ৩০ মাৰ্চত দিনৰ ১ বজাত পূৰ্ণাহুতি হ'ব।

## এ পি এছ চিত নৱম স্থানত উত্তীৰ্ণ গুৱাহাটীৰ নিকি বৰ্মন



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অসামৰিক সেৱাত নৱম স্থানত উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে কামৰূপ মহানগৰ জিলাৰ বশিষ্ঠ স্বৰ্গপুৰ অঞ্চলৰ নিকি বৰ্মনে। স্বাস্থ্য বিভাগৰ কৰ্মচাৰী গোলক বৰ্মন আৰু নীতা বৰ্মনৰ কন্যা নিকি বৰ্মনে গুৱাহাটী সুদৰ্শন পাব্লিক স্কুলৰ পৰা ৮৭ শতাংশ নম্বৰেৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয়। মহৰ্ষি বিদ্যা মন্দিৰৰ পৰাও উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। কিন্তু কোনোধৰণৰ টিউচন বা কোচিং চেণ্টাৰৰ সহায় নোলোৱাকৈ ঘৰতে অধ্যয়ন কৰি অসম লোকসেৱা আয়োগৰ অসামৰিক পৰীক্ষাত নৱম স্থান দখল কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।



## এ পি এছ চিত উজলিল ৰিংকিমণি দাস

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উজলি উঠিবলৈ সক্ষম হৈছে আমিনগাঁৱৰ সুসন্তান ৰিংকিমণি দাস। আমিনগাঁৱৰ উপৰবড়ি নিবাসী তথা সেনা বিভাগৰ কৰ্মচাৰী সঞ্জয় দাস আৰু ববিতা দাসৰ জ্যেষ্ঠ কন্যা ৰিংকিমণি দাসৰ সফলতাক লৈ বৰ্তমান আমিনগাঁৱত আনন্দৰ লহৰ উঠিছে। বুধবাৰে পুৱাৰে পৰা আমিনগাঁও উপৰবড়িৰ সঞ্জয় দাসৰ বাসগৃহলৈ আগমন হৈছে অগণন শুভাকাংক্ষী লোকৰ। উল্লেখ্য, এন আই টি দুৰ্গাপুৰৰ পৰা মেকানিকেল ইঞ্জিনিয়াৰিঙত ডিষ্টিংচনসহ স্নাতক ডিগ্ৰী লাভ কৰা ৰিংকিমণি দাসে অসম চৰকাৰৰ লিগেল মেট্ৰ'লজিকেল বিভাগত এইবেলি পৰিদৰ্শক হিচাপেও নিযুক্তি লাভ কৰিছিল।

## আজাৰা ৰঙালী বিহু সন্মিলনীৰ কাৰ্যালয় উদ্বোধন



**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** আজাৰা ৰঙালী বিহু সন্মিলনীৰ অস্থায়ী কাৰ্যালয়টো কালি সন্ধিয়া সন্মিলনীৰ সভাপতি ঘনশ্যাম বৰুৱাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। কাৰ্যালয় উদ্বোধনৰ পাছতে বন্তি প্ৰজ্বলন কৰে সন্মিলনীৰ মূল পতাকা উত্তোলক সৰ্বেশ্বৰ দাস, মুখ্য উপদেষ্টা নীৰেন বৰুৱা আৰু উপদেষ্টা ৰঞ্জন জখৰীয়াই। কাৰ্যালয় উদ্বোধন উপলক্ষে আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে সন্মিলনীৰ অন্যতম সম্পাদক সুনীল কুমাৰ বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰি আগন্তুক ৰঙালী বিহু ৰাইজৰ সহযোগত পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি উদ্‌যাপন কৰাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰে। কাৰ্যালয়টো উদ্বোধন কৰি সভাপতি ঘনশ্যাম বৰুৱাই আজাৰা ৰঙালী বিহু সন্মিলনীৰ সুকীয়া মৰ্যাদা আছে বুলি উল্লেখ কৰি পূৰ্বৰ মৰ্যাদা অক্ষুণ্ণ ৰাখিবলৈ সকলোৰে সহযোগিতা কামনা কৰে। উদ্বোধনী অনুষ্ঠানত সন্মিলনীৰ মুখ্য উপদেষ্টা নীৰেন বৰুৱা, মূল পতাকা উত্তোলক সৰ্বেশ্বৰ দাসে চমু বক্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে পূৰ্বৰ দৰে এইবেলিও আজাৰা ৰঙালী বিহু সন্মিলনীৰ উদ্যোগত ১৪ এপ্ৰিলৰ পৰা ১৮ এপ্ৰিললৈ পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আজাৰা ৰাজহুৱা সভাঘৰ প্ৰাংগণত ৰঙালী বিহু উদ্‌যাপনৰ আয়োজন কৰা হৈছে।

## নাৰেংগীত চিচি টিভিত বন্দী চুৰি কাৰ্য

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** স্মাৰ্ট আৰক্ষীৰ নিৰাপত্তাৰ ফোঁপোলা স্বৰূপ উদঙাই দি মহানগৰীৰ নাৰেংগীৰ কেন্দুগুৰি অঞ্চলত দিনৰ ভাগতে চুৰিকাণ্ড সংঘটিত হয়। যোৱা ১৪ ফেব্ৰুৱাৰীত নাৰেংগীৰ দুই নং কেন্দুগুৰি, শ্মশানবস্তিৰ প্ৰদীপ বাৰ্মা নামৰ লোকজনৰ ঘৰত সংঘটিত হয় চুৰিকাণ্ড। ঘৰত কোনো নথকাৰ সুযোগ লৈ চোৰে দিন-দুপৰতে প্ৰদীপ বাৰ্মাৰ বাসগৃহটোৰ পিছফালৰ দুৱাৰ ভাঙি প্ৰৱেশ কৰি লুটি লৈ যায় সোণৰ চাৰিডাল চেইন, এযোৰ কাণফুলি, এটা আঙঠি, ভগা সোণৰ টোপোলা, নগদ ধনৰ টোপোলা আৰু বহু মূল্যৱান সা-সামগ্ৰী। লক্ষণীয়ভাৱে চোৰে চুৰি কৰা দৃশ্য আবদ্ধ হৈছিল বাসগৃহটোৰ সন্মুখত থকা চিচি কেমেৰাত। নাৰেংগী কলেজৰ উচ্চবৰ্গৰ সহায়ক প্ৰদীপ বাৰ্মা চাকৰি সূত্ৰে সিদিনাখন কলেজত থকাৰ সময়তে এই চুৰিৰ ঘটনা সংঘটিত হয়। ইপিনে চুৰিৰ ঘটনা সন্দৰ্ভত নুনমাটি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈকে চোৰৰ কোনো শুংসূত্ৰ লাভ কৰিবলৈ সক্ষম হোৱা নাই।

## উত্তৰ-পূবত সম্প্ৰসাৰণ মণিপালচিগ্না হেল্‌থ ইন্সুৰেঞ্চৰ

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ অন্যতম আগশাৰীৰ স্বাস্থ্য বীমা প্ৰতিষ্ঠান মণিপালচিগ্না হেল্‌থ ইন্সুৰেঞ্চে মণিপালচিগ্না সৰ্বা আঁচনিৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত স্বাস্থ্যসেৱাৰ প্ৰৱেশাধিকাৰ শক্তিশালী কৰি তুলিছে। যাক গৱেষণা প্ৰতিষ্ঠান নীলচেন আইকিউৰ দ্বাৰা কৰা এক উপভোক্তা জৰীপৰ পাছত '২০২৫ বৰ্ষৰ সামগ্ৰী-স্বাস্থ্য বীমা' হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ পৰিয়ালসমূহৰ চিকিৎসাৰ প্ৰয়োজনীয়তা অনুসৰি স্বাস্থ্য বীমাক সহজ আৰু অধিক সুগম কৰি তুলিবলৈ সৰ্বাক ডিজাইন কৰা হৈছে। স্বাস্থ্যসেৱা বিত্তীয় সমাধান বিচৰা গ্ৰাহকসকলক সহায় কৰিবলৈ প্ৰতিষ্ঠানটোৱে স্থানীয় বিতৰণ আৰু সেৱাৰ উপস্থিতি সম্প্ৰসাৰণ কৰি তুলিছে। এই সম্প্ৰসাৰণৰ বাবে মণিপালচিগ্নাই উত্তৰ-পূৰ্বাঞ্চলৰ মুখ্য চহৰসমূহত শাখা আঠটালৈ বৃদ্ধি কৰিছে আৰু অহা তিনি বছৰৰ ভিতৰত ১০,০০০ পৰামৰ্শদাতাক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য লৈছে। গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত মণিপালচিগ্না হেল্‌থ ইন্সুৰেন্সৰ মুখ্য বিপণন বিষয়া স্বপ্না দেশায়ে কয়, 'মণিপালচিগ্না সমগ্ৰ উত্তৰ-পূবৰ পৰিয়ালসমূহৰ বাবে মানসম্পন্ন স্বাস্থ্যসেৱা সুলভ, অন্তৰ্ভুক্তিমূলক আৰু সুলভ কৰি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈ আছে।। ফুটবল কিংবদন্তি বাইচুং ভূটীয়াৰ সৈতে আমাৰ সহযোগিতাই স্থানীয় সম্পৰ্ক গভীৰ কৰে আৰু স্বাস্থ্য, সুস্থতা আৰু বিত্তীয় সুৰক্ষাৰ বিষয়ে অৰ্থপূৰ্ণ কথোপকথনক সমৰ্থন কৰে।'




## জিতু দত্তক 'জীৱনজোৰা সাধনা বঁটা'



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** শিশু সুৰক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱিহণাৰ বাবে শিশু সুৰক্ষা কৰ্মী জিতু দত্তলৈ আগবঢ়োৱা হৈছে 'জীৱনজোৰা সাধনা বঁটা'। সদৌ অসম পৰ্যটন ছাত্ৰ সন্থাৰ অষ্টম বাৰ্ষিক অধিৱেশন আৰু প্ৰতিষ্ঠা দিৱস উপলক্ষে লোক নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰত আয়োজিত অনুষ্ঠানত তেওঁক এই বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোচা, চেলেং চাদৰ, জাপি, স্মাৰক, মানপত্ৰ। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধায়ক পৰমানন্দ ৰাজবংশী, পদ্মশ্ৰী বঁটাপ্ৰাপক নুৰুদ্দিন আহমেদ, অল অসম হস্পিটেলিটী ৱেলফেয়াৰ এছ'চিয়েচনৰ সাধাৰণ সম্পাদক শৈলেন দাস, ট্যুৰ অপাৰেটৰ্ছ এছ'চিয়েটন অৱ্ অসমৰ সভাপতি মুকুল মেধিকে ধৰি বহু গণ্যমান্য ব্যক্তি। অনুষ্ঠানটোত আন কেইবাগৰাকী ব্যক্তিলৈ বিভিন্ন শিতানত বঁটা আগবঢ়োৱা হয়।

## আজিৰেপৰা কামৰূপত ভিভি পেট মেচিনৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**উত্তৰ গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক ২০২৬ বৰ্ষৰ অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে অতিৰিক্ত বেলট ইউনিট, কণ্ট্ৰ'ল ইউনিট আৰু ভিভিপেটৰ প্ৰথম পৰ্যায়ৰ পৰীক্ষণ কামৰূপ জিলাত কাইলৈৰ পৰা ২১ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। এই পৰীক্ষণ কাৰ্যসূচী প্ৰতিদিনে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয় চৌহদত অৱস্থিত ইভিএম গুদামঘৰত অনুষ্ঠিত হ'ব। অতিৰিক্ত বেলট ইউনিট, কণ্ট্ৰ'ল ইউনিট আৰু ভিভিপেট মেচিনসমূহৰ এই পৰীক্ষণ প্ৰক্ৰিয়াত ভাৰতীয় ইলেক্ট্ৰনিক্স নিগম লিমিটেডৰ ১০জন অভিযন্তা উপস্থিত থাকিব। এই পৰীক্ষণ প্ৰক্ৰিয়াত স্বীকৃতিপ্ৰাপ্ত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ সক্ৰিয় সহযোগিতা তথা উপস্থিতি কামৰূপৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়াই কামনা কৰিছে।

## দিছপুৰ আৰক্ষীৰ জালত কুখ্যাত চিলনী চোৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** দিছপুৰ আৰক্ষীয়ে আজি পাণবজাৰৰ পৰা গ্ৰেপ্তাৰ কৰে এটা কুখ্যাত চিলনী চোৰক। ধৃত চোৰটো ৰাজু আলী বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। জানিব পৰা মতে ৰাজু আলীয়ে গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ পৰা মহিলা-যুৱতীৰ ডিঙিৰ চেইন থপিয়াই নিছিল। তদুপৰি যুৱতী-মহিলাৰ পৰা থপিয়াই নিয়া সোণ-ৰূপৰ সামগ্ৰীসমূহ মুকালমুৱাত লুকুৱাই ৰাখিছিল ৰাজুৱে। ৰাজুৰ স্বীকাৰোক্তিৰ ভিত্তিত দিছপুৰ আৰক্ষীয়ে জালুকবাৰী আৰক্ষীৰ সহযোগত মুকালমুৱাত এক অভিযান চলায়। অভিযানত আৰক্ষীয়ে ৩২.৯০ গ্ৰাম সোণৰ অলংকাৰ আৰু ৰূপৰ অলংকাৰৰ লগতে নগদ ২ লাখ ৭৪ হাজাৰ ৫০০ টকা, দুটা মোবাইল ফোন, এ এছ-০১জিডি-৯৫৪৬ নম্বৰৰ এখন বাইক জব্দ কৰে। এই ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে লগতে মইনুল হক আৰু জোনমণি নাথ নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। ঘটনা সন্দৰ্ভত দিছপুৰ থানাত গোচৰ ৰুজু কৰি বৰ্তমান তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।



## গোপাল জালানলৈ 'স্বাৱলম্বী জীৱন' বঁটা



**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** স্বেচ্ছাসেৱী সংস্থা 'স্বাৱলম্বী জীৱন'ৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ২২ ফেব্ৰুৱাৰীত এক সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ব্যৱসায়েৰে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰা গোপাল জালানক 'স্বাৱলম্বী অসম-২০২৬' বঁটা প্ৰদান কৰা হ'ব। ২২ ফেব্ৰুৱাৰীত দিছপুৰৰ লাষ্টগেটত থকা দিছপুৰ প্ৰেছ ক্লাবত বঁটা প্ৰদান কৰা হ'ব। বঁটা প্ৰদান অনুষ্ঠানত বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ডঃ দয়ানন্দ পাঠক, বিশিষ্ট চিকিৎসক, শিল্পী ডাঃ অঞ্জনজ্যোতি চৌধুৰী, গল্পকাৰ সদানন্দ গগৈকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সেইদিনা দিনৰ ১১ বজাত অনুষ্ঠিত হ'বলগীয়া বঁটা প্ৰদান অনুষ্ঠানত এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰা হ'ব।

## আত্মবিশ্বাসেই সফলতাৰ প্ৰথম পদক্ষেপ ঃ ননী গোপাল মহন্ত

**দৈনিক অসমৰ প্ৰতিনিধি**

**জালুকবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত ২০২৪ বৰ্ষৰ অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিদ্বন্দ্বিতামূলক পৰীক্ষাৰ বাবে পদক্ষেপৰ উদ্যোগত আয়োজন কৰা বিনামূলীয়া বিশেষ অনুশীলনী অনুষ্ঠানত অংশ লোৱা তেৰগৰাকী প্ৰাৰ্থীয়ে স্থান লাভ কৰি সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীৰ তত্ত্বাৱধানত অনুষ্ঠিত বিশেষ অনুশীলনী কাৰ্যসূচীৰ জৰিয়তে অনিন্দিতা দাস, ৰিংকিৰাণী দাস, অন্তৰীক্ষা শৰ্মা, মিন্টু নাথ, গিৰীশ পাটোডিয়া, বিজিত দাস, হিমাক্ষী বৰুৱা, ভাস্কৰজ্যোতি হাজৰিকা, নাছৰিন ছাবৰিনা ইছলাম, ভিক্টৰ তালুকদাৰ, অৰ্ণৱজ্যোতি শৰ্মা, জিতাশা দাস আৰু ৰাজীৱ কলিতাই সফলতা লাভ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মাই প্ৰাৰ্থীসকলক শুভেচ্ছা জ্ঞাপন কৰি কয়— 'এই প্ৰশিক্ষণ কাৰ্যসূচীটো কেৱল পৰীক্ষাকেন্দ্ৰিক নহয়, ই ছাত্ৰ-ছাত্ৰীসকলৰ আত্মবিশ্বাস আৰু দায়িত্ববোধ গঢ়ি তোলাৰ এক শক্তিশালী প্ৰয়াস। সদ্যঘোষিত পৰীক্ষাৰ ফলাফলত ১৩জন প্ৰাৰ্থীৰ সফলতাই ইয়াৰ সঠিক দিক্-নিৰ্দেশনা আৰু গুণগত প্ৰশিক্ষণৰ মূল্য স্পষ্ট কৰিছে। আগন্তুক দিনসমূহত গুৱাহাটী বিশ্ববিদ্যালয়ক এইক্ষেত্ৰত এক আদৰ্শ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দিশত আমি প্ৰতিশ্ৰুতিবদ্ধ।' আনহাতে প্ৰাক্-পৰীক্ষা প্ৰশিক্ষণ কেন্দ্ৰৰ উপ-সঞ্চালক ডঃ সঞ্জয় কুমাৰ দত্তই প্ৰাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰি কয়— সকলো দিশতে উপাচাৰ্য অধ্যাপক ননী গোপাল মহন্তৰ দিহা-পৰামৰ্শ আৰু অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভূষণ দেৱচৌধুৰীৰ তত্ত্বাৱধানৰ বাবে আমি তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমি আশাবাদী, অনাগত দিনতো একেদৰেই আমি শিক্ষাৰ্থী সমাজৰ বাবে বিভিন্ন পদক্ষেপ হাতত ল'বলৈ সক্ষম হ'ম। প্ৰাৰ্থীসকলৰ সফলতাত কাৰ্যক্ৰম সমন্বয়ক বিদ্যাৰ্থী মহন্ত সমন্বিতে বিশ্ববিদ্যালয় পৰিয়ালবৰ্গই সকলোকে অভিনন্দন জ্ঞাপন কৰি ভৱিষ্যতৰ বাবে শুভেচ্ছা জনায়।




# যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়ত মানসিক স্বাস্থ্য সন্দৰ্ভত আলোচনাচক্ৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**যোৰহাট, ১৮ ফেব্ৰুৱাৰী ঃ** 'সংগীতে মানুহৰ মানসিক তথা শাৰীৰিক অৱসাদ দূৰ কৰাৰ ক্ষেত্ৰত বিশেষ ভূমিকা অতীজৰ পৰাই গ্ৰহণ কৰি আহিছে। মানুহৰ শাৰীৰিক আৰু মানসিক চিন্তাই অতীজৰ পৰাই মানৱ জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাই আহিছে। আৰু এইক্ষেত্ৰত অতীজৰ পৰাই বিশ্বৰ ভিন্ন প্ৰান্তত গৱেষণা হৈ আহিছে। আৰু যুগৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিক চিন্তা বিভিন্ন কাৰণত বৃদ্ধি পাই আহিছে। এইত্ৰক্ষত্ৰত আমি নিজৰ মানসিক স্থিতিক অধিক শক্তিশালী কৰি আগুৱাই যাব লাগিব।'— এই মন্তব্য ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান, কানপুৰৰ মনোবিজ্ঞান বিভাগৰ অধ্যাপক ডঃ কুমাৰ ৰবি প্ৰিয়াৰ। কালি অসম কৃষি বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ মানৱ উন্নয়ন আৰু পৰিয়াল অধ্যয়ন বিভাগৰ উদ্যোগত মানসিক স্বাস্থ্যৰ লালন-পালন সন্দৰ্ভত এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি 'একবিংশ শতিকাত সমাজৰ মানসিক কল্যাণৰ বাবে এক প্ৰত্যাহ্বান' শীৰ্ষক এই আলোচনাচক্ৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অধ্যাপক ডঃ কুমাৰ ৰবি প্ৰিয়া। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ কল্যাণ সঞ্চালক ডঃ বিনয় কুমাৰ মেধিয়ে কয় যে বৰ্তমান যুগত আমি মানসিক স্বাস্থ্য, শাৰীৰিক স্বাস্থ্য আৰু চিন্তাৰ ওপৰত গুৰুত্ব দিব লাগিব। এই তিনি ধাৰা আমাৰ মানৱ জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ। অধ্যাপিকা ডঃ জিনামণি শইকীয়াই আদৰণী ভাষণ দি অনুষ্ঠানটোত অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষি বিজ্ঞান গুৰু ডঃ প্ৰসন্ন কুমাৰ পাঠক, ছাত্ৰ কল্যাণ সঞ্চালক ডঃ বিনয় কুমাৰ মেধি আৰু সামূহিক বিজ্ঞান মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিজ্ঞান গুৰু ডঃ নন্দিতা ভট্টাচাৰ্য, যোৰহাটৰ অতিৰিক্ত আয়ুক্ত পংকজ বৰা আৰু লয়া আগৰৱালাই বক্তব্য আগবঢ়ায়।

# ধ্বংসৰ গৰাহত হোলোঙাপাৰ গিবন অভয়াৰণ্য

## মৰিয়নি বন বিভাগৰ অৱহেলাৰ অভিযোগ

**দৈনিক অসমৰ প্ৰতিনিধি**

**নকছাৰি, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ অন্তৰ্গত মৰিয়নিৰ বন্যপ্ৰাণী অভয়াৰণ্য তথা জৈৱ-বৈচিত্ৰ্যৰ ভঁৰাল হোলোঙাপাৰ গিবন অভয়াৰণ্যত বৰ্তমান চলিছে অবাধ ধ্বংসযজ্ঞ। মৰিয়নি বন বিভাগৰ চৰম অৱহেলা আৰু দায়িত্বহীনতাৰ বাবেই এতিয়া সংকটাপন্ন হৈ পৰিছে এই সংৰক্ষিত বনাঞ্চলখন। অভিযোগ উঠিছে যে বন বিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ নাকৰ তলেদিয়েই অভয়াৰণ্যখনৰ মূল্যৱান সম্পদ লুটি নিছে একাংশ দুষ্কৃতিকাৰীয়ে। জানিব পৰা মতে, অভয়াৰণ্যখনৰ সমীপৱৰ্তী চাহ বাগিচাসমূহৰ প্ৰায় ৩০-৪০ জনীয়া পুৰুষ-মহিলাৰ এটা দলে প্ৰতিদিনে মুকলিকৈ অভয়াৰণ্যত প্ৰৱেশ কৰে আৰু অভয়াৰণ্যখনৰ মূল্যৱান গছ কাটি আনি খৰি হিচাপে বজাৰত বিক্ৰী কৰাৰ লগতে বন্যহস্তীৰ অন্যতম খাদ্য 'ঔটেঙা' বস্তাই বস্তাই সংগ্ৰহ কৰি মৰিয়নিৰ বজাৰত বিক্ৰী কৰি আহিছে। ফলত বনাঞ্চলৰ ভিতৰত বন্যপ্ৰাণীৰ খাদ্যৰ তীব্ৰ নাটনি ঘটিছে। আনফালে স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি, মৰিয়নি বন আঞ্চলিক বিষয়াক এই সন্দৰ্ভত বাৰম্বাৰ অৱগত কৰা হৈছে যদিও বন বিভাগৰ তৰফৰ পৰা কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নাই। তাৰ বিপৰীতে অভিযোগ উঠিছে, অবৈধ শিল আৰু বালি কঢ়িওৱা ডাম্পাৰৰ পৰা 'কমিছন' সংগ্ৰহ কৰাত ব্যস্ত থকাৰ বাবে বন বিভাগৰ হাতত অভয়াৰণ্যখন সুৰক্ষা দিবলৈ সময় নাই। যাৰ বাবে অভয়াৰণ্যৰ ভিতৰত চলি থকা এই ধ্বংসলীলাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে জনজীৱনত। বনাঞ্চলৰ ভিতৰত খাদ্যৰ অভাৱ হোৱাৰ পৰিপ্ৰেক্ষিতত বনৰীয়া জীৱ-জন্তুৱে জনাঞ্চলত প্ৰৱেশ কৰি চলাইছে ব্যাপক উপদ্ৰৱ। যাৰ ফলত এতিয়া আতংকত দিন কটাব লগা হৈছে স্থানীয় ৰাইজে। প্ৰকৃতিপ্ৰেমী সংগঠন আৰু স্থানীয় ৰাইজে এতিয়া প্ৰশ্ন উত্থাপন কৰিছে— এইদৰেই যদি বন বিভাগ নিমাত হৈ থাকে, তেন্তে ভৱিষ্যতে মানচিত্ৰৰ পৰা গিবন অভয়াৰণ্যৰ অস্তিত্ব নাইকিয়া হৈ নাযাবনে?

# বামুণপুখুৰী ত্ৰিশূল শিৱ মন্দিৰত শিৱৰাত্ৰি উদ্‌যাপন

## স্মাৰক গ্ৰন্থ শংখনাদ উন্মোচন

**দৈনিক অসমৰ বিশেষ প্ৰতিনিধি**

**টীয়ক, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ পূব প্ৰান্তৰ জাঁজী বামুণপুখুৰী বৰাগাঁৱত বৃহত্তৰ অঞ্চলটিৰ ৰাইজৰ আধ্যাত্মিক, সামাজিক কেন্দ্ৰ হিচাপে বিশ্বশান্তি, প্ৰগতি আৰু সমন্বয়ৰ উদ্দেশ্যে সুদীৰ্ঘ ২৫ বছৰৰ পূৰ্বে স্থাপিত ত্ৰিশূল শিৱ মন্দিৰত যোৱা ১৫ ফেব্ৰুৱাৰীৰ পৰা ১৭ ফেব্ৰুৱাৰীলৈ তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে ৰূপালী জয়ন্তী বৰ্ষৰ শিৱৰাত্ৰি উৎসৱ উদ্‌যাপন কৰে। এই উপলক্ষে প্ৰথমদিনা ১৫ ফেব্ৰুৱাৰীৰ পুৱা ধৰ্মধ্বজা উত্তোলন, জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ পিছতে অনুষ্ঠানটোৰ সীমান্ত বৰা সম্পাদিত স্মাৰক গ্ৰন্থ শংখনাদ উন্মোচন কৰে ডিমা হাছাওৰ মাহুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা অঞ্জলি বৰাই। দ্বিতীয় দিনা বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ লগতে সদৌ অসম ভিত্তিত মহিলা দিহা নাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত টীয়কৰ হৰিপ্ৰিয়া দিহা নামৰ দলে প্ৰথম আৰু আমগুৰিৰ বিষ্ণুপ্ৰিয়া দিহা নামৰ দলে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। তৃতীয় দিনা দিনৰ কাৰ্যসূচীৰ অন্তত সন্ধিয়া যোৰহাটৰ সন্মিলিত শিল্পী সমাজে পৰিৱেশন কৰে মহাপুৰুষীয়া নাট সাবিত্ৰী সত্যবান। তিনিওদিনৰ কাৰ্যসূচীসমূহ সফল কৰি তোলাৰ বাবে সমূহ ৰাইজক ধন্যবাদ জ্ঞাপন কৰিছে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি ৰেবানন্দ ভৰালীয়ে।

# ধেমাজিৰ পম্পী কলিতাৰ অসম অসামৰিক সেৱাৰ পৰীক্ষাত সফলতা



**দৈনিক অসমৰ প্ৰতিনিধি**

**ধেমাজি, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ধেমাজি জিলাৰ উত্তৰ ধেমাজিৰ বিষ্ণুপুৰ কলিতা গাঁৱৰ জয়ৰাম কলিতা আৰু মামণি কলিতাৰ কনিষ্ঠ কন্যা পম্পী কলিতাই অসম অসামৰিক সেৱা বিভাগৰ ৩২ সংখ্যক স্থান পাই বিষ্ণুপুৰ অঞ্চলৰ লগতে ধেমাজি জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ২০২২ বৰ্ষত জয়ৰাম কলিতাৰ মাজু জীয়ৰী হেমপ্ৰভা কলিতাই অসম অসামৰিক সেৱা বিষয়াত ৫২ সংখ্যক স্থান পাইছিল। বৰ্তমান তেওঁ নিউ গুৱাহাটী সমজিলা কামৰূপ মেট্ৰোৰ সহকাৰী আয়ুক্ত হিচাপে কৰ্মৰত হৈ আছে। দুগৰাকী জীয়ৰীৰ এনে সাফল্যত তেওঁলোক একোজন সফল অভিভাৱক তথা সমাজৰ বহু লোকৰ আদৰ্শস্বৰূপ হৈ পৰিছে। উল্লেখ্য যে পম্পী কলিতাই জৱাহৰ নৱোদয় বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত ২০২০ বৰ্ষত নৱোদয়ৰ ভিতৰত শীৰ্ষস্থান পাই দিল্লী বিশ্ববিদ্যালয়ৰ পৰা ভূগোল বিষয়ত ২০২৩ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত ঘৰতে থাকি তিনিবছৰীয়া প্ৰস্তুতিৰ অন্তত প্ৰথম প্ৰয়াসতে অসম লোকসেৱা আয়োগ পৰীক্ষাত উত্তীৰ্ণ হয়।

# দুলীয়াজান সমষ্টিৰ উন্নয়নত ব্যৰ্থ জনপ্ৰতিনিধি

## বিধ্বস্ত বাট-পথ

**দৈনিক অসমৰ প্ৰতিনিধি**

**টেঙাখাত, ১৮ ফেব্ৰুৱাৰী ঃ** দিছপুৰৰ পৱিত্ৰ সদনৰ কক্ষলৈ দুলীয়াজান সমষ্টিবাসীৰ উন্নয়নৰ সপোন লৈ চাইকেল চলাই যোৱা ১০ বছৰীয়া বিধায়কৰ কোটি কোটি টকাৰ অগাধ সম্পত্তিৰ উন্নয়নৰ তালিকা দেখি বিধায়ক হোৱাৰ স্বপ্নত দৌৰিছে বিজেপিৰ ১৫জনতকৈ অধিক প্ৰাৰ্থিত্বপ্ৰত্যাশী। টিংখাং আৰু নাহৰকটীয়া সমষ্টিৰ উন্নয়নে দুলীয়াজানবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। সমষ্টি উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যৰ ভিতৰতে দুলীয়াজান সমষ্টিটো আটাইতকৈ জাকত জিলিকা, আগশাৰীৰ বিধানসভা সমষ্টিলৈ উন্নয়নৰ ৰূপান্তৰৰে বৃহৎ পৰিৱৰ্তন কৰিব পাৰিলেহেঁতেন। কিন্তু দেশৰ অন্যতম কোম্পানী অইল ইণ্ডিয়া, অসম চৰকাৰৰ দ্বাৰা পৰিচালিত লাভজনক প্ৰতিষ্ঠান অসম গেছ কোম্পানী, নীপকো আৰু ডিএনপিএলৰ দৰে আগশাৰীৰ প্ৰতিষ্ঠান আছে। চাহ বাগিচাৰ ক্ষেত্ৰতো ডিব্ৰুগড় জিলা বিখ্যাত। উন্নয়নৰ ক্ষেত্ৰত সামাজিক দায়বদ্ধ আঁচনিৰ অধীনত বিশেষকৈ অইল ইণ্ডিয়া প্ৰতিষ্ঠানে বিদ্যালয়, মহাবিদ্যালয়, খেলপথাৰ, গ্ৰাম্য অঞ্চলৰ বহু পথ যাতায়াতৰ সু-ব্যৱস্থা কৰাৰ উপৰি বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে। ইয়াৰ পিছতো সমষ্টি উন্নয়নৰ ছশ কোটি টকা বিধায়কে ক'ত খৰচ কৰিলে ৰহস্যৰ আৱৰ্তত। মুখ্যমন্ত্ৰীৰ ৰাজহুৱা ঘোষণা অনুসৰি ছশ কোটি টকাৰ সমষ্টিবাসীৰ উন্নয়নৰ বিপৰীতে তিনিচুকীয়া, ডিব্ৰুগড় আৰু দুলীয়াজানত থকা কোটি কোটি টকাৰ সম্পত্তি উন্নয়নৰ নমুনাই ৰাইজৰ সন্দেহৰ চকু কপালত উঠিছে। আজিপৰ্যন্ত কছাৰী পথাৰত কংগ্ৰেছ চৰকাৰৰ দিনতেই নিৰ্মাণ কৰা একমাত্ৰ কাৰিকৰী প্ৰতিষ্ঠান অধ্যয়নৰ উপযোগী হৈ নুঠিল। ইয়াৰ বিপৰীতে অভিযোগ উত্থাপিত হোৱা দুলীয়াজানৰ ঔদ্যোগিক সুৰক্ষা বাহিনীৰ আৱাসিক এলেকাৰ সন্মুখত দুই মহলাৰ অট্টালিকা, ডিব্ৰুগড় বাণীপুৰস্থিত পাঁচমহলীয়া অট্টালিকা, তিনিচুকীয়া গেলাপুখুৰী, টিংৰাই আৰু দুলীয়াজানত থকা পৰিয়াল পৰিকল্পনাৰ উন্নয়নৰ নমুনাই সমষ্টিবাসীক বিধায়কগৰাকীৰ দহবছৰীয়া কাৰ্যকালৰ সমষ্টি উন্নয়নৰ প্ৰকৃত স্বৰূপ উদঙাই দেখুৱাইছে। এইক্ষেত্ৰত একাংশ ন-পুৰণি বিজেপি নেতাই বিজেপিৰ পৰা প্ৰাৰ্থিত্ব বিচাৰি উঠিপৰি লাগিছে। ইফালে, দুটা কাৰ্যকালত সমষ্টিটোৰ বিধায়কগৰাকীয়ে বিভিন্ন ঠাইৰ আলিবাট, পথসমূহৰ প্ৰতি কোনো প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ নকৰিলে। টেঙাখাতৰ পৰা নকাৰী-ভেকোলাজন সংযোগী পথ, পূৰ্বে দুলীয়াজান সমষ্টিৰ অধীনস্থ টেঙাখাত-চাবুৱা সংযোগী পথৰ সংযোগী কপহুৱাৰ পৰা পাখৰি জনীয়া পথ, নকাৰী-বায়নচুক সংযোগী পথৰ লগতে আন কেইবাটাও অতি প্ৰয়োজনীয় পথৰ কোনো উন্নয়নেই নহ'ল। ইফালে, বিগত কাৰ্যকালত ধুমুহাত বিধ্বস্ত ৰংচঙী প্ৰাথমিক বিদ্যালয় আজিও নিৰ্মাণ নহ'ল। বিভিন্ন সৰু-বৰ বাট-পথ আৰু চাহ জনগোষ্ঠীৰ অধ্যুষিত এলেকাতো উন্নয়নৰ চিন-মোকাম নাই। এনে এজন প্ৰতিনিধিক পুনৰ দলে টিকট দিলে এইবাৰ যে সমষ্টিটোত বিজেপি ধৰাশায়ী হ'ব নিশ্চিত হৈ পৰিছে।

# টেঙাখাতত ধৃত ছাগলী চোৰক জেল হাজোতলৈ প্ৰেৰণ

ডিব্ৰুগড় জিলাৰ টেঙাখাত আৰক্ষী থানাৰ অধীনস্থ গাঁওসমূহত সঘনাই ছাগলী চোৰে উপদ্ৰৱ চলাই সাধাৰণ ৰাইজক চিন্তিত কৰি তোলাৰ সময়তেই টেঙাখাত আৰক্ষীয়ে পৰহি অভিযান চলাই ছাগলীসহ তিনিটা ছাগলী চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। জানিব পৰা অনুসৰি, টেঙাখাত থানাৰ আৰক্ষীয়ে পৰহি আবেলি প্ৰায় ৩.৫০ মান বজাত এক গোপন সূত্ৰৰ পম খেদি টেঙাখাতৰ টিংৰাই দলঙৰ সমীপৰ পৰা এটা তিনিজনীয়া ছাগলী চোৰৰ দলে পথৰ কাষত চৰি থকা ছাগলী ধৰি গাড়ীত ভৰাই টেঙাখাতৰ পৰা ডিব্ৰুগড় দিশে গৈ থকাৰ সম্ভেদ লাভ কৰে। ইয়াৰ লগে লগে টেঙাখাত আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যব্ৰত পেগুৰ নেতৃত্বত এটা আৰক্ষী দলে চোৰৰ গাড়ীখনক পিছফালৰ পৰা খেদি যায় আৰু অৱশেষত লাহোৱাল থানাৰ আৰক্ষীৰ সহায়ত লাহোৱালত ডিব্ৰুগড় শান্তিপাৰাৰ মৃত দিপু ৰয়ৰ পুত্ৰ ৰাজ ৰয় (২৬), আমোলাপট্টিৰ মঃ ৰাজু আলীৰ পুত্ৰ ইচুপ আলী (৩০) আৰু নালিয়াপুল পদুম নগৰৰ মৃত হবিবুৰ ৰহমানৰ পুত্ৰ আটুকুল ৰহমান (৩০) নামৰ তিনিটা চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱাৰ লগতে চোৰকেইটাই ব্যৱহাৰ কৰা এএছ০৬জে১৫৮৮ নম্বৰৰ আই ২০ বাহন আৰু ইয়াৰ ভিতৰত থকা ১২জনী ছাগলী জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে ধৃত লোককেইজনৰ বিৰুদ্ধে এক গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰাৰ লগতে কালি জেল হাজোতলৈ প্ৰেৰণ কৰিছে।



# টিংৰাই চাৰিআলিত বীৰ লাচিত সেনা, অসমৰ চিকিৎসা শিবিৰৰ আয়োজন

ডিব্ৰুগড় জিলাৰ টিংৰাই চাৰিআলিত কালি ১ নং খেৰেমীয়া বৰনামঘৰ প্ৰাংগনত বীৰ লাচিত সেনা, অসম ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত টিংৰাই চাৰিআলি আঞ্চলিক সমিতিৰ সহযোগত এক বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ লগতে এইচ আই ভি, উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগৰ এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। শিবিৰত ৰোগীসকলৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে ঔষধো বিতৰণ কৰে। শিবিৰত প্ৰায় ২০জন লোকৰ বিনামূলীয়াকৈ চকুৰ অস্ত্ৰোপচাৰ কৰে।

# তিনিচুকীয়াত পি খৈতান মেম'ৰিয়েল মুট কোৰ্ট প্ৰতিযোগিতাৰ আয়োজন

## বিজয়ীলৈ নগদ ধন-ট্ৰফী

**দৈনিক অসমৰ প্ৰতিনিধি**

**তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া ল কলেজৰ মুট কোৰ্ট ছ'চাইটীৰ উদ্যোগত আগন্তুক ২১ ফেব্ৰুৱাৰীত চতুৰ্থ পি খৈতান মেম'ৰিয়েল মুট কোৰ্ট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাই সম্প্ৰতি ৰাজ্যজুৰি এক জনপ্ৰিয় আৰু শিক্ষামূলক পৰম্পৰা হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। এইবাৰ মুঠ ১২টা দলে অংশগ্ৰহণ কৰাটোৱে প্ৰতিযোগিতাখনে বিধি শিক্ষাৰ্থী আৰু বিভিন্ন ল প্ৰতিষ্ঠানৰ মাজত ক্ৰমাগতভাৱে বিস্তৃত স্বীকৃতি লাভ কৰাৰ প্ৰমাণ দিয়ে। প্ৰতিযোগিতাত এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়, নেচনেল ল ইউনিভাৰ্ছিটি, ডিব্ৰুগড় বিশ্ববিদ্যালয়, অসম বিশ্ববিদ্যালয় আৰু অৰুণাচল ইউনিভাৰ্ছিটী অব ষ্টাডিজৰ দলসমূহৰ উপৰি যোৰহাট, গুৱাহাটী আৰু ডিব্ৰুগড়ৰ বিভিন্ন ল কলেজৰ দলসমূহে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ব্ৰিজেন্দ্ৰ প্ৰসাদ কাকতি সিদ্ধান্তকাৰীৰ ভূমিকাত অৱতীৰ্ণ হ'ব। আনহাতে, প্ৰাৰম্ভিক পৰ্যায়ত তিনিচুকীয়াৰ জ্যেষ্ঠ অধিবক্তা বনৱাৰী লাল কামদাৰে সিদ্ধান্তকাৰী হিচাপে উপস্থিত থাকিব। তিনিচুকীয়া ল কলেজৰ অধ্যক্ষ সঞ্জয় খৈতানৰ মতে, মুট কোৰ্ট হৈছে বিধি শিক্ষাৰ এক গুৰুত্বপূৰ্ণ ব্যৱহাৰিক অনুশীলন, য'ত শিক্ষাৰ্থীসকলক এটা কাল্পনিক (হাইপোথেটিকেল) কেছ প্ৰদান কৰা হয়। অংশগ্ৰহণকাৰীসকলে পূৰ্ণ বিধি পৰিধান (ব্লেক কোট, বেণ্ড আদি) পৰিধান কৰি ন্যায়ালয়ৰ প্ৰকৃত প্ৰক্ৰিয়াৰ অনুকৰণ কৰি ন্যায়াধীশসকলৰ সন্মুখত নিজৰ আইনগত যুক্তি উপস্থাপন কৰে। ইয়াত গৱেষণা, ড্ৰাফ্‌টিং, কেছ ল অধ্যয়ন আৰু মৌখিক বিতৰ্ক অন্তৰ্ভুক্ত থাকে। এই ধৰণৰ প্ৰতিযোগিতাই শিক্ষাৰ্থীসকলক আইনগত গৱেষণা, লেখাৰ দক্ষতা, মৌখিক ওকালতি আৰু কোৰ্টৰ আচৰণবিধিৰ ব্যৱহাৰিক অভিজ্ঞতা প্ৰদান কৰে, যি তেওঁলোকৰ ভৱিষ্যৎ আইনগত জীৱনৰ বাবে অতি উপকাৰী হয়। এই অনুশীলনৰ জৰিয়তে শিক্ষাৰ্থীসকলে প্ৰকৃত আদালতৰ দৰে অভিজ্ঞতা লাভ কৰে আৰু তেওঁলোকৰ যুক্তিশক্তি, আত্মবিশ্বাস আৰু পেছাদাৰী আচৰণত উৎকৰ্ষতা আহে। প্ৰতিযোগিতাৰ বাবে কলেজ চৌহদত এটা অত্যাধুনিক মুট কোৰ্ট কক্ষ প্ৰস্তুত কৰা হৈছে, যাৰ ফলত অংশগ্ৰহণকাৰীসকলে প্ৰকৃত ন্যায়ালয়ৰ দৰে পৰিৱেশ লাভ কৰিব। মুট কোৰ্ট ছ'চাইটীৰ পৰিচালিকা বৰ্ণালী ছেত্ৰীৰ মতে, বিজয়ী দলসমূহক নগদ পুৰস্কাৰৰ সৈতে আকৰ্ষণীয় ট্ৰফী প্ৰদান কৰা হ'ব।

# জংঘলব্লক হাইস্কুলত 'ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা'

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিয়নি, ১৮ ফেব্ৰুৱাৰী ঃ** নিজৰ কৰ্তব্য আৰু দেশৰ প্ৰতি থকা দায়বদ্ধতা স্মৰণ কৰাই দি নাগৰিকক দায়বদ্ধ কৰি তোলাৰ উদ্দেশ্যে কালি অসম-নগালেণ্ড সীমান্তৰ জংঘলব্লক উচ্চ ইংৰাজী বিদ্যালয়ত 'ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা' আঁচনিৰ অধীনত যোৰহাট জিলা সৈনিক কল্যাণ বিভাগৰ দ্বাৰা যুৱক-যুৱতীসকলক অনুশাসন আৰু জাতিৰ প্ৰতি সমৰ্পণৰ দিশত প্ৰেৰণা যোগোৱা শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। জংঘলব্লক উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক থানেশ্বৰ বৰাই পৌৰোহিত্য কৰা এই সভাত আদৰণী ভাষণ আগবঢ়াই সহঃ শিক্ষক নগেন গগৈয়ে। অনুষ্ঠানত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা যোজনাৰ যোৰহাট জিলা কাৰ্যালয়ৰ কৰ্মী প্ৰাক্তন সৈনিক জয় কুমাৰ বৰুৱাই ভাষণ প্ৰসংগত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতাই এখন শক্তিশালী, ঐক্যবদ্ধ আৰু উন্নত ৰাষ্ট্ৰ গঢ়াৰ মূল চাবিকাঠী, কৃতজ্ঞতাই দেশৰ বীৰ, সাংস্কৃতিক ঐতিহ্য আৰু প্ৰাকৃতিক সম্পদৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে, আনহাতে সজাগতাই পৰিৱেশ সংৰক্ষণ, সামাজিক দায়িত্ব আৰু ড্ৰাগ্‌ছৰ দৰে সমস্যাৰ বিৰুদ্ধে যুঁজ দিয়াত সহায় কৰে, যাৰ ফলত বহনক্ষম বিকাশ সম্ভৱ হয় বুলি কোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ নিত্য-নৈমিত্তিক কৰ্তব্য সম্পৰ্কত বক্তব্য আগবঢ়ায়। সভাত প্ৰাক্তন সৈনিক যাদৱ হাজৰিকাই ভাষণ প্ৰসংগত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতাৰ তাৎপৰ্য ব্যাখ্যা কৰে। আনহাতে প্ৰাক্তন সৈনিক চেনিৰাম গগৈয়ে নাগৰিকৰ কৰ্তব্য আৰু দেশৰ প্ৰতি থকা দায়বদ্ধতা স্মৰণ কৰাই দিয়ে। অনুষ্ঠানত যোৰহাট কাৰ্যালয়ৰ সহকৰ্মী বিনয় শইকীয়া আৰু ৰঞ্জিত টাই উপস্থিত আছিল। তদুপৰি পুৱাৰ ভাগত অনুষ্ঠিত ৰেলীত অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট কৰ্নেল ৰাজিবন কোৰ্টি উপস্থিত আছিল। ইয়াৰ আগতে স্থানীয় বংশী গোপাল হাইস্কুলত সজাগতা সভা অনুষ্ঠিত কৰে বুলি জানিবলৈ দিয়ে।



# মাজুলীৰ পুৰণিবাৰীৰ মহেন্দ্ৰ নাথৰ মৃত্যু

**দৈনিক অসমৰ প্ৰতিনিধি**

**মাজুলী, ১৮ ফেব্ৰুৱাৰী ঃ** মাজুলীৰ পুৰণিবাৰী গাঁও নিবাসী মহেন্দ্ৰ নাথৰ যোৱা ১৪ ফেব্ৰুৱাৰীৰ পুৱা প্ৰায় ১০.৩০ বজাত অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ত ৫৬ বছৰ বয়সত মৃত্যু হয়। নিজ গৃহত কাম কৰি থকা অৱস্থাত এক আকস্মিক দুৰ্ঘটনাত পতিত হৈ গুৰুতৰভাৱে আহত হোৱা ব্যক্তিগৰাকী পৰৱৰ্তী সময়ত অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়ত প্ৰায় চাৰি দিন ধৰি চিকিৎসাধীন হৈ আছিল। অতি অমায়িক আৰু সমাজহিতৈষী লোকজনৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে স্থানীয় ৰাইজে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী জ্যোতি নাথ আৰু দুই পুত্ৰ পবিত্ৰ নাথ আৰু দেৱজিৎ নাথক এৰি থৈ যায়।

## নাজিৰাত গুট্‌খাজাতীয় সামগ্ৰীৰ ক'লাবজাৰ

# উঠি ৰজা-বহি ৰজা ক'লা ব্যৱসায়ী, প্ৰশাসনক ব্যৱস্থাৰ দাবী

**দৈনিক অসমৰ প্ৰতিনিধি**

**শিমলুগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** শেহতীয়াকৈ কেন্দ্ৰীয় বাজেটত গুট্‌খাজাতীয় সামগ্ৰীৰ ওপৰত জি এছ টি বৃদ্ধি ঘোষণা হোৱাৰ লগে লগেই ক'লা বজাৰত নিশাৰ ভিতৰতে গুট্‌খাজাতীয় সামগ্ৰীৰ দাম বৃদ্ধি কৰি এচাম অসাধু ব্যৱসায়ীয়ে মুনাফা লুটা পৰিলক্ষিত হৈছে। উল্লেখ্য যে সমগ্ৰ শিৱসাগৰ জিলাতে দুই প্ৰতিষ্ঠিত ব্যৱসায়ী জনৈক বিকাশ আৰু নৱাজ নামৰ দুই ব্যৱসায়ীৰ নিয়ন্ত্ৰণত গুট্‌খাৰ ব্যৱসায়। নাজিৰাৰ পৰা নিয়ন্ত্ৰিত এই গুট্‌খা ব্যৱসায়ত এই দুই গুট্‌খা ব্যৱসায়ীয়ে নিজ খেয়ালখুচী মতে বজাৰত কৃত্ৰিম নাটনিৰ সৃষ্টি কৰি দাম বৃদ্ধি কৰে গুট্‌খাৰ। শেহতীয়াকৈ কেন্দ্ৰীয় বাজেটত গুট্‌খাজাতীয় সামগ্ৰীৰ ওপৰত জি এছ টি বৃদ্ধি ঘোষণা হোৱাৰ সমান্তৰালকৈ এক জাতীয় সংগঠনে নাজিৰাত গুট্‌খাজাতীয় সামগ্ৰীৰ বিক্ৰী বন্ধ কৰাৰ আহ্বান জনাইছিল। ইয়াৰ পাছত নাজিৰাৰ বজাৰত গুট্‌খাৰ প্ৰচলন আৰু বিক্ৰী বন্ধ নহ'ল যদিও দুই সুবিধাবাদী ব্যৱসায়ী ক্ৰমে জনৈক বিকাশ আৰু নৱাজে নিশাৰ ভিতৰতে বজাৰত ছিগনেচাৰ, শিখৰ আদি গুট্‌খাৰ কৃত্ৰিম নাটনি সৃষ্টি কৰি পাইকাৰী বজাৰত গুট্‌খাৰ মূল্য ২৫ৰপৰা ৩০ শতাংশ বৃদ্ধি ঘটায়। শেহতীয়াকৈ ৪০,০০০ টকাৰ বেগ শিখৰৰ মূল্য ৫৫ ৰপৰা ৫৬ হাজাৰ টকা আৰু ছিগনেচাৰৰ প্ৰতি বেগৰ দাম ৮৬ হাজাৰৰ পৰা বৃদ্ধি হৈ ৯৭ হাজাৰ, ১ লাখ টকা মূল্যত ক'লা বজাৰত বিক্ৰী হৈছে। যাৰ পৰিণতিত এম আৰ পিটকৈ ২৫ বা ৩০ শতাংশ অধিক মূল্যত নাজিৰাত গুট্‌খাৰ বিক্ৰী অব্যাহত ৰাখিছে এই দুই ব্যৱসায়ীয়ে। শেহতীয়াকৈ খুচুৰা বজাৰত দুগুণ দামত চোৰাংকৈ গুট্‌খাৰ বিক্ৰী অব্যাহত আছে যদিও এইক্ষেত্ৰত সকলো দেখিও একো নেদেখাৰ ভাওত জাতীয় দল-সংগঠনৰ লগতে প্ৰশাসনো।

# মুক্তিযোদ্ধা মাখন সংনামীৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**গৌৰীসাগৰ, ১৮ ফেব্ৰুৱাৰী ঃ** বাৰ্দ্ধক্যজনিত কাৰণত পৰহি দেহাৱসান ঘটা হাতীঘুলি শান্তিপাৰ নিৱাসী মুক্তিযোদ্ধা মাখন সংনামীৰ অন্ত্যেষ্টিক্ৰিয়া কালি শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন হয়। স্থানীয় ৰাইজে মুক্তিযোদ্ধাগৰাকীৰ শৱদেহ গায়ন-বায়নেৰে সৎকাৰ স্থানলৈ লৈ আনে। ইয়াৰ পাছতেই নাজিৰাৰ লিখিৰীপুখুৰীৰ চতুৰ্থ অসম পুলিচ বেটেলিয়নৰ জোৱানসকলে তিনি জাঁই টোপ ধ্বনিৰে মুক্তিযোদ্ধাগৰাকীক শ্ৰদ্ধা জনায়। অন্ত্যেষ্টিক্ৰিয়াৰ পূৰ্বে এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে শিৱসাগৰ জিলা মুক্তিযুঁজাৰু সতি-সন্ততি সন্মিলনৰ সম্পাদক ধীৰেণ চেতিয়াই। প্ৰথমে শিৱসাগৰ জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰী, জিলা সহকাৰী আয়ুক্ত গণেশ বড়ো, শিৱসাগৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ঋষভ হাণ্ডে, উপ-আৰক্ষী অধীক্ষক দিগন্ত ফুকন, গৌৰীসাগৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ ফুকন, গৌৰীসাগৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি পদ্মলোচন খনিকৰ, সম্পাদক ৰাজীৱ দত্ত, সংবাদকৰ্মী কীৰ্তিদীপ্ত ভূঞা, শিৱসাগৰ জিলা মুক্তিযুঁজাৰু সতি-সন্ততি সন্মিলনৰ হৈ গণেশ গোহাঁই, হেমকান্ত দুৱৰা, কমল বৰাই বিশিষ্ট মুক্তিযোদ্ধাগৰাকীৰ দেহত পুষ্পমাল্য, ফুল প্ৰদান কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে।

# গহপুৰত বাটৰ কেনভাছ-এম ডি আৰ্ট স্কুলৰ ৰূপালী জয়ন্তী

## স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি, পোন্ধৰখন উপ-সমিতি গঠন

**দৈনিক অসমৰ প্ৰতিনিধি**

**গহপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** বাটৰ কেনভাছ, অসম আৰু এম ডি আৰ্ট স্কুলৰ ৰূপালী জয়ন্তী সমাৰোহ অহা ১৫, ১৬ আৰু ১৭ মাৰ্চত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। গহপুৰ নগৰৰ চতিয়াচুকত আয়োজন কৰা এই সমাৰোহৰ সফল ৰূপায়ণৰ বাবে ইতিমধ্যে ১৫খন উপ-সমিতি গঠন কৰা হৈছে। বাটৰ কেনভাছ, অসমৰ সভাপতি শান্তি ৰাজখোৱা, এম ডি আৰ্ট স্কুলৰ সভাপতি ডঃ দুলেন বৰা আৰু বাটৰ কেনভাছ, অসমৰ মুখ্য সম্পাদক দ্বীপন দিহিঙীয়াই জানিবলৈ দিয়া মতে, ১৫ মাৰ্চৰ বিয়লি ৪ বজাত আমন্ত্ৰিত চিত্ৰশিল্পীৰ আদৰণী অনুষ্ঠানৰ পিছতে নাম পঞ্জীয়ন, শিবিৰ মুকলি আৰু প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। শিবিৰ মুকলি কৰিব বিশিষ্ট শিক্ষাবিদ জগদীশ শৰ্মাই। ১৬ মাৰ্চৰ পুৱা ৮ বজাত পতাকা উত্তোলন কৰাৰ পাছত গছপুলি ৰোপণ কৰিব সমাজৰত্ন গোপাল শইকীয়াই। ৮.৩০ বজাত শ্ৰদ্ধাঞ্জলি আৰু সতীৰ্থ স্মৰণ অনুষ্ঠান। ১০ বজাত চিত্ৰ আৰু ভাস্কৰ্য প্ৰদৰ্শনীৰ দ্বাৰ উদ্বোধন কৰিব হেলেম ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নমিতা বৰাই। ১১ বজাৰ পৰা আৰম্ভ হ'ব চিত্ৰ কৰ্মশালা। ১২.৩০ বজাত গ্ৰন্থ উন্মোচন কৰিব ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডঃ অঞ্জন কুমাৰ ওজাই। দিনৰ ১ বজাৰ পৰা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অধ্যাপক ডঃ ভাস্কৰ জ্যোতি গগৈৰ সঞ্চালনাত অনুষ্ঠিত হ'ব কবি সন্মিলন। বিয়লি ৫ বজাত বন্তি প্ৰজ্বলন কৰিব প্ৰবীণ সাংবাদিক নগেন কোঁৱৰে। ইয়াৰ পিছতে মঞ্চ মুকলি কৰিব নাট্যকাৰ তৰুণ বৰুৱাই। ৫.৩০ বজাত স্বেচ্ছাসেৱী সংগঠন চাওচেঙৰ দ্বাৰা পৰিৱেশন হ'ব বাটৰ কেনভাছ, অসমৰ শীৰ্ষ গীত। সন্ধিয়া ৬ বজাত নাট্যকাৰ দয়াল দাসৰ পৰিচালনাত অনুষ্ঠিত হ'ব শিশু-নাট প্ৰদৰ্শন। ৮ বজাৰ পৰা সাংস্কৃতিক সন্ধিয়া। সমাৰোহৰ অন্তিম দিনা পুৱা ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব মুখা তৈয়াৰ কৰা প্ৰতিযোগিতা। ১০.৩০ বজাৰ পৰা পদাৰ্থ বিজ্ঞান বিষয়ৰ শিক্ষক নৱদীপ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হ'ব বিশিষ্ট চিত্ৰশিল্পী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত বাৰ্তালাপ অনুষ্ঠান। দিনৰ ১২.৩০ বজাৰ পৰা 'আৰ্টস্কুল আৰু সমাজৰ প্ৰয়োজনীয়তা' শীৰ্ষক বিষয়ত অনুষ্ঠিত হ'ব বক্তৃতানুষ্ঠান। এই অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব বক্তা ডঃ দিব্যজ্যোতি শইকীয়াই। বিয়লি ৩ বজাৰ পৰা অনুষ্ঠিত হ'ব গহপুৰৰ ২৫গৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্দ্ধনা অনুষ্ঠান। বিয়লি ৫ বজাৰ পৰা অনুষ্ঠিত হ'ব আমন্ত্ৰিত চিত্ৰশিল্পীক সম্বৰ্দ্ধনা আৰু মানপত্ৰ প্ৰদান অনুষ্ঠান। ৫.৩০ বজাত গহপুৰ পৌৰসভাৰ পৌৰপতি অতুল বৰাই বন্তি প্ৰজ্বলন কৰাৰ পিছত মঞ্চ মুকলি কৰিব ছয়দুৱাৰ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ ডঃ কিশোৰ সিং ৰাজপুতে। উক্ত মঞ্চত এম ডি আৰ্ট স্কুলৰ শীৰ্ষ গীত পৰিৱেশন কৰিব বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে। সন্ধিয়া ৬.২০ বজাৰ পৰা অভিনেতা তিলক দিহিঙীয়াৰ পৰিচালনাত অনুষ্ঠিত হ'ব শিশু-নাট প্ৰদৰ্শনী অনুষ্ঠান। সন্ধিয়া ৮ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়াৰ বৰ্ণাঢ্য কাৰ্যসূচী। আয়োজক মণ্ডলীয়ে উক্ত তিনিওদিনৰ কাৰ্যসূচীতে গহপুৰীয়া ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰি প্ৰতিটো অনুষ্ঠান সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনাইছে।

# এপলে ৭০ হাজাৰ টকাতে লৈ আহিছে আটাইতকৈ সস্তা মেকবুক

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** ২০২৬ চনৰ প্ৰথমটো ডাঙৰ ইভেণ্টৰ কথা ঘোষণা কৰিছে এপলে। কোম্পানীটোৱে সৰ্বাধিক সস্তাত মাত্ৰ ৭০ হেজাৰ টকাতে গ্ৰাহকৰ বাবে মুকলি কৰিব মেকবুক। অহা ৪ মাৰ্চৰপৰা প্ৰায় ৭-৩০ বজাৰপৰা উপলব্ধ হ'ব এই অনুষ্ঠান। আটাইতকৈ সস্তা মেকবুক আইফোনৰ দৰে চিপ আৰু উজ্জ্বল বৰণৰ। এপলে প্ৰথমবাৰৰ বাবে মেকবুকত আইফোনত ব্যৱহৃত 'এ' ছিৰিজৰ চিপছৰ সলনি নিজৰ 'এম' ছিৰিজৰ চিপছ সলনি কৰিব পাৰে। এই চিপটো বিশেষভাৱে ছাত্ৰ-ছাত্ৰী আৰু কাৰ্যালয়ত ব্যৱহাৰকাৰীৰ বাবে ডিজাইন কৰা হৈছে। ইয়াৰ বাবে ৭০ হাজাৰৰপৰা ৮০ হাজাৰ টকা খৰচ হ'ব বুলি আশা কৰা হৈছে। নিউয়ৰ্কত অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানটোৰ বাবে কোম্পানীটোৰ আমন্ত্ৰণ কাৰ্ডত হালধীয়া, সেউজীয়া আৰু নীলা ৰঙৰ এপলৰ ল'গ' আছে। ইয়াৰ ফলত নতুন লেপটপটো কেইবাটাও উজ্জ্বল ৰঙত আহিব বুলি ভবা হৈছে। ই পুৰণি মডেলতকৈ যথেষ্ট বেছি দ্ৰুত হ'ব। ৬.১ ইঞ্চিৰ



ডিছপ্লে OLED স্ক্ৰীন। প্ৰথমবাৰৰ বাবে, এই ছিৰিজে MagSafe চাৰ্জিং সমৰ্থন কৰিব পাৰে। ভাৰতত ইয়াৰ আৰম্ভণিৰ মূল্য প্ৰায় ৬০,০০০ টকা হ'ব পাৰে। অনুষ্ঠানটোৱে আইপেডপ্ৰেমীসকলৰ বাবেও বহু প্ৰতিশ্ৰুতি বহন কৰিছে। কোম্পানীয়ে আইপেড এয়াৰক এম৪ চিপৰ সৈতে আপডেট কৰিব পাৰে। প্ৰথমবাৰৰ বাবে এপল ইনটেলিজেন্স (এআই) সমৰ্থন থকাৰ সম্ভাৱনা আছে। পূৰ্বতকৈ ই অধিক স্মাৰ্ট হ'ব আৰু ব্যৱহাৰকাৰীৰ প্ৰশ্নৰ উত্তৰ দিবলৈ ভালদৰে সক্ষম হ'ব। এপলে নিজৰ 'এপল ইনটেলিজেন্স' সেৱাৰ অধীনত ইয়াক প্ৰচাৰ কৰিছে। ফলত আইফোন আৰু মেক ব্যৱহাৰ কৰাটো বহুত সহজ হ'ব। নিউয়ৰ্ক, লণ্ডন আৰু চাংহাইত একেলগে হ'বলগীয়া অনুষ্ঠানত এপলে এইবাৰ ইভেণ্ট ফৰ্মেট অলপ বেলেগকৈ ৰাখিছে। নিউয়ৰ্কত অনুষ্ঠিত হ'বলগীয়া মূল অনুষ্ঠানৰ লগতে লণ্ডন আৰু চাংহাইতো মিডিয়া মীট আয়োজন কৰা হৈছে। এপলে নিউয়ৰ্কৰ ফিফথ এভিনিউত প্ৰথমটো খুচুৰা বিপণী খুলিছিল, যিটো বৰ্তমান বিশ্বৰ অন্যতম বিখ্যাত ষ্ট'ৰ। লেপটপত আইফোন চিপ ব্যৱহাৰ কৰিলে বেটাৰীৰ জীৱনকাল উন্নত হয় যদিও ই গধুৰ কামৰ বাবে (যেনে ৪কে ভিডিঅ' এডিটিং) এম-ছিৰিজৰ দৰে শক্তিশালী নহয়।

## বিনিয়োগ আৰু অতীতৰ পাৰদৰ্শিতা




প্ৰাঞ্জল শৰ্মা

বিনিয়োগকাৰী এজনে বিনিয়োগ কৰাৰ পূৰ্বে মিউচুৱেল ফাণ্ড বা ষ্টক এটাই যোৱা সময়খিনিত কেনেধৰণে বজাৰৰপৰা মুনাফা আহৰণ কৰি দিব পাৰিছে, সেইটো গুৰুত্বপূৰ্ণ কথা। যাক আমি Past performance বুলি বুজি পাওঁ। বৰ্তমান সময়ত বিভিন্নধৰণৰ ফাণ্ড বা ষ্টকৰ পাৰদৰ্শিতাৰ বিষয়ে অনলাইনত সহজে উপলব্ধ হৈছে, সেইবাবে বিনিয়োগকাৰী এজনে সহজেই ফাণ্ডৰ পাৰদৰ্শিতাৰ বিষয়ে জানিব পাৰে। মিউচুৱেল ফাণ্ড বা ষ্টক এটাৰ ক্ষেত্ৰত বেছিভাগ বিনিয়োগকাৰীয়ে যোৱা বছৰৰ ৰিটাৰ্নৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যদি যোৱা এবছৰত ফাণ্ডৰ পাৰদৰ্শিতা ভাল তেনেহ'লে লগে লগে সেই ফাণ্ডৰ প্ৰতি বিনিয়োগ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। বহু সময়ত বিনিয়োগকাৰীয়ে বিত্তীয় পৰামৰ্শদাতাক তেনেকুৱা ধৰণৰ ফাণ্ডত বিনিয়োগ কৰিবলৈ জোৰ কৰা দেখা যায় আৰু বিত্তীয় পৰামৰ্শদাতাজনে অনিচ্ছাসত্ত্বেও তেনেকুৱাধৰণৰ বিনিয়োগ কৰাবলৈ বাধ্য হয়। কিছুদিন পিছত একেটা ফাণ্ডৰ ৰিটাৰ্ন যেতিয়া ঋণাত্মক হয়, তেওঁলোক অস্থিৰ হয় আৰু যিমান সোনকালে পাৰি লোকচান নোহোৱাকৈ ওলাই আহিবলৈ বিত্তীয় পৰামৰ্শদাতাজনক অনুৰোধ কৰে।

বিনিয়োগৰ ক্ষেত্ৰত এবছৰৰ পাৰদৰ্শিতা বিনিয়োগৰ মাপকাঠী হ'ব নোৱাৰে। এই ক্ষেত্ৰত যোৱা ৫ বছৰ, ১০ বছৰ বা ১৫ বছৰত ফাণ্ড এটাই কেনেধৰণে প্ৰদৰ্শন কৰিছে, বজাৰৰ উত্থান-পতনৰ লগত কিমানখিনি ওপৰলৈ বা তললৈ গৈছে। একেজন ফাণ্ড মেনেজাৰে ফাণ্ডটো চলাই আছেনে, বিনিয়োগ কৌশল কিবা সালসলনি হৈছে নেকি আদি বিভিন্ন দিশসমূহ ভালদৰে চাই লোৱা উচিত। বৰ্তমান বিনিয়োগ আৰম্ভ কৰা বিনিয়োগকাৰীৰ বাবে হৈ যোৱা পাৰদৰ্শিতাতকৈ আহিবলগা সময়ত কেনেধৰণৰ ফাণ্ডসমূহে অধিক মুনাফা আহৰণ কৰিব পাৰে, তাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া উচিত। যোৱা বছৰ ৰূপৰ বিনিয়োগৰ পৰা মুনাফা আহিল মোটামুটি ১৫০%। কিন্তু তাৰ আগৰ তিনি বছৰৰ ৰূপ একেটা ঠাইতে আছিল, বিশেষ বঢ়াও নাছিল বা কমাও নাছিল। যোৱা কিছুদিনত যিবিলাক বিনিয়োগকাৰীয়ে এবছৰৰ ৰিটাৰ্ন চাই বিনিয়োগ কৰিলে, তেওঁলোক বৰ্তমান লোকচানত আছে। ঠিক তেনেদৰে ২০২৪ৰ প্ৰথম ভাগত সৰু বজাৰ মূলধনীকৰণৰ (স্মল কেপ) কোম্পানীসমূহে বহুত ভাল ৰিটাৰ্ন দিবলৈ সক্ষম হৈছিল আৰু বিনিয়োগকাৰীসকলে অধিক আগ্ৰহেৰে ইয়াত বিনিয়োগ কৰিছিল। বৰ্তমান সময়ত এনেকুৱা ফাণ্ডসমূহত বিনিয়োগ কৰিবলৈ বিনিয়োগকাৰীসকল আগ্ৰহী নহয়। যিহেতু যোৱা বছৰৰ ৰিটাৰ্ন বিশেষ ভাল নহয়।

বিনিয়োগৰ ক্ষেত্ৰত ফাণ্ড বা ষ্টক এটাৰ দীঘলীয়া সময়ৰ পাৰদৰ্শিতা চাইহে বিনিয়োগ কৰা উচিত। যেতিয়া ফাণ্ড এটাৰ মূল্য অধিক হোৱা যেন অনুভৱ হয়, তেনে ক্ষেত্ৰত একেলগে বিনিয়োগ নকৰি এছ আই পি বা এছ টি পিৰ জৰিয়তে বিনিয়োগ কৰা উচিত। সম্পদ সৃষ্টিৰ বাবে এক দীঘলীয়া সময়ৰ প্ৰয়োজন।

ভ্ৰাম্যভাষ ঃ ৯৯৫৪৭০৪৭৪০

রিডেভৰ সৈতে অংশীদাৰিত্ব ডেল্‌হীভাৰীৰ

## উত্তৰ-পূব ভাৰত, হায়দৰাবাদ, বেংগালুৰুত উচ্চ কাৰ্যক্ষম ইভি প্ৰৱৰ্তনৰ লক্ষ্য



**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** দেশৰ আগশাৰীৰ কুৰিয়াৰ ছাৰ্ভিচ ডেল্‌হীভাৰী (Delhivery) লিমিটেডে গুৱাহাটীত ইলেক্ট্ৰিক মবিলিটি ষ্টাৰ্টআপ আৰ আই ডিইভ (এ এনভি ৰেব ভেঞ্চাৰছ প্ৰাইভেট লিমিটেড)ৰ সৈতে ১৫০খন উচ্চ কাৰ্যক্ষম ইলেক্ট্ৰিক বাহন নিয়োগ কৰাৰ বাবে কৌশলগত অংশীদাৰিত্বৰ কথা ঘোষণা কৰিছে। সমগ্ৰ উত্তৰ-পূব ভাৰত, বেংগালুৰু, আৰু হায়দৰাবাদত অহা তিনি মাহৰ বাবে নিৰ্দ্ধাৰিত এই পদক্ষেপে কোম্পানীটোৰ সেউজ লজিষ্টিক ৰোডমেপত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত কৰিছে। এই সহযোগিতাই ডেল্‌হীভাৰী অংশীদাৰসকলৰ বাবে পৰিৱৰ্তন ত্বৰান্বিত কৰিবলৈ ডিজাইন কৰা বিশেষ 'ইভি-এজ-এ-ছাৰ্ভিচ' লিজিং মডেলৰ প্ৰৱৰ্তন কৰে। ইতিমধ্যে ডেল্‌হীভাৰীয়ে যথেষ্ট সংখ্যক ইভি চলাই আছে। শেহতীয়া বছৰবোৰত প্ৰায় ১০০০খন ইলেক্ট্ৰিক দুচকীয়া, তিনিচকীয়া আৰু চাৰিচকীয়া বাহন সংযুক্ত কৰিছে। দিল্লী-এনচিআৰ আৰু বেংগালুৰুত সফল পাইলটৰ পাছত এই পদক্ষেপ লোৱা হৈছে, য'ত ৰিডেভৰ বৈদ্যুতিক দুচকীয়া বাহনলৈ পৰিৱৰ্তনৰ ফলত ৪,২৬০ কিলোগ্ৰাম চিঅ'২ হ্ৰাস পাইছে। ৰাইডাৰসকলৰ দৈনিক পৰিচালনা ব্যয় ৫০ তকৈ অধিক হ্ৰাস পাইছে। বৰ্তমানৰ ৰোলআউটৰ পাছত মুম্বাই, পুনে, চেন্নাই আৰু গোৱাকে ধৰি প্ৰধান হাবসমূহৰ বাবে পৰ্যায়ক্ৰমে সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা হৈছে, যাৰ লক্ষ্য হৈছে টেইলপাইপৰ নিৰ্গমণ দূৰ কৰা আৰু স্বচ্ছ পৰিবহন ভৱিষ্যতৰ বাবে ভাৰতৰ পিএম ই-ড্ৰাইভৰ লক্ষ্যৰ সৈতে সামঞ্জস্য ৰখা। ছিনিয়ৰ ভাইচ প্ৰেচিডেণ্ট (অপাৰেচন) প্ৰশান্ত গাজীপুৰে কয় যে বিদ্যুৎকৰণ হৈছে লাষ্ট মাইল লজিষ্টিকছৰ ক্ষেত্ৰত আমাৰ দৃষ্টিভংগীৰ এক মৌলিক পৰিৱৰ্তন। জনসাধাৰণৰ সঁহাৰিয়ে আমাক উত্তৰ- পূৰ্বাঞ্চলত ডেল্‌হীভাৰীৰ নেটৱৰ্কৰ উন্নত আৰু সংবৰ্দ্ধনৰ দিশত সুদূৰপ্ৰসাৰী পদক্ষেপ ল'বলৈ উৎসাহিত কৰিছে। মহানগৰীত সম্প্ৰতি দহটা ডেলিভাৰী কাৰ্যালয়ৰ জৰিয়তে বহুসংখ্যক যুৱক-যুৱতী নিয়োজিত হৈ আছে। ডেল্‌হীভাৰীয়ে ৰিডেভৰ সৈতে অংশীদাৰিত্বৰে সমগ্ৰ উত্তৰ-পূব ভাৰত, বেংগালুৰু আৰু হায়দৰাবাদত ১৫০খন উচ্চ কাৰ্যক্ষম ইভি প্ৰৱৰ্তন কৰি সেউজ অভিযান ত্বৰান্বিত কৰিছে। এইটো কেৱল নতুন বাহনৰ কথা নহয়—এইটো এটা স্মাৰ্ট পৰিৱেশ তন্ত্ৰৰ কথা। ডেল্‌হীভাৰীৰ অংশীদাৰসকলে এই বাহনসমূহ 'ইভি-এজ-এ-ছাৰ্ভিচ' লিজিং মডেলৰ জৰিয়তে লিজত ল'ব পাৰিব। ইতিমধ্যে যোৱা বছৰবোৰত ২ডব্লিউ, ৩ডব্লিউ আৰু ৪ডব্লিউকে ধৰি প্ৰায় ১০০০খন ইভি সংযুক্ত কৰিছে ডেল্‌হীভাৰীয়ে। ৰিডেভৰ প্ৰতিষ্ঠাপক মনীষ কুমাৰ জৈনে কয় যে 'আমাৰ টেক-বেকড ফ্লীটক ডেল্‌হীভাৰী নেটৱৰ্কত একত্ৰিত কৰাৰ জৰিয়তে গিগ ইকনমিৰ বাবে দৈনন্দিন কাম সৰল কৰাৰ লগতে সেউজ লজিষ্টিকলৈ পৰিৱৰ্তন ত্বৰান্বিত হৈছে।'

## টাটা এ আই এৰ নতুন আঁচনি




**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** ব্যক্তিখণ্ডৰ জীৱন বীমা কোম্পানী টাটা এ আই এ লাইফ ইঞ্চুৰেন্স (টাটা এআইএ)-এ প্ৰকৃত বিনিয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰি দুখন নতুন আঁচনি আৰম্ভ কৰিছে। এই আঁচনি দুখনত বিনিয়োগ কৰা ধন এনে কোম্পানীত খটোৱা হয় যাৰ বৰ্তমানৰ শ্বেয়াৰ মূল্যই গ্ৰহকৰ মুনাফা বৃদ্ধিৰ সম্ভাৱনা বৃদ্ধি কৰে। আঁচনি দুখনত বিনিয়োগ কৰা ধন বিত্তীয় পৰিমাপ ব্যৱহাৰ কৰি নিৰ্বাচিত ৫০টা বৃহৎ, মধ্যম আৰু ক্ষুদ্ৰ মূল্যৰ কোম্পানীৰ প্ৰমাণিত সূচকাংক অনুসৰণ কৰি খটোৱা হয়। ইয়াৰ ফলত গ্ৰাহকৰ মুনাফাৰ লগতে জীৱন বীমাৰ নিৰাপত্তাও নিশ্চিত হয়। আঁচনি দুখনৰ নতুন ফাণ্ড অ'ফাৰ (এন এফ অ') ৯ ফেব্ৰুৱাৰীৰপৰা আৰম্ভ হৈছে।

বজাৰত

## ছানৰাইজ স্পাইচেছৰ 'তিল চিকেন' মচলা




**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** আইটিচি লিমিটেডৰ ছানৰাইজ স্পাইচেছে অসমত মুকলি কৰিছে ছানৰাইজ টিল চিকেন মছলা। ই হৈছে ছানৰাইজ স্পাইচেছৰ প্ৰথমবিধ মছলাৰ মিশ্ৰণ যি ৰাজ্যখনৰ জনপ্ৰিয় খাদ্যসমূহৰ অন্যতম 'তিল চিকেন'ৰ প্ৰস্তুতি সৰল কৰি তোলে। নতুন মছলাবিধ স্থানীয় ৰন্ধন প্ৰকৰণৰ পৰম্পৰা অনুসৰি প্ৰস্তুত কৰা হৈছে। হাঁহ-কোমোৰা (ডাক কাৰি উইথ এছগাৰ্ড) আৰু অন্যান্য পৰম্পৰাগত মাংসৰ প্ৰকৰণৰ বাবে মছলাবিধ বিশেষ উপযোগী। ভজা ক'লা তিল আৰু মছলাৰ এক অনন্য মিশ্ৰণেৰে ইয়াক তৈয়াৰ কৰা হৈছে।

## এইচ পিৰ নতুন ডেস্কজেট প্ৰিণ্টাৰ




**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** প্ৰযুক্তি কোম্পানী এইচ পি ইনকৰ্পৰেচনে ভাৰতত এলানি ডেস্কজেট অল-ইন-ৱান (এআইঅ') প্ৰিণ্টাৰ মুকলি কৰিছে। ঘৰতে সহজে নথি-পত্ৰ 'প্ৰিণ্ট' কৰিব বিচৰা ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু পেছাদাৰীসকলৰ বাবে এই প্ৰিণ্টাৰকেইটা মুকলি কৰা হৈছে। প্ৰিণ্টাৰ কেইটাৰ অন্যতম হৈছে এইচ পি ডেস্কজেট, এইচ পি ডেস্কজেট ইংক এডভাণ্টেজ আৰু এইচ পি ডেস্কজেট আল্‌ট্ৰা ইংক এডভাণ্টেজ। প্ৰিণ্টাৰকেইটাত কম খৰচী চিয়াঁহী আৰু ডুৱেল-বেণ্ড ছেল্‌ফ-হিলিং ৱাই-ফাই সংযোগৰ সৈতে প্লাগ-এণ্ড-প্লে প্ৰিণ্টিং, স্কেনিং, আৰু কপীৰ সুবিধা আছে। প্ৰিণ্টাৰকেইটাৰ ক'লা ৰঙত প্ৰতি মিনিটত ৭.৫ পৃষ্ঠা প্ৰিণ্ট (পিপিএম) পৰ্যন্ত আৰু ৰঙীণ ৫.৫ পি পি এম ক্ষমতা আছে। আনহাতে, ডেস্কজেট ইংক এডভাণ্টেজৰ ৪৩৮৮এ ৮.৫ পিপিএম ক্ষমতা আছে। ইয়াত এটা স্বয়ংক্ৰিয় ডকুমেণ্ট ফিডাৰো আছে। প্ৰিণ্টাৰকেইটাৰ নিৰ্বাচিত মডেলত ৮৯৯ টকাৰ এবছৰীয়া এইচ পি প্ৰিণ্ট লাৰ্ন চেণ্টাৰ ছাবস্ক্ৰিপচনো আগবঢ়োৱা হৈছে।

## বন্ধন লাইফ ইন্সুৰেঞ্চৰ নতুন মিড কেপ আঁচনি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** বন্ধন গ্ৰুপৰ জীৱন বীমা শাখা বন্ধন লাইফ ইন্সুৰেঞ্চে এখন প্ৰতিশ্ৰুতিপূৰ্ণ মিড কেপ আঁচনি ইউনিট লিংকড আই ইনভেষ্ট আল্টিমা মুকলি কৰিছে। নতুন আঁচনিখন ১০ টকা এনএভিত মুকলি কৰা হৈছে। আই ইনভেষ্ট আল্টিমাই গ্ৰাহকসকলৰ আপোনজনক সুৰক্ষা দিয়াৰ লগতে সম্পদ বৃদ্ধি কৰাত সহায় কৰিব। আঁচনিখনে গ্ৰাহকসকলক বন্ধন লাইফৰ ৫-ষ্টাৰ আৰু ৪-ষ্টাৰ ৰেটিংপ্ৰাপ্ত পুঁজিত বিনিয়োগৰ সুযোগ প্ৰদান কৰে। ইয়াত ১৫সংখ্যক পলিচী বৰ্ষৰপৰা এক্সিডেণ্টেল ডেথ বেনিফিট ৰাইডাৰ আৰু ১০০% মাচুল ঘূৰাই দিয়াৰ দৰে অতিৰিক্ত সুবিধা আছে। ৩০-৫০ বছৰ বয়সৰ গ্ৰাহকৰ বাবে বছৰি ২ লাখ টকা বা তাতকৈ অধিক বাৰ্ষিক বিনিয়োগৰ বাবে আঁচনিখন মুকলি কৰা হৈছে। মহিলা গ্ৰাহকসকলে প্ৰথম ৫টা পলিচী বছৰৰ বাবে প্ৰথম দিনাৰপৰাই ০.৫% অতিৰিক্ত প্ৰিমিয়াম আবণ্টন লাভ কৰিব।

## গুৱাহাটীত পিউৰ ইভিৰ ডিলাৰ-শ্ব'ৰূম মুকলি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** ইলেক্ট্ৰিক দুচকীয়া বাহন নিৰ্মাতা কোম্পানী পিউৰ ইভিয়ে গুৱাহাটীত এটা নতুন ডিলাৰ আৰু শ্ব'ৰূম মুকলি কৰিছে। গুৱাহাটীৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ লালুংগাঁৱৰ জি এছ কাষ্টম শ্ব'ৰূমৰ ওচৰতে আছে এই শ্ব'ৰূম আৰু ডিলাৰটো। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰীয়ে অলপতে এই শ্ব'ৰূমটো উদ্বোধন কৰে। শ্ব'ৰূটোত পিউৰ ইভিৰ মুখ্য ইলেক্ট্ৰিক স্কুটাৰ ই-প্লুটো ৭জি মেক্স আৰু উচ্চ-ক্ষমতাৰ ইলেক্ট্ৰিক মটৰচাইকেল ই-ট্ৰাইষ্ট আদি পোৱা যাব। ডিলাৰশ্বিপটোত কোম্পানীটোৰ শক্তি সংৰক্ষণ সামগ্ৰীও প্ৰদৰ্শন কৰা হ'ব।

## স্ক'ডা অটোৱে স্থাপন কৰিলে মাইলৰ খুঁটি

এবছৰতে ৫০,০০০ গাড়ী বিক্ৰী




**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** গাড়ী বিক্ৰীৰ ক্ষেত্ৰত স্ক'ডা অটো ইণ্ডিয়াই বিগত বৰ্ষ অৰ্থাৎ ২০২৫ চনত সৰ্বাধিক সফলতা লাভ কৰাৰ লগতে নতুন কুশ্বাক গাড়ীখন মুকলিৰ জৰিয়তে ভাৰতত নিজৰ স্থিতি সবল কৰিলে। ব্ৰেণ্ডটোৱে সৰ্বাধিক বিক্ৰী হোৱা গাড়ী কাইলাকৰো নতুন সংস্কৰণ মুকলি কৰি ভাৰতৰ পথত ইউৰোপীয় প্ৰযুক্তিক সুলভ কৰি গ্ৰাহকক পচন্দৰ গাড়ীৰ অধিক বিকল্প প্ৰদান কৰিছে। মুকলিৰ পাছত ৫০,০০০খনৰো অধিক গাড়ী বিক্ৰী হোৱাৰ লগতে কাইলাকে স্ক'ডা অটো ইণ্ডিয়াৰ বিক্ৰীত মুখ্য অৰিহণা যোগাইছে। কাইলাকৰ সুৰক্ষা, আৰামদায়ক চালনা, প্ৰযুক্তি আৰু দামে গ্ৰাহকৰ আকৰ্ষণ বৃদ্ধি কৰিছে। ইয়াৰ ফলত কাইলাক চাব-৪ মিটাৰ এছইউভি শ্ৰেণীৰ অন্যতম জনপ্ৰিয় গাড়ী হিচাপে বিবেচিত হৈছে।


## গুৱাহাটীত টয়িঙৰ সেৱা আৰম্ভ

### সুলভ মূল্যত অনলাইনত অৰ্ডাৰ দিব পাৰিব খাদ্য




**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** সুলভ মূল্যৰ অনলাইন খাদ্য যোগান প্ৰতিষ্ঠান টয়িঙে গুৱাহাটীত আনুষ্ঠানিকভাৱে সেৱা আৰম্ভ কৰিছে। ইয়াৰ জৰিয়তে টয়িঙে পুনে, আগ্ৰা, বদোদৰা, নাগপুৰ আৰু নাছিককে ধৰি দেশৰ ৬খন মহানগৰলৈ নিজৰ ব্যৱসায় সম্প্ৰসাৰণ কৰিলে। এতিয়াৰপৰা গুৱাহাটীৰ গ্ৰাহকে টয়িঙৰ এপৰ জৰিয়তে 'পেকেজিং' বা 'প্লেটফৰ্ম' মাচুল পৰিশোধ নকৰাকৈ ৰেস্তোৰাঁৰ টেবুল মেনুৰ মূল্যৰ সমান বা সৰ্বনিম্ন দামত খাদ্যৰ ফৰমাইছ (অৰ্ডাৰ) দিব পাৰিব। মূলতঃ শিক্ষাৰ্থী, চাকৰি সন্ধানী আৰু দামৰ প্ৰতি সচেতন 'জেন জি' গ্ৰাহকৰ বাবে টয়িঙে সেৱা আগবঢ়োৱাৰ লক্ষ্য লৈছে। অনলাইন খাদ্য যোগানক সুলভ দৈনন্দিন বিকল্প কৰি তোলাৰ উদ্দেশ্যে টয়িঙে আগবঢ়াইছে এই সেৱা। গ্ৰাহকে ৯৯ টকাতকৈও কম দামত টয়িঙৰ এপত বিৰিয়ানী, বাৰ্গাৰ আৰু বাউলৰ দৰে খাদ্য 'অৰ্ডাৰ' কৰিব পাৰিব। 'ৰং দে বসন্তী' ধাবা, 'বাৰ্গাৰ কিং', 'গোৱিন্দম' আৰু 'ফেট বেলী'কে ধৰি গুৱাহাটীৰ জনপ্ৰিয় ৰেস্তোৰাঁসমূহক ইতিমধ্যে টয়িঙৰ এপত তালিকাভুক্ত কৰা হৈছে। ইয়াত উত্তৰ ভাৰতীয় আৰু চীনা খাদ্যৰ পৰা আৰম্ভ কৰি চাট আৰু কণ্টিনেণ্টেল ফাষ্ট ফুডলৈকে বিবিধ খাদ্যৰ সম্ভাৰ যোগানৰ ব্যৱস্থা কৰা হৈছে।

### সোণৰ দাম (১০ গ্ৰাম)



| স্থান | ২২ কেৰেট | ২৪ কেৰেট |
|---|---|---|
| গুৱাহাটী | ১,৪১,৩৫০ | ১,৫৪,২০০ |
| কলকাতা | ১,৪০,৮৭৪ | ১,৫৩,৬৮১ |
| দিল্লী | ১,৪২,৫০০ | ১,৫৫,৪৪৯ |
| মুম্বাই | ১,৪১,৩৫০ | ১,৫৪,২০০ |

*(ব্ৰেণ্ড অনুপাতে মূল্যৰ তাৰতম্য হ'ব পাৰে)*

### মুদ্ৰাৰ বিনিময় মূল্য (ভাৰতীয় টকাৰ হিচাপত)



| | |
|---|---|
| মাৰ্কিন ডলাৰ | ৯০.৭৪ |
| ইউৰো | ১০৭.৩৭ |
| বৃটিছ পাউণ্ড | ১২৩.১৫ |
| চাইনিজ য়ুৱান | ১৩.১৩ |
| ছৌদি আৰবিয়ান ৰিয়াল | ২৪.১৮ |

## ৰাইজিং নৰ্থ-ইষ্ট বিজনেছ এক্সিলেন্স এৱাৰ্ড ২০২৬

### অভিনেত্ৰী বৰষা ৰাণী বিষয়া আৰু কণ্ঠশিল্পী দীপলিনা ডেকাৰ অনুষ্ঠানত অংশগ্ৰহণ


দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অলপতে গুৱাহাটীত সফলতাৰে অনুষ্ঠিত হৈ যায় ৰাইজিং নৰ্থ-ইষ্ট বিজনেছ এক্সিলেন্স এৱাৰ্ডছ ২০২৬। উত্তৰ-পূব ভাৰতৰ ব্যৱসায়িক বিকাশ আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱা ব্যতিক্ৰমী উদ্যোগী, পেছাদাৰী, আৰু সংস্থাসমূহক এই অনুষ্ঠানত স্বীকৃতি প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জনপ্ৰিয় অভিনেত্ৰী বৰষা ৰাণী বিষয়া আৰু অভিনেত্ৰী তথা কণ্ঠশিল্পী দীপলিনা ডেকা। ৰাইজিং নৰ্থ-ইষ্ট বিজনেছ এক্সিলেন্স এৱাৰ্ড ২০২৬ত অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম, নগালেণ্ড আৰু ছিকিমৰ সফলতা অৰ্জন




কৰাসকলক স্বীকৃতি প্ৰদান কৰা হয়। বঁটাপ্ৰাপকসকলক ব্যৱসায়িক কৰ্মদক্ষতা, গ্ৰাহকৰ আস্থা, উদ্ভাৱন, বজাৰৰ প্ৰভাৱ আৰু নিজ নিজ খণ্ডত লাভ কৰা ধাৰাবাহিক বিকাশৰ ওপৰত ভিত্তি কৰি নিৰ্বাচিত কৰা হৈছিল। ৰাইজিং নৰ্থ-ইষ্ট বিজনেছ এক্সিলেন্স এৱাৰ্ড ২০২৬ৰ বঁটাত মুঠ ৫১ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক বঁটা প্ৰদান কৰা হয়।

## অ'ল্ড ব্ৰীজ মিউচুৱেল ফাণ্ডৰ ফ্লেক্সি কেপ ফাণ্ড মুকলি




**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** অ'ল্ড ব্ৰীজ মিউচুৱেল ফাণ্ডে অল্ড ব্ৰীজ ফ্লেক্সি কেপ ফাণ্ড আৰম্ভ কৰাৰ কথা ঘোষণা কৰিছে। ই এবিধ অপেন এন্দেড ইকুইটি আঁচনি আৰু লাৰ্জ-কেপ, মিড-কেপ আৰু স্মল-কেপ ষ্টকত বিনিয়োগ কৰে, যিয়ে বিনিয়োগকাৰীসকলক একক বৈচিত্ৰ্যময় পৰ্টফলিঅ'ৰ জৰিয়তে বজাৰ চক্ৰসমূহৰ ছাহিদা অনুযায়ী বিনিয়োগ স্বকীয়তা প্ৰদান কৰে। অল্ড ব্ৰীজ ফ্লেক্সি কেপ ফাণ্ডৰ নিউ ফাণ্ড অফাৰ (এনএফঅ') ১৩ ফেব্ৰুৱাৰীত মুকলি কৰা হৈছে আৰু ২০২৬ চনৰ ২৩ ফেব্ৰুৱাৰীত বন্ধ হ'ব। এইবিধ ফাণ্ডৰ প্ৰাৰম্ভিক মূল্য প্ৰতি ইউনিটত ১০ টকা, এককালীন আবেদনৰ বাবে ন্যূনতম ৫,০০০ টকা আৰু এছ আই পিৰ বাবে ১,০০০ টকা বিনিয়োগ কৰা হয়। ভাৰতীয় মূলধনী বজাৰত ৩৪ বছৰৰো অধিক অভিজ্ঞতা সম্পন্ন মুখ্য বিনিয়োগ বিষয়া কেনেথ এণ্ড্ৰেডে পৰিচালনা কৰিব এই অল্ড ব্ৰীজ ফ্লেক্সি কেপ ফাণ্ড।

## তামুলপুৰৰ সুশান্ত ৰামচিয়াৰীৰ আত্মনিৰ্ভৰশীল যাত্ৰা

উদ্যমী



অসমৰ এখন সাধাৰণ গাঁৱৰ এজন সাধাৰণ যুৱক। হাতত কোনো পুঁজি নাছিল। কেৱল অদম্য ইচ্ছাশক্তি আৰু অক্লান্ত পৰিশ্ৰমেই তেওঁৰ মূলধন আছিল। তেওঁৰ নাম সুশান্ত ৰামচিয়াৰী। তামুলপুৰৰ এই যুৱকজনে দিনটোৰ হাজিৰাৰ ধনৰে জীৱন নিৰ্বাহ কৰিছিল। কিন্তু সেই হাজিৰাৰ প্ৰতিটো টকা তেওঁ সঞ্চয় কৰিছিল। সেই সঞ্চয়ৰে তেওঁ কেৱল ব্যৱসায়েই আগবঢ়াই নিয়া নহয়, তামুলপুৰত ১৬ বিঘা মাটিও কিনিবলৈ সক্ষম হৈছে। আজি সেই মাটিৰপৰাই তেওঁ অঞ্চলটোৰ নতুন প্ৰজন্মৰ আদৰ্শ কৃষক হিচাপে প্ৰতিষ্ঠা লাভ কৰিছে। সুশান্তই কিনা মাটি আছিল বালিয়ে পুতি পেলোৱা, অনুৰ্বৰ। বহুতে ভাবিছিল-এই মাটিত কি হ'ব? কিন্তু তেওঁ হাৰ নামানিলে। অক্লান্ত পৰিশ্ৰমেৰে সেই মাটি পুনৰুদ্ধাৰ কৰিলে। আজি সেই একে মাটিতে ১১০০ জোপা তামোল, ৫০০ জোপা নাৰিকল, দুটা সুন্দৰ পুখুৰী, দুহেজাৰৰো অধিক মালয়েছিয়া শাল, মেহগনি আৰু বাঁহ গছৰ সমাৰোহ। প্ৰতি বছৰে মেহগনিৰ কাঠৰ মূল্য বাঢ়ি আহিছে। বি টি চি প্ৰশাসনে তেওঁক এটা পলি হাউছো প্ৰদান কৰিছিল। ড্ৰেগন ফুড, বিভিন্ন ফল-মূল, শাক-পাচলিৰ খেতিৰ লগতে জৈৱিক পদ্ধতিত গাহৰি আৰু ছাগলীৰ ফাৰ্ম-সকলো মিলি তেওঁৰ ফাৰ্ম এতিয়া এক বহুমুখী স্বপ্নৰ উদ্যান। সুশান্ত ৰামচিয়াৰী স্নাতক হৈও চাকৰিৰ পিছে পিছে দৌৰা নাছিল। একাণপতীয়াকৈ কৃষি কৰ্মত লাগিছিল। তেওঁৰ বিশ্বাস আছিল ' মাটিত কৃষি কৰ্মৰে সোণ বুটলিব পৰা যাব'। অৱশেষত তেওঁৰ বিশ্বাস বাস্তৱায়িত হৈছে। তেওঁ স্পষ্টকৈ কয় যে চৰকাৰে যদি বজাৰৰ সঠিক ব্যৱস্থা কৰি দিয়ে, তেন্তে হাজাৰ হাজাৰ যুৱকে এই পথ বাছি ল'ব, অসমৰ অৰ্থনীতি আৰু শক্তিশালী হ'ব। লক্ষণীয় যে তেওঁৰ সংগ্ৰাম দেখি তামুলপুৰৰ বহু যুৱকে কৃষি কৰ্মত আত্মনিয়োগ কৰিছে। সেয়ে যিসকলে ভাবে 'মাৰ একো নাই, মই একো কৰিব নোৱাৰোঁ'- তেওঁলোকৰ বাবে সুশান্ত ৰামচিয়াৰী এটা জীৱন্ত উদাহৰণ। এজন সাধাৰণ হাজিৰা শ্ৰমিকৰপৰা এজন সফল, আত্মনিৰ্ভৰশীল কৃষকলৈকে যাত্ৰা। সুশান্ত ৰামচিয়াৰীয়ে কয়, 'একাণপতীয়াকৈ লাগি থাকিলে পৰিশ্ৰম কেতিয়াও বিফল নহয়। লাগি থাকিলে সকলোৱে অসমৰ মাটিতে সোণ বুটলিবলৈ সক্ষম হ'ব। কেৱল বিশ্বাস ৰাখক, অক্লান্তভাৱে আগবাঢ়ক।

◆ জিতেন্দ্ৰ কুমাৰ চৌধুৰী

ভ্ৰাম্যভাষ ঃ ৯৮৬৪০ ৩৭৪১৬

# সমাগত বিধানসভা নিৰ্বাচন ঃ বজালী সমষ্টিত বিজেপিৰ প্ৰাৰ্থিত্বৰ বাবে ৭ জনৰ আবেদন

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১৮ ফেব্ৰুৱাৰী ঃ** বিধানসভা নিৰ্বাচনলৈ দুমাহমান বাকী থকা সময়তে বজালী জিলাৰ ৰাইজৰ বাবে এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন হৈ পৰিছে বজালী সমষ্টিত মিত্ৰজোঁটৰ হৈ কাক প্ৰাৰ্থিত্ব প্ৰদান কৰিব। ইয়াৰ মাজতে কালি বিজেপিৰ ২৬ নং বজালী সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব বিচাৰি ৰাজ্যিক বিজেপিত আবেদন দাখিল কৰাৰ অন্তিমটো দিনত সাতগৰাকীকৈ বিজেপি নেতাই দাখিল কৰিছে নিজৰ আবেদন। বজালী সমষ্টি যদি মিত্ৰজোঁটে বিজেপিক এৰি দিয়ে, তেন্তে সমষ্টিটোৰ বাবে বিজেপি প্ৰাৰ্থী হিচাপে আবেদন দাখিল কৰা নেতাকেইগৰাকী হৈছে ক্ৰমে বজালী জিলা বিজেপিৰ প্ৰাক্তন সভাপতি তথা জ্যেষ্ঠ বিজেপি নেতা নগেন চৌধুৰী, প্ৰাক্তন জিলা সভাপতি ফণী পাঠক, বৰ্তমানৰ জিলা উপ-সভাপতি সুৰজিৎ পাটগিৰি, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধি, পাঠশালা নগৰ সমিতিৰ প্ৰাক্তন উপ-সভাপতি প্ৰভা দাস, বজালী জিলা পৰিষদৰ সভানেত্ৰী মিনাক্ষী দাস আৰু বিজেপি নেতা বৈকুণ্ঠ শৰ্মা। উল্লেখযোগ্য যে বিজেপিৰ বজালী জিলা, বৰপেটা জিলা, বঙাইগাঁও জিলাৰ বিজেপিৰ প্ৰাৰ্থিত্বৰ বাবে আবেদন দাখিল কৰা প্ৰাৰ্থীসকলৰ বাছনিৰ বাবে কালি বৰপেটাত মণ্ডল পৰ্যায়ৰ, বুথ পৰ্যায়ৰ নেতাসকলে ভোটদান কৰে।




# নাগ্ৰীজুলিত একাধিক পথৰ আধাৰশিলা

**দৈনিক অসমৰ প্ৰতিনিধি**

**তামুলপুৰ, ১৮ ফেব্ৰুৱাৰী ঃ** তামুলপুৰ জিলাৰ বিটিচিৰ নাগ্ৰীজুলি বিটিচি পাৰিষদীয় সমষ্টিত কালি সমষ্টিটোৰ পাৰিষদ তথা বিটিচিৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী সদস্য লক্ষী দাসে কেইবাটাও গুৰুত্বপূৰ্ণ পথৰ আধাৰশিলা স্থাপন কৰে। নাগ্ৰীজুলি সমষ্টিৰ সীমাৱৰ্তী অঞ্চলৰ পাঁচটাকৈ গুৰুত্বপূৰ্ণ পথৰ আধাৰশিলা এক মাংগলিক পৰিৱেশত স্থাপন কৰে পাৰিষদগৰাকীয়ে।




### আশা কৰ্মীৰ উপযুক্ত মাননিসহ অন্যান্য সা-সুবিধাৰ পোষকতা

# গোৱালপাৰাত ‘আশা’ সন্মিলন সম্পন্ন

**দৈনিক অসমৰ প্ৰতিনিধি**

**গোৱালপাৰা, ১৮ ফেব্ৰুৱাৰী ঃ** সমাজত ‘আশা’ কৰ্মীসকলৰ অৱদান অতুলনীয়। চৰকাৰী সামান্য মাননিকে বিনাপ্ৰতিবাদে গ্ৰহণ কৰি মানৱ সেৱাৰ অৰ্থে দিনে-নিশাই মহিলা আৰু শিশুৰ কল্যাণৰ বাবে যথেষ্ট ত্যাগ কৰে। চৰকাৰে এই শক্তিক আৰু গতিশীল কৰিবলৈ মাননি বৃদ্ধিৰ লগতে অন্যান্য সা-সুবিধা দিয়া উচিত। কালি গোৱালপাৰাত অনুষ্ঠিত ‘আশা অভিৱৰ্তন’ত এই বিষয় উত্থাপন কৰে বিশিষ্ট অতিথিসকলে। গোৱালপাৰা জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য সমিতি, গোৱালপাৰাৰ উদ্যোগত স্থানীয় নটসূৰ্য ফণী শৰ্মা ভৱনত জিলাৰ ১১৩৯গৰাকী আশাকৰ্মী আৰু ৮৮গৰাকী ছুপাৰভাইজৰৰ সন্মিলনত আদৰণী ভাষণ দিয়ে মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ জনবীৰ দাসে। জিলা উন্নয়ন আয়ুক্ত প্ৰণৱ কুমাৰ বৰা উপস্থিত থাকি ‘আশা’সকলৰ কৰ্মৰাজিৰ প্ৰশংসা কৰি উৎসাহিত কৰে। সন্মিলনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সাংবাদিক-সাহিত্যিক দিলীপ কুমাৰ শৰ্মা। সন্মিলনত জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা প্ৰতি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ তিনিগৰাকীকৈ ‘আশা’কৰ্মীক শ্ৰেষ্ঠত্বৰ বঁটাৰে সম্বৰ্দ্ধনা জনোৱাৰ লগতে সত্তৰ উৰ্দ্ধৰ তিনিগৰাকী অৱসৰপ্ৰাপ্ত ‘আশা’কৰ্মীক জীৱনজোৰা ত্যাগৰ বাবে দুই লাখকৈ টকাৰ চেক প্ৰদানেৰে সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত ‘আশা’ৰ ভাষণ দিয়ে ঊষা ৰাণী শীলে।

### ষড়যন্ত্ৰৰ বলি হোৱাৰ অভিযোগ এপ’ল’ মিল বঞ্চিত কৰ্মচাৰীৰ ভি আৰ এছ দাবী সমিতিৰ

# দ্বিতীয় কিস্তি ধনৰপৰা বঞ্চিত এপ’ল’ৰ ৩৮০ কৰ্মচাৰী



**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙিয়া, ১৮ ফেব্ৰুৱাৰী ঃ** ব্যাপক দুৰ্নীতি, অনিয়ম আৰু লুণ্ঠনৰ পৰিপ্ৰেক্ষিতত অকালতে মৃত্যুমুখত পৰা ৰঙিয়াৰ তুলসীবাৰীৰ লাভজনক বস্ত্ৰ উদ্যোগ এপ’ল’ মিলৰ উইভিং আৰু প্ৰচেছিং শাখাৰ ৩৮০জন কৰ্মচাৰীক এটা বিশেষ চক্ৰই ভি আৰ এছৰ দ্বিতীয় কিস্তিৰ ধন লাভৰ পৰা ষড়যন্ত্ৰমূলকভাৱে বঞ্চিত কৰিবলৈ উঠিপৰি লগা বুলি অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত ‘এপ’ল’ মিল বঞ্চিত কৰ্মচাৰীৰ ভি আৰ এছ দাবী সমিতি’য়ে কালি এখন সংবাদমেলযোগে অন্যায়-অবিচাৰৰ সমস্ত তথ্য সদৰী কৰিছে। উল্লেখ্য যে এপ’ল’ মিলৰ ৩৯৪জন শ্ৰমিক কৰ্মচাৰীয়ে ইতিমধ্যে তেওঁলোকৰ ভি আৰ এছৰ প্ৰথম কিস্তিৰ ধন লাভ কৰাৰ পাছত সম্প্ৰতি দ্বিতীয় কিস্তিৰ ধনো লাভ কৰাৰ পথ ক্ৰমশঃ প্ৰশস্ত হৈ পৰিছে যদিও মিলটোৰ উইভিং আৰু প্ৰচেছিং শাখাৰ কৰ্মচাৰীসকলক বিভাগীয় বিভিন্ন নীতি-নিয়মৰ দোহাই দি ভি আৰ এছৰ দ্বিতীয় কিস্তিৰ ধন লাভৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰঙিয়া প্ৰেছ ক্লাবত আয়োজিত সংবাদমেলত এপ’ল’ মিল বঞ্চিত কৰ্মচাৰীৰ ভি আৰ এছ দাবী সমিতিৰ নেতা মুনীন্দ্ৰ কলিতা আৰু অমূল্য কুমাৰ নমঃশূদ্ৰই ক্ষোভ প্ৰকাশ কৰি কয় যে এপ’ল’ মিল কৰ্তৃপক্ষই মিলটোৰ উইভিং আৰু প্ৰচেছিং শাখাৰ ৩৮০জন কৰ্মচাৰীক কোনোৰকমৰ বেতন নিদিয়াকৈ ২০১৬ চনলৈ চাকৰিত নিযুক্ত কৰি ৰাখিছিল। অসম চৰকাৰৰ সমবায় বিভাগে ব্যাপক লোকচানৰ পৰিপ্ৰেক্ষিতত ২০১৬ চনত মিলটো বন্ধ ঘোষণা কৰে। এনে পৰিপ্ৰেক্ষিতত মিলৰ এইসকল কৰ্মচাৰীয়ে চৰকাৰৰ পৰা উপযুক্ত ক্ষতিপূৰণ দাবী কৰে। শ্ৰমিক কৰ্মচাৰীৰ দাবীৰ পৰিপ্ৰেক্ষিতত চৰকাৰৰ সমবায় বিভাগে ২০১৮ চনত এইসকল কৰ্মচাৰীৰ বাবে ক্ষতিপূৰণ হিচাপে ১২.৪৩ কোটি টকাৰ আৰ্থিক পেকেজ ঘোষণা কৰে যদিও মিল কৰ্তৃপক্ষই শ্ৰমিক কৰ্মচাৰীসকলক এই ধনৰ আংশিক পৰিমাণহে দিয়ে। ২০১৮ চনত প্ৰদান কৰা এই আৰ্থিক পেকেজৰ পাছত মিলৰ এই ৩৮০জন কৰ্মচাৰীয়ে আজিকোপতি কোনোৰকমৰ আৰ্থিক সকাহ নোপোৱাত সম্প্ৰতি এইসকল কৰ্মচাৰীৰ মনত ক্ষোভৰ জুই জ্বলি উঠিছে। মিলৰ এইসকল কৰ্মচাৰীৰ যুক্তি হ’ল চৰকাৰৰ সমবায় বিভাগে মিলটোৰ স্পিনিং শাখাৰ ৩৯৪জন কৰ্মচাৰীৰ বাবে যদি দুটাকৈ কিস্তিত ভি আৰ এছৰ ধন প্ৰাপ্তিৰ ব্যৱস্থা কৰিব পাৰে, তেন্তে উইভিং আৰু প্ৰচেছিং শাখাৰ ৩৮০জন কৰ্মচাৰীয়ে কিয় দ্বিতীয় কিস্তিৰ ধন নাপাব। এইক্ষেত্ৰত এইসকল কৰ্মচাৰী মিল কৰ্তৃপক্ষৰ চৰম বঞ্চনা আৰু বৈষম্যৰ বলি হোৱা বুলি অভিযোগ কৰি দুয়োগৰাকী নেতাই কয় যে মিলৰ উইভিং আৰু প্ৰচেছিং শাখাৰ ৩৮০জন কৰ্মচাৰীয়ে মিল বন্ধ হোৱাৰ সময়লৈকে কৰ্মত নিয়োজিত হৈ থকাৰ পাছতো কৰ্তৃপক্ষই তেওঁলোকক চক্ৰান্তমূলকভাৱে ২০০৩ চনৰ বেছিক পে’ আৰু ‘ডি এ’ৰ আধাৰত ২০০৬ চনলৈ ভি আৰ এছৰ ধনৰাশি ল’বলৈ বাধ্য কৰায়। আচলতে এইসকল কৰ্মচাৰীয়ে মিলটোৰ স্পিনিং শাখাৰ ৩৯৪জন কৰ্মচাৰীৰ দৰেই ২০১৬ চনৰ ‘বেছিক পে” আৰু ‘ডি এ’ৰ অধাৰত ৮৪ মাহৰ অনাদায় দৰমহাসহ ভি আৰ এছ লাভৰ বাবে যোগ্য কাৰণ মিল কৰ্তৃপক্ষই এইসকল কৰ্মচাৰীক ২০১৬ চনলৈ বেতনসহ ভৱিষ্যনিধিৰ ধন সময়মতে আদায় দিছে। সংবাদমেলত দাবী সমিতিয়ে গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে মিল কৰ্তৃপক্ষই অতি ষড়যন্ত্ৰমূলকভাৱে মিলত ২০১৬ চনলৈ কাম কৰি থকা বহু কৰ্মচাৰীৰ নাম কৰ্তন কৰি মৃত আৰু বহু বছৰ ধৰি কৰ্তব্যত উপস্থিত নথকা কৰ্মচাৰীৰ নাম ভি আৰ এছৰ তালিকাত অন্তৰ্ভুক্ত কৰি চৰকাৰী ধনৰ হৰলুকী কৰিছে। ইয়াৰ লগতে আমাক লঘু-লাঞ্ছনা কৰাৰ লগতে চৰকাৰী বিষয়াক অপমানিত কৰিছে। ইফালে মিলৰ স্পিনিং শাখাৰ ৩৯৪জন কৰ্মচাৰীৰ ভি আৰ এছৰ তালিকা প্ৰস্তুতৰ বেলিকাও কৰ্তৃপক্ষই ব্যাপক দুৰ্নীতি-অনিয়মৰ আশ্ৰয় লোৱা বুলি সমিতিয়ে অভিযোগ কৰে। এই তালিকাত মিলৰ ১০জন যোগ্য কৰ্মচাৰীক ষড়যন্ত্ৰমূলকভাৱে বাদ দিয়া বুলি অভিযোগ কৰি দাবী সমিতিয়ে কয় যে চৰকাৰৰ সমবায় বিভাগে অনতিবিলম্বে সমগ্ৰ বিষয়টো পুংখানুপুংখভাৱে তদন্ত কৰি মিলৰ উইভিং আৰু প্ৰচেছিং শাখাৰ ৩৮০জন কৰ্মচাৰীক ভি আৰ এছৰ দ্বিতীয় কিস্তিৰ ধন মোকলাই দিব লাগে। তদুপৰি স্পিনিং শাখাৰ ৩৯৪জনীয়া তালিকাৰ পৰা ষড়যন্ত্ৰমূলকভাৱে বাদ দিয়া কৰ্মচাৰীসকলক তাৎক্ষণিকভাৱে অন্তৰ্ভুক্ত কৰি ভি আৰ এছৰ দ্বিতীয় কিস্তিৰ ধন প্ৰদানৰ ব্যৱস্থা কৰিবলৈ এপ’ল’ মিল বঞ্চিত কৰ্মচাৰীৰ ভি আৰ এছ দাবী সমিতিয়ে চৰকাৰক দাবী জনায়।

# বৰপেটাত নিপুণ সাৰথিৰ প্ৰশিক্ষণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**বৰপেটা, ১৮ ফেব্ৰুৱাৰী ঃ** বৰপেটা শিক্ষা খণ্ডৰ অন্তৰ্গত বাৰাদি মণ্ডল সমল কেন্দ্ৰৰ ৪৪৪ নং পলাশৰতল প্ৰাথমিক বিদ্যালয়ত কালি নিপুণ সাৰথিৰ সৈতে শিক্ষকৰ দিকদৰ্শন সভা এখন অনুষ্ঠিত হৈ যায়। বাৰাদি মণ্ডল সমল কেন্দ্ৰৰ মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক কনজিৎ কুমাৰ দাসে আঁত ধৰা দিকদৰ্শন সভাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বাৰাদি মণ্ডল সমল কেন্দ্ৰৰ নিপুণ সাৰথি কেওটকুছি মজলীয়া বিদ্যালয়ৰ সহঃ শিক্ষয়িত্ৰী ভাগ্যৰেখা গোস্বামীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক দিকদৰ্শন দিয়াৰ লগতে বিদ্যালয়ত কাৰ্যপত্ৰৰ ব্যৱহাৰ, ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ খতিয়ানৰ লগতে শ্ৰেণীকোঠা পৰ্যৱেক্ষণ কৰা সন্দৰ্ভতো বিতংকৈ আলোচনা কৰা হয়। তদুপৰি দ্বিতীয় শ্ৰেণীৰ অনলাইন ক’ব’ লিংকত থিতাতে পৰীক্ষা পতা বিষয়তো বিশদভাৱে আলোচনা কৰা হয়।

# বাঁহজানীত শিক্ষাৰ্থীৰে মত- বিনিময় অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**বাঁহজানী, ১৮ ফেব্ৰুৱাৰী ঃ** সংস্কাৰপূৰ্ণ সমাজেহে ধৰ্ম আৰু আধ্যাত্মিকতাক মানৱৰ কল্যাণৰ অৰ্থে সঠিকভাৱে আগুৱাই নিব পাৰে। —এই মন্তব্য কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যৰ। নলবাৰী জিলাৰ বাঁহজানীৰ কুমাৰীকাটাৰ বিষ্ণুপুৰত আৰম্ভ হোৱা সপ্তম বাৰ্ষিক শ্ৰীশ্ৰীশিৱ পূজা উপলক্ষে ১৬ফেব্ৰুৱাৰীৰ দিনৰ ১২ বজাৰপৰা বিষ্ণুপুৰ শ্ৰীশ্ৰীশিৱ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত বিশেষ ধৰ্মীয় আলোচনা আৰু শিক্ষাৰ্থীৰে মত বিনিময় অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি একাডেমীখনৰ অধ্যক্ষ বৈশ্যই ভাষণত আৰু কয় যে সজ আচৰণবিধিৰেহে মানুহৰ অন্তৰ জয় কৰিব পাৰি আৰু তেতিয়াহে সমাজ এখনে উন্নতি আৰু উন্নয়নৰ দিশে গতি কৰিব পাৰে। শিক্ষাৰ্থীৰে মত বিনিময় কৰি প্ৰতিযোগিতামূলক নম্বৰ লাভৰ সমান্তৰালকৈ সকলোকে সংস্কাৰী হোৱাৰ বাবে আহ্বান জনায় তেওঁ। সভাখনত জ্যেষ্ঠ সাংবাদিক নগেন তালুকদাৰে অংশগ্ৰহণ কৰি নিজৰ শুভেচ্ছামূলক চমু ভাষণত হিয়াৰ আমঠু, বিশ্বকণ্ঠ জুবিন গাৰ্গ, আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বাঁহীবাদক দীপক শৰ্মা আৰু নাগাৰা সূৰ্য ৰামচৰণ ভৰালীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই মহাপ্ৰভু শিৱৰ বিষয়ে তাত্ত্বিক বক্তব্য প্ৰদান কৰে।

### ■ বৰ্তমানেও সম্পূৰ্ণ নহ’ল ৰখীয়া চকী-ফেঞ্চিং ব্যৱস্থা ■

# সৰুপেটাত অসম্পূৰ্ণ ‘অমৃত সৰোৱৰৰ নিৰ্মাণ’ আঁচনি



**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰুপেটা, ১৮ ফেব্ৰুৱাৰী ঃ** ঐতিহাসিক গোপাল আতা সত্ৰৰ সমীপৰ ধৰ্মানুষ্ঠানৰ বাবে সংৰক্ষিত অঞ্চলত ‘অমৃত সৰোবৰ আঁচনি’ অনুসৰি খনন কৰা ৯টাকৈ অমৃত সৰোবৰ আজিও অসুৰক্ষিত অৱস্থাত আছে। উন্মুক্ত পথাৰৰ মাজত খনন কৰা ৯টাকৈ অমৃত সৰোবৰৰ পাৰত স্থাপিত ৰখীয়া চকীসমূহৰ নিৰ্মাণ অসম্পূৰ্ণ হৈ থকাত আজিলৈকে ৰখীয়া নিযুক্তিৰ ব্যৱস্থাটো সম্ভৱ নোহোৱাৰ লগতে সৰোবৰসমূহৰ চৌদিশে স্থাপন কৰিবলগীয়া ফেঞ্চিং ব্যৱস্থাটোও আজিলৈকে অসম্পূৰ্ণ হৈ থাকিল। তদুপৰি অমৃত সৰোবৰসমূহ নিয়াৰিকৈ তদাৰকৰ ক্ষেত্ৰত সুবিধা হোৱাকৈ দুটাকৈ অমৃত সৰোবৰৰ মাজৰ পথ ব্যৱস্থাটোও শোচনীয় হৈ থকাতো ৰাইজে চৰকাৰী প্ৰাক্কলন অনুসৰি নিৰ্মিত অমৃত সৰোৱৰসমূহৰ খননৰ বাবে আবণ্টিত ধনৰাশিৰ সদ্ব্যৱহাৰ নোহোৱাৰ ক্ষেত্ৰতো সন্দেহ প্ৰকাশ কৰিছে। ইতিমধ্যে অমৃত সৰোবৰসমূহৰ সুৰক্ষাজনিত দিশলৈ লক্ষ্য ৰাখি ৯টাকৈ অমৃত সৰোবৰ তদাৰকৰ দায়িত্ব ঐতিহাসিক সত্ৰখনৰ পৰিচালনা সমিতিলৈ হস্তান্তৰ কৰাৰ বাবে সত্ৰখনৰ পৰিচালনা সমিতিয়ে বজালী আয়ুক্তৰ ওচৰত আবেদন জনাইছিল যদিও অমৃত সৰোবৰসমূহৰ হস্তান্তৰ প্ৰক্ৰিয়া এতিয়ালৈকে সম্পূৰ্ণ নোহোৱাৰ কথা জানিব পৰা গৈছে।

# ঘগ্ৰাপাৰ শাখা সাহিত্য সভাৰ অধিৱেশন

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ নলবাৰী জিলা সমিতিৰ অধীনৰ ঘগ্ৰাপাৰ শতদল শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন ১৫ ফেব্ৰুৱাৰীত ঘগ্ৰাপাৰ হৰি মন্দিৰৰ প্ৰাংগনত অনুষ্ঠিত হৈ যায়। সম্পাদক মনহৰি কলিতাই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে ঘগ্ৰাপাৰ শতদল শাখা সাহিত্য সভাৰ সভাপতি জমছেদ আলীয়ে। উক্ত সভাত নলবাৰী জিলা সাহিত্য সভাৰ উপ-সভাপতি ডাঃ সমৰ তালুকদাৰ, সম্পাদক নৰেশ্বৰ কলিতা আৰু অসম সাহিত্য সভাৰ নলবাৰী জিলা প্ৰতিনিধি ডাঃ বিপিন কলিতা পৰ্যৱেক্ষক হিচাপে উপস্থিত থাকি আগন্তুক দ্বি-বৰ্ষৰ বাবে ঘগ্ৰাপাৰ শতদল শাখা সাহিত্য সভাৰ সমিতিখন গঠন সম্পৰ্কে আলোচনা আগবঢ়ায়। ঘগ্ৰাপাৰ শতদল শাখা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সমিতিখন দুবছৰীয়া কাৰ্যকালৰ বাবে গঠন কৰা হয়। উল্লিখিত কাৰ্যকালৰ বাবে মনহৰি কলিতাক সভাপতি, আনোৱাৰ চৌধুৰীক উপ-সভাপতি আৰু খনীন্দ্ৰ কুমাৰ লহকৰক সম্পাদক হিচাপে নিৰ্বাচন কৰা হয়।

# বিদ্যুৎ বিতৰণ ব্যৱস্থা ব্যক্তিগতকৰণৰ বিৰোধিতা

**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** বিদ্যুৎ বিতৰণ ব্যৱস্থাৰ বে-চৰকাৰীকৰণৰ প্ৰক্ৰিয়া বন্ধ কৰা, ঘৰুৱা গ্ৰাহকক মাহত ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰা, বিগত সময়ত এ পি ডি চি এলে মুনাফা লাভ কৰা ৪০০ কোটিৰ অনুপাতত বিদ্যুতৰ মাচুল হ্ৰাস কৰাসহ অন্যান্য দাবীত অল আছাম ইলেক্ট্ৰিচিটী কনজিউমাৰ্ছ এছ’চিয়েচনে ১০ ফেব্ৰুৱাৰীৰপৰা ১৬ ফেব্ৰুৱাৰীলৈ ৰাজ্যব্যাপী প্ৰতিবাদী কাৰ্যসূচী পালনৰ যি আহ্বান জনাইছিল, তাৰেই অংশ হিচাপে এছ’চিয়েচনৰ নলবাৰী জিলা কমিটীয়ে কালি দাবী দিৱসত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ পাছত এটা প্ৰতিনিধি দলে প্ৰবন্ধকৰ নলবাৰী বৈদ্যুতিক, উপ-সংমণ্ডলৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ ৭ দফীয়া দাবীৰে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। স্মাৰকপত্ৰখনত ঘৰুৱা গ্ৰাহকৰ বাবে মাহত ১২৫ ইউনিট বিদ্যুৎ বিনামূলীয়াকৈ যোগান ধৰা, বিগত সময়ত এ পি ডি চি এলে লাভ কৰা ধনৰ আনুপাতিক হাৰত মাচুল হ্ৰাস কৰা, ৰাজ্য, জিলা, ডিভিজন, ছাব-ডিভিজন আদি সকলো পৰ্যায়ত উপযুক্ত চি জি আৰ এফ গঠন কৰা, বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু হোৱা লোকৰ পৰিয়ালক উপযুক্ত ক্ষতিপূৰণ দিয়া, ৰাজহুৱা শক্তি বিতৰণ ব্যৱস্থাৰ বে-চৰকাৰীকৰণৰ সকলো প্ৰক্ৰিয়া বন্ধ কৰা, অসমৰ বিদ্যুৎ গ্ৰাহকক প্ৰি-পেইড স্মাৰ্ট মিটাৰ জোৰ-জুলুমকৈ জাপি দিয়াৰ পৰিপ্ৰেক্ষিতত নতুন সংযোগ ল’বলগীয়া ‘ঘৰুৱা-এ’ গ্ৰাহকক বিনামূলীয়াকৈ মিটাৰ যোগান ধৰা আৰু প্ৰি-পেইড ব্যৱস্থাত গ্ৰাহকৰ পূৰ্বতে জমা ৰখা আমানতৰ সম্পূৰ্ণ ধন অনতিপলমে ঘূৰাই দিয়াকে ধৰি ৭ দফীয়া দাবী উত্থাপন কৰা হয়।

# ধুবুৰীত সবলীকৰণ-দক্ষতা বিকাশ সন্দৰ্ভত পৰামৰ্শ শিবিৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ধুবুৰী, ১৮ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ নৱপ্ৰজন্মৰ যুৱক-যুৱতীসকলক সবলীকৰণৰ লগতে দক্ষতা বিকাশৰ ওপৰত ধুবুৰী জিলা ‘মেৰা যুৱ ভাৰত’ কাৰ্যালয়ে বিভিন্ন কাৰ্যপন্থা হাতত লৈছে। শেহতীয়াকৈ ধুবুৰীৰ ৰাণীগঞ্জ আৰু বিলাসীপাৰা অঞ্চলত তিনিদিনীয়াকৈ আৱাসিক বুথ কেম্প অনুষ্ঠিত কৰি অঞ্চলটোৰ যুৱক-যুৱতীসকলক অনুপ্ৰেৰণাদায়ক পৰামৰ্শ দিয়াৰ লগতে যুৱ সবলীকৰণ আৰু যুৱপ্ৰজন্মৰ দক্ষতা বিকাশ সন্দৰ্ভত বিভিন্ন দিশ আলোকপাত কৰা হয়। অনুষ্ঠাটোৰ বিশেষ বক্তা তথা আলোচক হিচাপে বিভিন্ন দিশ সামৰি লৈ ভাষণ প্ৰদান কৰে যুৱ পেছাদাৰী জল জীৱনৰ বিশেষ বক্তা মুজাফ্‌ফৰ হুছেইনৰ লগতে মিছ্ন পংকজ ৰায়, প্ৰজ্ঞান দৰেৱা, কমল উদ্দিন বৰভূঞা, মুছা শ্বেখ আৰু সাহাজুল ইছলামকে ধৰি কেইবাজনো বক্তাই ভাষণ দিয়ে। কৰ্মশালাৰ অন্তত অংশগ্ৰহণকাৰী যুৱক-যুৱতীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়।




### মৰিগাঁও শাখা সাহিত্য সভা

# সেউজীয়া অসমৰ বৈঠক

**দৈনিক অসমৰ প্ৰতিনিধি**

**মৰিগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ দাপোণস্বৰূপ সেউজীয়া অসম আলোচনাচক্ৰৰ ২১৬ সংখ্যক বৈঠকখন ১৪ ফেব্ৰুৱাৰীত বিস্তৃত কাৰ্যসূচীৰে শাখা সাহিত্য সভাৰ কাৰ্যালয় গুৰুচৰণ মেধি ভৱনত অনুষ্ঠিত কৰা হয়। বিশিষ্ট কবি-সাহিত্যিক, প্ৰাক্তন বিধায়ক হৰেন্দ্ৰ বৰাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনাচক্ৰখনৰ আঁত ধৰে সেউজীয়া অসম আলোচনাচক্ৰৰ সম্পাদক জাৰ্জিনা বেগমে। আলোচনাচক্ৰখনত মৰিগাঁও শতদল শাখা সাহিত্য সভাৰ সভাপতি পোনা দেৱী মহন্ত, উপ-সভাপতি প্ৰদীপ পৰাশৰ, সম্পাদক ৰোহিণী হাজৰিকা, প্ৰাক্তন সভাপতি স্মৃতিৰেখা গোহাঁই, প্ৰতিষ্ঠিত লেখিকা শেৱালি শৰ্মা বৰকটকী, দীপা শৰ্মা, ফুকুল ভট্ট, বিশিষ্ট কবি খগেন বৰা, চিমৰাজ হুছেইন, মুকুল কাকতি প্ৰমুখ্যে নবীন-প্ৰবীণ প্ৰায় ডেৰকুৰি লেখক-লেখিকাই স্ব-ৰচিত গল্প, প্ৰবন্ধ, কবিতা আদি পাঠ কৰে। পঠিত লেখাসমূহৰ ওপৰত পৰ্যালোচনা কৰে বিশিষ্ট লেখিকা ৰীণা ডেকাই।

### মিছামাৰীস্থিত এ জি মেম’ৰিয়েল এম ই স্কুলৰ প্ৰধান শিক্ষকৰ খালী হাতে অৱসৰগ্ৰহণ

# সুদীৰ্ঘ ২১ বছৰ কাল বিনাবেতনে শিক্ষাদান ৰিয়াজ আহমেদৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ৰঙাপৰা, ১৮ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ বৃহত্তৰ মিছামাৰী অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান এ জি মেম’ৰিয়েল মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰিয়াজ আহমেদক ১৪ ফেব্ৰুৱাৰীত সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, স্থানীয় ৰাইজে বিশেষ বিদায় সভা অনুষ্ঠিত কৰি বিদায় সম্ভাষণ জনায়। ১৯৯৪ চনত স্থাপিত বিদ্যালয়খনত যোৱা প্ৰায় ২১টা বছৰে প্ৰধান শিক্ষকৰ দৰে গুৰু দায়িত্ব পালন কৰি ৰিয়াজ আহমেদ চলিত বৰ্ষৰ ৩১ জানুৱাৰীত চৰকাৰী নিয়মানুসৰি অৱসৰগ্ৰহণ কৰে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰিয়াজ আহমেদক বিদ্যালয় পৰিয়ালবৰ্গ আৰু স্থানীয় ৰাইজে বিদ্যালয়ত বিদায় সভা অনুষ্ঠিত কৰি অশ্ৰুসিক্ত নয়নেৰে বিদায় সম্ভাষণ জনায়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ইউছুব আলীৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সদস্য মহম্মদ আলীয়ে। আনহাতে, আদৰণী ভাষণ প্ৰদানৰ লগতে মানপত্ৰ পাঠ কৰে বিদ্যালয়খনৰ সদ্যনিযুক্ত প্ৰধান শিক্ষক আজিজুল আনছাৰিয়ে। বিদায় সম্বৰ্দ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি কলাকুছি এম ই স্কুলৰ প্ৰধান শিক্ষক এম আব্বাছ আলী, নবিল পথাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত শৰ্মা, স্থানীয় লাখোপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিজু শইকীয়া, আমছুৰ শোণিতপুৰ জিলা সমিতিৰ প্ৰাক্তন সম্পাদক জমিৰউদ্দিন আহমেদ (ৰাজু) আদিয়ে বিদায় প্ৰাৰ্থী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰিয়াজ আহমেদে বিদ্যালয়খনত যোগদান কৰাৰ পাছৰেপৰা বিদ্যালয়খনৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান আৰু বিনা বেতনে ২১টা বছৰ তেওঁৰ শিক্ষকতা জীৱনৰ ওপৰত আলোকপাত কৰি বক্তব্য প্ৰদান কৰে। বাঁহবেৰা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক আবাছ আলীয়ে কয়— ‘এ জি মেম’ৰিয়েল মধ্য ইংৰাজী বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰিয়াজ আহমেদে বিনা বেতনে কৰ্মজীৱনৰপৰা অৱসৰগ্ৰহণ কৰিলে। কলাকুছি অঞ্চলত এখন মধ্য ইংৰাজী বিদ্যালয়ে শৈক্ষিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমীয়া মাধ্যমৰ বিদ্যালয়খনত বৰ্তমান সময়ত প্ৰায় ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি আছে। ১৯৯৪ চনত স্থাপিত এ জি মেম’ৰিয়েল মধ্য ইংৰাজী বিদ্যালয়খন ২০২১ চনত প্ৰাদেশিকীকৰণ হ’ব লাগিছিল যদিও আইনৰ আওতাত নপৰাৰ বাবে অপ্ৰাদেশীকৃত হৈ থাকিল। ২০২৫ চনত ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই



আইনখন সংশোধন কৰি বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ আশ্বাস দিছিল। কিন্তু, সেয়া সম্ভৱ হৈ নুঠিল। যাৰ পৰিপ্ৰেক্ষিতত ৰিয়াজ আহমেদৰ দৰে শিক্ষকসকলে বিনা বেতনে কৰ্মজীৱনৰপৰা অৱসৰগ্ৰহণ কৰিবলগীয়া হোৱাটো অতি দুৰ্ভাগ্যজনক।’ উল্লেখ্য যে ১৯৯৪ চনত ৰাইজৰ দান-বৰঙণিৰে স্থাপিত এ জি মেম’ৰিয়েল মধ্য ইংৰাজী বিদ্যালয়ত মানৱ সম্পদ গঢ়াৰ উদ্দেশ্যে শিক্ষকতা জীৱনৰ পাতনি মেলা ৰিয়াজ আহমেদক আদি কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰথমে ৰাইজৰ দান-বৰঙণি আৰু পাছলৈ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈ চৰকাৰৰ দিনত বছৰি এটা মাননি লাভ কৰিবলৈ সক্ষম হৈছিল। বিনা বেতনে, খালী হাতে অৱসৰগ্ৰহণ কৰা অৱসৰী প্ৰধান শিক্ষক ৰিয়াজ আহমেদক সতীৰ্থ শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ তৰফৰপৰা মানপত্ৰ, পৱিত্ৰ ‘কোৰান’, বস্ত্ৰ আদিৰে বিদায় সম্ভাষণ জনায়।

# লেখিকা ডঃ অদিতি বেজবৰুৱালৈ 'ডঃ জীৱন চন্দ্ৰ শৰ্মা কটকী বিজ্ঞান প্ৰসাৰ বঁটা'



**দৈনিক অসমৰ প্ৰতিনিধি**
**যোৰহাট, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক , বিশিষ্ট বিজ্ঞানকৰ্মী, সু-বক্তা তথা বিজ্ঞান লেখিকা ডঃ অদিতি বেজবৰুৱালৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ২০২৬ বৰ্ষৰ 'ডঃ জীৱন চন্দ্ৰ শৰ্মা কটকী বিজ্ঞান প্ৰসাৰ বঁটা' আগবঢ়োৱা হৈছে। যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰসমূহে প্ৰদান কৰা ষষ্ঠ বৰ্ষৰ এই বঁটা ২৮ ফেব্ৰুৱাৰীত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত অনুষ্ঠিতব্য ৰাষ্ট্ৰীয় বিজ্ঞান দিৱসৰ মূল সভাত প্ৰদান কৰা হ'ব বুলি আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে জনাইছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহৰ যোৰহাট জিলাৰ বৰ্তমান কাৰ্যকৰী সভাপতি,আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, অসম বিজ্ঞান সমিতি, অসম সাহিত্য সভা, অসম প্ৰকাশন পৰিষদ, প্ৰেৰণা, যোৰহাট পৰিৱেশ মঞ্চ আদিৰ দায়িত্ব বহন কৰা বিজ্ঞানকৰ্মীজন অসম বিজ্ঞান লেখক সংস্থাৰ প্ৰাক্তন সভাপতি। বিজ্ঞানকৰ্মীগৰাকীয়ে বিজ্ঞান বিষয়ৰ এঘাৰখন গ্ৰন্থ প্ৰণয়নৰ লগতে কেইবাখনো গ্ৰন্থ সম্পাদনা কৰিছে। উল্লেখ্য যে অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে, পৰিৱেশ সংৰক্ষণ, বিজ্ঞান জনপ্ৰিয়কৰণৰ কাৰণে অৱদান আগবঢ়োই অহা ব্যক্তিগৰাকীক বঁটা প্ৰদান কৰা অনুষ্ঠানত ২৮ ফেব্ৰুৱাৰীত যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহত ৰাইজৰ উপস্থিতি যোৰহাট জিলাৰ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সমন্বয়কসকল ক্ৰমে বিপুল দুৱৰা, বুধিন দত্ত, হেমেন কুমাৰ শইকীয়া, নৱজিত ভূএগ, দেৱজিৎ বৰুৱা আৰু ৰঞ্জন শৰ্মাই কামনা কৰিছে।

**সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ**

# প্ৰণৱ কুমাৰ দত্তলৈ 'শ্ৰোতা বন্ধু বঁটা'



**দৈনিক অসমৰ প্ৰতিনিধি**
**জাঁজী, ১৮ ফেব্ৰুৱাৰী ঃ** আকাশবাণী ৰেডিঅ'ৰ নিয়মীয়া শ্ৰোতা আৰু পত্ৰলেখক শিৱসাগৰ জিলাৰ জাঁজী খাটোৱাল গাঁৱৰ প্ৰণৱ কুমাৰ দত্তক অহা ১৫ মাৰ্চত ধেমাজি মাছখোৱাৰ বৰপাক মধ্য ইংৰাজী বিদ্যালয়ত 'সংযুক্ত অনাতাঁৰ শ্ৰোতা সংঘ, অসম'ৰ তৰফৰ পৰা 'আকাশবাণীৰ সৰ্বশ্ৰেষ্ঠ জনপ্ৰিয় অনুৰাগী শ্ৰোতা বন্ধু বঁটা' প্ৰদান কৰিব। উল্লেখ্য যে প্ৰণৱ কুমাৰ দত্ত সুদীৰ্ঘ দিন ৰেডিঅ' প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে 'সংযুক্ত অনাতাৰ শ্ৰোতা সংঘ' নামে চিঠি লিখি আৰু ফোন যোগেদি নামটো পাঁচটা কেন্দ্ৰত জিলিকাই দিয়াৰ বাবে দত্তলৈ আকাশবাণীৰ সৰ্বশ্ৰেষ্ঠ জনপ্ৰিয় তথা অনুৰাগী শ্ৰোতা বন্ধু বঁটা প্ৰদান কৰিব ।

**শিৱসাগৰ-নাজিৰা সমষ্টিত প্ৰভাৱ পেলাব পূৰ্বৰ আমগুৰিৰ ভোটাৰে !**

# অনিশ্চয়তাত প্ৰদীপ হাজৰিকাৰ ৰাজনৈতিক ভৱিষ্যৎ

**দৈনিক অসমৰ প্ৰতিনিধি**
**আমগুৰি, ১৮ ফেব্ৰুৱাৰী ঃ** ২০২৬ ৰ নিৰ্বাচনত নাথাকিব আমগুৰি সমষ্টি। নিৰ্বাচন আয়োগৰ খচৰা অনুসৰি বিলুপ্ত হোৱা ১০৩ নং আমগুৰি সমষ্টি দুটা ভাগত বিভক্ত হৈ একাংশ শিৱসাগৰত আৰু অন্য এক অংশ নাজিৰা সমষ্টিত অন্তৰ্ভুক্ত হ'ল। বিধানসভা নিৰ্বাচনত বিশেষভাৱে চৰ্চা লাভ কৰি থকা আমগুৰি সমষ্টি বিলুপ্ত হোৱাৰ পিছতেই সমষ্টিবাসীয়ে হেৰুৱাৰ দুখত আৰু নতুন সমষ্টিত অন্তৰ্ভুক্তকৰণত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছিল। ১৯৫১ চনত আমগুৰি সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰা প্ৰয়াত ৰবীন কাকতিৰ পৰা বৰ্তমানৰ বিধায়ক প্ৰদীপ হাজৰিকালৈকে যি ৰাজনৈতিক ইতিহাস আছিল সেই ইতিহাস ২০২৬ চনত নাইকিয়া হৈ গ'ল। বিশেষকৈ অসম আন্দোলনৰ এজন অন্যতম সেনানী তথা আঞ্চলিকতাবাদৰ ভেটি গঢ়োঁতা প্ৰদীপ হাজৰিকাৰ ৰাজনৈতিক ক্ষেত্ৰত আউল লগাই আমগুৰি সমষ্টি কৰ্তনৰ পাছতেই আমগুৰিৰ ৰাজনৈতিক ইতিহাসত বেলি মাৰ যায়। উল্লেখ্য যে ভাৰতীয় নিৰ্বাচন আয়োগৰ তথ্য মতে, ১৯৫১ চনত বিধায়ক ৰবীন কাকতি, ১৯৫৭ চনত বিধায়ক খগেন্দ্ৰ নাথ বৰবৰুৱা, ১৯৬২ ত বিধায়ক খগেন বৰবৰুৱা, ১৯৬৭ আৰু ১৯৭২ চনত পুষ্পধৰ চলিহা, ১৯৭৮ চনত খগেন বৰবৰুৱা, ১৯৮৩ চনত কীৰ্তি দত্ত,১৯৮৫ , ১৯৯৬, ২০০৬, ২০১৬ আৰু ২০২১ চনত প্ৰদীপ হাজৰিকা, ১৯৯১, ২০০১আৰু ২০১১ চনত অঞ্জন দত্ত বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। সমষ্টিটোত প্ৰায় ১০খনকৈ চাহ বাগিচাৰ বাগিচা ভোটাৰৰ লগতে সংখ্যাগৰিষ্ঠ আহোমৰ ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল। ২০২৬ ৰ নিৰ্বাচনত আমগুৰি সমষ্টিৰ ১০খনকৈ চাহ বাগিচা নাজিৰা সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ সমান্তৰালকৈ গৌৰীসাগৰ উন্নয়ন খণ্ডৰ অধীনস্থ ১১টাকৈ পঞ্চায়ত শিৱসাগৰ সমষ্টিত অন্তৰ্ভুক্ত হয়। শিৱসাগৰ আৰু নাজিৰা সমষ্টিত আমগুৰি সমষ্টি চামিলকৰণৰ পিছতেই প্ৰাৰ্থিত্বৰ দৌৰত থকা অংকিতা দত্তই বিজেপিত যোগদান কৰি শিৱসাগৰ সমষ্টিৰ পৰা টিকটপ্ৰত্যাশী হোৱাৰ সমান্তৰালকৈ প্ৰদীপ হাজৰিকা দুই নাৱত দুই ভৰি দিয়াৰ অৱস্থা হৈছে। বিধায়ক হাজৰিকাই এফালে যদি টীয়ক সমষ্টিৰ পৰা প্ৰাৰ্থিত্বপ্ৰত্যাশী আনহাতে, শিৱসাগৰ সমষ্টিৰ পৰাও টিকটৰ দাবীদাৰ। এনে অৱস্থাত অগপৰ সভাপতি অতুল বৰা আৰু কেশৱ মহন্তৰ মুখলৈ চোৱা বিধায়ক হাজৰিকাই কোন সমষ্টিৰ পৰা টিকটৰ দাবীদাৰ হ'ব সেয়া বৰ্তমানেও স্পষ্ট হোৱা নাই। কিন্তু আঞ্চলিকতাবাদৰ ভেটি আমগুৰি সমষ্টি কৰ্তন হোৱাৰ দুখত ম্ৰিয়মাণ



সমষ্টিবাসীয়ে ২০২৬ ৰ নিৰ্বাচনত পচন্দৰ প্ৰাৰ্থী বিচাৰি ভোটদান কৰাৰ সম্ভাৱনাই অধিক।



# সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সংস্থাৰ মুখপত্ৰ 'সেউজ সোণ' উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**
**নকছাৰি, ১৮ ফেব্ৰুৱাৰী ঃ** সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ ত্ৰৈমাসিক মুখপত্ৰ 'সেউজ সোণ'ৰ প্ৰথম বৰ্ষৰ চতুৰ্থ সংখ্যাটি ১৫ ফেব্ৰুৱাৰীত উন্মোচন কৰা হয়। যোৰহাটৰ সৰলা নগৰৰ সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ স্থায়ী কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত সভাত যোৰহাট জিলা আয়ুক্তৰ হৈ সহকাৰী আয়ুক্ত মনজিত পেগুই 'সেউজ সোণ'ৰ প্ৰথম বৰ্ষৰ চতুৰ্থ সংখ্যাটি উন্মোচন কৰে। সন্থাৰ সভাপতি তথা আলোচনীৰ মুখ্য উপদেষ্টা ৰাজেন বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সন্থাৰ মুখপত্ৰখনি উন্মোচন কৰি অসম প্ৰশাসনিক সেৱাৰ বিষয়াগৰাকীয়ে কয় ৯ লাখৰো অধিক লোকক কৰ্মসংস্থাপন দিয়াৰ লগতে অসমৰ অৰ্থনীতিলৈ বৰঙণি আগবঢ়াই আহিছে ক্ষুদ্ৰ চাহ খেতিয়ে। ইপিনে, সভাপতি ৰাজেন বৰাই কয় যে সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই হ'ল ৰাজ্যৰ একমাত্ৰ সংগঠন, যাৰ বিৰুদ্ধে ক'তো কেতিয়াও এটকাও চান্দা সংগ্ৰহ কৰাৰ অভিযোগ নাই। অনুষ্ঠানত সন্থাৰ উপ-সভাপতি খনিন্দ্ৰ শইকীয়া, সম্পাদক ৰাজেশ কুমাৰ দত্ত, সহকাৰী সম্পাদক জগত সন্দিকৈ, বিত্ত সম্পাদক জিতু গগৈ, কাৰ্যালয় সম্পাদক দুৰ্লভ বৰা, আলোচনীৰ মুখ্য সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক যোগেশ ওজা, আলোচনীৰ সম্পাদক মৃণাল বৰদলৈ, ভাৰতীয় চাহ ব'ৰ্ডৰ সদস্য ৰাজীৱ গোহাঁইৰ লগতে কেন্দ্ৰীয় সমিতিৰ সদস্য তথা সৰ্বভাৰতীয় চাহ সংস্থাৰ উপ-সভাপতি অচ্যুত প্ৰসাদ গগৈ, যোৰহাট জিলা সমিতিৰ সভাপতি জীৱন শইকীয়া, কাৰ্যকৰী সভাপতি মহম্মদ নাছিৰুদ্দিন আহমেদ, উপ-সভাপতি দীপক বৰুৱা, দিগন্ত প্ৰদীপ নেওগ, সম্পাদক কৃষ্ণ শৰ্মা, সহকাৰী সম্পাদক পল্লৱলোচন চলিহা, অভিজিৎ হাজৰিকা, উজ্জ্বল শইকীয়া, বিত্ত সম্পাদক প্ৰদীপ বৰা, সাংগঠনিক সম্পাদক ভূপেন গগৈ, ভদ্ৰেশ্বৰ বুঢ়াগোহাঁইৰ লগতে সদস্যসকল উপস্থিত থাকে। যোৰহাট জিলাৰ লগতে গোলাঘাট, শিৱসাগৰ, চৰাইদেউ আদি বিভিন্ন জিলাৰ সভাপতি, সম্পাদক উপস্থিত থাকে।

# মেৰাপানীৰ কাছমাৰী আদৰ্শ নামঘৰত অবিৰত ভাগৱত পাঠ

**দৈনিক অসমৰ প্ৰতিনিধি**
**মেৰাপানী, ১৮ ফেব্ৰুৱাৰী ঃ** মেৰাপানীৰ কাছমাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কাছমাৰী চাৰিআলি আদৰ্শ নামঘৰৰ সৌজন্যত স্থানীয় ভক্তিপ্ৰাণ ৰাইজ আৰু ভকত-বৈষ্ণৱৰ সহযোগত অহা ৬ মাৰ্চৰপৰা অনুষ্ঠিত হ'ব অবিৰত ভাগৱত পাঠৰ আধ্যাত্মিক কাৰ্যসূচী। অঞ্চলটোৰ ধৰ্মীয় পৰিৱেশ অধিক সজীৱ কৰি তোলা আৰু ভক্তি-ভাৱনা জাগ্ৰত কৰাৰ লক্ষ্যৰে আয়োজন কৰা এই অনুষ্ঠানলৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি সম্পন্ন কৰা হৈছে বুলি আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। কাৰ্যসূচীৰ প্ৰথম দিনা মধ্যাহ্ন বেলাত শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ডঃ পীতাম্বৰ দেৱগোস্বামী উপস্থিত থাকিব। তেওঁৰ আগমনৰ লগত সংগতি ৰাখি বিশেষ চৰণ সেৱা, গায়ন-বায়ন আৰু উষ্ম আদৰণী অনুষ্ঠানৰ ব্যৱস্থা কৰা হৈছে। সত্ৰাধিকাৰৰ উপস্থিতিয়ে অনুষ্ঠানটোক অধিক গাম্ভীৰ্য আৰু আধ্যাত্মিক মাহাত্ম্য প্ৰদান কৰিব বুলি আয়োজক আৰু স্থানীয় ৰাইজে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে ডঃ পীতাম্বৰ দেৱগোস্বামী তিনিদিন উক্ত নামঘৰতে থাকিব। এই তিনিদিন ধৰি নামঘৰ প্ৰাংগনত ভক্তিময় পৰিৱেশৰ মাজত সত্ৰাধিকাৰৰ সান্নিধ্যত অবিৰত ভাগৱত পাঠৰ লগতে শৰণ-ভজনৰ বিশেষ কাৰ্যসূচী নিয়মীয়াকৈ অনুষ্ঠিত হ'ব। ভক্তসকলে নাম-প্ৰসংগ, গায়ন-বায়ন, শাস্ত্ৰীয় আলোচনা আৰু আধ্যাত্মিক উপদেশৰ জৰিয়তে আত্মশুদ্ধি আৰু ধৰ্মীয় অনুপ্ৰেৰণা লাভ কৰাৰ সুযোগ পাব বুলি জানিবলৈ দিছে। ৭ মাৰ্চত পুৱা ৮ বজাৰপৰা শৰণ-ভজনৰ বিশেষ কাৰ্যসূচী আৰম্ভ হ'ব। তদুপৰি পৰৱৰ্তী দিনসমূহতো শৰণ-ভজন, ভাগৱত পাঠ আৰু বিভিন্ন ধৰ্মীয় অনুষ্ঠান অব্যাহত থাকিব। অঞ্চলটোৰ লগতে ওচৰ-চুবুৰীয়া ঠাইসমূহৰো বহু ভক্তিপ্ৰাণ ৰাইজে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। ধৰ্মীয় সম্প্ৰীতি সুদৃঢ় কৰা, নৱ প্ৰজন্মৰ মাজত আধ্যাত্মিক মূল্যবোধ জাগ্ৰত কৰা আৰু ভাগৱত ধৰ্মৰ বাণী প্ৰচাৰৰ উদ্দেশ্যে আয়োজন কৰা এই অবিৰত ভাগৱত পাঠ কাৰ্যসূচীত সকলো ৰাইজক উপস্থিত থাকিবলৈ আয়োজকসকলে আহ্বান জনাইছে।

**বাৰিষাৰে মোকাবিলা কৰাৰ প্ৰস্তুতি**

# শিৱসাগৰত দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ বৈঠক

**দৈনিক অসমৰ প্ৰতিনিধি**
**শিৱসাগৰ, ১৮ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধ্যক্ষ মৃদুল যাদৱৰ অধ্যক্ষতাত জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত ১৬ফেব্ৰুৱাৰীত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুৰ্যোগ সঁহাৰি পুঁজিৰ আঁচনি, পুনঃসংস্থাপনৰ সাহায্য তথা অন্যান্য বিভাগীয় ক্ষতিপূৰণৰ প্ৰতিবেদনসমূহ বিবেচনা আৰু অনুমোদনৰ বাবে উপস্থাপন কৰা হয়। বৈঠকত ইতিমধ্যে লাভ কৰা ১১৪ খন তেনে প্ৰতিবেদন সম্পৰ্কে বিতংভাৱে আলোচনা কৰাৰ শেষত ৫,১৪,৯১,৫১৮ টকা পুঁজিৰ বাবদ আটাইকেইখন প্ৰতিবেদনত সৰ্বসন্মতিক্ৰমে অনুমোদন জনোৱা হয়। তদুপৰি বৈঠকত জিলাখনত আগন্তুক সময়ত সম্ভাব্য বান পৰিস্থিতি সন্দৰ্ভত গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতিমূলক ব্যৱস্থাপনা সম্পৰ্কেও বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সমূহ প্ৰস্তুতিমূলক পদক্ষেপৰ বিষয়ে বুজ লৈ, সম্ভাব্য বান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ সংশ্লিষ্ট সকলো পক্ষকে সক্ষম আৰু তৎপৰ হৈ থাকিবলৈ আহ্বান জনায় আৰু সাহায্য সামগ্ৰী প্ৰদানৰ ক্ষেত্ৰত কোনো ধৰণৰ ত্ৰুটি নাৰাখিবলৈ নিৰ্দেশ দিয়ে। অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া মীনাক্ষি পেৰ্মে, সহকাৰী আয়ুক্ত চন্দনা জাহ্নৱী, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ জিলা প্ৰকল্প বিষয়া ৰূপমজ্যোতি বৰা, ৰাজহ চক্ৰ বিষয়া, পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰমুখ্যে সংশ্লিষ্ট বিভাগীয় বিষয়া আৰু দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

# তিনিচুকীয়াৰ চলিহা নগৰত চুৰি

**দৈনিক অসমৰ প্ৰতিনিধি**
**তিনিচুকীয়া, ১৮ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়াৰ চলিহা নগৰত ওচৰা-উচৰিকৈ থকা দুটা ভাৰাঘৰত চোৰে চাফাই অভিযান চলায়। ভাৰাতীয়া হিচাপে থকা কৃষ্ণা কুমাৰ মিশ্ৰৰ ঘৰত ১৬ফেব্ৰুৱাৰীত দিন দুপৰতে ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি দৰ্জাৰ তলা ভাঙি নগদ ২৫ হাজাৰ টকা আৰু প্ৰায় ৫ লাখ টকাৰ আ-অলংকাৰ লুটি নিয়ে। উক্ত বাসগৃহৰ নাতিদূৰৈত থকা আন এজন মনোজ গুপ্তাৰ ঘৰৰ পৰাও তলা ভাঙি চোৰে নগদ ধনসহ প্ৰায় ২ লাখ টকাৰ গহনা চুৰি কৰি উধাও হয়। ইতিমধ্যে দুয়োটা ঘটনাৰ বিষয়ে তিনিচুকীয়া সদৰ আৰক্ষী থানাত অৱগত কৰাত ততাতৈয়াকৈ ঘটনাস্থলীত তিনিচুকীয়া আৰক্ষীৰ দল উপস্থিত হৈ অনুসন্ধান অব্যাহত ৰাখিছে। অৱশ্যে বাতৰি যুগুত কৰা সময়লৈকে চোৰৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই আৰক্ষীয়ে।




**দেৰগাঁৱৰ লাখেৰাজ জনজাতি উঃ মাঃ বিদ্যালয়**

# ৰাষ্ট্ৰীয় আৱিষ্কাৰ সপ্তাহ উপলক্ষে জল সজাগতা কাৰ্যসূচী

**দৈনিক অসমৰ প্ৰতিনিধি**
**দেৰগাঁও, ১৮ ফেব্ৰুৱাৰী ঃ** সমগ্ৰ দেশৰ লগতে দেৰগাঁৱৰ সমীপৱৰ্তী বৰমুকলিৰ লাখেৰাজ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়তো ৰাষ্ট্ৰীয় আৱিষ্কাৰ সপ্তাহ পালন কৰা হয়। ৰাষ্ট্ৰীয় আৱিষ্কাৰ সপ্তাহৰ অংশস্বৰূপে এক জল সংৰক্ষণ সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। জল সংৰক্ষণ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থকা দেৰগাঁও জাৱৰ নিষ্কাসন প্ৰকল্পৰ চামিম আলম হকে বৰ্তমান বিশ্বৰ বিভিন্ন দেশত হোৱা জল সংকট আৰু তাৰ পৰা কিদৰে পৰিত্ৰাণ পাবলৈ যত্ন কৰা হৈছে সেই সন্দৰ্ভত এক মনোগ্ৰাহী ব্যাখ্যা আগবঢ়ায়। বিদ্যালয়ৰ জ্যেষ্ঠ বিজ্ঞান শিক্ষক পাৰ্থ বিজয় বৰাই আঁত ধৰা এই জল সংৰক্ষণ কাৰ্যসূচী উদ্বোধন কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক ৰাতুল বৰাই। কাৰ্যসূচীত আপকুৰ দেৰগাঁও সমজিলা সমিতিৰ সভাপতি কুমুদ বৰা, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে বিদ্যালয়ৰ দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

# ঢকুৱাখনাত ডকাইতে লুটিলে ৫ লাখ টকা

**দৈনিক অসমৰ প্ৰতিনিধি**
**ঢকুৱাখনা, ১৮ ফেব্ৰুৱাৰী ঃ** ঢকুৱাখনা-ঘিলামৰা লোকনিৰ্মাণ পথৰ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সমীপত ১৬ফেব্ৰুৱাৰী বিয়লি এটা ডকাইতি কাণ্ড সংঘটিত হয়। এখন টি ভি এছ আপাচি বাইকত হেলমেট পিন্ধি অহা দুই দুৰ্বৃত্তই কাঢ়ি নিলে লেডিজ বেগসহ ৫ লাখ টকা। ঢকুৱাখনাৰ কমাৰগাঁৱৰ বুলেন দত্ত আৰু তেওঁৰ পত্নী দীপালী দত্তই ঢকুৱাখনা ষ্টেট বেংকৰপৰা ৬ লাখ টকা উলিয়াই এ এছ ০৭ এইচ ৫০৪৯ স্কুটীৰে ঘৰলৈ গৈ আছিল। তেনেতে ঢকুৱাখনা শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ সমীপত এখন বাইকত অহা দুই দুৰ্বৃত্তই তেওঁলোকক আগচি ধৰি হাতৰপৰা টকাৰ বেগটো কাঢ়ি লৈ উধাও হয়। দুয়ো চিঞৰ-বাখৰ কৰাত মানুহ গোট খায় যদিও দুৰ্বৃত্তই পলায়ন কৰে। আৰক্ষীয়ে ইতিমধ্যে ঢকুৱাখনাৰ বিভিন্ন ঠাইত তালাচী চলোৱাৰ লগতে তদন্ত আৰম্ভ কৰিছে। চি চি টিভি কেমেৰাত সন্দেহজনক লোককেইজনে ঢকুৱাখনা ষ্টেট বেংকৰপৰাই দম্পতীটোৰ গতি-বিধি লক্ষ্য কৰি থকাৰ স্পষ্ট প্ৰমাণ প্ৰত্যক্ষ কৰা হৈছে যদিও এতিয়ালৈকে দুৰ্বৃত্তক আটক কৰিব পৰা হোৱা নাই। ইফালে, ঢকুৱাখনা ষ্টেট বেংকৰ ভিতৰত থকা চি চি টিভি বিকল হৈ থকা বুলি কৈ দায় সাৰিছে বেংক কৰ্তৃপক্ষই। এই অভিযোগ পৰিয়ালৰ। এই ঘটনাৰ পাছত ঢকুৱাখনাৰ বেংকসমূহত যে গ্ৰাহক সুৰক্ষিত নহয় সেই কথা স্পষ্ট ৰূপত ওলাই পৰিছে। ৰাইজে বেংক কৰ্তৃপক্ষৰ হেমাহিক গৰিহণা দিয়াৰ লগতে গ্ৰাহকৰ নিৰাপত্তা সু-নিশ্চিত কৰিবলৈ দাবী তুলিছে।

# নামঘৰ নিৰ্মাণৰ বাবে ১.৫ লাখ টকাৰ সাহায্য



**দৈনিক অসমৰ প্ৰতিনিধি**
**নিমাতীঘাট, ১৮ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ স্থানীয় কল্যাণী হায়াৰ ছেকেণ্ডাৰী স্কুলৰ জন্মলগ্নৰে পৰা জড়িত বিশিষ্ট ব্যক্তি প্ৰয়াত ডঃ বিজন দত্তৰ পত্নী মীনা দত্ত আৰু একমাত্ৰ পুত্ৰ অভিলাষ দত্তই বিদ্যালয়ৰ নতুন মাটিত থকা নামঘৰৰ মণিকূটৰ লগত সংগতি ৰাখি মূল গৃহ নিৰ্মাণৰ বাবে ১.৫০ লাখ টকাৰ সাহায্য বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য নিযুত দত্ত, নন্দেশ্বৰ দত্ত, অধ্যক্ষা বিশ্বজিতা বৰপূজাৰী, উপাধ্যক্ষ দুলাল শইকীয়া, শিক্ষয়িত্ৰী কল্পনা দত্তৰ উপস্থিতিত পৰিচালনা সমিতিৰ সভাপতি ডঃ হেমেন শইকীয়াৰ হাতত অৰ্পণ কৰে। তেওঁলোকৰ সাহায্যই বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক, আধ্যাত্মিক তথা নৈতিক দিশত গঢ় দি ভৱিষ্যতে এজন সুনাগৰিক হিচাপে গঢ়ি তোলাত সহায় কৰিব।

# লাহোৱালত পথ, নামঘৰৰ আধাৰশিলা স্থাপন বিধায়ক বিনোদ হাজৰিকাৰ

**দৈনিক অসমৰ প্ৰতিনিধি**
**চাবুৱা, ১৮ ফেব্ৰুৱাৰী ঃ** অসম চৰকাৰৰ অসম দৰ্শন আঁচনিৰ ২০২৪-২৫ বৰ্ষৰ অধীনত চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত চিৰিংহোলা গাঁও পঞ্চায়তৰ নাহৰসাঁকো গাঁৱত ৩ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া 'মায়ামৰা বৈষ্ণৱ নামঘৰ'ৰ ১৬ফেব্ৰুৱাৰীত আধাৰশিলা স্থাপন কৰে লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই। আনহাতে, ১০ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰৰ বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত চাবুৱা-লাহোৱাল সমষ্টিৰ অন্তৰ্গত 'নাহৰসাঁকো-কচুৰনী' পথৰ আধাৰশিলা স্থাপন কৰে বিধায়ক বিনোদ হাজৰিকাই। অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ চাবুৱা-লাহোৱাল সমষ্টিৰ খোৱাং আৰু টিংখাং ক্ষেত্ৰীয় পথ সংমণ্ডলৰদ্বাৰা ১৬২০.০০ মিটাৰ দৈৰ্ঘ্যৰ ১৪০.১৬ কোটি টকাৰে নিৰ্মাণ হ'বলগীয়া পথটোৰ আধাৰশিলা স্থাপন কৰি বিগত পাঁচ বছৰত বিভিন্ন পথ, দলং আৰু উন্নয়নমূলক কামৰ বিষয়ে অৱগত কৰে বিধায়কগৰাকীয়ে।



# বোকাখাত নিৰ্মাণ গোটৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস- মানৱ উত্থান সেৱা সমিতিৰ সৎসংগ সমাৰোহ

**দৈনিক অসমৰ প্ৰতিনিধি**
**বোকাখাত, ১৮ ফেব্ৰুৱাৰী ঃ** ২৫ বছৰৰ আগতেই বোকাখাতত গঢ়ি উঠা বেচৰকাৰী সংগঠন বোকাখাত নিৰ্মাণ গোটৰ ২৬ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু মানৱ উত্থান সেৱা সমিতিৰ সৎসংগ সমাৰোহ কালি দিনজোৱা কাৰ্যসূচীৰে বোকাখাত নগৰত থকা সংগঠনটোৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। অনুষ্ঠানৰ পুৱা বোকাখাত নিৰ্মাণ গোট নামৰ সংগঠনটোৰ পতাকা উত্তোলন কৰে সভাপতি জিতেন গগৈয়ে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান শুভাৰম্ভ কৰে শচীন বাৰুকীয়ালে। সভাকক্ষ উদ্বোধন কৰে জ্যেষ্ঠ সাংবাদিক ভবানন্দ কলিতাই । বোকাখাত নিৰ্মাণ গোটৰ সভাপতি জিতেন গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ বিশেষ অনুষ্ঠানৰ আৰম্ভণিতে বোকাখাতৰ শিশু গৃহৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিৱেশন কৰে সমূহীয়া গীত। অনুষ্ঠানতে বোকাখাতৰ বিভিন্ন প্ৰান্তৰৰ ডেৰকুৰিৰো অধিক বিশিষ্ট ব্যক্তিক বোকাখাত নিৰ্মাণ গোটে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানত সংগঠনটোৰ বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সম্পাদক জয়ন্ত খাৰঘৰীয়াই। সম্পাদনা সমিতিৰ যুটীয়া সম্পাদক অমৰ শৰ্মাৰ সহযোগত বুবুল দত্তই আঁত ধৰা অনুষ্ঠানত মুখপত্ৰ 'শঙ্খধ্বনি' উন্মোচন কৰে বিশিষ্ট সাহিত্যিক, জননী বাৰ্তা কাকতৰ সম্পাদক মাখনলাল বাঢ়ৈয়ে। ইফালে মহান সৎসংগ সমাৰোহৰ লগত সংগতি ৰাখি আধ্যাত্মিক গীত-মাত, বিশিষ্ট ব্যক্তি ইন্দ্ৰজিৎ বাবাজীয়ে সাৰগৰ্ভ বক্তব্য আগবঢ়ায়।

# শিশু-কিশোৰে ব্যৱহাৰ কৰিব নোৱাৰিব সামাজিক মাধ্যম



## নীতি নিৰ্দ্ধাৰণৰ প্ৰস্তুতি কেন্দ্ৰৰ

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** শিশু আৰু কিশোৰে সামাজিক মাধ্যম ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিব পাৰে কেন্দ্ৰীয় চৰকাৰে। এনে সংকেত দিছে কেন্দ্ৰীয় চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে। তেওঁ প্ৰকাশ কৰিছে যে বয়সৰ আধাৰত নিষেধাজ্ঞা আৰোপৰ বিষয়ত ছ'চিয়েল মিডিয়া কোম্পানীসমূহৰ সৈতে আলোচনা কৰি থকা হৈছে। শীঘ্ৰে এই বিষয়ত সিদ্ধান্ত লোৱা হ'ব। ইতিমধ্যে বিশ্বৰ কেইবাখনো দেশে ১৬ বছৰৰ অনূৰ্দ্ধ শিশু-কিশোৰৰ ছ'চিয়েল মিডিয়া ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰিছে। এতিয়া ভাৰত চৰকাৰেও সেই পথেৰে অগ্ৰসৰ হোৱাৰ প্ৰস্তুতি চলাইছে। ডীপফেক (সম্পাদিত বা ভুৱা) ভিডিঅ' সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে তেনে ভিডিঅ'ই দিনে দিনে সমস্যা বঢ়াবলৈ লৈছে। যাৰ বাবে সেই বিষয়ত আৰু অধিক কঠোৰ নিয়ম প্ৰণয়নৰ প্ৰয়োজন আছে। এই বিষয়তো উদ্যোগ জগতৰ সৈতে আলোচনা অব্যাহত থকা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখ্য যে বিশ্বৰ প্ৰথমখন দেশৰূপে অষ্ট্ৰেলিয়াই ১৬ বছৰ অনূৰ্দ্ধৰ শিশু-কিশোৰে ফেচবুক, ইনষ্টাগ্ৰাম, টিক্‌টক, ইউটিউবৰ দৰে সামাজিক মাধ্যম ব্যৱহাৰত সম্পূৰ্ণৰূপে নিষেধাজ্ঞা আৰোপ কৰিছে। ফ্ৰান্সেও ১৫ বছৰ অনূৰ্দ্ধ শিশু-কিশোৰৰ সামাজিক মাধ্যম ব্যৱহাৰত নিষেধাজ্ঞা সম্পৰ্কীয় আইন প্ৰণয়ন কৰিছে। নৰৱেতো অনুৰূপ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। অষ্ট্ৰেলিয়াৰ দৰে ১৬ বছৰ অনূৰ্দ্ধ শিশুৰ বাবে সামাজিক মাধ্যম সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ বিষয়ত পৰামৰ্শ গ্ৰহণ কৰি আছে বৃটেইন চৰকাৰেও। স্পেইন চৰকাৰেও কৰি আছে একেই পৰিকল্পনা।



## নয়দাৰ বিশ্ববিদ্যালয়ৰ কাণ্ড

# চীনা ৰবট কুকুৰক নিজৰ বুলি দাবী

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** চীনা কোম্পানীয়ে তৈয়াৰ কৰা ৰবট-কুকুৰ নিজৰ নামত প্ৰদৰ্শন কৰি বিপদত পৰিল নয়ডাৰ এখন বিশ্ববিদ্যালয়। দিল্লীত চলি থকা এ আই সন্মিলনৰ পৰা এই বিশ্ববিদ্যালয়খনক অবিলম্বে তেওঁলোকৰ প্ৰকল্পসহ আঁতৰি যোৱাৰ নিৰ্দেশ দিছে। উল্লেখ্য যে নয়ডাৰ গেলগটিয়াছ বিশ্ববিদ্যালয়ৰ প্ৰদৰ্শনক কেন্দ্ৰ কৰি সূত্ৰপাত হয় বিতৰ্কৰ। এ আই সন্মিলনত এই বিশ্ববিদ্যালয়ে এটি ৰবটিক কুকুৰৰ প্ৰদৰ্শন কৰে। ৰবটটিৰ নাম 'অৰিয়ন'। মূলতঃ নজৰদাৰীৰ কামতে ইয়াক ব্যৱহাৰ কৰা হয়। এটা ভিডিঅ'ত দেখা গৈছে বিশ্ববিদ্যালয়ৰ অধ্যাপিকা নেহা সিঙে এই অৰিয়নক উপস্থাপন কৰে। তাত তেওঁ দাবী কৰে যে বিশ্ববিদ্যালয়খনৰ ৩০০ কোটি টকাৰ প্ৰকল্পৰ অধীনত এই ৰবট তৈয়াৰ কৰা হৈছে। সামাজিক মাধ্যমত এই ভিডিঅ'টো পোষ্ট কৰাৰ পাছত বহুতে দাবী কৰে যে এই ৰবটটো নয়ডাৰ বিশ্ববিদ্যালয়খনে তৈয়াৰ কৰা নাই। এইটো আচলতে চীনত নিৰ্মিত। এই ৰবটৰ নাম 'ইউনিট্ৰি গো-২'। বাণিজ্যিক কাৰণত এই ৰবট ব্যৱহাৰ কৰে চীনে। অনলাইনতো কিনিবলৈ পোৱা যায় এই ৰবট। ভাৰতীয় মুদ্ৰাত ইয়াৰ দাম দুই লাখ ৩০ হাজাৰ টকা। ইউনিট্ৰি হ'ল এটা চীনা ৰ'বটিক্স কোম্পানী। কুকুৰৰ দৰে দেখিবলৈ এনে ৰবট নিৰ্মাণৰ বাবেই তেওঁলোক প্ৰসিদ্ধ। সেই ৰবটেই হেনো ব্যৱহাৰ কৰিছে নয়ডাৰ গেলগটিয়াছ বিশ্ববিদ্যালয়ে।

# দেশত প্ৰতি ঘণ্টাত ৫৬টা পথ দুৰ্ঘটনাত প্ৰাণ হেৰুৱায় ২০জনে

## ৫ বছৰত নিহত ৮ লাখ লোক



**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** দেশত পথ দুৰ্ঘটনাই মহামাৰীতকৈও ভয়াৱহ ৰূপ লৈছে। ভিন্ন প্ৰান্তত সংঘটিত পথ দুৰ্ঘটনাত দেশত প্ৰতি বছৰে অকাল মৃত্যুক আঁকোৱালি লৈছে লক্ষাধিকে। এই সম্পৰ্কত প্ৰকাশিত তথ্যত উন্মোচিত হৈছে পথ দুৰ্ঘটনাৰ এখন অতি ভয়ংকৰ ছবি। তথ্য অনুসৰি দেশত প্ৰতি ঘণ্টাত গড়ে ৫৬টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু সেই দুৰ্ঘটনাত প্ৰাণ হেৰুৱায় গড়ে ২০জনকৈ লোকে। সেই হিচাপত পথ দুৰ্ঘটনাত দৈনিক গড়ে ৪৮০জন লোকৰ মৃত্যু হয়। কেন্দ্ৰীয় চৰকাৰৰ তথ্যত প্ৰকাশ পোৱা মতে প্ৰতি বছৰে দেশত গড়ে ৪ লাখ ৮১ হাজাৰটা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু দুৰ্ঘটনাসমূহত নিহত হয় প্ৰায় এক লাখ ৭৩ হাজাৰকৈ লোক। চৰকাৰী তথ্যত প্ৰকাশিত পৰিসংখ্যা অনুসৰি দেশত দৈনিক গড়ে ১,৩৩৫টা পথ দুৰ্ঘটনা সংঘটিত হয় আৰু প্ৰাণ হেৰুৱায় গড়ে ৪৮০জন লোকে। প্ৰতি মাহে সংঘটিত হোৱা গড়ে ৪০,০৪৯টা পথ দুৰ্ঘটনাত গড়ে ১৪,৪০৮জন লোকৰ মৃত্যু হয়। উদ্বেগজনক কথাটো হ'ল ২০১৯ৰ পৰা ২০২৩ বৰ্ষলৈ পাঁচ বছৰত দেশত সংঘটিত পথ দুৰ্ঘটনাৰ সংখ্যা আছিল ২১ লাখ ৮৩ হাজাৰ ৪৬৭। সেই দুৰ্ঘটনাসমূহত নিহতৰ সংখ্যা আছিল ৭ লাখ ৯২ হাজাৰ ৭২০। ২০১৯ চনত চাৰি লাখ ৫৬ হাজাৰ ৯৫৯টা পথ দুৰ্ঘটনাত নিহতৰ সংখ্যা এক লাখ ৫৮ হাজাৰ ৯৮৪। ২০২০ চনত ক'ৰ'না মহামাৰীৰ বাবে দেশত লকডাউন হৈছিল। তাৰ পাছতো বছৰটোত তিনি লাখ ৭২ হাজাৰ ১৮১টা পথ দুৰ্ঘটনাত অকাল মৃত্যুক আঁকোৱালি লৈছিল এক লাখ ৩৮ হাজাৰ ৩৮৩জন লোকে। ২০২১ চনত ৪ লাখ ১২ হাজাৰ ৪৩২টা পথ দুৰ্ঘটনাত নিহত হৈছিল এক লাখ ৫৩ হাজাৰ ৯৭২জন লোক। ২০২২ চনত চাৰি লাখ ৬১ হাজাৰ ৩১২টা পথ দুৰ্ঘটনাত নিহতৰ সংখ্যা এক লাখ ৬৮ হাজাৰ ৪৯১। ২০২৩ চনত চাৰি লাখ ৮০ হাজাৰ ৫৮৩টা পথ দুৰ্ঘটনাত এক লাখ ৭২ হাজাৰ ৮৯০জন লোকৰ মৃত্যু হৈছিল। এই পৰিসংখ্যাৰ পৰা স্পষ্ট হৈছে যে বছৰি দেশত পথ দুৰ্ঘটনাৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাবলৈ ধৰিছে আৰু দুৰ্ঘটনাত নিহতৰ সংখ্যাও বাঢ়িবলৈ লৈছে। এই দুৰ্ঘটনা নিয়ন্ত্ৰণ কৰাটো চৰকাৰৰ বাবেও বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে।

# মুছলমানক কুকুৰেৰে তুলনা

## ৰাণ্ডী ফাইনৰ পোষ্টক লৈ বিতৰ্ক

**ৱাশ্বিংটন, ১৮ ফেব্ৰুৱাৰী ঃ** ৰিপাব্লিকান ফ্ল'ৰিডাৰ প্ৰতিনিধি ৰাণ্ডী ফাইনৰ পদত্যাগ দাবী কৰিছে প্ৰজাতন্ত্ৰবাদীসকলৰ লগতে এটি প্ৰধান ইছলামিক নাগৰিক অধিকাৰ গোষ্ঠীয়ে। সামাজিক মাধ্যমৰ এটি পোষ্টত মুছলিমসকলতকৈ কুকুৰক বাছি লোৱাৰ পৰামৰ্শ



দিয়াৰ বাবেই তেওঁৰ পদত্যাগ দাবী কৰিছে। পোষ্টটোত তেওঁ লিখিছে, 'যদি তেওঁলোকে আমাক বাছনি কৰিবলৈ বাধ্য কৰায়, কুকুৰ আৰু মুছলিমসকলৰ মাজত এটা বাছি লোৱা কঠিন নহয়।' ইয়াৰ কিছু সময়ৰ পাছতে তেওঁ পেলেষ্টাইনপন্থী গ্ৰুপ উইদিন আৱাৰ লাইফটাইমৰ সহকাৰী প্ৰতিষ্ঠাতা নেৰদিন কিছৱানিৰ এটি পোষ্টৰ ছবি সংযোগ কৰে, য'ত তেওঁ কুকুৰক 'অশুচি' বুলি অভিহিত কৰে। ফাইনৰ প্ৰথমটো পোষ্টে সমালোচনাৰ জোৱাৰ তোলে আৰু তেওঁৰ পদত্যাগৰ দাবী উত্থাপন হয়। এক বিবৃতিত কাউন্সিল অন আমেৰিকান ইছলামিক ৰিলেচনছে গাজা আৰু হামাছ সম্পৰ্কে ফাইনৰ মন্তব্যৰ গৰিহণা দি জনাইছে যে কংগ্ৰেছৰ নেতাসকলে তেওঁৰ পদত্যাগ দাবী কৰা উচিত। অৱশ্যে তীব্ৰ সমালোচনা সত্ত্বেও স্তব্ধ হোৱা নাই ফাইন। তেওঁ পুনৰ এক্সত কুকুৰৰ ছবি পোষ্ট কৰি ওপৰত হালধীয়া আখৰেৰে লিখিছে, 'ড'ণ্ট ট্ৰেড অন মী'। কেলিফ'ৰ্নিয়াৰ গৱৰ্নৰ গেভিন নিউছমসহ কিছুসংখ্যক উচ্চপদস্থ প্ৰজাতন্ত্ৰবাদীয়ে তেওঁৰ পদত্যাগ দাবী কৰিছে।

## অৰুণাচল সীমান্তত চীনা সেনাৰ সক্ৰিয়তা

# কৃত্ৰিম বুদ্ধিমত্তাৰ সহায় লৈছে ভাৰতে



**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** অৰুণাচল প্ৰদেশত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত চীনৰ সেনা সক্ৰিয় হৈ পৰা আৰু অনুপ্ৰৱেশৰ বাবে কৰা চেষ্টাৰ বিষয়ে আগতীয়াকৈ ভাৰতীয় সেনাই কৃত্ৰিম বুদ্ধিমত্তা (এ আই)ৰ জৰিয়তে সতৰ্কতা অৱলম্বন কৰিব পাৰিব। কেৱল এয়াই নহয়, প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত ৰঙা চীনৰ অতি সক্ৰিয়তাকো প্ৰতিৰোধ কৰিব পাৰিব কৃত্ৰিম বুদ্ধিমত্তাই। দিল্লীত অনুষ্ঠিত এ আই সন্মিলনত এই দাবী কৰিছে ষ্ট্ৰেটেজিক ফ'ৰ্চেছ কমাণ্ডৰ লেফটেনেণ্ট জেনেৰেল দীনেশ সিং ৰাণাই। বৰ্তমান যুদ্ধক্ষেত্ৰত আৰু প্ৰতিৰক্ষা ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা অত্যন্ত গুৰুত্বপূৰ্ণ হৈ উঠিছে। কৃত্ৰিম বুদ্ধিমত্তাই সামৰিক আৰু প্ৰতিৰক্ষা জগতৰ ধৰণো সলনি কৰি দিব পাৰে আগন্তুক দিনত। অৰুণাচলত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত কিদৰে এ আইক ভাৰতীয় সেনাই কামত লগাব সেই কথাকে দাঙি ধৰে লেফটেনেণ্ট ৰাণাই। তেওঁ কয় যে খুব কম খৰচত আৰু স্থানীয়ভাৱে তৈয়াৰী এ আই ব্যৱস্থাক অৰুণাচলত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত কামত লগোৱা হৈছে। এইব্যৱস্থাই ভাৰতীয় সেনাক সতৰ্ক কৰি দিয়ে যে চীনা সেনা প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত অতিশয় সক্ৰিয়। তেওঁলোকে সামৰিক ঘাটি নিৰ্মাণৰ কাম আৰম্ভ কৰা বুলি দাবী কৰি ৰাণাই কয় যে চীনা সেনাৰ এই অতি সক্ৰিয়তা সম্পৰ্কে আগতীয়াকৈ জানিব পৰাত ভাৰতীয় সেনাৰ পক্ষেও পদক্ষেপ গ্ৰহণত সুবিধা হৈছে।

## পশ্চিমবংগত তৃণমূলক প্ৰতিৰোধৰ প্ৰস্তুতি গেৰুৱা বাহিনীৰ

# নিৰ্বাচনী ৰণক্ষেত্ৰৰ ৫ হাজাৰ কিলোমিটাৰ পথত দৌৰিব বিজেপিৰ ৰথ

**কলকাতা, ১৮ ফেব্ৰুৱাৰী ঃ** পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপিছে। এইবৰ্ষত অসমৰ পাছতে ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনী ৰণত মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছক পৰাভূত কৰিবলৈ বৃহৎ প্ৰস্তুতি চলাইছে বিজেপিয়ে। দলটোৱে প্ৰস্তুত কৰা ৰণনীতিৰ অংশ হিচাপে শীঘ্ৰে পশ্চিমবংগত আৰম্ভ কৰিব পৰিৱৰ্তন ৰথ যাত্ৰা। পৰিৱৰ্তনৰ বাৰ্তা লৈ সমষ্টিয়ে সমষ্টিয়ে যাব দলটোৰ ৰথ। জানিব পৰা মতে, নিৰ্বাচনৰ পূৰ্বে ৰাজ্যখনৰ ভিন্ন প্ৰান্তৰ পৰা গেৰুৱা শিবিৰে ৯খন ৰথৰ যাত্ৰা উলিওৱাৰ পৰিকল্পনা কৰিছে। অহা ১ আৰু ২



মাৰ্চৰ পৰা সেই পৰিৱৰ্তন ৰথযাত্ৰা আৰম্ভ হ'ব। প্ৰথম পৰ্যায়ৰ ৰথযাত্ৰা ১ মাৰ্চত কোচবিহাৰ পৰা আৰম্ভ হৈ কৃষ্ণনগৰ দক্ষিণ গড়বেটা, ৰায়দীঘিৰ মাজেৰে কুল্টীলৈ যাব। ২ মাৰ্চত দ্বিতীয় পৰ্যায়ৰ পৰিৱৰ্তন ৰথযাত্ৰা ইছলামপুৰ, সন্দেশখালী, হাচান হৈ অমটালৈ যাব। তাৰ পাছত ৫ মাৰ্চৰ পৰা ভিন্ন প্ৰান্তৰ পৰা মুঠ ৯খন ৰথে ৰাজ্যখনৰ প্ৰতিটো বিধানসভা সমষ্টিক সামৰি মুঠ ৫ হাজাৰ কিলোমিটাৰ পথত যাত্ৰা কৰিব। সেই সময়ছোৱাত ৰাজ্যখনত মুঠ ৬০খন বৃহৎ জনসভা আৰু ৩০০খনৰো অধিক পথসভা অনুষ্ঠিত হ'ব। মাৰ্চৰ শেষত কলকাতাৰ ঐতিহাসিক ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত পৰিৱৰ্তন যাত্ৰাৰ সামৰণি পৰিব। সামৰণী অনুষ্ঠানত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এখন বিশাল জনসভা সম্বোধন কৰিব। পশ্চিমবংগৰ ৰাজ্যিক বিজেপিয়ে জনোৱা মতে, পৰিৱৰ্তন ৰথযাত্ৰাৰ আৰম্ভণিতে দলৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিং, কৃষিমন্ত্ৰী শিৱৰাজ সিং চৌহান, পথ পৰিবহনমন্ত্ৰী নীতিন গাডকাৰি, শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিশ, দলৰ নেত্ৰী স্মৃতি ইৰাণী প্ৰমুখ্যে শীৰ্ষ নেতৃত্বই অংশ ল'ব। পশ্চিমবংগ বিজেপিৰ সভাপতি সমিক ভট্টাচাৰ্যই কয় যে ২০১১ চনত নিৰ্বাচনত পশ্চিমবংগলৈ বৃহৎ পৰিৱৰ্তন আহিছিল আৰু এইবাৰো তাৰ পুনৰাবৃত্তি ঘটিব। আনহাতে ৰাজ্যখনত বিৰোধীৰ নেতা শুভেন্দু অধিকাৰীয়েও ৰথযাত্ৰাই ৰাজ্যখনলৈ বৃহৎ পৰিৱৰ্তন আনিব বুলি দাবী কৰিছে।

## বাংলাদেশৰে সম্পৰ্ক উন্নত কৰাৰ প্ৰয়াস

# ঢাকাত জামাতৰ মুৰব্বীক সাক্ষাৎ ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰিৰ

**ঢাকা, ১৮ ফেব্ৰুৱাৰী ঃ** সাধাৰণ নিৰ্বাচনৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত খালেদা জিয়াৰ পুত্ৰ তাৰিক ৰহমানৰ নেতৃত্বত বি এন পিৰ চৰকাৰ গঠন হৈছে। ইয়াৰ লগে লগে শ্বেখ হাছিনা চৰকাৰৰ পতনৰ পাছত দেশখনৰ ৰাজনীতিত এক নতুন যাত্ৰা আৰম্ভ হৈছে। এনে সময়তে দেশখনৰ সৈতে সম্পৰ্ক উন্নত কৰিবলৈ তৎপৰ হৈছে ভাৰত চৰকাৰ। কিয়নো ৰাষ্ট্ৰীয় সুৰক্ষাৰ বাবে সীমান্তৱৰ্তী দেশখনৰ সৈতে সম্পৰ্ক স্বাভাৱিক কৰাটো জৰুৰী। এনে উদ্দেশ্যেৰে তাৰিক ৰহমানৰ নেতৃত্বত নতুন চৰকাৰে শপত গ্ৰহণ কৰাৰ পাছতে ভাৰতৰ বৈদেশিক সচিব বিক্ৰম মিশ্ৰীয়ে কালি দুপৰীয়া সাক্ষাৎ কৰিছে বাংলাদেশৰ কট্টৰপন্থী দল জামাত-ই-ইছলামীৰ মুৰব্বী ডঃ ছফিকুৰ ৰহমানক। ভাৰতীয় উচ্চায়ুক্তই সামাজিক মাধ্যমত এক বিবৃতিযোগে জনোৱা মতে, বাংলাদেশৰ সংসদত বিৰোধীৰ ভূমিকাত থকা জামাতক নতুন দায়িত্বৰ বাবে বিক্ৰম মিশ্ৰীয়ে শুভেচ্ছা জনাইছে। ঢাকা ট্ৰিবিউনত প্ৰকাশ পোৱা মতে ভাৰতৰ বৈদেশিক সচিবৰে সাক্ষাৎকালত জামাতৰ নেতাগৰাকীয়ে দুয়োখন দেশৰ সভ্যতামূলক সম্পৰ্কত গুৰুত্ব আৰোপ কৰে। লগতে ভাৰত-বাংলাদেশৰ সম্পৰ্ক আৰু অধিক সুদৃঢ় হ'ব বুলি আশা প্ৰকাশ কৰে। আনহাতে ভাৰতৰ বৈদেশিক সচিবগৰাকীয়ে জামাতৰ মুৰব্বীক সাক্ষাৎ কৰাটো এক বৃহৎ কূটনৈতিক বাৰ্তাৰূপে চৰ্চিত হৈছে। জামাতক ভাৰতবিৰোধী আৰু কট্টৰপন্থী দল বুলি জনা যায়। কিন্তু ভাৰতে দেশখনৰ পৰিৱৰ্তিত ৰাজনৈতিক সমীকৰণৰ প্ৰতি লক্ষ্য ৰাখি জামাতৰ মুৰব্বীৰ সৈতে বৈঠকত বহিছে। ইয়াৰ জৰিয়তে বাৰ্তা দিয়া হৈছে যে ভাৰতে বাংলাদেশৰ চৰকাৰৰ লগতে বিৰোধীৰ সৈতেও সম্পৰ্ক ৰাখি ভৱিষ্যতৰ পথত আগবাঢ়িব বিচাৰে, যাতে দেশৰ সুৰক্ষা, সীমান্তৰ উত্তেজনা, ধৰ্মীয় সংখ্যালঘু, বিশেষকৈ হিন্দুসকলৰ হিত আদি বিষয়ত সৃষ্টি হোৱা জটিলতাসমূহ আঁতৰাব পৰা যায়।



# ভাৰত-ইউৰোপ সম্পৰ্কত স্বৰ্ণযুগ আনিব মুক্ত বাণিজ্য চুক্তিয়ে

## দুই ৰাষ্ট্ৰপ্ৰধানক সাক্ষাতৰ পাছত প্ৰধানমন্ত্ৰী

**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** দিল্লীত অনুষ্ঠিত কৃত্ৰিম মেধা (এ আই) সন্মিলনৰ মাজতে স্পেইনৰ ৰাষ্ট্ৰপতি পেড্ৰো ছান্সেজ আৰু ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী পেট্টেৰি অৰ্পোৰ সৈতে সাক্ষাৎ কৰে প্ৰধানমন্ত্ৰীয়ে। ইয়াৰ পাছতে তেওঁ কয় যে ভাৰত-ইউৰোপীয় ইউনিয়নৰ মুক্ত বাণিজ্য চুক্তিয়ে ভাৰতৰ সৈতে ইউৰোপৰ সম্পৰ্কত স্বৰ্ণযুগৰ সূচনা কৰিব। স্পেইনৰ ৰাষ্ট্ৰপতি ছান্সেজৰ সৈতে হোৱা বৈঠকক ফলপ্ৰসূ বুলি উল্লেখ কৰিছে প্ৰধানমন্ত্ৰী মোডীয়ে। দুয়োখন দেশৰ বন্ধুত্ব অধিক সুদৃঢ় কৰাৰ বিষয়ে আলোচনা হৈছে। এক্স একাউণ্টত পোষ্ট কৰি মোডীয়ে লিখিছে, 'আমি দুয়োখন দেশে ২০২৬ চনক ভাৰত-স্পেইন সংস্কৃতি, পৰ্যটন আৰু কৃত্ৰিম মেধাৰ বছৰ হিচাপে চিহ্নিত কৰিছোঁ। ইয়াৰ ফলত দুয়োখন দেশৰ মানুহ মাজত যোগাযোগ অধিক বৃদ্ধি পাব। এই ঐতিহাসিক মুক্ত বাণিজ্য চুক্তিয়ে স্পেইনৰ সৈতে আমাৰ অৰ্থনৈতিক অংশীদাৰিত্বত ইতিবাচক প্ৰভাৱ পেলাব। আমাৰ দেশৰ মানুহৰ সন্মুখত নতুন সুযোগ সৃষ্টি কৰিব।' উল্লেখ্য যে যোৱা ২৭ জানুৱাৰীত ভাৰত আৰু ইউৰোপীয় ইউনিয়নৰ মাজত মুক্ত বাণিজ্য চুক্তি সংক্ৰান্তীয় আলোচনা চূড়ান্ত হৈছে।

# দুশ্চিন্তাৰ বাবেই পত্নীক হত্যা ইছৰোৰ প্ৰাক্তন কৰ্মীৰ



**মোৰ মৃত্যুৰ পাছত তেওঁৰ কি হ'ব?**

**বেংগালুৰু, ১৮ ফেব্ৰুৱাৰী ঃ** তেওঁৰ মৃত্যু হ'লে পত্নীৰ কি হ'ব, তাক লৈ সকলো সময়তে দুশ্চিন্তাত আছিল ব্যক্তিজন। সেইবাবেই শ্বাসৰুদ্ধ কৰি পত্নীক হত্যা কৰিলে। গ্ৰেপ্তাৰৰ পাছত এই দাবী কৰিলে ভাৰতৰ মহাকাশ গৱেষণা সংস্থা 'ইছৰো'ৰ এজন প্ৰাক্তন কৰ্মীয়ে। বেংগালুৰুৰ হোৱাইটফিল্ড অঞ্চলৰ এটা ফ্লেটত থাকে সন্ধ্যাশ্ৰী আৰু তেওঁৰ স্বামী নাগেশ ঈশ্বৰ ৰাও। আজি পুৱা সেই ফ্লেটৰ পৰাই উদ্ধাৰ হয় সন্ধ্যাশ্ৰীৰ মৃতদেহ। তেওঁক শ্বাসৰুদ্ধ কৰি হত্যাৰ সন্দেহ আৰক্ষীৰ। জানিব পৰা মতে, প্ৰৌঢ়ই নিজেই এজন পৰিচিতক ফোন কৰি হত্যাকাণ্ডৰ বিষয়ে জানিবলৈ দিয়ে। সন্দেহবশতঃ আৰক্ষীয়ে জেৰা আৰম্ভ কৰাৰ লগে লগেই তেওঁ অপৰাধৰ কথা স্বীকাৰ কৰে। প্ৰাথমিক জেৰাত ধৃতই দাবী কৰিছে যে তেওঁৰ মৃত্যু হ'লে স্ত্ৰীৰ কি হ'ব, তাক লৈ সৰ্বক্ষণ উদ্বিগ্ন হৈ থাকে নাগেশ ঈশ্বৰ। সেইবাবেই তেওঁ পত্নীক হত্যা কৰে। অৱশ্যে এই দাবীৰ সত্যতা বিচাৰ কৰাৰ প্ৰয়োজন আছে বুলি ভাবে আৰক্ষীয়ে। হত্যাৰ নেপথ্যত অন্য কিবা কাৰণ থাকিব পাৰে নেকি, সেয়াও অনুসন্ধান কৰা হ'ব। ধৃতৰ মানসিক সমস্যা আছে নেকি, সেই বিষয়টোও তদন্তৰ আওতাত ৰখা হ'ব। অৱশ্যে আৰক্ষীৰ অনুসন্ধানত পোহৰলৈ আহিছে যে ধৃত প্ৰৌঢ় প্ৰায়ে বিষণ্ণ আৰু ভাৰাক্ৰান্ত হৈ আছিল। ইয়াক লৈ তেওঁৰ চিকিৎসাও চলি আছিল। পূৰ্বে তেওঁ নিজেও আত্মহত্যাৰ চেষ্টা চলাইছিল বুলি জানিব পাৰিছে আৰক্ষীয়ে।

## অনলাইনত অবৈধ ছুৰী বিক্ৰীৰ অভিযোগ

# ব্লিংকিটৰ বিৰুদ্ধে দিল্লী আৰক্ষীৰ এজাহাৰ




**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** অনলাইনত দ্ৰুত বাণিজ্য প্লেটফৰ্মৰ জৰিয়তে নিষিদ্ধ ছুৰী বিক্ৰী কৰা বুলি অভিযোগ উত্থাপন হোৱাৰ পাছতে দিল্লী আৰক্ষীয়ে ব্লিংকিটৰ বিৰুদ্ধে অস্ত্ৰ আইনৰ অধীনত এখন এজাহাৰ দাখিল কৰিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ প্ৰতিবেদন অনুসৰি পশ্চিম দিল্লীৰ খেয়ালা আৰক্ষী থানাত কৰ্মৰত এজন কনিষ্টবলে খেয়ালা অঞ্চলত সম্প্ৰতি সংঘটিত দুটা হত্যাকাণ্ডত অনলাইনযোগে ক্ৰয় কৰা ছুৰী ব্যৱহাৰ কৰাৰ অভিযোগ কৰিছে। এই ঘটনাৰ পাছত আৰক্ষীয়ে বিভিন্ন ই-কমাৰ্চ আৰু দ্ৰুত ডেলিভাৰী প্লেটফৰ্মসমূহ পৰীক্ষা কৰি ছুৰী সৰবৰাহ কৰাৰ তথ্য লাভ কৰে। এই কথা প্ৰমাণৰ বাবে কনিষ্টবলজনে ১৩ ফেব্ৰুৱাৰীৰ বিয়লি ৩.৪৩ বজাত এটি অৰ্ডাৰ দিয়ে আৰু অনলাইনত ৭১০ টকা প্ৰদান কৰে। তেওঁ ইচ্ছাকৃতভাৱে থানাৰ দ্বিতীয় মহলাৰ ঠিকনা ডেলিভাৰীৰ বাবে উল্লেখ কৰে। অৰ্ডাৰ দিয়া ছুৰীখন একেদিনাই বিয়লি ৪.০৫ বজাত আহি পায়। অভিযোগকাৰীয়ে আৰু জনোৱা মতে, ছুৰীখনৰ দৈৰ্ঘ্য ৪ চেণ্টিমিটাৰ আৰু প্ৰস্থ ২.৫ চেণ্টিমিটাৰ। সেইবাবে ইয়াক অবৈধ হাতিয়াৰ হিচাপে গণ্য কৰা হৈছে, যি চৰকাৰী নিৰ্দেশ লংঘন কৰিছে। তদন্তৰ সময়ত আৰক্ষীয়ে দিল্লীৰ বিভিন্ন ডাৰ্ক ষ্টোৰত আৰু প্লেটফৰ্ম সংযুক্ত আউটলেটৰ পৰা ১৬খন ছুৰী উদ্ধাৰ কৰে।

# অচিন গ্ৰহাণুৰ খুন্দাত ধ্বংস হ'ব বিশ্বৰ বহু চহৰ

**ৱাশ্বিংটন, ১৮ ফেব্ৰুৱাৰী ঃ** পৃথিৱীৰ ওচৰেৰে পৰিভ্ৰমণ কৰি থকা একাংশ গ্ৰহাণুৰ আঘাতত বিশ্বৰ বহু চহৰ ধ্বংস হৈ যাব। এই ভয়ংকৰ সতৰ্কবাণী আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাৰ এগৰাকী বিজ্ঞানীৰ। নাছাৰ গ্ৰহ প্ৰতিৰক্ষা বিশেষজ্ঞগৰাকীয়ে কৈছে যে পৃথিৱীৰ ওচৰেৰে পৰিভ্ৰমি থকা প্ৰায় ১৫ হেজাৰ গ্ৰহাণুৰ পৰা হাত সৰাৰ কোনো উপায় নাই। সেই গ্ৰহাণুসমূহৰ প্ৰত্যেকৰে একোখন চহৰ সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলোৱাৰ ক্ষমতা আছে। কেলী ফাষ্ট নামৰ নাছাৰ বিজ্ঞানীগৰাকীয়ে এই তথ্য নিদ্ৰাহৰণকাৰী বুলি প্ৰকাশ কৰি কৈছে যে যিবোৰ গ্ৰহাণুৱে প্ৰলয় আনিব পাৰে তাৰ বিষয়ে বিশেষ একোৱেই জানিব পৰা হোৱা



## নাছাৰ বিজ্ঞানীৰ সতৰ্কবাণী

নাই। কেলী ফাষ্টৰ উদ্ধৃতিৰে 'ডেইলী ষ্টাৰ'ত প্ৰকাশ পোৱা মতে, প্ৰায় ৫০০ ফুট উচ্চতাৰ শিলাখণ্ডও গভীৰ চিন্তাৰ বিষয়। কিয়নো সেইবোৰ ইমান সৰু যে চিনাক্ত কৰা কঠিন। কিন্তু সেই আকাৰৰ শিলাখণ্ডৱো পৃথিৱীৰ বৃহৎ ক্ষতি কৰিব পাৰে। আনহাতে লণ্ডনৰ 'দ্য টাইম্‌ছ'ত প্ৰকাশিত খবৰ অনুসৰি নাছাৰ বিজ্ঞানীগৰাকীয়ে সকীয়নি দিছে যে 'চহৰ নাশক'ৰূপে চৰ্চিত মধ্যম আকাৰৰ সেই গ্ৰহাণুৱে 'কেন্দ্ৰীয় ক্ষতি'ৰ কাৰণ হ'ব পাৰে। কেলী ফাষ্টৰ মতে পৃথিৱীৰ ওচৰেৰে প্ৰায় ২৫ হেজাৰ গ্ৰহাণু পৰিভ্ৰমণ কৰি আছে। তাৰ মাত্ৰ ৪০ শতাংশৰ অৱস্থিতি ধৰা পেলাবলৈ সক্ষম হৈছে বিজ্ঞানীসকল। সূৰ্যৰ সুতীব্ৰ জ্যোতিৰ বাবে বাকী গ্ৰহাণুসমূহৰ অৱস্থিতি ধৰা পেলোৱাটো বিশ্বৰ সৰ্বোত্তম দূৰবীক্ষণ যন্ত্ৰৰ দ্বাৰাও সহজ নহয়। এই সমস্যাৰে মোকাবিলা কৰাৰ বাবে অহা বৰ্ষত এক অত্যাধুনিক 'নিয়াৰ-আৰ্থ-অবজেক্টছ ছাৰ্ভেয়াৰ স্পেচ' দূৰবীক্ষণ মুকলি কৰাৰ পৰিকল্পনাৰ কথাও বিজ্ঞানীগৰাকীয়ে সদৰী কৰিছে। কেলী ফাষ্টে লগতে কৈছে যে গ্ৰহাণুসমূহ পৃথিৱীৰ ওপৰত আঘাত হনাৰ পূৰ্বে বিচাৰি উলিওৱা আৰু নষ্ট কৰি পেলোৱাৰ কৌশল বিকশিত কৰাটো অতি প্ৰয়োজন। কিয়নো তেনে গ্ৰহাণুৰ খুন্দাৰ পৰা হাত সৰাৰ বাবে বৰ্তমান মানৱ সমাজত নাই পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা।

# এ পি এছ চিত নিজ পকোৱাৰ চিন্ময় কপিলৰ চতুৰ্থ স্থান



**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ১৮ ফেব্ৰুৱাৰী ঃ** পশ্চিম নলবাৰী অঞ্চলৰ নিজ পকোৱা গাঁৱৰ বৰ্তমান সন্ধেলি নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক পৱন কুমাৰ শৰ্মা আৰু মঞ্জু দেৱীৰ পুত্ৰ চিন্ময় কপিলে কালি ঘোষণা কৰা অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত অসম পুলিচ সেৱাত ৪ৰ্থ সংখ্যক স্থান (ডি এছ পি) লাভ কৰাত অঞ্চলটোত আনন্দৰ জোৱাৰ উঠিছে। নলবাৰী শংকৰদেৱ শিশু নিকেতনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ কটন বিশ্ববিদ্যালয়ৰ পৰা ২০২১ চনত বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল। ২০২৩ চনত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত সুখ্যাতিৰে ডিগ্ৰী লাভ কৰি ঘৰতে অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই আছিল।

### ছাত্ৰ-ছাত্ৰীসকলে নিকেতন পৰিয়ালৰ ত্যাগ কেতিয়াও অথলে যাবলৈ নিদিয়ে ঃ ৰথীন দত্ত

# স্থানপ্ৰাপ্ত মৃগাংক নাথক সম্বৰ্দ্ধনা জ্ঞাপন মাজবাটবাসীৰ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ওৰাং, ১৮ ফেব্ৰুৱাৰী ঃ** মাজবাট ভিচিডিচিৰ নমাটি (খ) গাঁও নিৱাসী, মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পিতৃ তুলসীৰাম নাথ আৰু মাতৃ হীৰামণি নাথৰ একমাত্ৰ পুত্ৰ মৃগাংক নাথে কালি ঘোষিত অসম লোকসেৱা আয়োগৰ অধীনস্থ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ সহকাৰী উদ্যোগ বিষয়া হিচাপে সুনাম অৰ্জন কৰি মাজবাটলৈ গৌৰৱ কঢ়িয়াই আনিলে। এই উপলক্ষে আজি অৱসৰপ্ৰাপ্ত শিক্ষক ধৰ্মেশ্বৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত এখন সভাত পুত্ৰৰ সফলতাত আৱেগিক হৈ পৰে পিতৃ তুলসীৰাম নাথ। সৰুৰে পৰা মেধাৰ পৰিচয় দাঙি ধৰা মৃগাংকই মাজবাট শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা ২০১৪ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত



৯৩. ৮৩ শতাংশ নম্বৰ, ২০১৬ চনত কটন বিশ্ববিদ্যালয় পৰা উচ্চতৰ মাধ্যমিকত বিজ্ঞান শাখাত ৯০ শতাংশ নম্বৰ আৰু ২০২১ চনত তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পৰা বি-টেক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। তাৰ পিছতেই অসম লোকসেৱা আয়োগৰ অধীনস্থ পৰীক্ষাৰ প্ৰতি আকৃষ্ট হৈ পঢ়াত মন মেলি আজি সফলতা লাভ কৰিলে। মৃগাংকৰ সফলতাত আনন্দিত হৈ মাজবাট শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ প্ৰধান আচাৰ্য্য ৰথীন দত্তই কয় যে ইয়াতকৈ আৰু কি আনন্দ লাগে! নিকেতন পৰিয়ালৰ ত্যাগ ছাত্ৰ-ছাত্ৰীসকলে কেতিয়াও অথলে যাবলৈ নিদিয়ে। এ চি এছ বিষয়া অনুপম দাসৰ পিতৃ শৰৎ চন্দ্ৰ দাস, গাণনিক বিষয়া লিজা শৰ্মাৰ পিতৃ হেমন্ত শৰ্মা, কটন বিশ্ববিদ্যালয়ৰ পৰা স্বৰ্ণপদক অৰ্জন কৰা বিজ্ঞানৰ স্নাতক শাশ্বতী দাসৰ মাতৃ পূৰ্ণিমা দাস, অসম সাহিত্য সভাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰ্মল নাথ, মাজবাট শতদল সাহিত্য সভাৰ সভাপতি নীলমণি বৰুৱা, প্ৰাক্তন উপ-সভানেত্ৰী ৰেণু বৰুৱা, মাজবাট আঞ্চলিক মহিলা সমিতিৰ বীমা পাঠক, ওৰাং শতদল সাহিত্য সভাৰ হেমন্ত কুমাৰ মাহাতু, ওদালগুৰি জিলা বড়ো সাহিত্য সভাৰ উপ-সভাপতি প্ৰফুল্ল দৈমাৰী, নাথ-যোগী সন্মিলনৰ মাজবাট আঞ্চলিকৰ সভাপতি তুলেন তালুকদাৰ, মাজবাট মহাবিদ্যালয়ৰ ইতিহাস বিভাগৰ সহকাৰী অধ্যাপিকা ডঃ দীপ্তি দেৱী, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ৰিংকুমণি দাস, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰেম বৰুৱাকে প্ৰমুখ্য কৰি অনুষ্ঠানত উপস্থিত থকা অসংখ্য লোকে মৃগাংকক গামোচা, কলম আদিৰে সম্বৰ্দ্ধনা জনাই আশীৰ্বাদ প্ৰদান কৰি বক্তব্য আগবঢ়ায়।

### অসম লোকসেৱা আয়োগৰ পৰীক্ষাত দ্বাদশ স্থান

# কামৰূপৰ কিছমৎ বংশৰলৈ গৌৰৱ কঢ়িয়ালে চুমন মালাকাৰে



**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ ২০২৪ বৰ্ষৰ মূল পৰীক্ষাত কামৰূপৰ কিছমৎ বংশৰৰ চুমন মালাকাৰে কৃতিত্ব অৰ্জন কৰিবলৈ সক্ষম হৈছে। শুৱালকুছি নিকটৱৰ্তী কৃষিপ্ৰধান গাঁও কিছমৎ বংশৰ নিৱাসী নাৰায়ণ মালাকৰ আৰু তৰুলতা মালাকাৰৰ পুত্ৰ চুমন মালাকাৰে সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ মূল পৰীক্ষাৰ ফলাফলত দ্বাদশ স্থান লাভ কৰি অসামৰিক বিষয়া পদলৈ নিৰ্বাচিত হয়। মেধাৱী চুমন মালাকাৰে পৰিয়াল তথা পিতৃ-মাতৃৰপৰা অনুপ্ৰেৰণা লাভ কৰা বুলি মন্তব্য কৰে। আজি কৃতী ছাত্ৰগৰাকীৰ বাসগৃহত বিভিন্ন দল-সংগঠনৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ কাৰ্যনিৰ্বাহক যুৱ নেতা প্ৰকাশ দাসে উপস্থিত হৈ চুমন মালাকাৰৰ লগতে পিতৃ-মাতৃক এখন ফুলাম গামোচা আৰু এটি জাপিৰে সম্বৰ্দ্ধনা জনায়। পূব বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতা, কিছমৎ বংশৰ নিৱাসী তথা যুৱ সমাজ কৰ্মী মৃদুল কলিতাৰ লগতে কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ হৈ সম্পাদক মৃণাল ডেকাই কৃতী ছাত্ৰগৰাকীক শুভেচ্ছা জনায়। নৱ প্ৰজন্মই ভাল ফল লাভ কৰিবলৈ হ'লে ধৈৰ্য, একাগ্ৰতাৰে অধ্যয়নত ব্ৰতী হ'বলৈ পৰামৰ্শ দিয়ে কৃতী ছাত্ৰগৰাকীয়ে। চুমন মালাকাৰৰ কৃতিত্বত অঞ্চলৰ বিভিন্নজনে অভিনন্দন জনোৱাৰ উপৰি চুবুৰীয়াই আনন্দ-উৎসৱ পালন কৰে। বৃহত্তৰ কিছমৎ বংশৰ অঞ্চলত পোন প্ৰথমবাৰ অসম লোকসেৱা আয়োগৰ পৰীক্ষাত চুমনে সফলতা অৰ্জন কৰে।

# ষষ্ঠ স্থানপ্ৰাপ্ত জেচমিন চুলতানাৰ সফলতাত উৎফুল্লিত টুপামাৰীৰ ৰাইজ



**দৈনিক অসমৰ প্ৰতিনিধি**

**নগৰবেৰা, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যঘোষিত অসম লোকসেৱা আয়োগ, চমুকৈ এ পি এছ চিৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত কামৰূপ জিলাৰ নৱগঠিত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত টুপামাৰীৰ বোৱাৰী জেচমিন চুলতানাই সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হৈছে। জানিব পৰা মতে, টুপামাৰী গাঁৱৰ মফিজুদ্দিন আহমেদ আৰু হাচিনা বেগমৰ পুত্ৰ মেহবুব হাছান আহমেদৰ পত্নী জেচমিন চুলতানাই অসম লোকসেৱা আয়োগৰ অধীনত অনুষ্ঠিত পৰীক্ষাৰ ঘোষিত ফলাফলত ৬ নং স্থান দখল কৰি গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁৰ এই সাফল্যৰ বাবে অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজ আৰু সচেতন মহলে তেওঁক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# ধীৰাজ বেজবৰুৱাৰ সফলতাত জাগাৰাত আনন্দৰ লহৰ



**দৈনিক অসমৰ প্ৰতিনিধি**

**জাগাৰা, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত জাগাৰা গাঁৱৰ প্ৰয়াত অৰুণ বেজবৰুৱা আৰু নমিতা বেজবৰুৱাৰ পুত্ৰ ধীৰাজ বেজবৰুৱাই কালি ঘোষণা কৰা অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাত (ৰেংক-৪২-কৰ পৰিদৰ্শক) সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। নলবাৰীৰ জাগাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ তেওঁ নলবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। নলবাৰীৰ লোকনিৰ্মাণ বিভাগত কৰ্মৰত ধীৰাজৰ এই সাফল্যৰ বাবে অঞ্চলটোৰ শিক্ষানুৰাগী ৰাইজ আৰু শুভাকাংক্ষীসকলে অভিনন্দন জ্ঞাপন কৰিছে।

৩ পৃষ্ঠাৰ পৰা

## 'মোলাই কাঠনি'ত পুনৰ

হেক্টৰ ভূমিত ২০২২ চনৰপৰা মূল্যৱান গছপুলি ৰোপণ কৰি অহা অৰণ্যখনত দুষ্কৃতিকাৰীয়ে আজি পুনৰ অগ্নি সংযোগ কৰে। এই বিষয়ে অৰণ্য মানৱ যাদৱ পায়েঙে জনায় যে বিয়লি ভাগত কোনো দুষ্কৃতিকাৰীয়ে এই দুষ্কাৰ্য সংঘটিত কৰে। বহুদিন বৰষুণ নোহোৱাৰ ফলত হাবি-বনবোৰ শুকান হৈ আছে, সেয়ে মাজৰাতি পৰ্যন্ত জুই জ্বলি থকাৰ সন্দেহ কৰিছে অৰণ্য মানৱ যাদৱ পায়েঙে। ইতিমধ্যে ঘটনা সন্দৰ্ভত তেওঁ প্ৰশাসনক অৱগত কৰিছে আৰু প্ৰশাসনৰ শীৰ্ষ বিষয়াই কাইলৈ পুৱাৰ ভাগত অগ্নিকাণ্ড সংঘটিত অঞ্চল পৰিদৰ্শন কৰিব বুলি জানিব পৰা গৈছে। অৰণ্যখনত সঘনে অগ্নি সংযোগ কৰা দুষ্কৃতিকাৰীক কৰায়ত্ত কৰিবলৈ দাবী জনাইছে যোৰহাটৰ সচেতন মহলে। যাদৱ পায়েঙে এই সম্পৰ্কত অসম চৰকাৰৰ বনমন্ত্ৰীক অভিযোগ দিয়া বুলিও জানিবলৈ দিয়ে। উল্লেখ্য যে অৰণ্য মানৱগৰাকীয়ে ইয়াৰ পূৰ্বেও বনমন্ত্ৰীক অভিযোগ দিছিল যদিও দুষ্কৃতিকাৰীক কৰায়ত্ত কৰাৰ ক্ষেত্ৰত কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাছিল ৰাজ্য চৰকাৰে। উল্লেখ্য যে ২০২২ চনৰপৰা যাদৱ পায়েঙৰ কন্যা মুনমুনী পায়েঙে কলকাতাৰ ছাছটেইনবেল গ্ৰীণ ইনিচিয়েটিভ নামৰ এটা স্বেচ্ছাসেৱী সংগঠনৰ সৈতে বহু হেক্টৰ ভূমিত ৰোপণ কৰিছিল মূল্যৱান গছৰ লক্ষাধিক পুলি। নতুনকৈ গছপুলি ৰোপণ কৰা স্থানতে ২৮ ডিচেম্বৰৰ দুপৰীয়া আৰু যোৱা ১১ ফেব্ৰুৱাৰীতো কোনো দুষ্কৃতিকাৰীয়ে অগ্নি সংযোগ কৰিছিল।

## গোলাঘাটত নৱম শ্ৰেণীৰ

কালি তিনিজন যুৱক ওলাই যোৱা তেওঁলোকে প্ৰত্যক্ষ কৰিছিল। তাৰ পাছতেই গোলাঘাটৰ আৰক্ষী উপস্থিত হৈ নিশাই দুই নাবালকসহ এজন যুৱকক আটক কৰি গোলাঘাট আৰক্ষী থানাত হাজিৰ কৰায়। আজি ঘটনাৰ লগত জড়িত অভিজিৎ দাস নামৰ যুৱকগৰাকীক চিকিৎসালয়লৈ নিয়াৰ সময়ত ভুক্তভোগী পৰিয়ালটোৰ সদস্যসকলে আৰক্ষী থানাত উত্তাল পৰিৱেশৰ সৃষ্টি হয়। ভুক্তভোগী পৰিয়ালৰ অভিযোগ অনুসৰি একমাত্ৰ ৩ হেজাৰ টকাৰ বাবেই দুই নাবালকসহ এজন যুৱকে পৰিকল্পিতভাৱে হত্যা কৰে মল্লিকক। জানিব পৰামতে, শ্লোক মল্লিক নামৰ ছাত্ৰজনক বাইক ক্ৰয় কৰিবৰ বাবে ৩ হেজাৰ টকা বিচাৰি আছিল অভিজিৎ দাসে। এই টকা নোপোৱাৰ বাবেই ছাত্ৰজনক হত্যা কৰিলে বুলি অভিযোগ কৰে ছাত্ৰজনৰ পৰিয়ালৰ লোকে। ভুক্তভোগী পৰিয়ালটোৰ অভিযোগ অনুসৰি ছাত্ৰজনে পিন্ধি থকা সোণৰ আঙঠি আৰু লকেটটো চুৰ কৰিছে তিনি পাষণ্ডই। এই চাঞ্চল্যকৰ ঘটনাই গোলাঘাটৰ সমাজ জীৱনক জোকাৰি যোৱাৰ লগতে সৰ্বত্ৰে ধিক্কাৰ আৰু গৰিহণা দি দোষীক উচিত শাস্তিৰ দাবী জনাইছে পৰিয়ালৰ লগতে গোলাঘাটবাসীয়ে। গোলাঘাট আৰক্ষীয়ে ইতিমধ্যে তিনিগৰাকী অভিযুক্তক সোধা-পোছা অব্যাহত ৰাখিছে যদিও দুই-এদিনতে পোহৰলৈ আহিব ঘটনাৰ প্ৰকৃত সত্য।

## ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া

বৃদ্ধিৰ লক্ষ্যৰে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশস্বৰূপে উদ্যান কৰ্তৃপক্ষই কেইবাখনো বিদ্যালয়ৰ নিৰ্বাচিত শিক্ষাৰ্থীক উদ্যানখনৰ ভিতৰত বিনামূলীয়াকৈ জীপ ছাফাৰী কৰোৱাৰ ব্যৱস্থা কৰে। উল্লেখ্য যে কিছুদিন পূৰ্বে মানাহ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই 'আৰণ্যক' নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ সহযোগত দাঁতিকাষৰীয়া বিদ্যালয়সমূহৰ মাজত প্ৰকৃতি বিষয়ক এক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। উক্ত প্ৰতিযোগিতাত উন্নত প্ৰদৰ্শন কৰা প্ৰতিখন বিদ্যালয়ৰ ১০-১১ জনকৈ শিক্ষাৰ্থীক আজি জীপ ছাফাৰীৰ বাবে আমন্ত্ৰণ জনোৱা হয়। উদ্যানখনৰ সহকাৰী সঞ্চালক জেচিম আহমেদে সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে উদ্যানখনৰ কাষৰীয়া অঞ্চলত বসবাস কৰা বহু শিক্ষাৰ্থীৰ মানাহৰ জৈৱ-বৈচিত্ৰ্যৰ বিষয়ে গভীৰ জ্ঞান নাই। তেওঁলোকক প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ সৈতে চিনাকি কৰি দিয়াৰ লগতে সংৰক্ষণৰ বাবে আগ্ৰহী কৰি তোলাটোৱেই এই কাৰ্যসূচীৰ মূল উদ্দেশ্য। সহকাৰী সঞ্চালকগৰাকীয়ে লগতে কয়, 'আমি আৰণ্যকৰ লগত মিলি বিভিন্ন স্কুলত প্ৰতিযোগিতা পাতিছিলোঁ। তাৰ পৰাই নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলক আজি আমি জীপ ছাফাৰী কৰাইছোঁ। প্ৰথম পৰ্যায়ত বৰমাজ্ৰা এম ই স্কুল, ভূএগ্ৰাপাৰা আৰু পাণবাৰী আদি অঞ্চলৰ ৫ খন বিদ্যালয়ক ইয়াত সামৰি লোৱা হৈছে। এই কাৰ্যসূচী আজিৰ পৰা অহা ২২ ফেব্ৰুৱাৰীলৈকে চলিব। আমাৰ লক্ষ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু প্ৰকৃতিৰ মাজত এটা সু-সম্পৰ্ক গঢ়ি তোলা। এই ব্যতিক্ৰমী পদক্ষেপে শিক্ষাৰ্থীসকলৰ মাজত যথেষ্ট উৎসাহৰ সৃষ্টি কৰিছে। প্ৰকৃতিৰ বুকুত সোমাই বন্যপ্ৰাণীক ওচৰৰ পৰা দেখাৰ সুযোগ পাই ছাত্ৰ-ছাত্ৰীসকলো আনন্দিত হৈ পৰা পৰিলক্ষিত হৈছে।

## বি টি চিৰ সকলো লোকে

সভা আজি হাউলীৰ সমীপৰ বেন্নীবাৰীস্থিত বড়োলেণ্ড গেষ্ট হাউছত অনুষ্ঠিত হয়। বি পি এফৰ সভাপতি তথা বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত কেন্দ্ৰীয় নেতৃবৃন্দৰ লগতে দলৰ এম চি এল এ আৰু ই এমসকল উপস্থিত থাকে। আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে দলৰ ভেটি শক্তিশালী কৰিবলৈ অহা ২৫ফেব্ৰুৱাৰীৰপৰা বিভিন্ন ঠাইত সমাৰেশ অনুষ্ঠিত কৰা হ'ব বুলি বি পি এফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে জানিবলৈ দিয়ে। এই সমাৰেশ গোসাঁইগাঁৱৰপৰা আৰম্ভ কৰা হ'ব আৰু পৰৱৰ্তী সময়ত বি টি চিৰ সকলো জিলাতে অনুষ্ঠিত কৰা হ'ব বুলি হাগ্ৰামাই কয়। বি টি চিৰ নিৰ্বাচনৰ সময়ত দলে দিয়া ৫ টাকৈ গেৰাণ্টী চলিত মাহৰ ২৫ তাৰিখে ওদালগুৰিৰ পৰা শুভাৰম্ভ কৰা হ'ব। বি টি চিৰ প্ৰতিটো পৰিয়ালকে মাটিৰ পট্টা দিয়া হ'ব আৰু এই কাম ওদালগুৰিত অনুষ্ঠিত হ'বলগীয়া সভাখনৰ পৰাই আৰম্ভ কৰা হ'ব বুলি হাগ্ৰামা মহিলাৰীয়ে উল্লেখ কৰে। বিধানসভা নিৰ্বাচনত বি টি চিৰ ১৫ টা সমষ্টিত বি পি এফ দলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব বুলি বি পি এফৰ কেন্দ্ৰীয় নেতা তথা বিধায়ক দুৰ্গাদাস বড়োৱে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। লগতে বিধানসভা নিৰ্বাচনত কোন কোন সমষ্টিত কাক কেনেকৈ প্ৰাৰ্থিত্ব দিয়া হ'ব সকলো দায়িত্ব বি পি এফৰ মুৰব্বী তথা বি টি চিৰ চীফ হাগ্ৰামা মহিলাৰীক দিয়া হৈছে বুলি দুৰ্গাদাস বড়োৱে কয়।

## নতুন বদলাত ভয়ংকৰ পথ দুৰ্ঘটনা

নতুন বদলাত আজি এখন দ্ৰুত বেগী স্ক'ৰপিঅ' বাহনে নিয়ন্ত্ৰণ হেৰুৱাই সংঘটিত কৰা এক পথ দুৰ্ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে। জানিব পৰা মতে, ১ নং টুপামাৰী গাঁৱৰ হুৰমুজ আলী নামৰ যুৱকজনে এ এছ-০১ জে-৩৬৩৭ নম্বৰৰ স্ক'ৰপিঅ' বাহনেৰে তেওঁৰ চাৰিজনীয়া পৰিয়ালৰ সৈতে সোণতলীলৈ গৈ থকা অৱস্থাতে বাহনখন নতুন বদলাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা দ খাৱৈত বাগৰি পৰে। পাছত স্থানীয় ৰাইজে দুৰ্ঘটনাটো প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ গাড়ীখনৰ ভিতৰৰ পৰা আটাইকে উলিয়াই অনাত পৰিয়ালটো ৰক্ষা পৰে। এই দুৰ্ঘটনাত পৰিয়ালটোৰ চাৰিওজন লোক কথমপি ৰক্ষা পৰে যদিও বাহনখনৰ চালক হুৰমুজ আলী নামৰ যুৱকজন আহত হয়। পাছত আহত চালকজনক ততাতৈয়াকৈ টুপামাৰী ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰাই চিকিৎসা প্ৰদান কৰা হয়। বাহনখন দ্ৰুতগতিত চলোৱাৰ বাবেই এই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি ৰাইজে সন্দেহ কৰিছে।

## ছাতৰপৰা পৰি মৃত্যু পুতুল কুমাৰ

শইকীয়াৰ আজি নিজা বাসভৱনৰ ছাতৰ পৰা তললৈ সৰি পৰি মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৪ বছৰ। ঘটনাৰ বিৱৰণী মতে, আজি পুৱা ৯-৩০ বজামানত তেওঁৰ প্ৰয়াত শহুৰৰ মৃত্যু তিথি উপলক্ষে তামোল-পাণ, নৈৱেদ্যৰে এভাগি শৰাই আগবঢ়োৱাৰ উদ্দেশ্যে নিজৰ দুমহলীয়া ভৱনৰ ছাতত উঠি ওচৰতে থকা তামোল গছত বগোৱা পাণ পাৰি থকা অৱস্থাতে তললৈ সৰি পৰে। মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ মাত-বোল নোহোৱাকৈ তেওঁ বহু সময় ধৰি তাতে পৰি থকাৰ পাছত ঘৰৰ মানুহে বিচাৰ-খোঁচাৰ কৰি তেওঁক সংজ্ঞাহীন অৱস্থাত উদ্ধাৰ কৰে আৰু ততালিকে ওচৰতে থকা ছিপাঝাৰ প্ৰাথমিক আৰু সামূহিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও কৰ্তব্যৰত চিকিৎসকে মৃত ঘোষণা কৰে। একালৰ ছাত্ৰ নেতা তথা অসম আন্দোলনৰো অগ্ৰণী শইকীয়া ছিপাঝাৰ সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি আছিল। এগৰাকী লেখক হিচাপেও পৰিচিতি থকা শইকীয়াই কেইবাখনো গ্ৰন্থ আৰু স্মৃতিগ্ৰন্থ সম্পাদনা কৰিছিল। তেওঁ ছিপাঝাৰ প্ৰাথমিক আৰু সামূহিক চিকিৎসালয়ৰ এগৰাকী কৰ্মচাৰী হিচাপে দুবছৰমান পূৰ্বে অৱসৰ কৰিছিল। তেওঁ ঘোঁৰাবান্ধা উন্নয়ন সমিতিৰ সভাপতি-সম্পাদক, ঘোঁৰাবান্ধা দৌল উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক, ঘোঁৰাবান্ধা শিৱ মন্দিৰৰ সভাপতি-সম্পাদক, ঘোঁৰাবান্ধা সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন সমিতিৰ সভাপতি-সম্পাদক, ছিপাঝাৰ জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ সম্পাদক, ছিপাঝাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পৰিষদ, দৰং জিলা সাহিত্য সভাৰ সদস্য আদিকে ধৰি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে আমৃত্যু জড়িত হৈ আছিল। আনহাতে, তেওঁ ছিপাঝাৰ বি জে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আগন্তুক 'মহাৰজত জয়ন্তী' উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপেও মৃত্যুৰ সময়লৈকে কাৰ্যনিৰ্বাহ কৰি আছিল। তেওঁৰ মৃত্যুত ছিপাঝাৰ সাহিত্য সভা, দৰং জিলা সাহিত্য সভাকে ধৰি ছিপাঝাৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে ছিপাঝাৰৰ বিধায়ক ডঃ পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া প্ৰমুখ্যে ভিন্ন ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী তথা ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী চম্পাৰাণী দেৱী, দুগৰাকী কন্যা প্ৰমুখ্যে ভালেমান গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত বৃহত্তৰ ছিপাঝাৰ তথা দৰঙত শোকৰ ছাঁ পৰে।

## বিহালীত বাল্যবিবাহ

উদ্যোগত সজাগতা সভা আদি অনুষ্ঠিত কৰি অহাৰ মাজতে বিহালী থানাৰ অন্তৰ্গত হাতীমৰা গাঁৱত বাল্যবিবাহৰ অভিযোগত এজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অভিযোগমতে, বিহালীৰ চেৰেলিয়াৰ এগৰাকী ১৬ বছৰীয়া কিশোৰীক যোৱা ৭ ফেব্ৰুৱাৰীত তেওঁ পলুৱাই নিয়ে। পিছদিনা সম্ভাব্য বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰি কোনো সন্ধান নোলোৱাত কিশোৰীগৰাকীৰ মাকে বিহালী থানাত এখন এজাহাৰ দাখিল কৰে। সেই এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গোচৰ ৰুজু কৰি অনুসন্ধান চলাই হাতীমৰা গাঁৱৰ বাণেশ্বৰ ওৰাঙৰ পুত্ৰ বিকাশ ওৰাঙক সোধা-পোছা কৰাৰ অন্তত বাল্যবিবাহৰে জড়িত থকাৰ অপৰাধত নিৰ্দিষ্ট ধাৰাত গ্ৰেপ্তাৰ কৰি কালি বিশ্বনাথ চাৰিআলি জেল হাজোতলৈ প্ৰেৰণ কৰে।

## লাহৰীঘাটত ভাগি পৰিল পকী দলং

বিলৰ ওপৰত ৪ বছৰৰ পূৰ্বে অতি নিম্নমানৰ কামেৰে এখন পকী দলং নিৰ্মাণ কৰিছিল। স্থানীয় এগৰাকী দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰে উপ-ঠিকা গ্ৰহণ কৰি অধিক লাভ কৰিবলৈ গৈ নিম্নমানৰ সামগ্ৰীৰে দলংখন নিৰ্মাণ সম্পূৰ্ণ কৰাৰ পাছত দলংখনত ফাট মেলিবলৈ ধৰে। এই সন্দৰ্ভত স্থানীয় ৰাইজৰ লগতে আমছুৰেও মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগক দলংখন মেৰামতিৰ দাবী জনাইছিল। পাছত গুৰুত্বপূৰ্ণ পথটোত থকা পকী দলংখন বিভাগীয় নিৰ্দেশনা অনুসৰি ঠিকাদাৰ গোষ্ঠীয়ে পুনৰ মেৰামতিৰ কাম চলাই আছিল। সেই অনুসৰি আজি দলংখনৰ এটা অংশত শ্ৰমিকসকলে জোৰা-টাপলি মাৰি মেৰামতিৰ কাম চলাই থকাৰ অৱস্থাতে উক্ত অংশটো তললৈ খহি পৰে। ফলত ওপৰত কাম কৰি থকা ৫জনকৈ শ্ৰমিক গুৰুতৰভাৱে আহত হয়। আনহাতে, কথমপি প্ৰাণ ৰক্ষা পৰে আন কেইবাগৰাকীও শ্ৰমিকৰ। আহত শ্ৰমিককেইজন হৈছে- মোস্তাফা কামাল, ইনামূল হক, টুনি, গুলজাৰ হুছেইন আৰু নাজিৰুল। ইয়াৰে মোস্তাফা কামাল আৰু টুনিৰ অৱস্থা সংকটজনক। ইফালে, আহত আটাইকেইজন শ্ৰমিককে উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। অভিযোগ মতে, পূৰ্বে দলংখন নিৰ্মাণৰ সময়তো দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰগৰাকীয়ে অতি নিম্নমানৰ সামগ্ৰীৰে নিৰ্মাণকাৰ্য চলাই থকাৰ অভিযোগ তুলি স্থানীয় ৰাইজে মৰিগাঁও জিলা লোকনিৰ্মাণ বিভাগক অৱগত কৰিছিল যদিও বিষয়টোত কোনো গুৰুত্ব দিয়া নাছিল। যাৰ ফলত আজি এই ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হ'বলৈ পালে। সেয়ে এতিয়া স্থানীয় ৰাইজে অতি নিম্নমানৰ দলংখন নিৰ্মাণৰ ক্ষেত্ৰত দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰগৰাকীৰ লগতে বিভাগীয় কোন বিষয়া-অভিযন্তা জড়িত আছে এই সন্দৰ্ভত উচিত তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা আয়ুক্তগৰাকীক দাবী জনাইছে।

## ২০ ফেব্ৰুৱাৰীত স্থানান্তৰিত হ'ব

সমীপত উদ্বোধন কৰিছিল ৮ মহলীয়া সংহত জিলা আয়ুক্তৰ কাৰ্যালয়। এতিয়া ২০ ফেব্ৰুৱাৰীৰপৰা এই জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা প্ৰশাসনৰ সকলো কাম-কাজ চলিব। এই সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ত নলবাৰী কোষাগাৰ, নলবাৰী ৰাজহ চক্ৰ কাৰ্যালয়, খাদ্য আৰু অসামৰিক যোগান বিভাগ, বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়, জিলা সমগ্ৰ শিক্ষা অভিযান, জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়, নিয়োগ বিনিময় কাৰ্যালয়কে ধৰি জিলাখনৰ ১৫টা বিভাগীয় মুৰব্বীৰ কাৰ্যালয়ৰ কাম-কাজো এই আয়ুক্ত কাৰ্যালয়ৰ পৰাই পৰিচালিত হ'ব। ৮ মহলীয়া ভৱনত কোন মহলাত কি কি কাৰ্যালয় সংস্থাপিত হ'ব সেয়া বিচাৰি উলিওৱা বহুতৰে বাবে কিছু সমস্যাৰ সৃষ্টি হ'ব। সংহত জিলা আয়ুক্তৰ কাৰ্যালয়ৰ প্ৰথম মহলাত জিলা আয়ুক্তৰ কোঠা, সভাকক্ষ, ভিডিঅ' কনফাৰেন্সিং কোঠা, এন আই চি কোঠা, সহকাৰী জিলা তথ্য বিষয়া, জিলা তথ্য বিষয়া, বেঞ্চ সহায়ক, ৰাজহুৱা সুবিধা কেন্দ্ৰ/ সহায়ক ডেস্ক থাকিব। দ্বিতীয় মহলাত থাকিব-সহকাৰী আয়ুক্তৰ কোঠা, অভিভাৱক মন্ত্ৰীৰ কাৰ্যালয়, জিলা উন্নয়ন আয়ুক্তৰ কোঠা, অতিৰিক্ত জিলা আয়ুক্তৰ কোঠা, বিত্ত আৰু গাণনিক বিষয়া, ডি ডি এম এ শাখা। তৃতীয় মহলাত থাকিব পৰিকল্পনা বিভাগ, সহকাৰী আয়ুক্ত, নিৰ্বাচন বিষয়া, নিৰ্বাচন শাখা, নিৰ্বাচন বিষয়াৰ কম্পিউটাৰ কোঠা, নজৰত শাখা, জাৰিকাৰক/প্ৰক্ৰিয়া ছাৰ্ভাৰ, কৰ্মচাৰী শাখা, প্ৰশাসনিক বিষয়াৰ কোঠা, যোগান শাখা আৰু ডি ডি এছ কোঠা, কেণ্টিন, ৰান্ধনিঘৰ। চতুৰ্থ মহলাত থাকিব-পৰিকল্পনা টি এণ্ড ডি শাখা, জ্যেষ্ঠ পৰিকল্পনা বিষয়া, সহকাৰী পৰিকল্পনা বিষয়া, আবকাৰী শাখা, প্ৰশাসন শাখা, দণ্ডাধিকাৰী শাখা, ভূমি অধিগ্ৰহণ শাখা, ভূমি অভিলেখ শাখা, ভূমি বন্দোবস্ত আৰু ৰাজহ শাখা, জিলা তথ্য আৰু জনসংযোগ বিভাগৰ কাৰ্যালয়। ৫ম মহলাত থাকিব নিয়োগ বিনিময় কাৰ্যালয়, নিয়োগ বিনিময় বিষয়াৰ কোঠা, সহকাৰী নিয়োগ বিনিময় বিষয়াৰ কোঠা, আৰ কে জি শাখা, ৰাজহ অভিলেখ, উপ-পঞ্জীয়কৰ কাৰ্যালয়, জ্যেষ্ঠ সদৰ উপ-পঞ্জীয়ক কাৰ্যালয়, উপ-পঞ্জীয়কৰ কোঠা, চিডিপিঅ', এছ ডি পি এল অ'। ষষ্ঠ মহলাত থাকিব সন্মিলন কক্ষ, বহুমুখী প্ৰেক্ষাগৃহ, কিঅ'স্ক, চক্ৰ বিষয়াৰ কাৰ্যালয়, এল আৰ কোঠা, চক্ৰ বিষয়াৰ কোঠা, অভিলেখ কোঠা, জিলা তথ্য আৰু জনসংযোগ বিষয়া। ৭ম মহলাত থাকিব-আশ্ৰয় ক্ষেত্ৰ, এন আৰ চি শাখা, আইটিডিপি, সহজিলা কাৰ্যালয়, অভিলেখৰক্ষক কোঠা, এছ ডব্লিউ ডিঅ', কোষাগাৰ কাৰ্যালয়, ষ্টেম্প' কোঠা, কোষাগাৰ বিষয়াৰ কক্ষ, ষ্ট্ৰং ৰুম। সেইদৰে ৮ম মহলাত থাকিব বিদ্যালয়ৰ উপ-পৰিদৰ্শক, সমগ্ৰ শিক্ষা অভিযান, জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়, বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় আৰু জিলা প্ৰাপ্তবয়স্ক শিক্ষা বিষয়াৰ কাৰ্যালয়।

৩ পৃষ্ঠাৰ পৰা

## দৰঙত আকৌ একেনিশাই দুটাকৈ মন্দিৰত

মোৱামৰীয়া সাৰ্বজনীন হৰি মন্দিৰৰ পৰা কালি নিশা লুট কৰে লক্ষাধিক টকা আৰু সোণ-ৰূপৰ বেলপত্ৰ, তুলসীৰ পাত। মঙলদৈ জালুকবাৰীৰ বিখ্যাত মোৱামৰীয়া সাৰ্বজনীন হৰি মন্দিৰৰ লগতে সমীপৰ জালুকবাৰী শিৱ মন্দিৰত চুৰি হয়। মন্দিৰটোৰ পৰিচালনা সমিতিৰ সভাপতি ৰজত চন্দ্ৰ ডেকাই সদৰি কৰা অনুসৰি চি চি ফুটেজত স্পষ্ট হৈছে ক'লা পোছাক পৰিহিত দুই চোৰে মন্দিৰটোৰ উত্তৰ দিশৰ দানপাত্ৰ খুলি পোনতে প্ৰায় ১৫ হাজাৰ টকা লুট কৰাৰ পাছত মন্দিৰৰ দক্ষিণ দিশৰ বহল খিৰিকী এখন খুলি চোৰে মূল মণিকূটত প্ৰৱেশ কৰে। চোৰে থাপনাৰ তলৰ পৰা সোণ-ৰূপৰ বেলপত্ৰ, তুলসীপাত চুৰি কৰে। তদুপৰি প্ৰণামীৰ আইনাৰ বাকচৰ পৰা কমেও ৫০ হাজাৰ টকা লুটি নিয়ে। বিগত কাতি মাহৰ পৰা প্ৰণামী আৰু দানপাত্ৰৰ ধন বেংকত জমা কৰা হোৱা নাছিল। সেয়ে কমেও দুই লাখ টকা লুটি নিয়াৰ আশংকা কৰা হৈছে। ইপিনে, মোৱামৰীয়া মন্দিৰ লুটৰ পাছত চোৰে জালুকবাৰী শিৱ মন্দিৰটোৰ পৰাও ধন লুট কৰে। হৰি মন্দিৰৰ পৰা মাত্ৰ ১০০ মিটাৰ দূৰৈত অৱস্থিত মন্দিৰটোৰ পৰাও প্ৰায় ৫ হাজাৰ টকা চুৰি কৰে। মন্দিৰ চুৰি সন্দৰ্ভত ইতিমধ্যে মঙলদৈ থানাত এজাহাৰ দাখিল কৰা হৈছে। মন্দিৰ চুৰিৰ পাছতে ঘটনাস্থলীত বিজেপি নেতা জোনজ্যোতি কাশ্যপ, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা বিজেপিৰ উপ-সভাপতি গৌৰৱ কুমাৰ ডেকাৰাজাই মন্দিৰ চুৰি সন্দৰ্ভত স্থানীয় ৰাইজৰে আলোচনা কৰে। চোৰৰ প্ৰকোপৰ পৰা ৰক্ষা কৰিবলৈ গাঁৱত ফেৰীৱালাৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ লগতে নিশা পালপাতি গাঁৱত পহৰা দিবলৈ আহ্বান জনায়। তাৎপৰ্যপূৰ্ণ যে প্ৰায় ডেৰ বছৰ পূৰ্বে হৰি মন্দিৰ লুট কৰি ১০ লাখতকৈ অধিক টকাৰ সোণ-ৰূপৰ লগতে নগদ ধন চুৰি নিছিল।

## অভাৱনীয় হাৰত মাটিৰ খাজনা বৃদ্ধি

তুলি সুশাসনৰ অস্তিত্বৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। অধিবক্তাসকলে জানিব দিয়া মতে মাটিৰ বৰ্গীকৰণ আৰু খাজনা নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত জিলা এখনৰ জনপ্ৰতিনিধি, স্থানীয় ৰাজহ চক্ৰ বিষয়া, জিলা আয়ুক্ত, গাঁও পঞ্চায়ত, পৌৰসভা, জিলা উন্নয়ন অভিকৰণ, চহৰ-নগৰ উন্নয়ন পৰিকল্পনা বিভাগ আৰু স্থানীয় নাগৰিকৰ সৈতে আলোচনা কৰিব লাগে। সেয়ে এনেকুৱা কোনো আলোচনা নকৰাকৈ নাইবা কোনো পক্ষৰ শুনানি নোলোৱাকৈ একপক্ষীয়ভাৱে ৰাজ্যিক পৰ্যায়ত মাটিৰ খাজনা থিৰাং কৰা কাৰ্য আইনমতে যুক্তিসংগত নহয় বুলি অধিবক্তাসকলে কয়। জানিব পৰা মতে, কিছুমান নিৰ্দিষ্ট কাৰ্যালয়ত যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত এই বিষয়ে জাননী দিলেও জাননীখন ৰাজহুৱা কৰা হোৱা নাই। ফলত এই বিষয়ে ৰাইজ এতিয়াও সম্পূৰ্ণৰূপে অজ্ঞ হৈয়ে আছে। আনহাতে, আন্তঃৰাষ্ট্ৰীয় কোচ ৰাজবংশী সংস্থা (ইকৰা)ৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনে এক প্ৰেছ বিবৃতিত এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়— অসম চৰকাৰে বিৰোধীৰ লগতে সাধাৰণ জনতাকো অন্ধকাৰত ৰাখি ৪০০ৰ পৰা ১০০০ শতাংশলৈ গ্ৰাম্য অঞ্চলৰ মাটিৰ খাজনা বৃদ্ধি কৰিছে। অথচ পুঁজিপতি আৰু চাহ বাগানৰ ক্ষেত্ৰত মাটিৰ খাজনা বৃদ্ধি কৰা নহ'ল। বিবৃতিটোত বৰ্মনে আৰু কয়— ৰাজ্য চৰকাৰে লাখ লাখ বিঘা চৰকাৰী ভূমি এটকা মূল্যৰ বিনিময়ত পুঁজিপতিক লীজত দিয়াৰ বিপৰীতে গ্ৰাম্য অঞ্চলত মাটিৰ খাজনা বৃদ্ধিৰে কৃষক ৰাইজক ৰামটাঙোন শোধাইছে। সেয়ে চৰকাৰৰ এই খিলঞ্জীয়াবিৰোধী স্থিতিয়ে সমাগত নিৰ্বাচনত বিৰূপ প্ৰভাৱ পেলোৱাটো নিশ্চিত। নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰখনে কৃষিপ্ৰধান ৰাজ্য অসমক হিতাধিকাৰী ৰাজ্যলৈ পৰ্যবসিত কৰিলে। হিতাধিকাৰীসকলক সন্তুষ্ট কৰিবলৈ ৰাজ্য চৰকাৰখনে প্ৰতি মাহে ঋণ লৈছে প্ৰায় ৩ হাজাৰ কোটি টকা। যোৱা জানুৱাৰী মাহত ৰাজ্য চৰকাৰে ঋণ লৈছিল ৩ হাজাৰ কোটি টকা। চলিত মাহতো ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ নামত ৮ হাজাৰ টকাকৈ দিবলৈ ৰাজ্য চৰকাৰক লাগিব প্ৰায় ৩,২০০ কোটি টকা। বৰ্তমান ৰাজ্য চৰকাৰখনে লোৱা ঋণৰ পৰিমাণ হৈছে ২ লাখ কোটি টকাতকৈও অধিক। সেয়ে এই ঋণ পৰিশোধ কৰিবলৈ চৰকাৰখনে গ্ৰাম্য অঞ্চলৰ কৃষকসকলৰ মূৰৰ ওপৰত জাপি দিছে মাটিৰ খাজনা বৃদ্ধিকে ধৰি বিভিন্ন কৰৰ বোজা। বিবৃতিটোত ৰাজ্য চৰকাৰখনে গ্ৰাম্য অঞ্চলৰ মাটি পুঁজিপতিক গতাই দিয়াৰ স্বাৰ্থত এই কৰ বৃদ্ধি কৰা বুলি বৰ্মনে অভিযোগ কৰে।

## অংশ ল'লৈ দেৱাল অংকন কাৰ্যসূচীত

অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিজেপিৰ মুখপাত্ৰ সম্বিৎ পাত্ৰই সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তেওঁ সমষ্টিৰ একাংশ বিজেপি কৰ্মীৰ সৈতে একেলগে এখন দেৱালত পদুম ফুলৰ চিত্ৰ অংকন কৰে। এই অনুষ্ঠানত উপস্থিত থাকে স্থানীয় বিধায়ক দিগন্ত কলিতা। অনুষ্ঠানত অংশ লৈ পাত্ৰই ভাৰতৰ বিকাশৰ বিষয়ে এক বক্তৃতা দিয়ে। কংগ্ৰেছ চৰকাৰৰ সময়ত উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থ আছিল 'নন-একজিষ্টেন্স' (NON EXISTENCE), অৰ্থাৎ উন্নয়নৰ পৰা বঞ্চিত অঞ্চল। কিন্তু বৰ্তমান বিজেপি চৰকাৰৰ সময়ত ইয়াৰ অৰ্থ সলনি হৈ 'নিউ ইঞ্জিন অব গ্ৰ'থ' (NEW ENGINE OF GROWTH) হৈছে, যিয়ে অঞ্চলটোৰ দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু জাতীয় মূলসুঁতিলৈ অৰিহণাক সূচায়। সম্বিৎ পাত্ৰই এই অনুষ্ঠানত দলীয় কৰ্মীসকলৰ সৈতেও মত বিনিময় কৰে। তেওঁ কৰ্মীসকলক দলৰ নীতি-আদৰ্শ ৰাখি জনসেৱাত আত্মনিয়োগ কৰিবলৈ উৎসাহিত কৰে। অনুষ্ঠানত উপস্থিত থাকে বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ উপ-সভাপতি ৰমেশ শইকীয়া, কমলপুৰ সমষ্টিৰ প্ৰভাৱী বিদ্যুৎ ডেকা, জিলা পৰিষদৰ সদস্য কুমুদ কাকতি, কিৰণ কাকতি, কমলপুৰ, বিহদিয়া জাজিকোণা আৰু বেজেৰা মণ্ডলৰ সভাপতি ক্ৰমে-দুদুল কাকতি, ত্ৰৈলোক্য ডেকা আৰু নয়নমণি বৰা।







## কৰ্কটৰ চিকিৎসাত আই আই টি বোম্বাইৰ গৱেষণা

# কাৰ-টি চেল থেৰাপীৰ সম্ভাৱনা

দীপক কুৰ্মী

বৰ্তমান সময়ত কৰ্কট ৰোগৰ বিৰুদ্ধে যুঁজিবলৈ চিকিৎসা বিজ্ঞানে এক নতুন আৰু শক্তিশালী অস্ত্ৰ বিচাৰি পাইছে, যাক কোৱা হয় 'ইমিউনোথেৰাপী'। এই পদ্ধতিৰ আটাইতকৈ উন্নত ৰূপটো হ'ল কাৰ-টি চেল (CAR T-cell) থেৰাপী। শেহতীয়াকৈ ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান (আইআইটি) বোম্বাইৰ অধ্যাপক প্ৰকৃতি তায়ালিয়াৰ নেতৃত্বত চলোৱা এক গৱেষণাই এই থেৰাপীৰ এক জটিল প্ৰত্যাহ্বানক অতিক্ৰম কৰাৰ পথ প্ৰশস্ত কৰিছে। এই গৱেষণাৰ ফলাফল 'বায়'মেটেৰিয়েল ছায়েন্স' নামৰ আন্তঃৰাষ্ট্ৰীয় আলোচনীত প্ৰকাশ পাইছে, যিয়ে কেৱল ভাৰততে নহয়, সমগ্ৰ বিশ্বতে কৰ্কট চিকিৎসাৰ ব্যয় হ্ৰাস কৰাৰ লগতে ইয়াৰ কাৰ্যকাৰিতা বৃদ্ধি কৰাৰ আশা জগাই তুলিছে। কাৰ-টি চেল থেৰাপীৰ মূল আধাৰ হ'ল আমাৰ শৰীৰৰ প্ৰতিৰোধ ব্যৱস্থাৰ মূল সেনানী 'টি-কোষ' (T-cells)। এই কোষবোৰে স্বাভাৱিকতে শৰীৰত বীজাণু বা অস্বাভাৱিক কোষ বিচাৰি ফুৰে আৰু সেয়া ধ্বংস কৰে। কিন্তু কৰ্কট কোষবোৰ ইমান চতুৰ যে সিহঁতে প্ৰায়ে টি-কোষৰপৰা নিজকে লুকুৱাই ৰাখিব পাৰে। কাৰ-টি চেল থেৰাপীত ৰোগীৰ শৰীৰৰপৰা এই টি-কোষবোৰ সংগ্ৰহ কৰি গৱেষণাগাৰত জেনেটিক ইঞ্জিনীয়াৰিং যোগে পুনৰ্গঠন কৰা হয়। তাত এক বিশেষ ধৰণৰ ৰিচেপ্টৰ বা 'চিমেৰিক এণ্টিজেন ৰিচেপ্টৰ' (CAR) সংযোগ কৰা হয়, যিয়ে টি-কোষবোৰক কৰ্কট কোষ বিচাৰি উলিয়াবলৈ এক অত্যাধুনিক জিপিএছ (GPS) সদৃশ ক্ষমতা প্ৰদান কৰে। এই থেৰাপীৰ সফলতাৰ বাবে গৱেষণাগাৰত বৃহৎসংখ্যক সুস্থ টি-কোষ উৎপাদন কৰাটো অনিবাৰ্য। পৰম্পৰাগতভাৱে এই কোষবোৰ প্লাষ্টিকৰ সমান পাত্ৰত উৎপাদন কৰা হয়, যিটো আমাৰ শৰীৰৰ প্ৰাকৃতিক পৰিৱেশৰ লগত নিমিলে। সেইবাবে আধুনিক বিজ্ঞানত ত্ৰিমাত্ৰিক (3D) 'স্ক্যাফোল্ড' বা তন্তুময় জালিকা ব্যৱহাৰ কৰা হয়। এই জালিকাবোৰে শৰীৰৰ ভিতৰৰ দৰে এক পৰিৱেশ সৃষ্টি কৰে, য'ত কোষবোৰ দ্ৰুতগতিত বৃদ্ধি পায়। কিন্তু সমস্যাটো ইয়াতেই আছিল যে এই ঘন জালিকাৰ মাজৰপৰা বৃদ্ধি হোৱা কোষবোৰক সুস্থ অৱস্থাত উলিয়াই অনাটো আছিল অতি কঠিন কাম। কোষবোৰে জালিকাবোৰত ইমান জোৰেৰে কামুৰি ধৰে যে সেইবোৰ পৃথক কৰিবলৈ যাওঁতে কোষবোৰৰ গাত থকা গুৰুত্বপূৰ্ণ প্ৰ'টিনসমূহ নষ্ট হৈ যায়, যাৰ ফলত কোষৰ কাৰ্যক্ষমতা হ্ৰাস পায়। অধ্যাপক তায়ালিয়া আৰু প্ৰথম লেখক ডঃ জয়দীপ দাসৰ দলে এই জটিল সমস্যাটোৰ এক অতি সৰল অথচ ফলপ্ৰসূ সমাধান বিচাৰি পাইছে। তেওঁলোকে কোষবোৰ উদ্ধাৰ কৰিবলৈ বিভিন্ন পদ্ধতিৰ তুলনামূলক অধ্যয়ন কৰিছিল। তেওঁলোকে দেখিলে যে 'ট্ৰিপ-এল' (TrypLE) নামৰ সাধাৰণতে ব্যৱহৃত শক্তিশালী এনজাইমে কোষৰ ৰোগ প্ৰতিৰোধ ক্ষমতা আৰু জীৱনীশক্তি হ্ৰাস কৰে। ইয়াৰ পৰিৱৰ্তে তেওঁলোকে 'একিউটেজ' (Accutase) নামৰ এটা অতি কোমল বা মৃদু এনজাইম ব্যৱহাৰ কৰি চমকপ্ৰদ ফলাফল লাভ কৰে। এই পদ্ধতিৰে উদ্ধাৰ কৰা কোষবোৰ কেৱল সুস্থ হৈ থকাই নহয়, সেইবোৰে কৰ্কট কোষক ধ্বংস কৰাৰ ক্ষমতাও বহুগুণে অটুট ৰাখে। এই গৱেষণাৰ গুৰুত্ব ভাৰতৰ বাবে অপৰিসীম। বৰ্তমান আমেৰিকা বা ইউৰোপত কাৰ-টি চেল থেৰাপীৰ খৰচ প্ৰায় ৩ ৰপৰা ৪ কোটি টকা। ইমান বৃহৎ পৰিমাণৰ ধন খৰচ কৰাটো এজন সাধাৰণ ভাৰতীয় ৰোগীৰ বাবে অসম্ভৱ। আইআইটি বোম্বাই আৰু টাটা মেম'ৰিয়েল চেণ্টাৰে যুটীয়াভাৱে এই চিকিৎসা দেশীয় প্ৰযুক্তিৰে সুলভ কৰাৰ বাবে কাম কৰি আছে। এই নতুন পদ্ধতিটোৱে যদি বাণিজ্যিক উৎপাদনত স্থান পায়, তেন্তে কোষ উৎপাদনৰ বিফলতা কমিব আৰু ই সামগ্ৰিক চিকিৎসাৰ ব্যয় বহুখিনি হ্ৰাস কৰিব। অনাগত দিনত গৱেষকসকলে এই পদ্ধতিটো প্ৰাণীৰ দেহত পৰীক্ষা কৰাৰ পৰিকল্পনা কৰিছে। আনকি এনে সম্ভাৱনাও প্ৰকাশ কৰিছে যে ভৱিষ্যতে টি-কোষযুক্ত এই জালিকাবোৰ পোনপটীয়াকৈ ৰোগীৰ শৰীৰত স্থাপন কৰিব পৰা যাব, যাতে কোষবোৰে শৰীৰৰ ভিতৰতে বৃদ্ধি পাই কৰ্কটৰ বিৰুদ্ধে যুদ্ধ অব্যাহত ৰাখিব পাৰে। এই গৱেষণাই কেৱল তেজৰ কৰ্কটেই নহয়, বৰঞ্চ 'চলিড টিউমাৰ' বা কঠিন টিউমাৰৰ দৰে জটিল কৰ্কট ৰোগৰ চিকিৎসাৰ বাবেও নতুন দুৱাৰ মুকলি কৰিছে। সৰু যেন লগা এই কাৰিকৰী পৰিৱৰ্তনে যে পৃথিৱীৰ লাখ লাখ কৰ্কট ৰোগীৰ জীৱন ৰক্ষা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব, সেয়া নিশ্চিত।

ফোন ঃ ৯৮৫৪৬৬৭১৪৬





> স্টেইনবিচ্চ গাঁৱৰ মানুহবিলাকে যেতিয়া সেই জ্বলন্ত শিলটো দেখিছিল, তেওঁলোকে নাজানিছিল যে সেইটোৱে শতিকাৰ পিছত বিজ্ঞানৰ এক ডাঙৰ ৰহস্য সমাধান কৰিব।

# এটা অসাধাৰণ উল্কাপিণ্ডৰ কাহিনী

সত্যব্ৰত বৰা

> মহাকাশত এনে পদাৰ্থ থাকিব পাৰে যিবোৰে আমাৰ পৃথিৱীৰ নিয়ম মানি নচলে। ই একপ্ৰকাৰৰ 'হাইব্ৰীড' পদাৰ্থ— স্ফটিক আৰু কাচৰ মাজৰ।



১৭২৪ চনত এখন গাঁৱত এটা উল্কাপিণ্ড পৰিছিল। উল্কাপিণ্ডটোত এনে কিছুমান পদাৰ্থ আছিল যিবিলাকে ভৌতিক বিধি ভংগ কৰে! পুৰণি দিনত মানুহে আকাশৰ পৰা সৰা এনেধৰণৰ শিল বা লোহাৰ টুকুৰাক দেখি ভয় কৰিছিল। বহুতে ভাবিছিল যে এনে বস্তু হয়তো দেৱতাৰ দান বা চয়তানৰ কাম। কিন্তু ১৭২৪ চনত জাৰ্মানীৰ এখন সৰু গাঁও ষ্টেইনবিচ্চত এটা আচৰিত ঘটনা ঘটিছিল। আকাশত এটা জ্বলন্ত গোলক দেখা গৈছিল। গোলকটো বৰ বেগেৰে মাটিত পৰি গৈছিল। গাঁওবাসীয়ে ভয়তে চিৎকাৰ কৰি উঠিছিল। কোনোবাই ভাবিছিল যে আকাশখন হয়তো ভাঙি পৰিছে। কোনোবাই কৈছিল যে এয়া হয়তো ঈশ্বৰৰ ক্ৰোধ। কিন্তু যেতিয়া লাহে লাহে ধোঁৱা কমিবলৈ ল'লে তেতিয়া দেখা গ'ল এটা ডাঙৰ শিলৰ টুকুৰা। সেই টুকুৰাটোকে আমি আজি উল্কাপিণ্ড বুলি কওঁ। উল্কাপিণ্ডটোৱে মাটিত এটা গভীৰ গাঁত সৃষ্টি কৰিছিল। গাঁওবাসীয়ে সাৱধানে চাবলৈ গ'ল ঘটনাটো। শিলটো গৰম আছিল। ধোঁৱা ওলাই আছিল। কিছুমানে কৈছিল যে ই স্বৰ্গৰ পৰা অহা আগ্নেয়গিৰিৰ শিল। সেই সময়ত বিজ্ঞান এতিয়াৰ দৰে আগবঢ়া নাছিল। মানুহে এনে বস্তুক অলৌকিক বুলি ভাবিছিল। সেই উল্কাপিণ্ডটোৰ কিছুমান সৰু সৰু টুকুৰা বিভিন্ন ঠাইলৈ পঠিওৱা হৈছিল। বহু বছৰ ধৰি সেই শিলবোৰ সংগ্ৰহালয়ত ৰখা হৈ আহিছে। এতিয়া আহক আধুনিক কাললৈ। যোৱা বছৰত বিজ্ঞানীসকলে সেই ১৭২৪ চনৰ উল্কাপিণ্ডৰ ভিতৰত থকা এটা বিশেষ খনিজ পদাৰ্থৰ বিষয়ে গৱেষণা কৰিছে। পদাৰ্থটোৰ নাম tridymite। tridymite সাধাৰণতে পৃথিৱীত পোৱা যায়, কিন্তু এই উল্কাপিণ্ডত থকা tridymite টো অতি অদ্ভুত। ইয়াৰ গঠন এনে যে ই এটা স্ফটিক (crystal) আৰু কাঁচ (glass)ৰ মাজৰ মিশ্ৰণৰ দৰে। সাধাৰণতে আমি জানো তাপ কেনেকৈ বস্তুৰ মাজেৰে পাৰ হয়। স্ফটিকত তাপ বাঢ়িলে তাপ পৰিবহন কমি যায়, আনহাতে কাচত বাঢ়ে। কিন্তু এই মহাকাশীয় tridymite টোত তাপৰ পৰিবহন (thermal conductivity) একেবাৰে স্থিৰ হৈ থাকে — তাপমাত্ৰা বাঢ়িলেও কমি নাযায়, বাঢ়িও নাযায়। সেয়েহে বিজ্ঞানীসকলে কৈছে যে ই 'ভৌতিক বিধি ভংগ কৰিছে' বা defies the laws of physics। কিয় এনে হয়? বিজ্ঞানীসকলে কম্পিউটাৰ আৰু কৃত্ৰিম বুদ্ধিমত্তা (AI) ব্যৱহাৰ কৰি গণনা কৰিছে। কোৱাণ্টাম ভৌতিকৰ সহায়ত তেওঁলোকে দেখিছে যে এই পদাৰ্থৰ পৰমাণুবোৰ এনেভাৱে সজোৱা আছে যে তাপৰ কণিকা আৰু তৰংগ দুয়োটাৰে প্ৰভাৱ একেলগে হয় আৰু তাৰ ফলত দুয়োটাৰ বিপৰীত প্ৰভাৱ একে। ফলত তাপ পৰিবহন স্থিৰ হৈ থাকে। পৃথিৱীৰ সাধাৰণ পদাৰ্থত কেতিয়াও এনেকুৱা নহয়। এনে পদাৰ্থ মঙল গ্ৰহতো পোৱা গৈছে। উক্ত আৱিষ্কাৰে বিজ্ঞানীসকলক বৰ আচৰিত কৰিছে। কাৰণ ইয়াৰ পৰা আমি নতুন ধৰণৰ পদাৰ্থ বনাব পাৰিম যিয়ে তাপ নিয়ন্ত্ৰণ কৰাত সহায় কৰিব। যেনে — ইলেক্ট্ৰনিক যন্ত্ৰত তাপ কমাব পাৰি, ইস্পাত উৎপাদনত শক্তি ৰাহি কৰিব পাৰি। ৩০০ বছৰীয়া উল্কাপিণ্ডটোৱে এতিয়াও আমাক নতুন নতুন কথা শিকাই আছে।

ষ্টেইনবিচ্চ গাঁৱৰ মানুহবিলাকে যেতিয়া সেই জ্বলন্ত শিলটো দেখিছিল, তেওঁলোকে নাজানিছিল যে সেইটোৱে শতিকাৰ পিছত বিজ্ঞানৰ এক ডাঙৰ ৰহস্য সমাধান কৰিব। গাঁওখনৰ চাৰিওফালে হয়তো শান্ত পাহাৰ আৰু খেতিপথাৰ আছিল। সন্ধিয়া হয়তো মানুহে কাম-বন কৰি ঘৰলৈ উভতি আহিছিল। হঠাতে আকাশত এক উজ্জ্বল আলোকৰেখা দেখা গ'ল। গুমগুমণি শব্দ হৈছিল। মাটি কঁপিছিল। গৰম শিলৰ গোন্ধ। ভয় আৰু আশ্চৰ্যৰ মিশ্ৰণ। আজি আমি জানো যে উল্কাপিণ্ডবোৰ মহাকাশৰ পৰা অহা টুকুৰা। সেইবোৰত থকা পদাৰ্থই আমাক সৌৰজগতৰ জন্মৰ কথা কয়। কিন্তু এই tridymite টোৱে অধিক কিবা এটা কৈছে যে মহাকাশত এনে পদাৰ্থ থাকিব পাৰে যিবোৰে আমাৰ পৃথিৱীৰ নিয়ম মানি নচলে। ই একপ্ৰকাৰৰ 'হাইব্ৰীড' পদাৰ্থ— স্ফটিক আৰু কাচৰ মাজৰ। বিজ্ঞানীসকলে ফ্ৰান্সৰ এটা সংগ্ৰহালয়ৰ পৰা সেই উল্কাপিণ্ডটোৰ টুকুৰা লৈ পৰীক্ষা কৰিছে। তাপমাত্ৰা-১৯৩ ডিগ্ৰী চেলচিয়াছৰ পৰা +১০৭ ডিগ্ৰীলৈকে পৰীক্ষা কৰি দেখিছে যে তাপ পৰিবহন একেই থাকে। এইটো কোৱাণ্টাম স্তৰতো হয়, য'ত সাধাৰণ নিয়ম ভংগ হয়। যদি আমি এনে পদাৰ্থ বনাব পাৰোঁ, তেন্তে কম্পিউটাৰ, ম'বাইল, গাড়ী, বিমান সকলোতে তাপৰ সমস্যা কমিব।

# আধুনিক জি পি এছৰ আঁৰৰ গণিতজ্ঞ

# গ্লেডীছ ৱেষ্ট

কৰৱী কাকতি




আপুনি যেতিয়া ভ্ৰমণলৈ যায়, অচিনাকি ঠাইৰ কাৰোবাৰ ঘৰলৈ আমন্ত্ৰিত হয়, কোনোবা এখন ৰেস্তোৰাঁ বিচাৰিব লগীয়া হয় তেতিয়া নিশ্চয়কৈ হাতত থকা স্মাৰ্ট ফোনৰ GPSৰ সহায় লয় আৰু সঠিক সময়ত সঠিক ঠাইত উপস্থিত হ'বলৈ সক্ষম হয়। কেতিয়াবা ভাবি চাইছেনে আমাৰ জীৱনৰ এক অংশ হৈ উঠা GPSৰ আঁৰৰ মানুহগৰাকী কোন? ১৯৩০ চনৰ ২৭ অক্টোবৰত ভাৰ্জিনিয়াৰ এখন গাঁৱত আফ্ৰিকান- এমেৰিকান কৃষক পৰিয়াল এটিত জন্ম গ্ৰহণ কৰা গ্লডীছ ৱেষ্ট হ'ল আধুনিক যুগৰ GPSৰ স্ৰষ্টা। গ্লেডীছে দৈনিক ৩ কিলোমিটাৰ খোজকাঢ়ি এটা কোঠাৰ ভগ্নপ্ৰায় বিদ্যালয়ত পাঠ গ্ৰহণ কৰিছিল। তেওঁৰ মাতৃয়ে নিজৰ পথাৰত কাম কৰাৰ উপৰি ধঁপাত ফেক্টৰীত শ্ৰমিকৰ কাম কৰিছিল আৰু পিতৃ ৰে'লপথ নিৰ্মাণৰ শ্ৰমিক আছিল। কৃষক পৰিয়ালৰ হোৱা বাবে গ্লডীছেও কৃষি কামত সহায় কৰিব লগীয়া হৈছিল। ২০২০ চনত প্ৰকাশিত গ্লডীছ ৱেষ্টৰ আত্মজীৱনী— It began with a dreamত গ্লডীছ ৱেষ্টয়ে উল্লেখ কৰিছে যে 'প্ৰতিদিনে মই হেঁপাহ কৰিছিলোঁ, সপোন দেখিছিলোঁ বহু বহু গ্ৰন্থৰ, বহু শ্ৰেণীকোঠাৰ, বহু শিক্ষকৰ আৰু বহু সময়ত সপোন আৰু কল্পনা কৰিছিলোঁ কিদৰে মই এই কষ্টকৰ আৰু কেতিয়াও শেষ নোহোৱা আমাৰ পথাৰৰ কামৰপৰা উৰামাৰি যাব পাৰোঁ। তেতিয়া জীৱনতো কেনে ধৰণৰ হ'ব।' গ্লডীছৰ মনলৈ এনে ভাব অহাৰ কাৰণ আছিল, সেই সময়ত ক'লা বৰণৰ মহিলাৰ বাবে পথাৰত কাম কৰা আৰু ধঁপাত ফেক্টৰীত শ্ৰমিক হোৱাৰ বাহিৰে গত্যন্তৰ নাছিল। নিজৰ মেধাশক্তিৰে ৰাজ্যিক জলপানি লৈ উচ্চ শিক্ষা লাভ কৰিবলৈ সুযোগ লাভ কৰে। এটা ভগ্ন, মামৰে ধৰা, অস্বাস্থ্যকৰ মাথোঁ এটা কোঠাৰ শ্ৰেণীকোঠাৰপৰা অহা অংক শাস্ত্ৰত বিদূষী গ্লডীছে ভাৰ্জিনীয়া ৰাজ্যিক কলেজৰপৰা স্নাতক ডিগ্ৰী লাভ কৰে। সেই সময়ৰ এমুঠি অংক শাস্ত্ৰ অধ্যয়নৰ মহিলাসকলৰ এগৰাকী হৈ উঠে। গ্লেডীচে স্নাতকোত্তৰ ডিগ্ৰীৰ অন্তত ১৯৫৬ চনত অংকশাস্ত্ৰবিদৰূপে US NAVALৰ ভাৰ্জিনিয়াৰ অস্ত্ৰ পৰীক্ষাগাৰত নিযুক্তি লাভ কৰে। বৰ্ণবৈষম্যবাদৰ মাজতো সসন্মানে চতুৰ্থগৰাকী ক'লা ব্যক্তিৰূপে চাকৰিত যোগদান কৰে। তাতেই কৰ্মৰত আইৰা ৱেষ্টৰ সৈতে বিবাহপাশত আবদ্ধ হয় আৰু পৰৱৰ্তী সময়ত তিনিটা সন্তানৰ মাতৃও হয়। গ্লেডীচৰ প্ৰথম প্ৰজেক্ট NORC (Naval Ordiance Research Calculator)ৰ বাবে পুৰস্কৃত হয়। তাৰ পাছত SEASAT নামৰ ছেটেলাইট যিয়ে ৯৯ দিন পৃথিৱীক প্ৰদক্ষিণ কৰি মহাসাগৰৰ ঢৌ, আইচ বাৰ্গ, তাপমাত্ৰা, সাগৰৰ উপাদান ইত্যাদিৰ তথ্য সংগ্ৰহ কৰে সেই প্ৰজেক্টৰ মেনেজাৰ ৰূপত নিযুক্তি লাভ কৰে। ইয়াৰ পাছত গ্লেডীচ আৰু তেওঁৰ সহকৰ্মীসকলে GEOSAT ছেটেলাইট প্ৰগ্ৰেম সৃষ্টি কৰে যিয়ে গ্ৰহৰ উপৰিভাগৰ কম্পিউটাৰ প্ৰগ্ৰেমৰ আৰ্হি প্ৰস্তুত কৰে।

GEOSAT প্ৰজেক্টত থকা সময়ছোৱাত গ্লেডীচ আৰু তেওঁৰ সহকৰ্মীসকলে মাধ্যাকৰ্ষণৰ কবলত থকা পৃথিৱীৰ সাগৰৰ উপৰিভাগৰ আকৃতিৰ আৰ্হি বিশ্লেষণত সক্ষম হয়। এই আৰ্হিক কোৱা হয় GEOID যিটো GPS পদ্ধতিৰ আধাৰ। পৃথিৱীখন নিখুঁত বলয় নহয়। ই আনকি উপবৃত্তাকাৰ অথবা মিহিও নহয়। বিষুৱৰেখাত অলপ স্ফীত, মেৰু অঞ্চলত কিছু চেপেটা। পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তি সকলো ঠাইতে সমান নহয়। যেতিয়া আমি পোহৰতকৈ বেগেৰে অহা সংকেতেৰে কোনো স্থান নিৰ্দ্ধাৰণ কৰিব বিচাৰোঁ, পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ অসমানতাৰ বাবে বহু ভুল তথ্য আহি পৰে। বিজ্ঞানীসকলে এই মধ্যাকৰ্ষণৰ অসমানতাক GEOID বুলি নামকৰণ কৰিছে। এক অনিয়মীয়া অসমানতা কিন্তু অংকৰদ্বাৰা ব্যাখ্যা কৰিব পৰা পৃথিৱীৰ উপৰিভাগ যিয়ে প্ৰকৃত পৃথিৱীৰ প্ৰতিনিধিত্ব কৰে। GEOID হ'ল পৃথিৱীৰ মাধ্যাকৰ্ষণৰ মানচিত্ৰ। পৰ্বত, উপত্যকাৰ মানচিত্ৰ নহয়। ২০১৮ চনত গ্লেডীচ ৱেষ্টক GPS পদ্ধতি উদ্ভাৱনৰ বাবে স্বীকৃতি দিয়া হয়। সন্মানিত কৰা হয়। ১৯৯৮ চনত ৬৮ বছৰ বয়সত US NAVYৰ পৰা অৱসৰ লোৱাৰ পাছত ভাৰ্জিনিয়েল পলিটেকনিক ইনষ্টিটিউটৰপৰা সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰে ৭০ বছৰ বয়সত।

ডঃ গ্লেডীচ ৱেষ্টে উদ্ভাৱন কৰা GPSৰদ্বাৰা প্ৰতিজন লোক প্ৰতিদিনেই উপকৃত হৈ আছে। ২০২৬ চনৰ ১৭ জানুৱাৰীত এই মহান অংকশাস্ত্ৰবিদগৰাকীৰ মহাপ্ৰয়াণ ঘটে। কম্পিউটাৰত পাৰদৰ্শী এইগৰাকী বিদূষী মহিলাই কাকতত অংক কৰি ভাল পাইছিল আৰু কাকতৰ মানচিত্ৰৰ সৈতে অধিক সংযোজিত আছিল। গ্লেডীচ ৱেষ্টে তেওঁৰ সপোন বাস্তৱায়িত কৰিলে আৰু নিজৰ উদ্ভাৱনেৰে মানৱজাতিক উপকৃত কৰি থৈ গ'ল। আধুনিক দৈনন্দিন জীৱনৰ অন্যতম আহিলা GPSৰ আঁৰৰ মহিলা ডঃ গ্লেডীচ ৱেষ্ট হৈ ৰওক চিৰনমস্য।

ফোন ঃ ৮৬৩৮৪০৯০৯৮



> ... পৃথিৱীখন নিখুঁত বলয় নহয়। ই আনকি উপবৃত্তাকাৰ অথবা মিহিও নহয়। বিষুৱৰেখাত অলপ স্ফীত, মেৰু অঞ্চলত কিছু চেপেটা। পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তি সকলো ঠাইতে সমান নহয়।...

## নিদান




# না হ ৰ

নাহৰ অসমৰ এক অতি প্ৰাচীন সুগন্ধিযুক্ত আৰু সৌন্দৰ্যপূৰ্ণ ফুল ধৰা গছ। ই কেৱল প্ৰাকৃতিক সৌন্দৰ্যৰ প্ৰতীক নহয়, আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিতো নাহৰ এক গুৰুত্বপূৰ্ণ উদ্ভিদ হিচাপে পৰিগণিত হৈছে। আমাৰ হিয়াৰ আমঠু জুবিনদাই তেওঁৰ গীতত অতি সুন্দৰভাৱে নাহৰ গছৰ বৰ্ণনা কৰিছে। প্ৰাচীন কালৰ পৰা ভাৰতীয় আয়ুৰ্বেদিক শাস্ত্ৰত নাহৰক 'নাগকেশৰ' নামেৰে উল্লেখ কৰা হৈছে। বহু ৰোগৰ চিকিৎসাত ইয়াৰ বহুল ব্যৱহাৰ দেখা যায়। আয়ুৰ্বেদিক শাস্ত্ৰ যেনে— চৰক সংহিতা, সুশ্ৰুত সংহিতা, ভাব প্ৰকাশ নিঘণ্টুত নগকেশৰৰ বহু গুণ আৰু ব্যৱহাৰৰ কথা উল্লেখ পোৱা যায়।

ডাঃ কাৱেৰী তালুকদাৰ

আয়ুৰ্বেদত যিকোনো দ্ৰব্যৰ গুণ নিৰ্দ্ধাৰণ ৰস পঞ্চকৰ ওপৰত ভিত্তি কৰি কৰা হয়। নাগকেশৰৰ ৰস পঞ্চক হৈছে—

ৰস— কটু, তিক্ত, কষায়।
গুণ— লঘু, ৰুক্ষ
বীৰ্য— উষ্ণ
বিপাক— কটু।

আয়ুৰ্বেদ অনুসৰি নাহৰৰ মুখ্য কাৰ্যসমূহ হ'ল—

**গ্ৰাহী** ঃ অতিসাৰ আৰু গ্ৰহণী নিয়ন্ত্ৰণ কৰে।
**ৰক্তস্তম্ভক** ঃ ৰক্তপাত বন্ধ কৰে।
**দীপন-পাচন** ঃ অগ্নি বৃদ্ধি কৰে।
**শোথনাশক**
**কৃমিনাশক**
**বেদনানাশক**

নাগকেশৰ নিম্নলিখিত ৰোগসমূহত ব্যৱহৃত হয়—

১) ৰক্তপিত্ত ঃ নাক, মুখ, পায়ুপথৰ পৰা ৰক্তপাত
২) অতিসাৰ আৰু গ্ৰহণী ৰোগ
৩) অৰ্শ (পাইল্‌ছ)
৪) প্ৰদৰ ৰোগ, (শ্বেতপ্ৰদৰ)
৫) চৰ্মৰোগ
৬) কৃমি ৰোগ

আধুনিক গৱেষণাতো নাহৰৰ ভিতৰত Anti inflammatary, Antimicrobial আৰু Antioxident গুণ থকা বুলি প্ৰমাণ পোৱা গৈছে, যিয়ে আয়ুৰ্বেদিকক সমৰ্থন কৰে। নাহৰৰ ফুল আৰু কেশৰ (Stanens), বাকলি, বীজ আদি ব্যৱহৃত অংগ হিচাপে ধৰা যায়। বহু প্ৰসিদ্ধ আয়ুৰ্বেদিক যোগত ইয়াক ব্যৱহাৰ কৰা হয়। যেনে— চ্যৱনপ্ৰাশ, দশমূলাৰিষ্ট, চন্দনাদি লেহ্য, নাগকেশৰ চূৰ্ণ, ৰক্তপিত্তনাশক, কশয়সমূহ।

**উপসংহাৰ** ঃ নাহৰ কেৱল সৌন্দৰ্য আৰু সুগন্ধিৰ বাবে জনপ্ৰিয় নহয়, আয়ুৰ্বেদত ই এক অমূল্য ঔষধীয় দ্ৰব্য। ৰক্তপিত্ত, অতিসাৰ, অৰ্শ, প্ৰদৰ আদি ৰোগত ইয়াৰ চিকিৎসাগত গুৰুত্ব অতিশয় বেছি। সেয়েহে নাহৰক আমাৰ প্ৰাকৃতিক আৰু চিকিৎসাগত ঐতিহ্যৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য কৰিব পাৰি।

ফোন ঃ ৮০১১৬২৯৪২৩

# হাঁওফাঁও অবিহনে দুদিন

হাঁওফাঁও অবিহনে মানুহ বা আন কোনো জীৱ জীয়াই থকাটো সম্ভৱনে? নিশ্চিতভাৱে অসম্ভৱ। হাঁওফাঁও নথকাকৈ উশাহ-নিশাহ ল'বইবা কেনেকৈ? অসম্ভৱ যেন লগা এনে ঘটনা সম্ভৱ হৈছে এইখন পৃথিৱীত। শেহতীয়াকৈ চিকিৎসা বিজ্ঞানৰ অত্যাধুনিক প্ৰযুক্তিৰ ফলতে হাঁওফাঁও অবিহনে এগৰাকী ব্যক্তি ৪৮ ঘণ্টা জীয়াই থাকিবলৈ সক্ষম হয়। প্ৰকৃততে এই লোকজনক চিকিৎসকৰ এটা দলে হাঁওফাঁও সংৰোপণ সম্পূৰ্ণ নোহোৱাপৰ্যন্ত কৃত্ৰিমভাৱে জীয়াই ৰাখিবলৈ সক্ষম হৈছে। আমেৰিকাৰ ইলিনয়ছৰ চিকাগোস্থিত নৰ্থ ৱেষ্টাৰ্ন ইউনিভাৰ্ছিটী ফেইনবাৰ্গ স্কুল অব মেডিচিনৰ বিশেষজ্ঞ চিকিৎসকৰ দল এটাই সম্ভৱ কৰি তুলিছিল হাঁওফাঁও অবিহনে এজন মানুহক দুদিন জীয়াই ৰাখি হাঁওফাঁও সংৰোপণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ। আমেৰিকাৰ ৩৩ বছৰীয়া লোকজনক ৪৮ ঘণ্টা চিকিৎসকে কৃত্ৰিম হাঁওফাঁও ব্যৱস্থাৰ জৰিয়তে জীয়াই ৰাখিছিল জৈৱিক হাঁওফাঁও সংৰোপণ সম্পূৰ্ণ নোহোৱাপৰ্যন্ত। কিয়নো লোকজনৰ দুয়োটা হাঁওফাঁও নষ্ট হোৱাত চিকিৎসকে হাঁওফাঁও সংৰোপণৰ ব্যৱস্থা কৰিছিল। কিন্তু একে সময়তে দুয়োটা হাঁওফাঁও সংৰোপণ কৰিবলৈ গৈ দলটোৱে চিন্তা-চৰ্চা কৰি উলিয়াইছিল কিছু সময়ৰ বাবে তেওঁক কৃত্ৰিম হাঁওফাঁও ব্যৱস্থাৰ মাজত ৰখাৰ কথা। সেইমৰ্মে চিকাগোৰ চিকিৎসকৰ দলটোৱে এটা কৃত্ৰিম হাঁওফাঁও ব্যৱস্থা উন্নত কৰি উলিয়াইছিল, যিটো ব্যৱস্থাত লোকজনৰ শৰীৰত অক্সিজেনৰ মাত্ৰা বাহিৰৰ পৰা নিয়ন্ত্ৰণ কৰি থকা হৈছিল। চিকিৎসা বিজ্ঞানৰ এই জটিল প্ৰক্ৰিয়াটোৰ বাবে হৃদযন্ত্ৰত তেজৰ সঞ্চালনো নিয়ন্ত্ৰণ কৰি ৰাখিবলগীয়া হৈছিল। এই জটিল প্ৰক্ৰিয়াৰ জৰিয়তে তেওঁলোকে অৱশেষত সফলতা লাভ কৰে। অৱশ্যে এই প্ৰক্ৰিয়াটোৰ বিষয়ে অষ্ট্ৰেলিয়াৰ ছিডনীৰ ৱেষ্টমেড হাস্পতালৰ অংগ সংৰোপণ বিশেষজ্ঞ নাটাশা ৰ'জাৰে ব্যক্ত কৰা মতে, কৃত্ৰিম হাঁওফাঁও ব্যৱস্থা এক জটিল আৰু দিক্‌নিৰ্ণায়ক প্ৰক্ৰিয়া। এনে প্ৰক্ৰিয়াই চিকিৎসা বিজ্ঞানৰ বহু জটিল চিকিৎসা সম্ভৱ কৰি তুলিব বুলি তেওঁ কয়। চিকাগোৰ চিকিৎসকৰ দলটোৰ এই কৃত্ৰিম হাঁওফাঁও ব্যৱস্থাই পৰৱৰ্তী সময়ত বিশ্বৰ আন প্ৰান্তৰ বহু লোকক নতুন জীৱন দিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰিছে।



কৰ্তব্য ফাঁকিৰ অছিলাৰে আওহতীয়া ঠাইত ভাৰালৈ লৈছে ঘৰ

# নলবাৰীত ভাৰাঘৰত চলিছে চৰকাৰী কাৰ্যালয়

**দৈনিক অসমৰ প্ৰতিনিধি**

**পশ্চিম নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাত দশক দশক ধৰি ভাৰাঘৰতে চলি আছে বিভিন্ন চৰকাৰী কাৰ্যালয়। মুখ্যমন্ত্ৰীয়ে ৰাজ্যত বিভিন্ন উন্নয়ন আঁচনি গ্ৰহণ কৰাৰ সময়তে একাংশ চৰকাৰী কাৰ্যালয়ৰ ঘৰ ভাৰা আদায়ৰ নামত বছৰি ৰাজকোষৰ পৰা ওলাই গৈ আছে কোটি কোটি টকা। নলবাৰীত বিশেষকৈ নগৰ এলেকাত শিক্ষা বিভাগ, সমাজ কল্যাণ বিভাগ, সমবায় বিভাগ, আয়কৰ বিভাগ, জোখ-মাখ বিভাগ, হস্ততাঁত বিভাগ, বীজ নিগম, নিয়োগ বিনিময় কেন্দ্ৰ, নগৰ উন্নয়ন বিভাগকে ধৰি বিভিন্ন বিভাগৰ একাধিক কাৰ্যালয় বছৰৰ বছৰ ধৰি ভাৰাঘৰতে চলি আহিছে। তাৰ ফলত চৰকাৰে কাৰ্যালয় গৃহৰ ভাৰাৰ বাবদ বৃহৎ পৰিমাণৰ ধন ভৰিব লগা হৈছে। আনহাতে এই কাৰ্যালয়সমূহলৈ বিভিন্ন কামত দূৰ-দূৰণিৰ পৰা অহা লোকসকলৰ বাবে উপযুক্ত সুবিধা নথকাৰ ফলত দুৰ্ভোগ ভুগিবলগীয়া হয়। বিশেষকৈ ভাৰাঘৰত থকা সৰহসংখ্যক কাৰ্যালয়ত গাড়ী-মটৰ ৰখোৱা পাৰ্কিং নথকাত পদপথতে পাৰ্কিং কৰিবলগীয়া হোৱাত মূল পথসমূহ একপ্ৰকাৰ বন্ধ হৈ পৰে। আনহাতে ভাৰাতীয়া এনে বহু কাৰ্যালয়ত সাধাৰণ লোকৰ বাবে প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ, বিশুদ্ধ খোৱাপানীকে ধৰি নাই কোনো পৰ্যাপ্ত সুবিধা। বিভিন্ন সময়ত কাম-কাজৰ বাবে অহা বৃদ্ধ লোক, বিশেষভাৱে সক্ষম লোক আৰু কেঁচুৱা লৈ অহা মহিলাসকলৰ বাবে যাতায়ত সুবিধা নথকাটো উল্লেখযোগ্য। নলবাৰীত এতিয়াও বহু চৰকাৰী ভূমি থকাৰ পাছতো চৰকাৰে অতি গুৰুত্বপূৰ্ণ এই চৰকাৰী কাৰ্যালয়সমূহৰ স্থায়ী ভৱন নিৰ্মাণ নকৰাত সচেতন মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে ৰাজ্য চৰকাৰৰ কেইবাটাও বিভাগৰ কাৰ্যালয় চহৰৰ আওহতীয়া ঠাইত ভাৰাঘৰতে চলি আছে, য'ত ৰাইজৰ চকুত পৰাকৈ এখন ছাইনব'ৰ্ডো অভাৱ। আওহতীয়া ঠাইত এনে কাৰ্যালয় থকাৰ সুযোগ লৈ এচাম কৰ্মচাৰীয়ে কৰ্তব্যক ফাঁকি দি অহাৰো গুৰুতৰ অভিযোগ উঠিছে। অভিযোগ অনুসৰি সুযোগসন্ধানী একাংশ কৰ্মচাৰী কেতিয়া কাৰ্যালয়লৈ আহে, কেতিয়া ঘৰলৈ যায় তাৰ হিচাপ নাই। কিয়নো প্ৰশাসন, উৰ্দ্ধতন বিষয়াই সহজে আকস্মিক পৰিদৰ্শন কৰাৰ বাবে ঢুকি নাপায় সেই অঞ্চল। অৱশ্যে বুধবাৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰা ছয় মহলীয়া নৱনিৰ্মিত নলবাৰী সংহত জিলা আয়ুক্ত কাৰ্যালয়লৈ কেইবাটাও বিভাগৰ কাৰ্যালয় স্থায়ীভাৱে স্থানান্তৰ কৰা হ'ব বুলি জানিব পৰা গৈছে।



## পূব বনগাঁও শিৱ পূজা সমিতিৰ উদ্যোগত কীৰ্তিমানক সম্বৰ্দ্ধনা

**দৈনিক অসমৰ প্ৰতিনিধি**

**চামতা, ১৮ ফেব্ৰুৱাৰী ঃ** চামতাৰ সমীপৰ পূব বনগাঁৱত ৰাজহুৱা শিৱৰাত্ৰি মহোৎসৱ উদযাপনৰ লগত সংগতি ৰাখি ১৫ ফেব্ৰুৱাৰীৰ সন্ধিয়া অঞ্চলটোৰ কীৰ্তিমানসকলৰ সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। পূব বনগাঁও শিৱ মন্দিৰ প্ৰাংগনত অনুষ্ঠিত আৰু দিগন্ত বৰ্মনে আঁত ধৰা সম্বৰ্দ্ধনা সভাখনত ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰসহ উত্তীৰ্ণ হোৱা কীৰ্তিমান ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হয়। সন্ধিয়া আমন্ত্ৰিত প্ৰিয়ংকা ঠাকুৰীয়াৰ দলে নাগাৰা নাম পৰিৱেশন কৰাৰ আগে আগে সম্বৰ্দ্ধনা সভাখন অনুষ্ঠিত হয়। বৰনদী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বীৰেন বৰকটকীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত শিৱ পূজা পৰিচালনা সমিতিৰ সভাপতি কৰুণা বৰ্মন, কাৰ্যকৰী সভাপতি ক্ৰমে দীপক বৰ্মন, গোকুল বৰ্মন, মুখ্য সম্পাদক ক্ৰমে দীপেন বৰ্মন, প্ৰাঞ্জল বৰ্মনৰ লগতে পূব বনগাঁৱত গাঁও উন্নয়ন সমিতিৰ বিষয়ববীয়া, ভাৰতীয় খাদ্য নিগমৰ অৱসৰী কৰ্মচাৰী শশী বৰ্মন, বিশিষ্ট কৃষক দুলাল বৰ্মন, 'দৈনিক অসম'ৰ প্ৰতিনিধি দিগন্ত বৰ্মনকে ধৰি সহস্ৰাধিক ধৰ্মপ্ৰাণ লোক উপস্থিত থাকে।

জল জীৱন আঁচনিৰ নামত ভেঁকো-ভাওনা

## তিনি বছৰে বিকল ঢেকিয়াল গাঁও পানী যোগান আঁচনি

**দৈনিক অসমৰ প্ৰতিনিধি**

**কলিয়াবৰ, ১৮ ফেব্ৰুৱাৰী ঃ** জল জীৱন আঁচনি নিৰ্মাণৰ দোহাই দি ৰাজভঁৰালৰ কোটি কোটি ধন ব্যয় কৰাৰ পাছতো ৰাইজে এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগা ঘটনা সংঘটিত হৈছে কলিয়াবৰত। জখলাবন্ধা সমীপৰ ঢেকিয়াল গাঁও পানী যোগান আঁচনিখন তিনি বছৰ ধৰি বিকল হৈ থকা কথাই গঞা ৰাইজক অতিষ্ঠ কৰি তুলিছে। স্থানীয় লোকে বিভাগীয় কৰ্তৃপক্ষৰ লগতে বিধায়কগৰাকীক বাৰম্বাৰ অভিযোগ উত্থাপন কৰাৰ পাছতো বিভাগীয় কৰ্তৃপক্ষই বিষয়টোত গুৰুত্ব নিদিয়া বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এই আঁচনিখনে ঢেকিয়াল গাঁও, সৰুগুৰিয়াৰ এক অংশ, কলঙৰ সিপাৰৰ দুলাল আৰু বৰবকৰি গাঁৱকে ধৰি সহস্ৰাধিক লোকক সামৰি লৈছে যদিও দীৰ্ঘদিন ধৰি ৰাইজে এই আঁচনিৰ পৰা সুফল নোপোৱাটো দুৰ্ভাগ্যজনক বুলি বিবেচিত হৈছে। ইফালে, কলিয়াবৰ তিনিআলিৰ ভৰালীপুৰ পানী যোগান আঁচনিখনো দীৰ্ঘদিন ধৰি বিকল হৈ থকাত ৰাইজ ক্ষুব্ধ হৈ পৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে ইয়াৰ জখলাবন্ধা নগৰত ৪২ কোটিতকৈ অধিক ধন ব্যয় কৰি নিৰ্মাণ কৰা দুখন পানী যোগান আঁচনি মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰি ৰাইজলৈ মুকলি কৰি দিছিল। আনহাতে, ঢেকীয়াল গাঁও আঁচনিৰ পৰা কোনো লাভান্বিত হোৱা নাই বুলি ৰাইজে অভিযোগ কৰিছে।





## ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী

**দৈনিক অসমৰ প্ৰতিনিধি**

**ঘগ্ৰাপাৰ, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থিত বড়িগোগ বনভাগ শিক্ষা খণ্ডৰ অন্তৰ্গত ক্ষুদ্ৰবিষ্টুপুৰ প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী সমাৰোহ অহা ২৮ আৰু ২৯ মাৰ্চত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ প্ৰস্তুতি চলিছে। হীৰক জয়ন্তী সমাৰোহৰ কাম-কাজসমূহ সুচাৰুৰূপে চলাই নিবলৈ ক্ষুদ্ৰবিষ্টুপুৰ চ'কত হীৰক জয়ন্তী সমাৰোহ উদ্‌যাপন সমিতিৰ এটি অস্থায়ী কাৰ্যালয়ৰ ১৬ ফেব্ৰুৱাৰীত শুভ উদ্বোধন কৰা হয়। বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ তথা হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদক ফণীধৰ কলিতাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানটোত সত্ৰাধিকাৰ অচ্যুত গোস্বামীয়ে কাৰ্যালয় উদ্বোধন কৰে। অনুষ্ঠানত হীৰক জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি প্ৰমোদ ৰাজবংশী, কাৰ্যকৰী সভাপতি প্ৰতুল ৰাজবংশী, মুখ্য সম্পাদক তথা বিদ্যালয়খনৰ প্ৰধান শিক্ষক ত্ৰৈলোক্য বৰ্মন, সহকাৰী সম্পাদকদ্বয় উৎপল কলিতা, মুকুটা ৰাজবংশীকে ধৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়া তথা প্ৰাক্তন শিক্ষাৰ্থীৰ লগতে যথেষ্টসংখ্যক স্থানীয় লোক উপস্থিত থাকে।

## বজালীৰ কেঁচাইখাঁতী গোসাঁনী থানৰ ধৰ্মীয় অনুষ্ঠান

**দৈনিক অসমৰ প্ৰতিনিধি**

**বজালী, ১৮ ফেব্ৰুৱাৰী ঃ** বজালীৰ বদনকুছি গাঁৱৰ পূব চুবাত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী কেঁচাইখাতী গোসাঁনী থানত ২৬ ফেব্ৰুৱাৰীত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাৰ্ষিক ধৰ্মীয় অনুষ্ঠান উদ্‌যাপন কৰা হ'ব। উল্লেখ্য যে থান পৰিচালনা সমিতিৰ সভাপতি পৰাগ শৰ্মা, সম্পাদক হোমেশ্বৰ শৰ্মাই জনোৱা অনুসৰি সেইদিনা পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলন, ১০ বজাৰ পৰা কেঁচাইখাতী গোসাঁনীৰ পূজা-অৰ্চনা, আবেলি চাৰি বজাত সম্বৰ্দ্ধনা অনুষ্ঠানত স্থানীয় বিধায়ক তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, জিলা আয়ুক্ত মৃদুল কুমাৰ দাসকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া ৫ বজাত বন্তি প্ৰজ্বলন আৰু ছয় বজাত নাগাৰা নাম পৰিৱেশন কৰা হ'ব।

## সৰ্থেবাৰীত প্ৰণৱ কুমাৰ পাটোৱাৰীৰ গ্ৰন্থ উন্মোচন

**দৈনিক অসমৰ প্ৰতিনিধি**

**সৰ্থেবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** অসম সাহিত্য সভাৰ সৰ্থেবাৰী শতদল শাখা 'ভাৰতী অধ্যয়ন চক্ৰ'ৰ উদ্যোগত ১৬ ফেব্ৰুৱাৰীৰ আবেলি অনুষ্ঠিত এখন গ্ৰন্থ উন্মোচনী সভাত উদীয়মান লেখক প্ৰণৱ কুমাৰ পাটোৱাৰীৰ উপন্যাস 'লাজ' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ অধৰ চন্দ্ৰ ডেকাই। সৰ্থেবাৰী ৰাজহুৱা পুথিভঁৰালত চক্ৰৰ সভাপতি নিখিলেশ ডেকাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত উন্মোচক ডেকাই ভাষণ প্ৰসংগত লেখক প্ৰণৱ কুমাৰ পাটোৱাৰীয়ে ছাত্ৰ জীৱনত সৰ্থেবাৰী অঞ্চলৰ বিভিন্ন সাহিত্যানুষ্ঠানৰ সৈতে জড়িত থাকি সাহিত্য চৰ্চাত মনোনিৱেশ কৰাৰ বিষয়ে উল্লেখ কৰি কয় যে গ্ৰন্থ অকল জ্ঞানৰ ভঁৰাল নহয়, গ্ৰন্থই লেখকৰ মনৰ চিন্তা-ভাৱনা আৰু সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলিত কৰে। সভাত প্ৰবীণ লেখিকা প্ৰজ্ঞাশ্ৰী পাৰ্বতী পাটোৱাৰী, অধিবক্তা অভয় বৰ্মন, সাংবাদিক পেন্সনাৰ মৃণালমল্ল পাটোৱাৰী, উপদেষ্টা কুলৰঞ্জন ভূঞা, বৰপেটা জিলা সাহিত্য সভাৰ উপ-সভাপতি বাণীকান্ত ভূঞা আৰু সাংবাদিক চক্ৰেশ্বৰ ডেকাই চমু ভাষণ দিয়ে। অনুষ্ঠানত লেখক প্ৰণৱ কুমাৰ পাটোৱাৰীয়ে 'লাজ' উপন্যাসখন অসম আন্দোলনৰ পটভূমিত ৰচনা কৰা বুলি উল্লেখ কৰি নিজ অনুভৱ প্ৰকাশ কৰে। অনুষ্ঠানত দীপ্তিৰাণী ডেকা, প্ৰীতিমণি ডেকা ভূঞা, সাংবাদিক নকুল তালুকদাৰ, পদুমী ডেকা, ৰীতাৰাণী বৰ্মন, ৰমেন তালুকদাৰ, জগদীশ পাঠক, কাব্যনন্দিনী নিজৰা বৰ্মন ডেকা, খগেন কলিতা আদিয়ে স্বৰচিত কবিতা পাঠ কৰে।






## মৰিগাঁৱত চিকিৎসকে সাজি দিলে তোৰণ

**দৈনিক অসমৰ প্ৰতিনিধি**

**ভূৰবন্ধা, ১৮ ফেব্ৰুৱাৰী ঃ** মৰিগাঁৱৰ অৱসৰপ্ৰাপ্ত মহকুমা চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ তুলেশ্বৰ নাথে জিলাখনৰ বৰঘাট ৰাজ্যিক চিকিৎসালয়ত তেওঁৰ পিতৃ ৰবিৰাম নাথ আৰু মাতৃ চন্দিকা দেৱীৰ সোঁৱৰণত এখন পকী তোৰণ নিৰ্মাণ কৰি দি ১৬ ফেব্ৰুৱাৰীত চিকিৎসালয় কৰ্তৃপক্ষক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। ২ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰি দিয়া তোৰণখন এক মাংগলিক কাৰ্যসূচীৰ মাজেৰে আনুষ্ঠানিকভাৱে মুকলি কৰে মৰিগাঁও জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথে। অনুষ্ঠানটোত বৰঘাট ৰাজ্যিক চিকিৎসালয়ৰ বিষয়া-কৰ্মচাৰীৰ লগতে অঞ্চলটোৰ বহুকেইজন গণ্য- মান্য ব্যক্তি উপস্থিত থাকে।

## শব্দৰ ধেমালি ঃ ১৪১



**পথালিকৈ**

১। পুলক গগৈৰ পৰিচালিত এখন চিনেমা ......... গাভৰু ঘাট (২+৩+৩)
৬। ৰজা, নৃপতি, ভূপাল (৪)
৮। প্ৰাচীন ৰোমৰ এখন সাম্ৰাজ্য (৩)
১০। এটা আঙুলি (৩)
১১। চেনেহৰ, আদৰৰ (৪)
১৩। বন্দে মাতৰমত থকা এটা শব্দ (৪)
১৪। ১০০০ সংখ্যাটো (৩)
১৫। ইউৰোপৰ এখন ক্ষুদ্ৰ দেশ (৩)
১৬। চমক, ক্ষণস্থায়ী পোহৰ (৪)
১৮। অলিম্পিক গেমছ পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা (৪+৪)

**থিয়কৈ**

২। কন্দৰ্প, কামদেৱ (৩)
৩। নৱৈ (৩)
৪। জাৰ্মানী, ফ্ৰান্স, ইটালি, আদিৰ দেশখন ভৌগোলিক খণ্ডটো (৪+৪)
৫। ভাৰতৰ এটা দ্বীপপুঞ্জ (৪+৪)
৭। পৰজীৱী উদ্ভিদ (৪)
৯। মানুহৰূপী অসুৰ (৪)
১০। প্ৰয়াত, মৃত (৪)
১২। পোৰণি উঠাৰ অনুভৱ প্ৰকাশৰ শব্দ (৪)
১৬। সত্ৰীয়া গায়ন-বায়নৰ অংশ, বৰ ধেমালিৰ খোজ বিশেষ (৩)
১৭। সময়লে, জীৱনলে (৩)

**শব্দৰ ধেমালি ঃ ১৪০ৰ উত্তৰ**

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| অ | ম | ৰ | | ব | ল | | জ | খ | লা |
| ম | | দ | হ | ন | | ধ | ন | | ট |
| ৰা | ম | | ৰ | | ক | ম | | মা | ৰি |
| | দ | ৰ | ক | | বি | না | য় | ক | |
| উ | | মা | ত | | | | | ৰি | জা |
| মা | ন | | | | | ম | গ | | ন |
| | জ | ৰি | ম | না | | হা | জা | ম | |
| ধা | ৰ | | হ | ক | | দে | | ত | ৰা |
| ৰ | | জ | লা | | প | ৰ | ন | | ই |
| ক | ম | ল | | খ | ল | | ল | ৰ | জ |

ঐশানুব্ৰত

## শুৱালকুছিৰ বৰসত্ৰত দৌল উৎসৱৰ আয়োজন

**দৈনিক অসমৰ প্ৰতিনিধি**

**শুৱালকুছি, ১৮ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ আন আন প্ৰান্তৰ লগতে বস্ত্ৰনগৰী শুৱালকুছিৰ ঐতিহাসিক শ্ৰী শ্ৰী ঈশ্বৰ বৰসত্ৰ প্ৰাংগনত শ্ৰীকৃষ্ণৰ দৌল উৎসৱ ধৰ্মীয় পৰম্পৰাৰ মাজেৰে উদ্‌যাপন কৰা হ'ব। ২ মাৰ্চ সোমবাৰৰ পৰা ৪ মাৰ্চলৈ তিনিদিনীয়া কাৰ্যসূচীৰে পালন কৰিবলগীয়া দৌল মহোৎসৱৰ কাৰ্যসূচী অনুসৰি সোমবাৰে পুৱা জাগৰণী গীত, পতাকা উত্তোলন, আবেলি সত্ৰৰ নিত্য প্ৰসংগ, সম্বৰ্দ্ধনা অনুষ্ঠান, দৌল মন্দিৰৰ সমুখত বন্তি প্ৰজ্বলন, সন্ধিয়া গোসাঁই শোভাযাত্ৰা, ধৰ্মীয় ৰীতি-নীতিৰে গোসাঁই দৌলত স্থাপন আৰু হোলীকা মেজি প্ৰজ্বলন, বৰপেটাৰ ঠলুৱা আতচবাজী প্ৰদৰ্শন, হোলীগীত প্ৰদৰ্শন, নিশা বৰপেটাৰ মৈৰামাৰা চতুৰ্ভুজ বীৰ নাম দল আৰু বৰপেটাৰ কলবাৰী বীৰনাম সাংস্কৃতিক সংঘৰ থিয়নাম পৰিৱেশন। মঙলবাৰে পুৱা নাম-প্ৰসংগ, আবেলি হোলী নাম সমাৰোহ, সমূহীয়া বন্তি প্ৰজ্বলন, সন্ধিয়া ৰিজু পাঠক বাপৰ দ্বাৰা ভাগৱত বন্দনা। বুধবাৰে পুৱা সত্ৰৰ নিত্য নাম-প্ৰসংগ, যুৱকৰ বাঁহ বগুৱা প্ৰতিযোগিতা, গোসাঁইলৈ নগৰত শোভযাত্ৰা, কৃষ্ণভোগ বিতৰণ, দুপৰীয়া পুৰুষ আৰু মহিলাৰ বাঁহ ভঙা প্ৰতিযোগিতা, আবেলি কৃষ্ণ প্ৰসাদ বিতৰণ, সন্ধিয়া মহিলাৰ নাগাৰা নাম প্ৰদৰ্শন, নিশা ধৰ্মীয় পতাকা অৱতৰণেৰে সামৰণি পৰিব দৌল মহোৎসৱৰ কাৰ্যসূচী।

## স্মৃতি তৰ্পণ

### ৰেৱত চন্দ্ৰ ডেকা



নগাঁও জিলাৰ বাৰপূজীয়া ৰজাগাঁৱৰ বয়োজ্যেষ্ঠ নাগৰিক ৰেৱত চন্দ্ৰ ডেকা ৰে'লৱেৰ অৱসৰী কৰ্মচাৰী। এই একনিষ্ঠ সমাজসেৱীজনে যোৱা ৯ ফেব্ৰুৱাৰীত বাৰ্ধক্যজনিত কাৰণত ৮৫ বছৰ বয়সত নিজ গৃহতে ইহসংসাৰ ত্যাগ কৰে। ১৯৪০ চনত জন্মগ্ৰহণ কৰা ৰেৱত চন্দ্ৰ ডেকাই ৰহা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰ্যন্ত শিক্ষা গ্ৰহণ কৰি জীৱিকাৰ সন্ধানত নামে। প্ৰথমে লামডিং ৰে'লৱেৰ ইঞ্জিন ফায়াৰমেন হিচাপে ১৯৬৩-৬৪ চনত কৰ্মজীৱন আৰম্ভ কৰে। কালক্ৰমত পদোন্নতি লাভ কৰি ২০০০ চনৰ জানুৱাৰী মাহত ৰে'লৱেৰ ইঞ্জিন ড্ৰাইভাৰ হিচাপে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত নিজ গাঁৱলৈ আহি পৰিয়ালসহ নিগাজিকৈ বাস কৰে আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰে। তেওঁৰ প্ৰচেষ্টাতে ২০০৪-০৫ চনত বাৰপূজীয়া ৰজাগাঁৱৰ এশ বছৰীয়া নামঘৰৰ মণিকূটৰ পুনৰ নিৰ্মাণকাৰ্য সম্পাদন কৰে। তদুপৰি ভাওনা-সবাহ আদিত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। তেওঁ এজন বৰ সহজ-সৰল, নম্ৰ স্বভাৱৰ ধৰ্মপৰায়ণ ব্যক্তি আছিল। সকলোৰে লগত বন্ধুসুলভ ব্যৱহাৰ কৰি জনপ্ৰিয় আছিল। তেওঁৰ বিয়োগত গভীৰ দুখ প্ৰকাশ কৰিলোঁ। সংসাৰত তেওঁৰ পত্নী, দুই জীয়ৰী, এজন পুত্ৰ আৰু বহু আত্মীয়-স্বজন এৰি গৈছে। আজি আদ্যশ্ৰাদ্ধ উপলক্ষে শ্ৰদ্ধাৰে স্মৃতি তৰ্পণ কৰিলোঁ আৰু বিদেহ আত্মাৰ সদগতিৰ বাবে ভগৱানৰ ওচৰ প্ৰাৰ্থনা জনালোঁ। ওম শান্তি।

**মহিম চন্দ্ৰ ডেকা**

### হৰেকৃষ্ণ কলিতা



জন্ম, বিবাহ আৰু মৃত্যুৰ অমোঘ বিধান মানি মোৰ পিতৃ নুনমাটি (শালবাৰী) নিৱাসী হৰেকৃষ্ণ কলিতাই যোৱা ৭ ফেব্ৰুৱাৰী, শনিবাৰে চিকিৎসাধীন অৱস্থাত ৬৮ বছৰ বয়সত ইহসংসাৰৰ পৰা বিদায় ল'লে। দেউতা দায়িত্বশীল আৰু সমাজ সচেতন ব্যক্তি আছিল। অসম আৰক্ষী বিভাগৰ অৱসৰপ্ৰাপ্ত সহঃ আৰক্ষী উপ-পৰিদৰ্শক হিচাপে অসম চৰকাৰৰ গৃহ বিভাগত দীৰ্ঘদিনীয়া নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াই তেওঁ ২০১৭ চনত অৱসৰ গ্ৰহণ কৰে। সহজ-সৰল ব্যৱহাৰ, সদা-হাস্যমুখ আৰু আনৰ দুখত থিয় দিয়াৰ মানসিকতাই তেওঁক সমাজত এক বিশেষ মৰ্যাদা প্ৰদান কৰিছিল। সমাজৰ উন্নয়নমূলক কাম-কাজত জড়িত হোৱাৰ উপৰি ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীত তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। তেওঁৰ মৃত্যুৱে গুৱাহাটীৰ নুনমাটিৰ কল্প ভট্ট চ'কৰ কাষৰ শালবাৰীৰ বৃহত্তৰ অঞ্চলটোৰ এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। কেইবাবছৰৰ পূৰ্বে মোৰ মাৰ বিয়োগৰ বাবে তেওঁ কিছু পৰিমাণে ম্ৰিয়মাণ হৈ পৰিছিল। দেউতাই মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ মোৰ লগতে বোৱাৰী আৰু কণমানি নাতিনীৰ সৈতে বহু আত্মীয়-স্বজন, বন্ধু-বান্ধৱক এৰি থৈ গৈছে। আজিৰ এই পৱিত্ৰ আদ্যশ্ৰাদ্ধৰ দিনা তেওঁৰ বিদেহ আত্মাৰ চিৰশান্তি আৰু সদগতি কামনা কৰি পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই একাঁজলি পুষ্পাঞ্জলি অৰ্পণ কৰিলোঁ।

**হেমন্ত কলিতা**

চিলাপথাৰত পৰীক্ষা কেন্দ্ৰত ব্যাপক অৰাজকতা

## শিক্ষক-কৰ্মচাৰীৰ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী সন্মিলিত শিক্ষক মঞ্চৰ

**দৈনিক অসমৰ বাতৰি**

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** চিলাপথাৰৰ অকাজান জনজাতি ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষা কেন্দ্ৰত সংঘটিত ভয়ংকৰ অৰাজকতাৰ তীব্ৰ নিন্দা কৰাৰ লগতে বহিঃনিৰীক্ষক দুজনসহ পৰীক্ষাত জড়িত শিক্ষক-কৰ্মচাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰি দোষীক শীঘ্ৰে শাস্তি প্ৰদানৰ দাবী জনাইছে সদৌ অসম সন্মিলিত শিক্ষক মঞ্চই। এটা প্ৰেছ বিবৃতিত সংগঠনটোৰ মুখ্য সভাপতি ৰঞ্জিত বৰঠাকুৰ আৰু মুখ্য সম্পাদক উৎপল চক্ৰৱৰ্তীয়ে ঘটনাটোৰ তীব্ৰ নিন্দা কৰিছে। বিদ্যালয়খনত ১৪ ফেব্ৰুৱাৰীত অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ অসমীয়া বিষয়ৰ পৰীক্ষাৰ সময়ত নকল কৰাৰ অভিযোগত বহিষ্কৃত ছাত্ৰী এগৰাকীয়ে মানসিক আঘাত, অপমান সহিব নোৱাৰি ৰাজপথত চলন্ত বাহনৰ সন্মুখত জঁপিয়াই আত্মহত্যাৰ চেষ্টা চলাইছিল। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ছাত্ৰীগৰাকীক বৰ্তমান ডিব্ৰুগড় মেডিকেল কলেজত হাস্পতালত চিকিৎসাধীন হৈ আছে। পৰীক্ষা শেষ হ'বলৈ মাত্ৰ পাঁচ মিনিট বাকী থকা অৱস্থাত বহিঃনিৰীক্ষকে এগৰাকী ছাত্ৰীক নকল কৰি থকা অৱস্থাত ধৰা পেলায়। প্ৰচলিত বিধি অনুসৰি ছাত্ৰীগৰাকীক বহিষ্কাৰ কৰি উত্তৰ বহীত সতৰ্কবাণী (warning/adverse remark) লিখি দিয়া হয়, যাৰ ফলত নিয়ম অনুসৰি UFM (Unfair Means) হিচাপে চিহ্নিত হোৱাৰ সম্ভাৱনা সৃষ্টি হয়। এই ঘটনাৰ পাছতে মানসিকভাৱে বিধ্বস্ত হৈ ছাত্ৰীগৰাকীয়ে ৫১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত চলন্ত বাহনৰ সন্মুখত জঁপিয়াই আত্মহত্যাৰ চেষ্টা কৰে। উত্তেজিত একাংশ ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় লোকে বিদ্যালয় চৌহদত ভিৰ কৰি বহিঃনিৰীক্ষক দুজনক লক্ষ্য কৰি ঘেৰাও কৰে। শিলগুটি নিক্ষেপ কৰি আচবাব-পত্ৰ লণ্ডভণ্ড কৰাৰ লগতে আৰক্ষীৰ ওপৰতো আক্ৰমণ চলায়। প্ৰচণ্ড শিলাবৰ্ষণত আৰক্ষীসহ বহু লোক আঘাতপ্ৰাপ্ত হয়। এই আক্ৰমণত বহিঃনিৰীক্ষক দুজনৰ জীৱনলৈ সংশয় নামি অহাৰ উপক্ৰম হৈছিল। ঘটনাৰ তিনি দিন উকলি যোৱাৰ পাছতো চিটি টিভি উপলব্ধ থকাৰ সত্ত্বেও জিলা প্ৰশাসনে দুষ্কৃতিকাৰীক চিনাক্ত কৰি গ্ৰেপ্তাৰত বিলম্ব হোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক আৰু চিন্তাজনক। শিক্ষক মঞ্চই জনোৱা দাবী অনুসৰি, পৰীক্ষা কেন্দ্ৰত নিয়োজিত শিক্ষক-কৰ্মচাৰী আৰু বহিঃনিৰীক্ষকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিব লাগিব। বিশেষকৈ বহিঃনিৰীক্ষক দুজনৰ দৰে পৰীক্ষাৰ দায়িত্বত থকা শিক্ষক-কৰ্মচাৰীসকলক কোনো ধৰণৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ কঠোৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। ঘটনাৰ নিৰপেক্ষ আৰু স্বচ্ছ তদন্ত কৰি দোষীক শীঘ্ৰে কৰায়ত্ত কৰি উপযুক্ত শাস্তি প্ৰদান কৰিব লাগিব। উল্লেখযোগ্য যে ২৪ জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে পৰীক্ষা কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত বিষয়াসকলক সুচাৰুৰূপে পৰীক্ষা পৰিচালনাৰ বাবে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছিল। তথাপিও এনে নিন্দনীয় ঘটনা সংঘটিত হোৱাটো অত্যন্ত লজ্জাজনক। সদৌ অসম সন্মিলিত শিক্ষক মঞ্চৰ নেতৃত্বই চিকিৎসাধীন ছাত্ৰীগৰাকীৰ দ্ৰুত আৰোগ্য কামনা কৰে। প্ৰতি বছৰে পৰীক্ষা সংক্ৰান্তীয় এনে বিক্ষিপ্ত আৰু দুৰ্ভাগ্যজনক ঘটনা পুনৰাবৃত্তি হোৱাৰ প্ৰেক্ষাপটত চলিত পৰীক্ষা পদ্ধতি আগন্তুক বৰ্ষৰ পৰা পৰ্যালোচনা কৰি সময়োপযোগী সংস্কাৰ সাধন কৰিবলৈ শিক্ষক মঞ্চৰ নেতৃত্বই চৰকাৰক আহ্বান জনায়।

ককলাবাৰীত কৰ্মীসভা

## বি টি আৰৰ ১৫টা সমষ্টিসহ মুঠ ২১খন আসনত যুঁজিব ইউ পি পি এলে



**দৈনিক অসমৰ প্ৰতিনিধি**

**শালবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** আগন্তুক বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ এতিয়া উষ্ম। ইয়াৰ মাজতে বাক্সাৰ শালবাৰীৰ ককলাবাৰীত অনুষ্ঠিত ইউ পি পি এলৰ এক গুৰুত্বপূৰ্ণ কৰ্মীসভাই বিশেষ চৰ্চা লাভ কৰিছে। বি টি আৰৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৰ উপস্থিতিত অনুষ্ঠিত এই সভাই দলটোৰ নিৰ্বাচনী তৎপৰতা প্ৰকট কৰি তুলিছে। সভাত ভাষণ প্ৰদান কৰি প্ৰমোদ বড়োৱে স্পষ্ট কৰি দিয়ে যে আগন্তুক বিধানসভা নিৰ্বাচনত ইউ পি পি এলে বি টি আৰৰ ১৫টা সমষ্টিৰ লগতে মুঠ ২১টা সমষ্টিত প্ৰাৰ্থিত্ব আগবঢ়াব। বিশেষকৈ, এই নিৰ্বাচনত ইউ পি পি এলে কোনো মিত্ৰতা অবিহনে অকলে অৱতীৰ্ণ হোৱাৰ ইংগিত দিছে বড়োৱে। তেওঁৰ মতে, বি টি আৰবাসী ৰাইজে পুনৰ ইউ পি পি এলৰ চৰকাৰ হোৱাটোৱেই বিচাৰিছে। ১৫টা সমষ্টিৰ ভিতৰত প্ৰায়সংখ্যক আসনতে ইউ পি পি এলৰ জয় নিশ্চিত। একেখন সভাতে উপস্থিত থাকি কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়েও বিৰোধী দলক ক্ষুৰধাৰ সমালোচনা কৰে।

## দমদমাত শিৱৰাত্ৰিৰ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা

**দৈনিক অসমৰ প্ৰতিনিধি**

**মুকালমুৱা, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দমদমা গাঁৱত বিগত ২৭ বছৰৰ দৰে এইবেলিও ৰাইজৰ উদ্যোগত তিনিদিনীয়াকৈ উদ্‌যাপন কৰা হয় মহাশিৱৰাত্ৰি উৎসৱ। ১৫ ফেব্ৰুৱাৰীত বিভিন্ন ধৰ্মীয়, আধ্যাত্মিক কাৰ্যসূচীৰে শিৱক আৰাধনা কৰাৰ পাছত ১৬ ফেব্ৰুৱাৰীত উলিওৱা হয় বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। মহাশিৱৰাত্ৰিৰ লগত সংগতি ৰাখি উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা তথা জনপ্ৰিয় ধাৰাবাহিক 'খাপলাংকাই'ৰ কেক্‌ৰিখ্যাত অভিনেত্ৰী চিমি বৰ্মনে। অসমীয়া জাতি-জনগোষ্ঠীৰ বিভিন্ন কৃষ্টি-সংস্কৃতিৰ সমাহাৰসমূহ উপস্থাপন কৰি দমদমা গাঁৱৰ মাজেৰে উলিওৱা শোভাযাত্ৰা দেখি মুগ্ধ হৈ পৰে গাঁওবাসী। শোভাযাত্ৰাত অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰো বেশ-ভূষা উপস্থাপন কৰি শোভাযাত্ৰাটো অনন্য কৰি তোলে। শোভাযাত্ৰাত মহাশিৱৰাত্ৰি উদ্‌যাপন সমিতিৰ সভাপতি মৃণাল কুমাৰ বৰ্মন, সম্পাদক ভগৱান ডেকা, পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সাধাৰণ সম্পাদক মিণ্টু দত্ত, ৫৮ নং মুগদি গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য নৃপেন হালৈ, বিজেপি নেতা দধি বৰ্মন প্ৰমুখ্যে ভালেকেইজন বিশিষ্ট ব্যক্তিকে ধৰি গাঁওখনৰ সহস্ৰাধিক লোকে অংশগ্ৰহণ কৰে। বিয়লি সহস্ৰাধিক লোকৰ উপস্থিতিত নাগাৰা নাম পৰিৱেশন কৰে ৰঙিয়াৰ হীৰামণি বৈশ্যই। নিশা বৰতলা গাঁৱৰ নৱজাগৰণ ভ্ৰাম্যমাণ নাট্যদলে নাট প্ৰদৰ্শন কৰে। মহাশিৱৰাত্ৰিৰ পহিলা দিনা পতাকা উত্তোলন কৰে দমদমা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক নগেন ডেকাই। পৰ্যায়ক্ৰমে শ্বহীদ তৰ্পণ কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, নলবাৰী জিলা সমিতিৰ উপ-সভাপতি চিত্তৰঞ্জন তালুকদাৰে। শিৱ মন্দিৰ প্ৰাংগনত গছপুলি ৰোপণ কৰে ক্ৰমে যোগেন্দ্ৰ নাথ বৰ্মন, প্ৰবীণ তালুকদাৰ, লক্ষ্মীকান্ত বৰ্মন আৰু কৃষ্ণকান্ত হালৈয়ে। শিৱ গীতা পাঠ কৰে ধনপতি ডেকা আৰু মদন ডেকাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে হিতেশ গোস্বামী, চকিন তালুকদাৰ, সুৰেন্দ্ৰ নাথ হালৈ, ভুৱনেশ্বৰ নাথ আৰু নৃপেন্দ্ৰনাথ বৰ্মনে। নিশা অগ্নিশিখা ভ্ৰাম্যমাণ নাট্যদলৰ নাট প্ৰদৰ্শন কৰে।



ছেভেন নেচনছ্ কাপ লন বল্‌ছ চেম্পিয়নশ্বিপ

# নয়নমণি শইকীয়াৰ ৰূপৰ পদক জয়



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** অসমৰ অৰ্জুন বঁটা বিজয়ী লন বল খেলুৱৈ নয়নমণি শইকীয়াই কুৱালালামপুৰৰ জুৱাৰা ষ্টেডিয়ামত আজি সামৰণি পৰা ছেভেন নেচন্‌ছ কাপ লন বল্‌ছ চেম্পিয়নশ্বিপত ৰূপৰ পদক জয়েৰে উজলি উঠিছে। প্ৰতিযোগিতাৰ মহিলাৰ ছিংগল্‌ছত নয়নমণিয়ে মালয়ছিয়াৰ নুৰ ফাৰাহ এইন আব্দুল্লাহৰ বিৰুদ্ধে যুঁজ দি টাইব্ৰেকাৰত ১-২ ব্যৱধানত পৰাভূত হয়। উল্লেখ্য যে ২০২৬ গ্লাছগ' কমনৱেল্‌থ গেম্‌ছৰ প্ৰস্তুতিমূলক টুৰ্ণামেণ্ট হিচাপে বিবেচিত হৈছে মালয়ছিয়াৰ টুৰ্ণামেণ্টখন। এই প্ৰতিযোগিতাখনত অসমৰ পুতুল সোণোৱালেও দেশক প্ৰতিনিধিত্ব কৰে।

## এইবাৰ উত্তৰ প্ৰদেশে হৰুৱালে অসমক

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** বি চি চি আইৰ ছিনিয়ৰ মহিলা এদিনীয়া ট্ৰফী এলিট ক্ৰিকেট টুৰ্ণামেণ্টত ক্ৰমাগত পৰাজয়ৰ সন্মুখীন হৈছে অসম। ৰাজকোটত আজি অনুষ্ঠিত খেলত অসমৰ দলটো উত্তৰ প্ৰদেশৰ হাতত ৫ উইকেটত পৰাস্ত হয়। মেচখনত প্ৰথমে বেট ধৰি অসমে নিৰ্দ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২০১ ৰান কৰে। প্ৰত্যুত্তৰত উত্তৰ প্ৰদেশে ৩৫ অভাৰত ৫ উইকেট হেৰুৱাই ২০৪ ৰান কৰি জয়ী হয়।

## ফ্ৰেণ্ডশ্বিপ, নৱোদয়ৰ জয়

দৈনিক অসমৰ ক্ৰীড়া প্ৰতিনিধি

**নলবাৰী, ১৮ ফেব্ৰুৱাৰী ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত নলবাৰী ক্ৰিকেট লীগৰ আজিৰ প্ৰথমখন খেলত ফ্ৰেণ্ডশ্বিপ ক্ৰিকেট আৰু সাংস্কৃতিক সংঘই য়ুথ ক্লাবক ৪ উইকেটত পৰাস্ত কৰে। য়ুথ ক্লাবে পোনতে বেটিং কৰি ১৫ অভাৰত ৯ উইকেট হেৰুৱাই ৬৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ফ্ৰেণ্ডশ্বিপ ক্ৰিকেট আৰু সাংস্কৃতিক সংঘই ১০.১ অভাৰত ৬ উইকেট হেৰুৱাই ৭২ ৰান সংগ্ৰহ কৰি জয়ী হয়। আনহাতে দ্বিতীয়খন খেলত নৱোদয় ক্ৰিকেট একাডেমীয়ে মুকালমুৱা আঞ্চলিক স্প'ৰ্টছ ক্লাবক ৪ উইকেটত পৰাস্ত কৰে। মুকালমুৱাই ১৫.৩ অভাৰত ৮৪ ৰান কৰে। প্ৰত্যুত্তৰত নৱোদয়ে ১৫.১ অভাৰত ৬ উইকেট হেৰুৱাই ৮৫ ৰান সংগ্ৰহ কৰি জয়ী হয়।

# প্ৰথমবাৰৰ বাবে ৰঞ্জীৰ ফাইনেলত জম্মু-কাশ্মীৰ

## বংগৰ বিৰুদ্ধে ৬ উইকেটত জয় ঃ নবি মেচৰ শ্ৰেষ্ঠ



**কলকাতা, ১৮ ফেব্ৰুৱাৰী ঃ** ইতিহাস সৃষ্টিৰে ৰঞ্জী ট্ৰফী ফাইনেলত প্ৰথমবাৰৰ বাবে স্থান নিশ্চিত কৰিলে জম্মু আৰু কাশ্মীৰে। কল্যাণীত অনুষ্ঠিত ছেমি ফাইনেলত প্ৰাক্তন চেম্পিয়ন বংগক ৬ উইকেটত হৰুৱাই দলটো খিতাপৰ যুঁজত উপনীত হয়। জয়ৰ বাবে ১২৬ ৰানৰ লক্ষ্য আগত লৈ জম্মু-কাশ্মীৰে কালি দুটা উইকেট হেৰুৱাই ৪৬ ৰান কৰিছিল। আজি দলটোৱে মেচৰ চতুৰ্থদিনা ৩৪.৪ অভাৰত ৪টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্য অতিক্ৰম কৰে। বংশজ শৰ্মাই ৪৩ ৰান আৰু আব্দুল চামাদে ৩০ ৰানৰ অপৰাজিত ইনিংছেৰে দলৰ জয় সহজ কৰি তোলে। জম্মু-কাশ্মীৰৰ জয়ৰ নায়কৰূপে উজলি উঠে মিডিয়াম পেচ বলাৰ আকিব নবি। মেচখনত তেওঁ মুঠতে ৯টা উইকেট দখল কৰাৰ লগতে প্ৰথম ইনিংছত ৪২ ৰানৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলিছিল। আজি চতুৰ্থদিনা দলটোক জয়ৰ বাবে ৮৩ ৰানৰ প্ৰয়োজন আছিল যদিও কালিৰ নট আউট বেটাৰদ্বয় শুভম পুন্দিৰ (২৭) আৰু অধিনায়ক পৰশ ডোগ্ৰা (৯) সোনকালেই আউট হয়। তাৰ পাছতে চামাদ আৰু বংশজে ধৈৰ্যশীল বেটিঙেৰে দলৰ জয় নিশ্চিত কৰে। উল্লেখ্য যে প্ৰথম ইনিংছত বংগই ৩২৮ ৰান কৰাৰ প্ৰত্যুত্তৰত জম্মু-কাশ্মীৰে ৩০২ ৰান কৰিছিল। বংগৰ হৈ তাৰকা পেচ বলাৰ মহম্মদ ছামিয়ে জম্মু-কাশ্মীৰৰ প্ৰথম ইনিংছত ৮টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত বংগ মাত্ৰ ৯৯ ৰানতে অল আউট হয়। জম্মু-কাশ্মীৰৰ হৈ আকিব নবি আৰু সুনীল কুমাৰে চাৰিটাকৈ উইকেট দখল কৰে। অলৰাউণ্ড প্ৰদৰ্শনৰ বাবে আকিব নবিয়ে 'প্লেয়াৰ অব দ্য মেচ' বঁটা লাভ কৰে। কোৱাৰ্টাৰ ফাইনেলত মধ্যপ্ৰদেশৰ বিৰুদ্ধে জয়তো নবিয়ে মুখ্য ভূমিকা লৈছিল। চলিত ছিজনত তেওঁ এইপৰ্যন্ত ৫৫টা উইকেট দখল কৰিছে। উল্লেখ্য যে ১৯৫৯-৬০ চনৰ ছিজনত ৰঞ্জী ট্ৰফীত অভিষেক ঘটিছিল জম্মু-কাশ্মীৰৰ। ১৯৮২-৮৩ চনত প্ৰথমবাৰ ছাৰ্ভিচেজক হৰুৱাইছিল দলটোৱে আৰু ২০১৩-১৪ চনত প্ৰথমবাৰ নক আউট পৰ্যায়ত উপনীত হৈছিল দলটো। চলিত ছিজনত প্ৰশিক্ষক অজয় শৰ্মা আৰু অধিনায়ক পৰশ ডোগ্ৰাৰ নেতৃত্বত দলটোৱে মুম্বাই, ৰাজস্থান, দিল্লী, হায়দৰাবাদ, মধ্যপ্ৰদেশ আৰু এতিয়া বংগক পৰাস্ত কৰি ফাইনেলত উপনীত হয়।

## নেদাৰলেণ্ডছ ১৭ ৰানত পৰাস্ত ■ ডুবেৰ বিস্ফোৰক ইনিংছ, বৰুণৰ বিধ্বংসী বলিং

# গ্ৰুপ পৰ্যায়ত অপ্ৰতিৰোধ্য ভাৰত



**আহমেদাবাদ, ১৮ ফেব্ৰুৱাৰী ঃ** টী-২০ বিশ্বকাপত জয়ৰ ধাৰা অব্যাহত ৰাখিছে টীম ইণ্ডিয়াই। আজি গ্ৰুপৰ নিজৰ অন্তিমখন মেচত সূৰ্যকুমাৰ যাদৱ বাহিনীয়ে নেদাৰলেণ্ডছক ১৭ ৰানত পৰাস্ত কৰে। টছত জয়ী হৈ ভাৰতে বেটিং কৰাৰ সিদ্ধান্ত লয়। আৰম্ভণি পিছে সুখকৰ নহ'ল। অ'পেনাৰ অভিষেক শৰ্মাই কোনো ৰান নকৰাকৈয়ে আজিও বিদায় লয়। আৰিয়ান দত্তই ব'ল্ড আউট কৰে তেওঁক। টুৰ্ণামেণ্টখনত তেওঁ খেলা তিনিওখন মেচতেই শূন্যতে আউট হৈছে। আনজন অ'পেনাৰ ঈশান কিষাণো দত্তৰ 'চিকাৰ' হয়। তেওঁ ১৮ ৰান কৰে। তিলক বাৰ্মাই ৩১, অধিনায়ক সূৰ্যকুমাৰ যাদৱে ৩৪ ৰান কৰে। শিৱম ডুবেই ৩১টা বলত ৬৬ ৰানৰ বিস্ফোৰক ইনিংছ খেলে। ৪টা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰেৰে তেওঁ ইনিংছটো সজায়। হাৰ্দিক পাণ্ডিয়াই ২১টা বলত ৩০ ৰান কৰে। নিৰ্দ্ধাৰিত ২০ অভাৰত ভাৰতে ৬ উইকেটত ১৯৩ ৰান কৰে। প্ৰত্যুত্তৰত নেদাৰলেণ্ডছে ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। ভাৰতৰ হৈ বৰুণ চক্ৰৱৰ্তীয়ে ১৪ ৰানত তিনিটা উইকেট দখল কৰে। শিৱম ডুবেই লাভ কৰে দুটা উইকেট। নেদাৰলেণ্ডছৰ হৈ বাছ ডে লীডেই সৰ্বাধিক ৩৩ ৰান কৰে। ইনিংছৰ শেষৰ ফালে জেক লিয়নে ২৬ আৰু নোৱা ক্ৰ'ছে ২৫ ৰান কৰি যুঁজ দিয়ে যদিও জয়ৰ বাবে সেয়া পৰ্যাপ্ত নাছিল। ভাৰতে গ্ৰুপৰ চাৰিওখন মেচতে জয়ী হৈ অপ্ৰতিৰোধ্য হৈ থাকিল। ছুপাৰ এইটত ভাৰতৰ প্ৰথম প্ৰতিদ্বন্দ্বী হ'ব দক্ষিণ আফ্ৰিকা।

## নামিবিয়া ১০২ ৰানত পৰাস্ত

# ছুপাৰ এইটত প্ৰৱেশ পাকিস্তানৰ



**কলম্বো, ১৮ ফেব্ৰুৱাৰী ঃ** নামিবিয়াক সহজেই পৰাস্ত কৰি পাকিস্তানে আজি ছুপাৰ এইটত স্থান নিশ্চিত কৰে। গ্ৰুপৰ নিজৰ অন্তিমখন মেচত পাকিস্তান ১০২ ৰানত জয়ী হয়। এনেদৰে অষ্টমটো দল হিচাপে দেশখনে ছুপাৰ এইটত প্ৰৱেশ কৰে। গ্ৰুপ 'এ'ৰ মেচখনত আজি পাকিস্তানে টছত জয়ী হৈ প্ৰথমে বেটিং কৰে আৰু নিৰ্দ্ধাৰিত ২০ অভাৰত তিনি উইকেটত সংগ্ৰহ কৰে ১৯৯ ৰান। প্ৰত্যুত্তৰত নামিবিয়াই ১৭.৩ অভাৰত ৯৭ ৰানতে অল আউট হয়। পাকিস্তানৰ হৈ উছমান তাৰিকে সৰ্বাধিক ৪টা উইকেট দখল কৰে। শ্বাদাব খানে দখল কৰে দুটা উইকেট। বেটিঙত পাকিস্তানৰ হৈ অ'পেনাৰ শ্বাহিবজাদা ফাৰহানে ৫৮টা বলত ১০০ ৰানৰ অপৰাজিত ইনিংছ খেলে। এয়া হৈছে টুৰ্ণামেণ্টখনৰ তৃতীয়টো চেঞ্চুৰী। শ্বাদাব খানে ৩৬ আৰু অধিনায়ক ছলমান আলী আগাই ৩৮ ৰান কৰে। নামিবিয়াৰ হৈ জেক ব্ৰেছলে দুটা উইকেট দখল কৰে। শতক অৰ্জনকাৰী শ্বাহিবজাদা ফাৰহানে লাভ কৰে 'প্লেয়াৰ অব দ্য মেচ' বঁটা। পাকিস্তানে ৪খনৰ ভিতৰত ৩খন মেচ জয়েৰে ছুপাৰ এইটত প্ৰৱেশ কৰে। আনহাতে নামিবিয়াই এখনো মেচত জয়ৰ সোৱাদ নোপোৱাকৈয়ে অভিযান সামৰিলে।

## বিশ্বকাপত আজিৰ খেল

- **ৱেষ্ট ইণ্ডিজ বনাম ইটালী**
  দিনৰ ১১ বজাৰ পৰা, স্থান ঃ কলকাতা
- **শ্ৰীলংকা বনাম জিম্বাবৱে**
  দিনৰ ৩ বজাৰ পৰা, স্থান ঃ কলম্বো
- **আফগানিস্তান বনাম কানাডা**
  সন্ধিয়া ৭ বজাৰ পৰা, স্থান ঃ চেন্নাই

## ছুপাৰ এইটৰ সূচী

| | |
|---|---|
| ২১ ফেব্ৰুৱাৰী — | নিউজিলেণ্ড বনাম পাকিস্তান |
| ২২ ফেব্ৰুৱাৰী — | শ্ৰীলংকা বনাম ইংলেণ্ড |
| ২২ ফেব্ৰুৱাৰী — | ভাৰত বনাম দক্ষিণ আফ্ৰিকা |
| ২৩ ফেব্ৰুৱাৰী — | জিম্বাবৱে বনাম ৱেষ্ট ইণ্ডিজ |
| ২৪ ফেব্ৰুৱাৰী — | ইংলেণ্ড বনাম পাকিস্তান |
| ২৫ ফেব্ৰুৱাৰী — | শ্ৰীলংকা বনাম নিউজিলেণ্ড |
| ২৬ ফেব্ৰুৱাৰী — | ৱেষ্ট ইণ্ডিজ বনাম দক্ষিণ আফ্ৰিকা |
| ২৬ ফেব্ৰুৱাৰী — | ভাৰত বনাম জিম্বাবৱে |
| ২৭ ফেব্ৰুৱাৰী — | ইংলেণ্ড বনাম নিউজিলেণ্ড |
| ২৮ ফেব্ৰুৱাৰী — | শ্ৰীলংকা বনাম পাকিস্তান |
| ১ মাৰ্চ — | জিম্বাবৱে বনাম দক্ষিণ আফ্ৰিকা |
| ১ মাৰ্চ — | ভাৰত বনাম ৱেষ্ট ইণ্ডিজ |

# একেৰাহে চাৰিখন মেচত জয় দক্ষিণ আফ্ৰিকাৰ

## ইউ এ ই ৬ উইকেটত পৰাস্ত



**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** একেৰাহে চতুৰ্থ জয় সাব্যস্ত কৰিলে দক্ষিণ আফ্ৰিকাই। চলিত টী-২০ বিশ্বকাপত আজিৰ দিনটোৰ প্ৰথমখন মেচত ইউ এ ইক প্ৰটিয়াজ বাহিনীয়ে সহজেই ৬ উইকেটত পৰাস্ত কৰে। টুৰ্ণামেণ্টখনত ইউ এ ইৰ এয়া একেৰাহে তৃতীয় পৰাজয়। দলটোৱে গ্ৰুপ পৰ্যায়ৰ পৰাই ইতিমধ্যে বিদায় লৈছে। ইফালে দক্ষিণ আফ্ৰিকাই ছুপাৰ এইটত স্থান নিশ্চিত কৰিছে। আজি ইউ এ ইয়ে প্ৰথমে বেটিং কৰি ২০ অভাৰত ৬ উইকেটত ১২২ ৰানহে কৰিবলৈ সক্ষম হয়। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৩.২ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ডেৱাল্ড ব্ৰেভিছে ৩৬ আৰু ৰায়ান ৰিকলটনে ৩০ ৰান কৰে। আনহাতে ইউ এ ইৰ হৈ আলিশ্বান চাৰাফুৱে সৰ্বাধিক ৪৫ ৰান কৰে। অধিনায়ক মহম্মদ ৱাছিমে কৰে ২২ ৰান। দক্ষিণ আফ্ৰিকাৰ হৈ কৰবিন বচে ১২ ৰানত ৩টা উইকেট দখল কৰে আৰু 'প্লেয়াৰ অব দ্য মেচ' বঁটা লাভ কৰে। উল্লেখ্য যে এইডেন মাৰ্কৰাম নেতৃত্বাধীন দলটোৱে গ্ৰুপৰ এখনো মেচত পৰাস্ত নোহোৱাকৈয়ে ছুপাৰ এইটলৈ অগ্ৰসৰ হৈছে। অহা দেওবাৰে ভাৰতৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাই ছুপাৰ এইটত প্ৰথমখন মেচ খেলিব।

ঘটনা সন্দৰ্ভত প্ৰধানমন্ত্ৰীৰ তদন্ত ঘোষণা

# অষ্ট্ৰেলিয়াত হোটেলত বাচন ধুবলগীয়া হৈছিল পাক হকী খেলুৱৈয়ে




**নতুন দিল্লী, ১৮ ফেব্ৰুৱাৰী ঃ** সদ্যসমাপ্ত অষ্ট্ৰেলিয়া ভ্ৰমণৰ সময়ত পাকিস্তানৰ হকী দলে মেচ খেলাৰ পূৰ্বে হোটেলত বাচন ধুবলগীয়া হৈছিল। বাথৰুমো পৰিষ্কাৰ কৰিবলগীয়া হৈছিল খেলুৱৈসকলে। এই গুৰুতৰ অভিযোগ পাক হকী দলৰ অধিনায়ক শ্বাকিল আম্মাদ বাটৰ। লাহোৰ বিমানকোঠত আজি অৱতৰণ কৰাৰ পাছতেই বাটে কয় যে পাকিস্তান হকী ফেডাৰেচনে তেওঁক মিছা কথা ক'বলৈ বাধ্য কৰিছে। 'ফেডাৰেচনৰ বৰ্তমানৰ কৰ্মকৰ্তাসকলৰ সৈতে আমি আৰু কাম কৰিব নোৱাৰিম। যেতিয়া খেলুৱৈসকলে মেচ খেলাৰ পূৰ্বে বাচন ধুবলগীয়া হয়, পাকঘৰ পৰিষ্কাৰ কৰিব লগা হয় তেতিয়া খেলুৱৈৰ পৰা কি আশা কৰিব পৰা যায়?' — পাক হকী দলৰ অধিনায়কজনে প্ৰশ্ন কৰে। ইফালে পাকিস্তান ক্ৰীড়া ব'ৰ্ডে সদৰি কৰিছে যে অষ্ট্ৰেলিয়াৰ হোটেলত পাক খেলুৱৈসকলক থকা-খোৱাৰ সুব্যৱস্থা কৰি দিবলৈ ১ কোটিৰো অধিক ধন তেওঁলোকে দিছে। ইফালে পাক হকী দলে ছিডনী বিমানকোঠত ১৩-১৪ ঘণ্টা অপেক্ষা কৰিবলগীয়া হৈছিল কেনবেৰাৰ বিমানৰ বাবে। তাৰ পাছত হোটেলত উপস্থিত হোৱাৰ পাছত খেলুৱৈসকলে জানিব পাৰিছিল যে তেওঁলোকৰ নামত হোটেলত বুকিং কৰাই হোৱা নাই। বহু সময়ত ৰাজপথতে ঘূৰা-ফুৰা কৰিবলগীয়া হৈছিল খেলুৱৈসকলে। এফ আই এছ প্ৰ' লীগ হকী মেচ খেলিবলৈ গৈছিল পাক দলটো। অষ্ট্ৰেলিয়া লেগত আটাইকেইখন মেচত পৰাস্ত হৈ দলটো উভতি আহে। এতিয়া খেলুৱৈসকলে সন্মুখীন হোৱা দুৰ্যোগৰ অভিযোগ সন্দৰ্ভত পাক প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফে তদন্তৰ নিৰ্দেশ দিছে।

খেলো ইণ্ডিয়া ট্ৰাইবেল গেম্‌ছ-২০২৬

# অসমৰ ৭ সাঁতোৰ, ১৪গৰাকী মল্লযুঁজ খেলুৱৈ নিৰ্বাচিত


দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** উদ্বোধনী বৰ্ষৰ খেলো ইণ্ডিয়া ট্ৰাইবেল গেম্‌ছৰ দ্বিতীয় পৰ্যায়ৰ বাছনি প্ৰতিযোগিতাৰ জৰিয়তে অসমৰ ৭গৰাকী সাঁতোৰ আৰু ১৪গৰাকী মল্লযুঁজ খেলুৱৈ মূল প্ৰতিযোগিতালৈ নিৰ্বাচিত হৈছে। নিৰ্বাচিত খেলুৱৈসকল সাঁতোৰৰ পুৰুষত— এনড্ৰিক ৰেলচন তেৰাং, নিবিড় নীলিম ক্ৰ', ৰক্তাভ সোণোৱাল, সন্তোষ নাৰ্জাৰী, চৰ্মেন তেৰাং; মহিলাত এঞ্জেলিনা সোণোৱাল আৰু ভায়লীনা ক্ৰ'। মল্লযুঁজৰ পুৰুষত ৰঞ্জয় দৈমাৰী, কৃষ্ণ কিলিং, থুলুংগা নাৰ্জাৰী, সুগথাং নাৰ্জাৰী, আকাশ কাৰদং, বসন্ত পাটগিৰি, এলবাৰ্ট বসুমতাৰী; মহিলাত মিট্ৰিকা বসুমতাৰী, প্ৰীতিমা খাখলাৰী, মুনমী দলে, এনিশা বসুমতাৰী, দেবী দৈমাৰী, মঞ্জিৰ বেপী আৰু কাঞ্চন বড়ো।

# মিনি ৰাষ্ট্ৰীয় ৰোল বললৈ অসম দল

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ১৮ ফেব্ৰুৱাৰী ঃ** তামিলনাডুৰ তিৰুচিৰাপল্লীত অহা ২১-২৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া মিনি ৰাষ্ট্ৰীয় ৰোল বল চেম্পিয়নশ্বিপত অংশগ্ৰহণৰ বাবে অসমৰ ল'ৰা-ছোৱালীৰ দলটো কাইলৈ ৰাওনা হ'ব। উল্লেখ্য যে অসমৰ ছোৱালীৰ দলে বিগত বৰ্ষত চেম্পিয়ন আৰু ল'ৰাৰ দলে ৰূপৰ পদক অৰ্জন কৰিছিল। দলটো (ছোৱালী) হৰ্ষিকা ৰয় (অধিনায়ক), নিষ্ঠা চলিহা, ৰিধিশা শৰ্মা, ক্ৰিষ্টিনা কাশ্যপ, গৌৰীশিকা কলিতা, তিষ্ঠা কলিতা, আদ্ৰিতা চেটাৰ্জী, সোণাক্ষী মেচ, মাৰভি দাস, প্ৰণামিকা বেজবৰুৱা, আদৃতি পাল আৰু জেছিকা ৰয়; (ল'ৰা) মৌৰ্য দাস (অধিনায়ক), নিয়ৰ হাজৰিকা, মিলন বৰদলৈ, আয়ুষ বড়ো শৰ্মা, শ্ৰীয়ানশ ওঝা, মিভান বৰুৱা, ব্যোম চক্ৰৱৰ্তী, শ্লোক সন্থালিয়া, ডানিশ আয়ান বৰুৱা, নব্যাম নিহান বৰা, হিৰকজ্যোতি গগৈ আৰু কৃশাংগ বৰদলৈ।




দৈনিক অসম প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক কিশোৰ বৰাৰ হৈ জ্যোতিষ পৱন বৰদলৈৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিংছ, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ৮৮১১৮-৮১০২৪, ০৩৬১-৩২৪৪৬৩৩। ই-মেইল ঃ dainikasam@gmail.com, dainikasam.marketing@gmail.com
কাৰ্যবাহী সম্পাদক ঃ শংকৰ লস্কৰ